# ডিব্ৰুৱান

Annual Journal of Dibru College, 2006-07





সম্পাদকঃ

দুৰ্লভ গগৈ

# ডিব্ৰু কলেজ আলোচনী

(২০০৬-২০০৭ বৰ্ষ)

প্ৰতি,

..............................................................................

..............................................................................ৰ হস্তত।

সম্পাদক ঃ দুৰ্লভ গগৈ

আলোচনী বিভাগ

২০০৬-০৭ বৰ্ষ

**DIBRU COLLEGE ALOCHANI :** The Annual College Magazine edited by Durlav Phukan and published by Dibru College Students' Union on behalf of The Dibru College, Dibrugarh-786001 and printed at Swadhinata Offset Press, K. C. Gogoi Path, Dibrugarh (Assam)

# ডিব্ৰুয়ান

(২০০৬-২০০৭ বৰ্ষ)

## সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীযুত মীৰেন বৰবৰা |
| মুখ্য উপদেষ্টা | ঃ | ড° ৰুণুমা শৰ্মা |
| উপদেষ্টা | ঃ | শ্ৰীযুতা নন্দিতা বৈশ্য |
| সম্পাদক | ঃ | দুৰ্লভ গগৈ |
| শিক্ষক সদস্য | ঃ | মনোজ শৰ্মা |
| ছাত্ৰ সদস্য / সদস্যা | ঃ | উজ্জ্বল সোনোৱাল, নিৰজ সোনোৱাল, ধ্ৰুৱজ্যোতি লাহন, পৰী কোঁৱৰ, ইলা মেছ, চিৰঞ্জন কলিতা, মাধৱ ভূএগ, গকুল হাজৰিকা, লম্বিত সোনোৱাল। |
| প্ৰকাশ কাল | ঃ | শিক্ষাবৰ্ষ ২০০৬ - ০৭ |
| বেটুপাত অলংকৰণ | ঃ | গিৰিণ গগৈ |
| ছপাশাল | ঃ | স্বাধীনতা অফছেট প্ৰেছ<br>কে. চি. গগৈ পথ, গাভৰুপথাৰ<br>ডিব্ৰুগড় (অসম)<br>ফোন ঃ ৯৮৫৪০১৪৭৪০, ৯৯৫৭৩৩৩৬০৭ |

# উছৰ্গা



ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় নন্দলাল বৰগোঁহাইদেৱৰ পবিত্ৰ স্মৃতিত এই সংখ্যা 'ডিব্ৰুয়ান' শ্ৰদ্ধাৰে উৰ্হ্গা কৰা হ'ল।

।। সম্পাদনা সমিতি ।।



*এক ঃ সাহিত্য আৰু সাহিত্যৰ চিন্তা ........*

সহিত্য কি? এই সাহিত্যই সমাজ জীৱনত কেনে প্ৰভাৱ পেলায়? সাহিত্যৰ অবিহনে সমাজ আৰু সমাজ অবিহনে সাহিত্য এই চিন্তাও কেতিয়াবা কোনোবাই কৰি চাইছেনে? অস্কাৰ ৱাইণ্ডয়ে কৈছিল সাহিত্য সদায় জীৱন আৰু সমাজৰ লগত জড়িত। জীৱন অবিহনে সমাজ আৰু সমাজ অবিহনে জীৱনৰ কথা এবাৰো কল্পনা কৰিব নোৱাৰি। সমাজৰ প্ৰতিটো অংগ ভালেই হওক বা বেয়াই হওক ইয়াক সদায়ে সহিত্যই ধৰি ৰাখে। সাহিত্যত থাকে জীৱনৰ অভিজ্ঞতা সমাজৰ ছবি। অৱশ্যে বিশিষ্ট পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে কৈছে যে অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটলগ বা যাদুঘৰ নহয়। নিৰ্বাচন কৌশল কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সজুলি গঢ়ি পিটি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়। ৰসৰাজ লক্ষীনাথ বেজবৰুৱাই কৈ গৈছে যে সাহিত্যত জাতীয় জীৱনৰ প্ৰতিচ্ছবি ফুটি উঠে। জাতীয় সাহিত্য জাতীয় জীৱনৰ ধৰণী মাথোন। যি জাতীয় জীৱনত মুক্ত আৰু স্বাধীন সেই জাতিৰ সাহিত্য মুক্ত আৰু স্বাধীন। মেক্সিম গৰ্কিয়ে কৈছে যে মানুহক অধ্যয়ন কৰিব জানিলেই প্ৰকৃত জ্ঞান লাভ হয়। আৰু উপলব্ধিয়েই সাহিত্য সৃষ্টিৰ মূল উপাদান। সাহিত্য সম্পৰ্কে যিয়েই যি নকওক সাহিত্য যে সমাজ, সংস্কৃতি, অৰ্থনীতি, যুদ্ধ-বিগ্ৰহ, ঘটনা-পৰিঘটনা অংকিত কৰা বুৰঞ্জীৰ দাপোন সেই কথা একে আষাৰতে ক'ব পাৰি। সমাজ জীৱনৰ প্ৰতিচ্ছবি ধৰি ৰাখিবলৈ, সত্যৰ অন্বেষণ কৰিবলৈ কবি-সাহিত্যিকসকলে কলম ধৰা উচিত। সাহিত্যৰ উৰ্বৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিবলৈ বিভিন্ন প্ৰকাৰে সকলোৱে চেষ্টা নকৰাকৈ নাথাকে। যুগে যুগে এই চেষ্টা চলি আহিছে। কিন্তু সাহিত্যৰ ক্ষেত্ৰখন যে মন্দিৰৰ দুৱাৰৰ দৰে, মন্দিৰত যেনেদৰে সকলো লোকৰে প্ৰৱেশৰ অধিকাৰ থাকে তেনেদৰে কবি সাহিত্যিকৰ দুৱাৰো সকলোৰে বাবে খোলা থাকে সাহিত্য ক্ষেত্ৰখনত। কাৰোবৰ ষড়যন্ত্ৰ বা কাৰোবাৰ ধমকিত এই দুৱাৰ বন্ধ হৈ নাযায়। যিয়ে যেনেকৈ লিখক সাহিত্যিকক বাধা নিদিয়ক সেই বাধা এদিন ওফৰি দাস্তবিনত পৰিবয়। লিখক সাহিত্যিকৰ কলম কেতিয়াও ৰুদ্ধ নহয়। চলমান ৰুশ্বডি, তছলিমা নাচৰিন আদি লেখক সাহিত্যিকক কোনোবাই জানো বাধা দি ৰাখিব পাৰিছে। তেওঁলোকে মৃত্যুলৈ ভয় নকৰি সাহিত্য সৃষ্টিত কৰিয়েই আছে। কোনো শক্তিয়ে তেওঁলোকক বাধা দিব পৰা নাই। মালখানাতহে সকলোৱে প্ৰৱেশ কৰিব নোৱাৰে, সাহিত্যৰ ক্ষেত্ৰত সকলোৰে পথ মুকলি থাকে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ ক্ষেত্ৰখনত প্ৰৱেশৰ বাবে চেষ্টা চলোৱা উচিত, উন্নত সাহিত্য ৰচনাত মনোনিৱেশ কৰা উচিত। সাহিত্যৰ সৃষ্টিয়ে সমাজৰ গতিক ত্বৰান্বিত কৰিব। সেই কাম স্কুল-কলেজৰ দিনৰ পৰাই কৰিব লাগে। তেনে লিখক ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক জীৱনে গতিশীলতা পাব, ক্ৰমে ধাউতি বাঢ়িব।

*দুই ঃ সমাজ জীৱনৰ সপোন ....*

আমি এতিয়া আহি আহি একৈছ শতিকাত ভৰি দিলোহি। একৈছ শতিকাত এতিয়া তথ্য-প্ৰযুক্তিৰ বিস্ফোৰণ ঘটিছে। তথ্য-প্ৰযুক্তিৰ এই জয়জয়কাৰ সময়ত আমি কেনে এখন বিশ্বত বাস কৰিছো সেয়া কোনেও নুবুজাকৈ থকা নাই। ভাৰতে এতিয়া অকলশৰে চন্দ্ৰলৈ যান পঠিয়াই ভাৰতবৰ্ষই ২০২০ চনত বিশ্বৰ ভিতৰত সৰ্বশক্তিমান হ'বলৈ আগবাঢ়ি গৈছে। এই বিশ্বৰ একোণত থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্বৰ উন্নত চাৰিখন বিশ্ববিদ্যালয়ৰ শাৰীতে শাৰী পোনাই মহাকাশত ঘূৰিফুৰা মহাকাশচাৰীৰ সৈতে পোনপতিয়াকৈ কথা পাতিবলৈ সক্ষম হৈছে। মহাকাশত সমাজ পাতিবলৈ এতিয়া সকলোৱে প্ৰতিযোগিতাত নামি পৰিছে। তথ্য প্ৰযুক্তিৰ বিস্ফোৰণে সমাজৰ সকলো প্ৰতিচ্ছবি এতিয়া সলনি কৰিবলৈ সক্ষম হৈছে। যিয়ে প্ৰতিযোগিতাৰ পৰা আঁতৰি আছে সিয়ে পিছ পৰি ৰৈছে আৰু যিয়ে তুমুল প্ৰতিযোগিতাত নামিছে সি আগবাঢ়ি গৈছে। কোনোও কাৰোলৈ ৰৈ থকা নাই। প্ৰতিযোগিতাৰ এই ধামখুমীয়াত আমি সকলোৱে সমভাৱে বিশ্বৰ জনগণৰ সৈতে আগবাঢ়ি যাবই লাগিব। বিশ্বৰ কোনো এটা অঞ্চল কোনো পথ্যে পিছ পৰি থকা কাৰোৰেই বাবে কাম্য নহয়। আজি এই ব্যৱস্থাই গোটেই বিশ্বকে এটা সৰু চুবুৰীলৈ ৰূপান্তিৰিত হৈছে। গতিকে আমি এটা চুবুৰীত কাম কৰি বিশ্ব ভাতৃত্ব আৰু সমতা বৰ্তাই কাম কৰি যাবই লাগিব। আমি আমাৰ হীনমন্যতা আঁতৰাবলৈ জাতি ভেদ প্ৰথা, গোষ্ঠীগত সংঘৰ্ষ, উচ্চ-নীচ ভাব মনৰ পৰা আঁতৰাব লাগিব। এনে নীচাত্মিকতা মনোভাৱ আঁতৰ নকৰিলে আমি বিশ্বৰ জনগণৰ স'তে, উন্নত বুলি দাবী কৰা দেশসমূহৰ স'তে অগ্ৰসৰ হ'বলৈ সক্ষম নহম। এনেও আমি বিশ্বৰ স'তে আগাবঢ়ি যোৱাত বহু পাছ পৰি আছো। আমাৰ নীচাত্মিকতা মনোভাৱৰ বাবে আৰু যদি পাছ পৰি যাওঁ তেন্তে শিখৰত উপনীত হৈ উন্নত দেশসমূহৰ জনগণে আমালৈ চাই ভেঙুচালি কৰি হাঁহিব আৰু ক'ব — 'তোমালোকে উচ্চ নীচ, জাতিগত নীচাত্মিকতা, ধৰ্মীয় নীাত্মিকতা, বোমাবাৰুদ, যুদ্ধ-বিগ্ৰহত লাগি থকা বাবেই পিছ পৰি ৰ'লা।" সেয়ে আমি মনৰ পৰা নীচাত্মিকতা মনোভাৱ আঁতৰাবই লাগিব। আমি বহল মনৰ গৰাকী হ'বলৈ চেষ্টা কৰিব লাগিব। উন্নয়নৰ গতি ত্বৰান্বিত কৰিবৰ বাবে পথ বিচাৰিব লাগিব।

*তিনি ঃ জাতীয় আন্দোলনৰ চিন্তা ....*

আমি এক জাতীয় আন্দোলনৰ কথা চিন্তা কৰিব নোৱাৰোনে? সেই আন্দোলনৰ উদ্দেশ্য হ'ব সকলো জাতি, জনগোষ্ঠী, ধৰ্মৰ উত্তৰণ ঘটোৱা। সেই আন্দোলনৰ নেতৃত্ব ল'ব লাগিব সকোল জাতি সম্প্ৰদায়, গোষ্ঠী, ধৰ্মীয় সংখ্যালঘু, সংখ্যাগুৰু আদি নেতাসকলে উমৈহতীয়াভাৱে একগোট হৈ। আমি কিয় সকলোৱে একেখন মঞ্চত ঠিয় হৈ চাহ জনজাতিসকলৰ উন্নয়নৰ বাবে মাত মাতিব নোৱাৰো, চিঞৰিব নোৱাৰো। আমি একে স্বৰে কিয় চুতীয়া, আহোম, মৰাণ, মটক, মিচিং, কছাৰী, ৰাজবংশী, ব্ৰাহ্মীণ, কোঁচ, কৈৱৰ্ত, নেপালী, বেংগলী, হিন্দীভাষী, অহিন্দীভাষ আদিৰ বাবে মাত মাতিব নোৱাৰো। আমি যে বেলেগে বেলেগে আহোমে আহোমৰ বাবে, চুতীয়াই চুতীয়াৰ বাবে, মৰাণে মৰাণৰ, মটকে মটকৰ, কছাৰীয়ে কছাৰীৰ, চাহজনগোষ্ঠীয়ে চাহজনগোষ্ঠীৰ, ধৰ্মীয় সংখ্যালঘূৱে ধৰ্মীয় সংখ্যালঘূৰ বাবে উন্ননয়ৰ বাবে বেলেগে বেলেগে মাতমাতো কিয়? আমি সকলোৱে এক হৈ সকলোৰে বাবে উন্নয়নৰ চিন্তা কৰিব নোৱাৰো কিয়? আমি একেখন মঞ্চত সকলোৱে একেলগে ঠিয় হ'ব নোৱাৰো কিয়? আমাৰ দুৰ্বলতা কত? চাহ জনগোষ্ঠীয়েই হওক বা ব্ৰাহ্মীণ, ক্ষুদ্ৰ, মুছলিম, খ্ৰীষ্টান, হিন্দু বা জৈন, শিষ যিয়েই নহওক সকলোৱে উন্নতি হ'ব লাগে, সকলোৱে বিশ্বৰ স'তে সমানে আগবাঢ়ি যাব লাগে। কিন্তু বেলেগে বেলেগে মঞ্চ সাজি আন্দোলন কৰি নেতা সৃষ্টি কৰি বিভেদৰ বীজ সিঁচি এই উন্নতিৰ কুচকাৱাজ কিয়? অসমত শেহতীয়াকৈ পৃথকতাবাদী নেতৃত্ব, নেতৃত্বৰ খোৱাকামোৱা আদি দেখি শিৰ লজ্জানত কৰি থাকিব লগা হৈছে। এনে ধাৰা অব্যাহত থাকিলে অসমখন বাৰু এদিন থাকিবগৈনে? এনে সন্দেহ বহুতৰ মনত নেখেলোৱাকৈ থকা নাই। ইমান যে আঙুলিৰ মূৰত লেখিব নোৰৱাকৈ দল-সংগঠন কিয়? এই দল-সংগঠনসমূহৰ উদ্দেশ্য হৈছে অসমৰ উন্নতি কৰা। কিন্তু হৈছেনে? ইমানবোৰ দল-সংগঠনে চিঞৰি থকা পাছতো অসমৰ সমস্যাৰ অন্ত নাই। দুৰ্নীতিয়ে সমাজ জীৱনক গ্ৰাস কৰাৰ উপৰিও খহনীয়াই ভূ-খণ্ড নিচিহ্ন কৰিছে। বিদেশীয়ে দেশ ভৰি পৰিছে, নিবনুৱাই চাকৰী বিচাৰি হাঁহাকাৰ কৰিছে, চুবুৰীয়া ৰাজ্য আৰু দেশে ভূমি বেদখল কৰিছে, বোমা ফুটাই মৌলবাদীয়ে মানুহ পাইকাৰীহাৰত মাৰিছে। আমি একেখন মঞ্চত সকলোৱে থিয় নোবোৱাৰ বাবেই এইবোৰ হৈছে সেয়া ডাঠিকৈ কোনোবাই ক'ব পাৰিবনে? আহক আমি ভিন্ন মন আৰু মত ত্যাগ কৰি দেশৰ, ৰাজ্যৰ উন্নতিৰ বাবে একেখন মঞ্চত থিয় হৈ জাতীয় আন্দোলনৰ অংশিদাৰী হওঁ। আমি পোনৰ কওঁ অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল। য'ত নাথাকিব জাতিভেদ, ধৰ্মগোষ্ঠীৰ পৃথকীকৰণৰ মন আৰু চিন্তা ।

*চাৰি ঃ সুখৰ আধাৰ, সুখৰ অনুভূতি ......*

সম্প্ৰতি সমগ্ৰ বিশ্ব তীব্ৰ প্ৰতিযোগিতাত নামি পৰিছে এই বিষয়ে আগতেই আলোচনা কৰা হৈছে। এই প্ৰতিযোগিতাত ব্ৰতী হৈ অনেক জনে সুখ বিচাৰি ফুৰিছে দিনে নিশায়। কিন্তু সুখ যে মানুহে সৃষ্টি কৰা তেওঁৰেই কৰ্মৰ সমষ্টি সেই কথা বহুতেই উপলব্ধি নকৰে। নিজৰ চেষ্টাৰ বলত সুখৰ সৌধত গৈ উপস্থিত হয়গৈ। কিন্তু দেখা যায় যে আমাৰ নৱপ্ৰজন্মৰ এটা অংশই সুখৰ অনুভূতি ক্ৰমে নুবুজা হৈ আহিছে। এইটো হৈছে বিশেষকৈ জ্ঞান আৰু প্ৰজ্ঞাৰ অভাৱত। যুৱ প্ৰজন্মই জ্ঞানৰ পিছত দৌৰিবলৈ চেষ্টা নকৰে। তেনেদৰে প্ৰজ্ঞাৰ সাধনাত ব্ৰতী নহয়। জ্ঞান আৰু প্ৰজ্ঞা সাধনাৰ অভাৱত যুৱক-যুৱতীসকলে সমাজৰ দুখ, অনুভূতি, কাৰুণ্যভাৱ

বুজিবলৈ সক্ষম নহয়। সমাজৰ বেদনা কি আজি যুৱ প্ৰজন্মই বুজিবলৈ অকণো চেষ্টা নকৰাৰ ফলত সমাজৰ অভাৱসমূহ পূৰণ কৰিবলৈ সক্ষম নহয়। সমাজৰ আজি একাংশ যুৱ প্ৰজন্মই প্ৰেম, দয়া, মমতাৰ পৰা আঁতৰি গৈছে। যুৱ প্ৰজন্মৰ অধিকাংশই আজি প্ৰেম মানে কেৱল শাৰীৰিক প্ৰেম, দৈহিক প্ৰেম আদিক বুজিবলৈ লৈছে। ৰামায়ণ মহাভাৰতৰ দিনৰ পৰা চলি অহা অনুভূতিজনিত প্ৰেম আজি লুপ্ত পাইছে। কেৰিয়াৰ সম্পৰ্কেও আজিকালি অধিকাংশ ছাত্ৰ-ছাত্ৰী সচেতন নহয় যেন বোধ হয়। আই এ এছ, আই পি এছ, আই এফ এচ আদি প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ বহু ছাত্ৰ-ছাত্ৰী অপাৰগ। এই পৰীক্ষাসমূহৰ বিষয়ে বহু ছাত্ৰ-ছাত্ৰীয়ে মূঠেই নাজানে। অধ্যয়নক অৱহেলা কৰা বাবে ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ জ্ঞানৰ পৰা বহুত নিলগত। এনে দুৰ্বলতাসমূহ আঁতৰ কৰিবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি আহিবই লাগিব। বিশ্ব বিদ্যালয়সমূহে প্ৰদান কৰা দ্বৈত ডিগ্ৰী গ্ৰহণৰ পৰাও আমাৰ ছাত্ৰ-ছাত্ৰীসকল বহু নিলগত। তাৰোপৰি কেৰিয়াৰ সচেতন, জাৰ্নেলিজিম, টুৰিজিম, বিউটিচিয়ান, হোটেল মেনেজমেণ্ট, অডিঅ'গ্ৰাফি, চাউণ্ডইঞ্জিয়াৰিং, ডিপিটি, ম'বাইল ৰিপেয়াৰিং, ৰেডিঅ', টিভি, কম্পিউটাৰ মেৰামতি আদি শিক্ষা ল'ব পৰা সুবিধা থকা স্বত্বেও আমাৰ ছাত্ৰ-ছাত্ৰীসকল বহুতেই ইয়াৰ পৰা নিলগত। দ্বৈত শিক্ষাৰ বাবে অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে মনোনিৱেশ নকৰে। উপযুক্তভাৱে সংস্থাপন পাবলৈ মাৰ্কেটিং মেনেজমেণ্ট, কল চেণ্টাৰৰ প্ৰশিক্ষণ, ৰিটেল মেনেটমেণ্ট, ফেচন ডিজাইনিং আদি শিক্ষা ল'বলৈ ছাত্ৰ-ছাত্ৰীসকল দৃষ্টিভংগী সলনি হ'ব লাগিব তেহে যুৱক-যুৱতীসকলৰ সুখৰ আধাৰ আৰু সুখৰ অনুভূতিয়ে মন প্ৰফুল্লিত কৰিব।

*পাঁচ ঃ এখন প্ৰদূষণ মুক্ত পৃথিৱীৰ সপোন...............*

সমগ্ৰ বিশ্বত এতিয়া প্ৰদূষণৰ সংকটে দেখা দিছে। ভয়াবহ প্ৰদূষণৰ ফলত পৃথিৱীৰ পৰিৱেশ মানুহৰ, জীৱজগতৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰিছে। বিশ্বত এতিয়া "গ্ৰীণ হাউচ এফেক্ট" ৰ পৰিণতিত দিনে দিনে পৃথিৱীৰ বসবাসৰ বাবে মানুহে চিন্তা কৰিবলগীয়া হৈছে। মাটি, পানী, বায়ু সকলোতে প্ৰদূষণ ৰ সৃষ্টি হৈছে। প্ৰদূষণৰ ফলত মানৱ জাতিৰ ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈছে যদিও আমি এই ক্ষেত্ৰত কিমান সচেতন? আমি ছাত্ৰ সমাজে প্ৰদূষণৰ বিৰুদ্ধে কিমান সজাগ আৰু কি কৰিব পাৰিছো? প্ৰদূষণে সৃষ্টি কৰা এই সংকটৰ সময়ত আমি ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবই লাগিব। আহক আমি প্ৰদূষণ মুক্ত এক সমাজ গঢ়ি তোলো।

*ছয় ঃ ডিব্ৰুৱানৰ সপোন, শলাগৰ শৰাই ইত্যাদি .........*

ডিব্ৰুৱান সম্পাদনাৰ দায়িত্বৰ বাবে সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি এই সুযোগ প্ৰদান কৰাৰ বাবে মোৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ এই আপাহতে ধন্যবাদ জনালো। ডিব্ৰুৱানখন উৎকৃষ্ট মানৰ কৰিবলৈ চেষ্টা চলোৱা হৈছিল। কিন্তু ৰচনাসমূহ সময়মতে সংগ্ৰহ নোহোৱাত মোৰ সপোন বহুখিনি বাস্তৱত পৰিণত নহ'ল। বিশেষকৈ লেখা বিচাৰি চিঠি দি, জাননী জাৰি কৰি, টেলিফোনেৰে অনুৰোধ কৰাৰ পিছতো লিখনিসমূহ হাতলৈ সময়মতে নাহিল। সেয়ে ডিব্ৰুৱান যেনেদৰে সজাম বুলি আশা কৰা হৈছিল সেইদৰে সজোৱা নহ'ল কেৱল সময়ৰ অভাৱত। তথাপি লেখাসমূহ ডিব্ৰুৱানখন সজাবলৈ যোগাৰ কৰি দিয়াৰ বাবে লেখক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সকলো কৰ্মচাৰীকে ধন্যবাদ জ্ঞাপন কৰিলো। ডিব্ৰুৱান সজাবলৈ মোৰ ছাত্ৰবন্ধু ধ্ৰুৱ জ্যোতি, নীৰজ, ৰঞ্জন, পৰী, ইলা, হিমাংশু, উজ্জ্বলৰ লগতে মোৰ শিক্ষাগুৰু বাণিজ্য বিভাগৰ জ্যেষ্ঠ অধ্যাপক তথা বিশিষ্ট স্তম্ভ লেখক ড° শশীকান্ত শইকীয়া, শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা কবি ড° ৰুণুমা শৰ্মা, নন্দিতা বৈশ্য, মনোজ শৰ্মা আদিয়ে ডিব্ৰুৱানখন সজাই তোলাত যথেষ্ট সহায় কৰি দিলে তাৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰ ঋণী। তাৰোপৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ মীৰেণ বৰবৰা, উপাধ্যক্ষ ড° বিপুল কুমাৰ বৰুৱাৰ দিহা-পৰামৰ্শ স্বীকাৰ কৰিবই লাগিব। প্ৰচ্ছদ পৰিকল্পনাৰ কৰি দিয়াৰ বাবে পৰাগ বৰুৱাক কৃতজ্ঞতা জনালো। ডিব্ৰুৱানখন সম্পূৰ্ণ নহ'লহেঁতেন যদিহে স্বাধীনতা অফছেটে আলোচনীখন সময়মতে ছপা কৰি নিদিলেহেঁতেন। সেয়ে স্বাধীনতা অফছেটৰ স্বত্বাধীকাৰি পৰাগ বৰুৱাৰ লগতে সমূহ কৰ্মচাৰীলৈ কৃতজ্ঞতা জনালো। আৰু শেষত আলোচনীখন সম্পাদনাত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোলৈ ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

বিনীত

দুলৰ্ভ গগৈ

আলোচনী সম্পাদক



## শুভেচ্ছাবাণী

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিবছৰে প্ৰকাশ কৰি অহাৰ দৰেই এই বছৰো মহাবিদ্যালয়ৰ মুখপত্ৰ আলোচনী ডিব্ৰুৱানৰ ২৬ তম সংখ্যা প্ৰকাশ কৰিব লোৱাত মই ছাত্ৰ সভাৰ সভাপতি হিচাপে আনন্দিত হৈছো। আলোচনীখনত প্ৰকাশ হ'বলগীয়া বিভিন্ন কবিতা, প্ৰবন্ধ, গল্প ইত্যাদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা প্ৰতিফলিত হয়। মই আশা কৰিছো বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিভৃত কোনত জমা হৈ থকা বিভিন্ন ভাৱৰাশিৰে এখন উচ্চমানৰ আলোচনী প্ৰকাশতঅৰিহনা যোগাব।

মই কামনা কৰিছো যে ডিব্ৰুৱানে সুন্দৰকৈ আত্মপ্ৰকাশ কৰাৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নতি কৰাত সহায়ক হ'ব। আলোচনীখন সুৰুচিপূৰ্ণ সাহিত্য আৰু সজ চিন্তাৰ সম্ভাৰ হৈ ওলাওক তাকে আশা কৰি মোৰ শুভেচ্ছা জনালো।

**শ্ৰীযুত মীৰেন বৰবৰা**
**অধ্যক্ষ (ভাৰপ্ৰাপ্ত)**
**ডিব্ৰু মহাবিদ্যালয়**
**ডিব্ৰুগড়।**

# A Section of Teaching Staff of Dibru College





A section of non teaching staff of Dibru College



A section of Office Bearer of Dibru College Student Union



ডিব্ৰু মহাবিদ্যালয় পৰিয়ালৰ যি গৰাকীয়ে আমাক আধাতে কন্দুৱাই নিঃসহায় কৰি এৰি থৈ গ'ল সেই গৰাকী 'আশাপূৰ্ণা'ৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো। 'আশাপূৰ্ণা' ৰ মৃতুত কেৱল ডিব্ৰু মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলেই নহয়, বহু সম্ভাৱনাপূৰ্ণ প্ৰতিভাৱান এই ছাত্ৰী গৰাকীৰ অকাল মৃত্যুত সমূহ ডিব্ৰু মহাবিদ্যালয়ৰ পৰিয়ালেই শোকত ভাগি পৰিছে। 'আশা' ৰ আত্মা যতেই নাথাকক, কুশলে থাকক।

## ডিব্ৰু মহাবিদ্যালয়ৰ গৌৰৱ



ডিব্ৰু মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তথা প্ৰতি বুধবাৰ প্ৰকাশিত 'অগ্ৰদূত' কাকতৰ 'নেপথ্যস্বৰ' আৰু প্ৰতি শুক্ৰবাৰে প্ৰকাশিত 'দৈনিক প্ৰতিক্ষণ' ৰ 'নেপথ্যৰ ভাষণ' স্তম্ভ লেখক ড° শশীকান্ত শইকীয়াক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে "A STUDY ON THE PROBLEMS AND PROSPECTS OF TOURISM INDUSTRY IN THE DISTRICTS OF SIVASAGAR, DIBRUGARH AND TINSUKIA IN UPPER ASSAM " শীৰ্যক বিষয়ৰ গৱেষনাৰ বাবে Ph.D. ডিগ্ৰী প্ৰদান কৰিছে। ডিব্ৰু মহাবিদ্যালয়ৰ বানিজ্য বিভাগৰ অধ্যাপক ড° শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অধ্যাপক ড° এ. আৰ এম. ৰহমানৰ অধীনত গৱেষণা কৰিছিল। ডিব্ৰুগড় গান্ধী নগৰ, গান্ধী পথ নিবাসী ড° শইকীয়া প্ৰয়াত হৰিপদ শইকীয়া আৰু সুনীতি শইকীয়াৰ চতুৰ্থ পুত্ৰ। উল্লেখ্য যে ড° শইকীয়াই ইতিমধ্যে 'অসমীয়াই সত্যৰ মুখামুখী হ'বলৈ সাহস কৰক' আৰু 'মৃত্যুৰ উপত্যকাত নৱৈ দিন' শীৰ্যক দুখন গ্ৰন্থ প্ৰকাশ পোৱাৰ লগতে আৰু কেইবাখনো গ্ৰন্থ যন্ত্ৰস্থ হৈ আছে।



মহাবিদ্যালয়ৰ অধ্যক্ষৰ বিশেষ মূহুৰ্ত্তত।



শিক্ষক দিৱসৰ এক বিশেষ মূহুৰ্ত্তত।





ছাত্ৰ-ছাত্ৰীৰ নাম-ভৰ্ত্তিৰ সময়ৰ এক মূহুৰ্ত্তত।

# সূচীপত্ৰ


| | | |
|---|---|---|
| শৈক্ষিক উন্নয়নত সমাজৰ ভূমিকা | ▶ ড০ ৰুনুমা শৰ্ম্মা | ১ |
| শক্তি সম্পদ | ▶ ড০ দিলীপ কলিতা | ৩ |
| "ভৱিষ্যতৰ প্ৰত্যাহ্বান, ছাত্ৰসমাজলৈ এটি আহ্বান | ▶ অমূল্য চন্দ্ৰ গোস্বামী | ৯ |
| "আধুনিক ভাৰতবৰ্ষ, বিজ্ঞান আৰু বৈজ্ঞানিক গৱেষণা" | ▶ প্ৰদীপ কুমাৰ চেতিয়া ফুকন | ১২ |
| অসমৰ যুৱ সমাজৰ সপোন আৰু বাস্তৱ | ▶ ড০ শশীকান্ত শইকীয়া | ১৫ |
| "আৰ্থ-সামাজিক সমস্যাৰ দৃষ্টিৰে এইডছ" | ▶ প্ৰশান্ত কুমাৰ বৰা | ২৪ |
| অসমীয়া ব্যাকৰণ চৰ্চা ঃ এক ঐতিহাসিক পৰিক্ৰমা | ▶ ড০ বিজু মৰাণ | ২৭ |
| Human Development : Concept & Reality | ▶ Mrs. Madhumita Goswami Barthakur | ৩১ |
| "ভাৰতীয় জাতীয় জীৱন গঠনত তথা সামাজিক মূল্যবোধ নিয়ন্ত্ৰণৰ মহাভাৰতৰ অৱদান" | ▶ নিখিল প্ৰাণ গগৈ | ৩৪ |
| "শিক্ষাৰ মানদণ্ড সম্পৰ্কে এটি আলোকপাত" | ▶ পদ্ম মহন্ত | ৩৬ |
| "সজাগতা এইডছ প্ৰতিৰোধৰ একমাত্ৰ উপায়" | ▶ দীপাঞ্জলি গগৈ | ৩৮ |
| Gender Economics | ▶ Dr. Kamalendu Saikia | ৪১ |
| A Brief study of woman entrepreneurship | ▶ Miss Jolly Chutia | ৪৮ |
| National Integration : Historical Aspects | ▶ Mrs. Mitali Baruah | ৫১ |
| সমসাময়িক সময়ত অম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰাসংগিকতা | ▶ ড০ শান্তি বড়া | ৫৩ |
| শংকৰদেৱ আৰু মাধৱদেৱৰ নাটৰ এটি তুলনা | ▶ পল্লৱী গগৈ | ৫৫ |
| পৰিৱেশ সংৰক্ষণত আমাৰ ভূমিকা | ▶ বৈদ্য বুঢ়াগোহাঁঞি | ৫৭ |
| "প্ৰতীকবাদ ঃ আধুনিক অসমীয়া কবিতাত প্ৰতীকৰ প্ৰয়োগ" | ▶ হেমন্ত কুমাৰ শইকীয়া | ৬০ |
| Education Research in Higher Educational Institutions of Rural Areas with Special Reference to Assam in the Context of Society | ▶ Dr. Bonti Phukan Sonowal | ৬৫ |

| | | |
|---|---|---|
| "জাতীয় সংস্কৃতি ৰক্ষাত নৱ-প্ৰজন্মৰ ভূমিকা" | ▶ প্ৰাঞ্জল কলিতা | ৭৩ |
| "এইড্ছ" (AIDS) | ▶ দীপৰেখা কোঁৱৰ | ৭৬ |
| "স্বপ্নভংগ" | ▶ দৰ্পণজিৎ কোঁৱৰ | ৭৮ |
| "স্মৃতি, তই আকউ ..........." | ▶ গৌৰৱ ফুকন | ৮১ |
| "মোৰ কলেজীয়া জীৱনত প্ৰথম ক্ষেত্ৰ অধ্যয়নৰ ডোখৰীয়া স্মৃতি" | ▶ দীপশিখা বৰা | ৮৩ |
| "ৰিণিকি ৰিণিকি দেখো ডিব্ৰুপাৰ .............." | ▶ নীৰজ সোনোৱাল | ৮৬ |
| শ্ৰেষ্ঠতাৰ অভিলেষ | ▶ ৰুমি সোনোৱাল | ৯৫ |
| নীলাৰ মাজৰ এটিতৰা | ▶ দীপশিখা শইকীয়া | ৯৭ |
| এনিশাৰ চকুলো | ▶ সুস্মিতা খাওন্দ | ১০০ |
| সেই নিষ্ঠুৰ ছোৱালীজনী | ▶ ড০ শশীকান্ত শইকীয়া | ১০৫ |
| ***কবিতা ঃ-*** | | |
| সেই হাঁহিটি তোমাৰ | ▶ ফিজুছ গগৈ | ১০৮ |
| অপূৰ্ণ হৃদয় | ▶ দীপশিখা বৰা | ১০৮ |
| "জীৱন লগৰী" | ▶ পৱন ঠাকুৰ | ১০৯ |
| অনুভূতি | ▶ মানসী শইকীয়া | ১১০ |
| শীত | ▶ ৰিমা সোনোৱাল | ১১০ |
| "কল্পনা মধুৰ, বাস্তৱ গধুৰ" | ▶ কৃষ্ণকান্ত শিলপনীয়া | ১১১ |
| স্বাধীনতাৰ উত্তৰণ | ▶ সোমেৰুণ সোনোৱাল | ১১২ |
| শৰতৰ সুগন্ধি জোনাক | ▶ হেমা দত্ত | ১১২ |
| Last Promise | ▶ Durlove Gogoi | ১১৩ |
| Come Away With Me .............. | ▶ " | ১১৩ |
| সম্পাদক সকলৰ প্ৰতিবেদন | ▶ ........................... | ১১৪ - ১১৬ |




# শৈক্ষিক উন্নয়নত সমাজৰ ভূমিকা


ড° ৰত্নুমা শৰ্ম্মা

মূৰব্বী অধ্যাপিকা, শিক্ষাতত্ব বিভাগ


শিক্ষাৰ বিকাশৰ লগতযে সমাজৰ দায়বদ্ধতা আছে, এই কথা সকলোৰে বিদিত। এখন দেশ জীয়াই থাকিবলৈ হ'লে, সেই দেশৰ বিভিন্ন জাতি-উপজাতি, ভাষা-উপভাষা, কৃষ্টি-সংস্কৃতি, ধৰ্ম্ম, ৰীতি-নীতিৰ মাজত ঐক্য আৰু সংহতি একান্তই প্ৰয়োজন। কাৰণ, ঐক্য আৰু সংহতিৰ অবিহনে কোনো জাতি মহৎ আৰু শক্তিশালী হ'ব নোৱাৰে আৰু এটা জাতি গঠনত শিক্ষাৰ যে অপৰিসীম প্ৰভাৱ আছে সেই কথা দোহাৰিবৰ প্ৰয়োজন নাই। বিভিন্ন জাতি-উপজাতি, ভাষা, সংস্কৃতি, ধৰ্ম্ম মানৱগোষ্ঠীৰ ভিতৰত এক জাতি, এক প্ৰাণ, এই ভাব দৃঢ়তৰ কৰি তোলাত শিক্ষাই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। কাৰণ বাহুবল আৰু অস্ত্ৰবলেৰে মানুহৰ বাহ্যিক আচৰণহে নিয়ন্ত্ৰণ কৰিব পাৰি, তাৰ দ্বাৰা প্ৰকৃতাৰ্থত শিক্ষাৰ উন্নয়ণ নহয়। মানসিক সংগঠন, ধ্যান-ধাৰণা, বিশ্বাস, মনোভাব ইত্যাদিক বাশ্চনীয় ৰূপদান কৰি এক শক্তিশালী জাতিক গঢ় দিয়া কাৰ্য্যত প্ৰকৃত পক্ষে শিক্ষাৰহে প্ৰয়োজন সকলোতকৈ বেছি। শিক্ষাৰ দ্বাৰা বিভিন্ন ব্যক্তিৰ ভিতৰত আত্মিয়তা, ঐক্য, সমন্বয় সৃষ্টি কৰিব পাৰিলেহে দেশৰ প্ৰগতি আশা কৰিব পাৰি। বিভিন্ন ভাষা, ধৰ্ম্ম, সম্প্ৰদায়, বিশ্বাসৰ প্ৰবল বৈষম্যৰে ভৰা আমাৰ দেশ। ভাৰতবৰ্ষত সমাজৰ বিশেষ ভূমিকা অবিহনে শিক্ষাৰ উন্নতি আশাদায়ক নহয়। ফলত দেশৰ প্ৰগতিতো অন্তৰায়ৰ সৃষ্টি হয়।

শিক্ষা শব্দটোৰ তাৎপৰ্য্য বৰ বহল। শিক্ষা কেৱল বিদ্যালয়, মহাবিদ্যালয় বা অন্য শিক্ষানুষ্ঠান শিক্ষকে শিক্ষাৰ্থীক দান কৰা ব্যৱস্থাতে সীমাবদ্ধ নহয়। কোনোধৰণৰ শিক্ষানুষ্ঠানলৈ কাহানিও নোযোৱা মানুহো শিক্ষিত হ'ব পাৰে। শিক্ষানুষ্ঠানত উপস্থিত থকা সময়ৰ বাহিৰৰ সময়তো শিক্ষাৰ্থীয়ে নানান দিশত শিক্ষা আহৰণ কৰিব পাৰে। দৰাচলতে জীৱন যাত্ৰাৰ প্ৰতি খোজতে লাভ কৰা প্ৰয়োজনীয় আটাইবিলাক অভিজ্ঞতাকে সামূহিক ভাবে শিক্ষা বুলি কব পাৰি। সেয়েহে শৈক্ষিক উন্নয়নত সমাজৰ গুৰুত্বপূৰ্ণ ভূমিকা সদায়েই মন কৰিবলগীয়া।

শিক্ষা প্ৰথমে মুষ্টিমেয় বিশিষ্ট পৰিয়ালৰ মাজতে আবদ্ধ আছিল। তাৰ পাছত শিক্ষাৰ দায়িত্ব ৰাষ্ট্ৰই ললে। ৰাষ্ট্ৰৰ পাচতে শিক্ষা উন্নয়নৰ দায়িত্ব ৰাইজৰ অৰ্থাৎ সমাজৰ ওপৰত ন্যস্ত হল। শেষত শিক্ষাক দেশৰ আৰ্থ-সামাজিক বিকাশৰ এক প্ৰধান হেতু বুলি গন্য কৰা হল। যিহেতু দেশৰ সৰ্ব্বাঙ্গীন উন্নতি শিক্ষাৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে সমাজৰ দায়িত্ব গধুৰ। সমাজৰ প্ৰতিজন ব্যক্তিয়ে শিক্ষাৰ উদ্দেশ্য, লক্ষ্য আদি বুজি উঠি নতুন প্ৰজন্মক শিক্ষিত কৰি তোলাত সহায় কৰিব পাৰে।

শিক্ষা হৈছে শিশুৰ জন্ম মূহুৰ্ত্তৰ পৰাই আৰম্ভ হৈ মৃত্যুৰ মূহুৰ্ত্তলৈকে অবিছিন্নভাবে চলি থকা এক প্ৰক্ৰিয়া। সেইবাবে শিক্ষাৰ পৰিধি জীৱনৰ পৰিধিৰ সৈতে সমানেই ব্যাপক আৰু অস্পষ্ট। শিক্ষা আহৰণৰ ম্যাদ জীৱনৰ আগভাগতে পঢ়াশালীলৈ যোৱা কেৱল কেইটামান বছৰতে সীমাবদ্ধ নোহোৱাৰ বাবে সমাজৰ দায়বদ্ধতা অতি ব্যাপক। বিস্তৃত মানৱ জীৱনত পাই অহা অভিজ্ঞতাই আমাৰ ব্যৱহাৰ বা আচৰণৰ পৰিৱৰ্ত্তন আনে। আৰু আচৰণৰ পৰিবৰ্ত্তনে বাস্তৱ সমস্যা সমাধানত সহায় কৰে।

শিক্ষা মানে হৈছে অভিজ্ঞতা আৰু আমাৰ আটাইবিলাক অভিজ্ঞতা সামাজিক পৰিৱেশত সংগঠিত হয়। সেইবাবে ব্যাপক অৰ্থত শিক্ষাক এক সামাজিক প্ৰক্ৰিয়া বুলি ক'ব পাৰি। শিক্ষানুষ্ঠান, কৰ্মস্থান, পৰিয়াল , চিকিৎসালয়, হাট-বজাৰ সকলো সামাজিক স্থানতে ব্যক্তিৰ অভিজ্ঞতা লাভ হয়। সমাজ বৰ্হিভূত পৰিৱেশত শিক্ষালাভ প্ৰায় অসম্ভৱ।

প্ৰত্যেক সমাজৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট আছে। যি প্ৰক্ৰিয়াৰ দ্বাৰা এই বৈশিষ্টসমূহ পুৰুষানুক্ৰমে সমাজত বৰ্তি থাকে তাকেই ব্যাপক অৰ্থত শিক্ষা বোলা হয়। সমাজ বুলিলে কেৱল ভৌগলিক এক ভূমিখণ্ড বা কেৱল ঘৰ-দুৱাৰ

আৰু তাত বাস কৰা ব্যক্তি সকলকেই নুবোজায়। কোনো জনগোষ্ঠীৰ মাজত প্ৰচলিত, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ঐতিহ্য, সংস্কৃতি, ভাব, ভাষা, সাহিত্য, কলা, বিশ্বাস, অন্ধ-বিশ্বাস, জ্ঞান কৌশল, চিন্তা, মনোভাৱ আদি সকলোবিলাক সামগ্ৰিক সংগঠনকে প্ৰকৃততে সমাজ বুলি কোৱা হয়। সমাজৰ ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰ ভড়ালটো এটা পুৰুষৰ পৰা পিচৰ পুৰুষলৈ ক্ৰমাৎ বাগৰি আহি থকাকে শিক্ষা বুলিব পাৰি। নতুন পুৰুষক শিক্ষাৰ দ্বাৰা ভৱিষ্যতৰ সু-নাগৰিক বা এখন সুস্থ সৰ্বাঙ্গ সুন্দৰ দেশৰ বাবে সমাজখনৰ দায়িত্ব স্বীকাৰ কৰিবই লাগিব। কাৰণ এখন সুস্থ সমাজৰ বা সুস্থ বাতাবৰণতহে শিক্ষা প্ৰসাৰৰ আশা কৰিব পাৰি।

ভূমিষ্ঠ হোৱাৰ লগে লগেই নিজৰ দৈহিক নিৰাপত্তা বজাই ৰাখিবৰ কাৰণে কেচুৱাই আপ্ৰাণ চেষ্টা কৰে। এই চেষ্টাত যিহেতু মাতৃৰ সহায় অপৰিহাৰ্য, সেইবাবে প্ৰথমৰ পৰাই কেচুৱাই মাকৰ লগত সম্বন্ধ স্থাপন কৰে। ইয়াৰ পৰাই কেচুৱাৰ সামাজিক জীৱনৰ আৰম্ভণি হয়।

সাধাৰণতে তিনিটা প্ৰক্ৰিয়াৰ দ্বাৰা শিক্ষা লাভ কৰিব পাৰি। যেনে— আনুষ্ঠানিক, অনানুষ্ঠানিক আৰু অনৌপচাৰিক। অনৌপচাৰিক প্ৰক্ৰিয়াতে সমাজ সুমাই আছে। সমাজ বুলি কলে প্ৰথমেই ঘৰখন। ঘৰ খনৰ ভূমিকা শিক্ষা আহৰণৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ। ইয়াৰ পাচতেই আহে চুবুৰীৰ প্ৰভাৱ। চুবুৰীত বাসকৰা পৰিয়ালবিলাকৰ শৈক্ষিক, নৈতিক, অৰ্থনৈতিক আৰু সামাজিক স্থানৰ ওপৰত সেই চুবুৰীত বসবাস কৰা লৰা-ছোৱালীৰ শিক্ষা বহু পৰিমানে নিৰ্ভৰ কৰে। গতিকে চুবুৰীৰ পৰিৱেশ লৰা-ছোৱালীৰ শাৰীৰিক, মানসিক উন্নতিৰ বাবে অনুকূল হোৱা অতি প্ৰয়োজন। ধৰ্মীয় অনুষ্ঠান সমূহৰো শৈক্ষিক উন্নতিত বহু বছি অনুদান আছে। আগৰ দিনত এই অনুষ্ঠানসমূহেই শিক্ষাৰ প্ৰাণকেন্দ্ৰ আছিল যদিও এতিয়াও তাৰ প্ৰভাৱ বিদ্যামান। সমাজৰ প্ৰত্যেক ব্যক্তিয়েই এই সমূহৰ পৰা বহুতো মূল্যবান আৰু স্থায়ী অভিজ্ঞতা লাভ কৰে। যাৰ প্ৰভাৱ সুদূৰ প্ৰভাৱী হয়। সংঘ, সমিতি আদি যি সমাজত থাকে, সেই সমূহৰো শিক্ষাৰ যি সমাজত থাকে, সেই সমূহৰো শিক্ষাৰ উন্নতিত যথেষ্ট অৰিহনা আছে। এই বিলাকৰ পৰা ব্যক্তিয়ে নতুন কথা শিকে, নতুন দৃষ্টীভঙ্গী গঢ়ি তুলিবলৈ সুবিধা পায় আৰু ব্যক্তি সমাজপ্ৰিয় হয়। শিক্ষাৰ ক্ষেত্ৰত ইও অতি গুৰুত্বপূৰ্ণ কথা। সমাজত প্ৰচলিত জন-সংযোগৰ মাধ্যম, যেনেঃ বাতৰি কাকত, আলোচনী, ৰেডিঅ', টেলিভিচন, চলচিত্ৰ, তথ্যচিত্ৰ আদিৰ শিক্ষাৰ উন্নয়ণৰ ওপৰত পৰা শক্তিশালী প্ৰভাৱৰ কথা আমি সকলোৱে জানো।

সৰু লৰা-ছোৱালীবোৰ বৰ অনুকৰণ প্ৰিয়। তেওঁলোকে বহুত কথা ডাঙৰৰ পৰা শিকে আৰু তাৰ জৰিয়তে সামাজিক নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, সামাজিক মানদণ্ড আদি আয়ত্ব কৰে। সেয়েহে সমাজৰ অগ্ৰজ সকল সদায়েই সজাগ হোৱা উচিত, যাতে অনুজ সকলৰ সুস্থ মানসিক, শাৰিৰীক, আধ্যাত্মিক আদি গুণসমূহ সম্পূৰ্ণকৈ বিকাশ হব পাৰে।

মুঠতে আমি কব পাৰো যে শিক্ষাৰ উন্নয়ণৰ ক্ষেত্ৰত সমাজৰ দায়বদ্ধতা আটাইতকৈ বেছি। শিক্ষাই এখন দেশ বা ৰাষ্ট্ৰৰ প্ৰগতিৰ মূল। এখন সুস্থ সমাজতহে সম্পূৰ্ণ শিক্ষা আশা কৰিব পাৰি। আমাৰ ভাৰতবৰ্ষত এতিয়াও শিক্ষাৰ প্ৰভাৱ আশাকৰা ধৰণে পোৱা নাই বুলিব পাৰি। ইয়াৰ কাৰণ জনসংখ্যা বিস্ফোৰণ। দ্ৰুত গতিত বৃদ্ধি পাই অহা জন সংখ্যাই শিক্ষাৰ ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি কৰিছে। জন-জাতি এলেকা, চাহ বাগিছা সমূহৰ এলেকা আৰু গাঁৱৰ ভিতৰুৱা অঞ্চলত সুন্দৰ পৰিকল্পিত সমাজ নোহোৱাৰ বাবে, এই অঞ্চল সমূহ শিক্ষাৰ ক্ষেত্ৰত পিচ পৰি থকা দেখা যায়। দুৰ্গম এলেকাসমূহতো যাতায়তৰ অসুবিধাৰ বাবে শিক্ষাত হেঙাৰৰ সৃষ্টি কৰিছে। সমাজৰ প্ৰত্যেক ব্যক্তিয়েই শিক্ষাৰ উদ্দেশ্য, লক্ষ্য আদি নুবুজিলে শিক্ষাৰ উন্নয়ণ কেতিয়াও আশা কৰিব নোৱাৰি। মানুহ সমাজ প্ৰিয়। সমাজ অবিহনে মানুহক চিন্তা কৰিব নোৱাৰাৰ দৰেই মানুহ অবিহনে সমাজৰ প্ৰশ্নই নুঠে। সমাজত বসবাস কৰা মানুহৰ সকলো সংস্কৃতি সমাজৰ যোগেদিয়েই এটা পুৰুষৰ পৰা আনটো পুৰুষলৈ বাগৰি আহে। আৰু এই বাগৰি অহা প্ৰক্ৰিয়াকে শিক্ষা বুলিব লাগে। শিক্ষা বাগৰি আহিবলৈকে সমাজ লাগে। যিদিনাই সমাজৰ ঐতিহ্য শিক্ষাৰ যোগেদি এনেদৰে বাগৰি আহিবলৈ অসমৰ্থ হব, সেইদিনাই সেই সমাজৰ মৃত্যু ঘটিব। গতিকে সমাজ জীয়াই থাকিবলৈ শিক্ষাৰ প্ৰয়োজন আৰু শিক্ষাৰ উন্নয়ণত সমাজৰ দায়বদ্ধতা সকলোতকৈ বেছি।

❖❖❖❖





# "শক্তি সম্পদ"

ডঃ দিলীপ কলিতা
উদ্ভিদ বিজ্ঞান বিভাগ

কাম কৰিব পৰা ক্ষমতাকে শক্তি বোলে। জীৱ দেহৰ সকলো ধৰণৰ জীৱীয় কামকাজৰ বাবে যি শক্তিৰ প্ৰয়োজন হয় সেই শক্তি জীৱই খাদ্যৰ পৰা পায়। সেইদৰে বিভিন্ন ধৰণৰ যন্ত্ৰপাতি চলাবৰ বাবে শক্তিৰ প্ৰয়োজন হয়। যিবোৰ উৎসৰ পৰা মানৱ জাতিয়ে এই যন্ত্ৰপাতি সমূহৰ বাবে প্ৰয়োজন হোৱা শক্তি আহৰণ কৰে সেই উৎস সমূহকে শক্তি সম্পদ বোলে। আচলতে পৃথিৱীৰ প্ৰায় সকলো শক্তিৰ উৎস হ'ল সূৰ্য্য। পৃথিৱীত এই সূৰ্য্যৰ পৰা অহা শক্তি অৰ্থাৎ সৌৰশক্তি বিভিন্ন পৰিৱেশত আন আন শক্তিলৈ ৰূপান্তৰ হয় আৰু আমি সেই ৰূপান্তৰিত শক্তি সমূহক বিভিন্ন কামত ব্যৱহাৰ কৰো। এখন দেশৰ নতুবা একোটা অঞ্চলৰ অৰ্থনৈতিক উন্নয়ন সেই দেশে উপভোগ কৰা শক্তি সম্পদৰ ওপৰত নিৰ্ভৰশীল। অৰ্থনৈতিকভাবে উন্নতদেশসমূহে উন্নয়ণশীল দেশসমূহতকৈ তুলনামূলক ভাবে অধিক শক্তি ব্যৱহাৰ কৰে। আমাৰ দৈনন্দিক জীৱনৰ প্ৰয়োজনীয় সকলো কাম কাজ,শিল্প উদ্যোগ, পৰিবহন আদি সকলো শক্তিৰ ওপৰতে নিৰ্ভৰশীল। প্ৰাচীন কালত মানুহে নিজৰ দেহৰ শক্তি ব্যৱহাৰ কৰি বিভিন্ন কাম-কাজ কৰিছিল। লাহে লাহে পোহনীয়া জন্তু যেনে- গৰু, ঘোৰা, ম'হ আদিৰ শক্তিক গাড়ীটানা, হালবোৱা, পৰিবহন আদি কাম-কাজত ব্যৱহাৰ কৰিবলৈ ধৰিলে। উদ্ভিদৰ ডাল, পাত আদি ইন্ধন হিচাপে ব্যৱহাৰ কৰি ৰন্ধা বঢ়া কৰিবলৈ ধৰিলে। বৰ্তমানো মানুহে নিজৰ দেহৰ শক্তি ব্যৱহাৰ কৰি , জীৱ-জন্তুৰ শক্তি ব্যৱহাৰ কৰি বিভিন্ন কাম কাজ কৰে আৰু উদ্ভিদৰ কাণ্ড, ডাল আদি ইন্ধন হিচাপে ব্যৱহাৰ কৰে। আচলতে সেউজীয়া উদ্ভিদে সালোক-সংশ্লেষণত সৌৰশক্তি ৰাসায়নিক শক্তিলৈ ৰূপান্তৰ কৰে। প্ৰাণীসমূহে এই শক্তি উদ্ভিদৰ পৰা প্ৰত্যেক বা পৰোক্ষ ভাবে আহৰণ কৰে।

শক্তি সম্পদৰ শ্ৰেণীবিভাজন (Classification of energy resourees) ঃ শক্তি সম্পদসমূহক প্ৰাচুৰ্য্যতাৰ ওপৰত আৰু পৰম্পৰাগত ভাবে ব্যৱহাৰ কৰি অহা আৰু নহাৰ ওপৰত ভিত্তি কৰি শ্ৰেণী বিভাজন কৰা হয়। তলত ইহঁতৰ ওপৰত বিষয়ে পৃথকে পৃথকে আলোচনা কৰা হ'ল —

*(১) প্ৰাচুৰ্য্যতাৰ ওপৰত নিৰ্ভৰ কৰি ঃ* প্ৰাচুৰ্য্যতাৰ ওপৰত নিৰ্ভৰ কৰি শক্তি সম্পদসমূহক দুভাগত বিভক্ত কৰিব পাৰি, অক্ষয় শক্তি আৰু ক্ষয়শীল শক্তি সম্পদ।

*(ক) অক্ষয় শক্তি সম্পদ* (Inexhaustible energy resourees) ঃ যিবোৰ শক্তি সম্পদ ব্যৱহাৰ কৰি থাকিলেও সহজে শেষ হৈ যোৱাৰ সম্ভাৱনা নাথাকে সেইবোৰ শক্তি সম্পদক অক্ষয় শক্তি সম্পদ বোলে। যেনে- সৌৰশক্তি, জোৱাৰ শক্তি, পৱন শক্তি, জলশক্তি ইত্যাদি।

*(২) ক্ষয়শীল শক্তি সম্পদ* (Exhaustible energy resourees) ঃ এইবোৰ শক্তি সম্পদ ভৱিষ্যতে শেষ হৈ যোৱাৰ সম্ভাৱনা থাকে। অতিমাত্ৰ ব্যৱহাৰ নতুবা অপব্যৱহাৰৰ ফলত-ইহঁতৰ বিলুপ্তি হোৱাৰ সময় চমু চাপি আহে। গতিকে এইবোৰ শক্তি সম্পদ আমি যিমান পাৰো সীমিত পৰিমানে ব্যৱহাৰ কৰাটো বাঞ্চনীয়। ক্ষয়শীল শক্তি সম্পদ সমূহক আমি দুভাগত বিভক্ত কৰিব পাৰো। নবীকৰণ কৰিব পৰা আৰু নবীকৰণ কৰিব নোৱাৰা। তলত ইহঁতৰ বিষয়ে আলোচনা কৰা হ'ল —

*(ক) নবীকৰণ কৰিব পৰা* (Renewable energy resourees) ঃ যিবোৰ শক্তি সম্পদৰ উৎস একেবাৰে শেষ হৈ নগ'লে পুণৰ উদ্ধাৰ কৰা সম্ভৱ সেইবোৰক নবীকৰণ কৰিব পৰা নতুবা নবীকৰণ যোগ্য শক্তি সম্পদ বোলে। যেনে-জীৱ ভৰ শক্তি(biomass energy), জীৱ গেছ (biogas), জীৱ ইন্ধন ইত্যাদি।

*(খ) নবীকৰণ কৰিব নোৱাৰা*(Non- renewable energy resourees) ঃ যিবোৰ শক্তি সম্পদক নবীকৰণ কৰিব পৰা নাযায় নতুবা নবীকৰণ

অযোগ্য তেনেবোৰ শক্তি সম্পদক নবীকৰণ কৰিব নোৱাৰা বা নবীকৰণ অযোগ্য শক্তি সম্পদ বোলে। যেনে- কয়লা, খনিত তেল, প্ৰাকৃতিক গেছ ইত্যাদি।

(৩) পৰম্পৰাগত ভাবে ব্যৱহাৰ কৰি অহা আৰু নহাৰ ওপৰত নিৰ্ভৰ কৰি শক্তি সম্পদক দুটা ভাগত ভগাব পাৰি, পৰম্পৰাগত (Conventional) আৰু অপৰম্পৰাগত (Non-Conventional) শক্তি সম্পদ।

*(ক) পৰম্পৰাগত শক্তি সম্পদ ঃ* ইহঁতক প্ৰচলিত বা সচৰাচৰ ব্যৱহাৰ কৰা শক্তি সম্পদ বুলিও কোৱা হয়। খৰি ৰন্ধা-বঢ়াত, সৰু সুৰা শিল্প উদ্যোগত প্ৰাচীন কালৰ পৰাই ব্যৱহাৰ কৰি অহা হৈছে। কয়লা অতি বেছি খৰছী কিন্তু বহুল ভাবে-ব্যৱহৃত শক্তি সম্পদ। কয়লাৰ পিছতে খনিজ তেল যেনে- পেট্ৰল, ডিজেল,কেৰাচিন আদিক প্ৰচুৰ পৰিমানে বিভিন্ন কাম কাজত ব্যৱহাৰ কৰা হয়। প্ৰাকৃতিক গেছৰ ব্যৱহাৰো মানৱ সমাজত কম নহয়। জল বিদ্যুৎ শক্তিৰ ব্যৱহাৰো ক্ৰমান্বয়ে বৃদ্ধি পাব ধৰিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ পৰা পাৰমাণৱিক শক্তিৰ ওপৰত প্ৰায়বোৰ দেশেই গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। ওপৰত উল্লেখ কৰি অহা শক্তিসমূহ আমি সাধাৰণতে ব্যৱহাৰ কৰি আৰু এইবোৰ শক্তি সম্পদ ব্যৱহাৰত আমি অতি অভ্যস্ত। এনে শক্তি সমূহকে পৰম্পৰাগত নতুবা প্ৰচলিত শক্তি সম্পদ বোলে।

*(খ) অপৰম্পৰাগত শক্তি সম্পদ ঃ* ইহঁতক অপ্ৰচলিত বা সচৰাচৰ ব্যৱহৃত নোহোৱা শক্তি সম্পদ বুলিও কোৱা হয়। এনেবোৰ শক্তি ব্যৱহাৰ কৰাত আমি বৰ বেছি অভ্যস্ত নহয়। সৌৰ শক্তি, বতাহ শক্তি বা পৱন শক্তি, জীৱগেছ অপৰম্পৰাগত শক্তি সম্পদৰ উদাহৰণ। তলত পৰম্পৰাগত আৰু অপৰম্পৰাগত শক্তি সম্পদ সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

*(১) পৰম্পৰাগত শক্তি সম্পদ ঃ*

(ক)কয়লা ঃ অতি পুৰণি কালৰ পৰাই ঘৰুৱা কাম কাজত কয়লা ব্যৱহৃতহৈ আহিছো। ই এবিধ ক'লা বা বাদামী বৰণৰ স্তৰীভূত শিলা। জলাহ নতুবা নদীৰ কাষত থকা গছ গছনি মাটিত পোত গৈ চাপ আৰু তাপৰ প্ৰভাৱত কয়লাৰ উৎপত্তি হয়। অতি প্ৰাচীন কালৰ পৰাই কয়লা ঘৰুৱা কাম কাজত ব্যৱহৃত হৈ আহিছে যদিও ১৮ শতিকাৰ শেষৰ পৰাহে শিল্প উদ্যোগত কয়লা ব্যৱহৃত হৈছে। কয়লাত সাধাৰণতে তিনিবিধ পদাৰ্থ থাকে-কাৰ্বন, জলীয় বাষ্প আৰু বাষ্পশীল পদাৰ্থ। এই তিনিবিধ পদাৰ্থৰ পৰিমান অনুযায়ী কয়লা বিভিন্ন ধৰণৰ হব পাৰে। গুণগত মানৰ ওপৰত নিৰ্ভৰ কৰি কয়লাক চাৰিটা শ্ৰেণীতভাগ কৰা হৈছেঃ পিট কয়লা, লিগনাইট কয়লা, বিটুমিনাচ কয়লা আৰু এনথাচাইট কয়লা।

*(অ) পিট্ কইলা ঃ* ই জলাহ অঞ্চলত সম্পূৰ্ণভাবে ক্ষয় নোযোৱা জৈৱিক পদাৰ্থৰ পৰা উৎপত্তি হোৱা বাদামী বা মটীয়া ৰঙৰ কয়লা। ই কয়লা গঠনৰ প্ৰথম অৱস্থা। য'ত প্ৰচুৰ পৰিমানে জলীয় বাষ্প আৰু বাষ্পশীল পদাৰ্থ থাকে। এই শ্ৰেণীৰ কয়লা দহন কৰিলে তুলনামূলক ভাবে কম তাপ উৎপন্ন হয় বাবে উদ্যোগত ব্যৱহাৰ কৰা নহয়। ই একেবাৰে নিকৃষ্ট বিধৰ কয়লা।

*(আ) লিগনাইট কয়লা ঃ* কয়লা গঠনৰ দ্বিতীয় পৰ্য্যয়ত এই শ্ৰেণীৰ কয়লা পোৱা যায়। এই শ্ৰেণীৰ কয়লা তুলনামূলকভাবে বাষ্প আৰু বাষ্পশীল পদাৰ্থৰ পৰিমাণ অধিক হোৱা হেতু বেছি ধোৱা ওলায় আৰু জুইৰ উত্তাপ কম। এই শ্ৰেণীৰ কয়লাৰ বৰণ মটীয়া। বায়ুৰ সংস্পৰ্শলৈ আহিলে ভাগি যায় বাবে ইহঁতক কয়লাখনিৰ পৰা আঁতৰলৈ নিয়া অসুবিধা।

*(ই) বিটুমিনাচ কয়লা ঃ* ইহঁত টান আৰু আটিল। এই শ্ৰেণীৰ কয়লা উৎকৃষ্ট বিধৰ। বৰণ ক'লা। উন্নত মানদণ্ডৰ বিটুমিনাচ কয়লাক ক'কিং বোলে। ই লো, তীখাৰ, কাৰখানাৰ দৰে ধাতৰ শিল্পৰ বাবে উপযোগী।

*(ঈ) এনথাচাইট কয়লা ঃ* ই অতি টান আৰু ক'লা বৰণৰ। এই শ্ৰেণীৰ কয়লাও শতকৰা ৯৫ ভাগ কাৰ্বন আৰু অতি কম পৰিমানৰ বাষ্পীয় পদাৰ্থ থাকে। এই শ্ৰেণীৰ কয়লা দহন কৰিলে অধিক তাপ উৎপন্ন হয় সেয়েহে শিল্প উদ্যোগত ব্যৱহাৰ কৰিবৰ বাবে অধিক উপযোগী।

*(উ) গ্ৰেফাইট ঃ* কয়লা গঠনৰ শেষ পৰ্য্যায়ত গ্ৰেফাইট উৎপন্ন হয়। গ্ৰেফাইটৰ জনপ্ৰিয় নাম ক'লা সীহ। ইয়াক ইন্ধন হিচাপে ব্যৱহাৰ কৰা নহয়। পেঞ্চিল তৈয়াৰ কৰিবৰ বাবে ই উপযোগী।

কয়লা এবিধ নবীকৰণ কৰিব নোৱাৰা শক্তি সম্পদ। তদুপৰি ইহঁতৰ উৎসও সীমিত। কয়লা দহন কৰিলে কাৰ্বন ডাই অক্সাইড, চালফাৰ অক্সাইড, নাইট্ৰজেন অক্সাইড আদি প্ৰদূষক





উৎপন্ন হয়। বৰ্তমান হাৰত কয়লা ব্যৱহাৰ কৰি থাকিলে প্ৰায় ২০০ বছৰৰ পিছত পৃথিৱীৰ বুকুৰ পৰা কয়লা শেষ হ'ব। সেয়েহে কয়লাৰ ব্যৱহাৰ সীমিত কৰা প্ৰয়োজন।

*(খ) প্ৰাকৃতিক গেছ আৰু খনিজ তেল ঃ* প্ৰাকৃতিক গেছ আৰু খনিজ তেল প্ৰায়েই একেলগে পোৱা যায়। প্ৰাণীৰ মৃতদেহ মাটিৰ তলত পোত যোৱাৰ ফলত কয়লা উৎপন্ন হয়। খনিত তেল খনিৰ পৰা আহৰণ কৰাৰ পিচত শোধন কৰি পেট্ৰল, ডিজেল, কেৰাচিন,মম আদি পোৱা যায়। পেট্ৰল, ডিজেল বিশেষকৈ যানবাহন চলোৱাত, কেৰাচিন ৰন্ধা বঢ়া, লেম্প, আদি চলোৱাত বিশেষ ভাৱে ব্যৱহাৰ হয়। ডিজেল কেতবোৰ সৰু সুৰা উদ্যোগতো ব্যৱহাৰ হয়। ইহঁতক দহন কৰিলে কাৰ্বন ডাই অক্সাইড, কাৰ্বন মন অক্সাইড,সীহ, ছালফাৰ অক্সাইড, আদি প্ৰদুষক বায়ুৰ লগত মিহলি হয়। তদুপৰি ইহঁতৰ উৎস সীমিত। বৰ্তমান হাৰত এই সম্পদ ব্যৱহাৰ কৰি থাকিলে পৃথিৱীৰ বুকুৰ পৰা এই শতিকাৰ শেষলৈ ইহঁত নিঃশেষ হ'ব। আমাৰ দেশৰ মূল তৈলক্ষেত্ৰসমূহ হ'ল ডিগবৈ , নাহৰকটীয়া, দুলীয়াজান, গুজৰাট আৰু মুম্বাইৰ উপকূল অঞ্চল, কৃষ্ণা, গোদাৱৰী, মহানদী আৰু কাবেৰীৰ সমীপৱৰ্তী অঞ্চল।

প্ৰাকৃতিক গেছ প্ৰধানকৈ মিথেনৰ দ্বাৰা গঠিত। অৱশ্যে ইয়াত অতি কম পৰিমানে প্ৰপেন আৰু ইথেনো পোৱা যায়। ইয়াক ঘৰুৱা আৰু উদ্যোগিক দুয়োটা ক্ষেত্ৰতেই ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। তাপ বিদ্যুৎ প্ৰকল্পত বিদ্যুৎ উৎপাদনৰ বাবে ই ব্যৱহৃত হয়। প্ৰকৃতিক গেছক চাপ প্ৰয়োগ এল. পি. জি. নামেৰে জুলীয়া অৱস্থালৈ আনিব পাৰি। এই এল. পি. জি. চিলিণ্ডাৰ ৰন্ধা বঢ়া কামত ব্যৱহৃত হয়। বৰ্তমান সংকোচিত প্ৰাকৃতিক গেছ (CNP) পেট্ৰল, ডিজেলৰ বিকল্প হিচাপে যানবাহনত ব্যৱহৃত হৈছে। নিম্নখাপৰ কয়লাক গেচিফিকেচন কৰি সংশ্লেষিত প্ৰকৃতিক গেছ পাব পাৰি।

*(৪) পাৰমাণৱিক শক্তি ঃ* জীৱাশ্ম ইন্ধনসমূহ শেষহৈ অহালৈ লক্ষ্য ৰাখি বিশ্বৰ বহুতো দেশে বৰ্তমান পাৰমাণৱিক শক্তিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। বিদ্যুৎ উৎপাদনৰ উপৰিও পাৰমাণৱিক শক্তিক সাগৰৰ জাহাজত ইন্ধন হিচাপে, তাপ উৎপাদন কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। পাৰমাণৱিক শক্তি উৎপাদন কৰিবৰ বাবে পাৰমাণৱিক বিকাৰক(Atomic reactor) প্ৰয়োজন। তেজস্ক্ৰিয় মৌল যেনে ইউৰেনিয়াম, ৰেডিয়াম, পল'নিয়াম, কাৰ্বন -১৪,চিতিয়াম, আলফা, বিটা, গামা আদি শক্তিশালী ৰশ্মি বিকিৰণ কৰে। পাৰমাণৱিক বিকাৰকৰ দ্বাৰা আলফা, বিটা, আৰু গামা ৰশ্মিক নিয়ন্ত্ৰিত ভাবে শৃংখল বিক্ৰিয়া ঘটিবলৈ দি বিভিন্ন কামত ব্যৱহাৰ কৰা যন্ত্ৰকে পাৰমাণৱিক বিকাৰক বোলে। পাৰমাণৱিক বিকাৰক এটাত নিউট্ৰন উৎপন্ন কৰি ইউৰেনিয়ামক আঘাত কৰিবলৈ দিয়া হয়। ইয়াৰ ফলত শৃংখলিত বিক্ৰিয়াৰ দ্বাৰা ইউৰেনিয়ামে তেজস্ক্ৰিয় ৰশ্মি বিকিৰণ কৰিবলৈ আৰম্ভ কৰে আৰু প্ৰচুৰ তাপ শক্তিৰ উৎপন্ন কৰে। বিশেষ মন কৰিব লগীয়া যে অতি কম পৰিমানৰ তেজস্ক্ৰিয় পদাৰ্থই বহু পৰিমানৰ শক্তি উৎপাদন কৰিব পাৰে উদাহৰণ স্বৰূপে এক টন ইউৰেনিয়াম ২৩৫ য়ে তিনি নিযুত টন কয়লা আৰু ১২ নিযুত বেৰেল তেলৰ সমপৰিমানৰ শক্তি উৎপাদন কৰিব পাৰে।

বৰ্তমান পৃথিৱীত তিনিশৰো অধিক পাৰমাণৱিক শক্তি উৎপাদন কেন্দ্ৰ আছে। তাৰে আমেৰিকা যুক্তৰাষ্ট্ৰত ৮২ টা, আগৰ চোভিয়েট ইউনিয়নত ৪০ টা, ব্ৰিটেইনত ৩৫ টা, ফ্ৰান্সত ৩৪ টা জাপানত ২৫ টা, জাৰ্মানীত ১৫ টা আৰু কানাডাত ১৩ টা আছে। আমাৰ দেশৰ তাৰাপুৰ ৰাণা প্ৰতাপ সাগৰ, কাল পক্কম আদিও পাৰমাণৱিক বিকাৰত স্থাপন কৰি শক্তি উৎপাদন কৰা হৈছে।

পাৰমাণৱিক শক্তি উৎপাদন কৰোতে তেজস্ক্ৰিয় প্ৰদুষণৰ সৃষ্টি হয়। পাৰমানৱিক বিকাৰক এটাত অনবৰত তেজস্ক্ৰিয় বিকিৰণ চলি থকা হেতু হঠাৎ এনে বিকিৰণে কোনো মৌলিক আঘাত কৰি তেজস্ক্ৰিয় কৰি তুলিব পাৰে। ইয়াৰ বাদেও পাৰমাণৱিক বিকাৰকৰ পৰা নিগত হোৱা তেজস্ক্ৰিয় আৱৰ্জনা সমূহেও তেজস্ক্ৰিয় প্ৰদুষণৰ সৃষ্টি কৰে।

*(৫) জল শক্তি ঃ* জলশক্তি এবিধ পৰম্পৰাগত ভাবে ব্যৱহাৰ কৰি অহা নৱীকৰণ যোগ্য শক্তি সম্পদ। বৰ্তমান বিশ্বৰ প্ৰায় ২৩ শতাংশ বিদ্যুৎ জলশক্তিৰ পৰা উৎপাদন কৰা হয়। নদীৰ পানী ডাঙৰ ডাঙৰ বান্ধত আৱদ্ধ ৰাখি তললৈ অতি বেগত পৰিবলৈ দি টাৰবাইন ঘূৰাই বিদ্যুৎ উৎপাদন কৰা হয়।

জল শক্তি পৰিস্কাৰ, প্ৰদূষণ মুক্ত আৰু নবীকৰণ যোগ্য। ইয়াক বৈদ্যুতিক তাঁৰ ব্যৱহাৰ কৰি উৎপাদন স্থলীৰ পৰা বহুত দূৰলৈ কঢ়িয়াই নিব পাৰি কিন্তু জল বিদ্যুৎ শক্তি ভৱিষ্যৎৰ বাবে সঞ্চিত কৰি ৰাখিব নোৱাৰি, গতিকে শক্তি কেন্দ্ৰত এনে শক্তি উৎপাদন কৰাৰ আগেয়ে গ্ৰাহক বন্দোৱস্থ কৰি থব লগীয়া হয়। দক্ষিণ আমেৰিকা, নৰৱে, চুইজাৰলেণ্ড আদি দেশে জলশক্তিৰ ওপৰত অধিক গুৰুত্ব দি আহিছে। ভাৰতবৰ্ষ এই ক্ষেত্ৰত প্ৰথম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ পৰা গুৰুত্ব দি আহিছে আৰু ইতিমধ্যে কেইবাটাও বহুমূখী নদী প্ৰকল্প স্থাপন কৰিছে।

*(৬) খৰি ঃ* কাঠ, বাঁহ আদিক মানুহে শক্তিৰ ব্যৱহাৰ হিচাপে মানৱ জাতিয়ে প্ৰাচীন কালৰ পৰাই ব্যৱহাৰ কৰি আহিছে। খৰি নৱীকৰণ কৰিব পৰা শক্তি সম্পদ। জনসংখ্যা বৃদ্ধিৰ ফলত হোৱা অৱনৱীকৰণৰ বাবে বনাঞ্চল হ্ৰাস পাই অহা হেতু খৰি উৎস স্থল বহু কমি আহিলেও বৰ্তমানো ভাৰতবৰ্ষৰ দৰে উন্নয়ণশীল দেশসমূহৰ গ্ৰাম্যাঞ্চলৰ অধিক সংখ্যক লোকেই ৰন্ধা বঢ়াৰ বাবে খৰিৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। ৰন্ধা বঢ়াৰ উপৰিও বহু লোকে খৰি শীত নিবাৰণৰ বাবেও ব্যৱহাৰ কৰে। তদুপৰি কেতবোৰ সৰু সুৰা শিল্প উদ্যোগতে খৰি ব্যৱহৃত হয়। খৰি পুৰিলে যথেষ্ট পৰিমানে ধোঁৱা ওলাই বাবে ই স্বাস্থ্যৰ বাবে বিশেষকৈ চকুৰ বাবে ক্ষতিকৰ। তদুপৰি কাঠ কটাৰ ফলত বনাঞ্চলৰো ক্ষতি হয় যাৰ ফলত একোখন ঠাইৰ পৰিস্থিতি তন্ত্ৰৰ ওপৰত কু-প্ৰভাৱ পৰে। বিজ্ঞানীসকলে কৰা অধ্যয়নৰ পৰা এই কথা পোহৰলৈ আহিছে যে আমাৰ দেশৰ প্ৰয়োজনীয় সমূদায় খৰি আমাৰ প্ৰকৃতিক বনাঞ্চল সমূহে পূৰাব নোৱাৰে। সেয়েহে খৰিৰ বাবে আমি আবাদী হৈ পৰি থকা মাটিও বনানীকৰণ আঁচনি লোৱা অতি প্ৰয়োজন। উন্নতচুলা ব্যৱহাৰ কৰি কম খৰি ব্যৱহাৰ কৰি অধিক লাভৱান হ'ব পাৰি।

*(৭) কাঠৰ গুৰি, তুহ ঃ* মিলত উৎপন্ন হোৱা কাঠৰ গুড়ি,তুহ আদিকো শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰা হয়। অৱশ্যে অদিক ধোঁৱা উৎপন্ন কৰা হেতু ই স্বাস্থ্যৰ পক্ষে ক্ষতিকৰ।

*(৮) জন্তু শুকান গোবৰৰ পিঠা ঃ* ইয়ো পৰম্পৰাগত ভাৱে ব্যৱহাৰ কৰি অহা নৱীকৰণ যোগ্য শক্তি সম্পদ। গোবৰ পুৰিলেও যথেষ্ঠ ধোঁৱা উৎপন্ন হয় বাবে ইয়ো স্বাস্থ্যৰ পক্ষে ক্ষতিকৰ। তদুপৰি গোবৰ এবিধ পৰিৱেশ অনুকুল উত্তম সাৰ। ইয়াক খৰি হিচাপে ব্যৱহাৰ কৰা অঞ্চল সমূহত শস্য ক্ষেত্ৰৰ বাবে প্ৰয়োজনীয় পৰিৱেশ অনুকুল সাৰৰ অভাৱ হোৱা পৰিলক্ষিত হয়।

*(খ) অপৰম্পৰা শক্তি সম্পদ ঃ* ওপৰত আলোচনা কৰি অহা সচৰাচৰ ব্যৱহাৰ কৰি অহা শক্তি সম্পদসমূহ প্ৰায়বোৰৰে উৎস সীমিত আৰু নৱীকৰণ অযোগ্য। তদুপৰি ইহঁত প্ৰায়বোৰেই পৰিৱেশ প্ৰতিকূল। সেয়েহে এই শক্তি সম্পদ সমূহৰ ওপৰত ক্ৰমবৰ্দ্ধমান হেচা লাঘৱ বাবে কৰাৰ লগতে পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ উদ্দেশ্যে কেতবোৰ পৰিৱেশ অনুকুল নৱীকৰণ যোগ্য শক্তি সম্পদ বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে। এনে শক্তি সম্পদ সমূহ এতিয়াও খুব বহুল ভাবে প্ৰচলিত হোৱা নাই। এই শক্তি সম্পদসমূহকে অপৰম্পৰা শক্তি সম্পদ, অপ্ৰচলিত শক্তিসম্পদ, অপৰম্পৰাগত শক্তিসম্পদ, বিকল্পশক্তি সম্পদ আদি নামেৰে নামাকৰণ কৰা হৈছে। তলত ইহঁতৰ বিষয়ে এক চমু আভাস দিয়া হ'ল।

*(১) সৌৰশক্তি ঃ* বিকল্প শক্তিসমূহৰ ভিতৰত সৌৰশক্তি অক্ষম। সূৰ্য্যও পাৰমাণৱিক উৎসৰ ফলস্বৰূপে সৃষ্টি হোৱা শক্তিক আমি তাপ আৰু পোহৰ শক্তি হিচাপে লাভ কৰো। পৃথিৱীত আহি পৰা এই শক্তিৰ পৰিমান পৃথিৱীত সঞ্চিত হৈ থকা আন সকলো শক্তিতকৈ প্ৰায় এক নিযুত গুণ অধিক। গতিকে উপযুক্ত ভাৱে ব্যৱহাৰ কৰিব পাৰিলে সৌৰ শক্তিয়েই মানৱ সমাজৰ প্ৰয়োজনীয় সকলো কামকাজ কৰিবলৈ যথেষ্ঠ কিন্তু সকলো সময়তে আৰু সকলো স্থানত ইয়াক ব্যৱহাৰ কৰাৰ কিছু অসুবিধা আছে। সৌৰ শক্তিৰ প্ৰধান সুবিধা তিনিটা হ'ল (ক) ই অতি কম খৰচী, (খ) ইয়াৰ উৎস সহজে পাব পৰা বিধৰ (গ) ই পৰিৱেশ অনুকুল। সৌৰ শক্তিৰ দ্বাৰা চালিত সৌৰ চৌকা ৰন্ধা বঢ়া কামত ব্যৱহাৰ কৰা হয়। সৌৰচৌকাত ৰন্ধা খাদ্য আন ইন্ধনত ৰন্ধা খাদ্যতকৈ পুষ্টিকৰ। সৌৰচৌকাৰ প্ৰধান অসুবিধা হ'ল ডাৱৰীয়া বতৰ আৰু ৰাতি ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি। সৌৰতাপক নামৰ যন্ত্ৰবিধ পানী গৰম কৰিবৰ বাবে ব্যৱহাৰ কৰা হয়। সৌৰ তাপ সংগ্ৰাহক নামৰ যন্ত্ৰ বিধৰ দ্বাৰা খাদ্য শস্য, খৰি, ফলমূল, শাক পাচলি আদি শুকুৱাব পাৰি। সৌৰশক্তি কেন্দ্ৰও বৃহৎ আকৃতিৰ অৱতল দাপোনৰ দ্বাৰা সৌৰশক্তিক পানীৰ চৌবাচাত পেলাই চৌবাচাৰ পানী উতলাই টাৰবাইন ঘূৰাই বিদ্যুৎ শক্তি উৎপাদন কৰা হয়। সৌৰকোষৰ সহায়ত সৌৰশক্তিক বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰা হয়। ইয়াৰ সহায়ত বিজুলী বাতি জ্বলোৱাৰ উপৰিও কেলকুলেটৰ, ইলেকট্ৰনিক ঘড়ী, ৰেডিঅ', টেলিভিচন আদিত সৌৰ কোষ ব্যৱহাৰ কৰিব পাৰি।

*(২) পৱন শক্তি বা বতাহ শক্তি ঃ* পৱন শক্তিক যান্ত্ৰিক শক্তি আৰু বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰি নান কামত লগোৱা হয়। আমাৰ দেশত প্ৰায় ২০,০০০ মেগাৱাৰ্ট বিদ্যুৎ পৱন শক্তিৰ পৰা উৎপাদন হয়। গুজৰাটৰ উপকূল অঞ্চল, পশ্চিম ঘাট, মধ্য ভাৰত আদিত বতাহৰ গতি প্ৰৱল হেতু পৱন শক্তি বাৱহাৰ কৰিবলৈ সূচল। বতাহৰ শক্তি হ'ল সূৰ্য্যৰ বিকিৰণৰ ফলত সৃষ্টি হোৱা গতি শক্তি। গতিকে ই প্ৰকৃততে সূৰ্য্য শক্তিৰ ৰূপান্তৰ। পৱন শক্তি পৰিৱেশ অনুকূল। পৱন শক্তি ব্যৱহাৰৰ প্ৰধান অসুবিধা হ'ল বতাহৰ গতি কম হোৱা অঞ্চলসমূহ ইয়াক উৎপাদন কৰিব নোৱাৰি।

*(৩) খৰস্ৰোতাৰ পৰা উৎপাদন কৰা বিদ্যুৎ শক্তি ঃ* পৰ্বত পাহাৰত অৱস্থিত সৰু সৰু খৰস্ৰোতাসমূহৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পাৰি। এনে তীব্ৰবেগী জান জুৰিৰ পৰা উৎপাদন কৰা জল বিদ্যুৎ বিকল্প শক্তিৰ ভিতৰত ধৰা হয়।

*(৪) জোৱাৰ শক্তি ঃ* সূৰ্য্য আৰু চন্দ্ৰৰ মধ্যাকৰ্ষন শক্তিৰ ফলত সৃষ্টি হোৱা জোৱাৰত বহু বেছি পৰিমানে শক্তি নিৰ্হিত হৈ থাকে। এনে শক্তিক বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাত জোৱাৰৰ সময়ত সাগৰৰ পানী কৃত্ৰিম ভাবে খন্দা ডাঙৰ ডাঙৰ জলাশয়ত পৰিবলৈ দিয়া হয় আৰু এটা সময়ত এই পানীখিনিৰে টাৰবাইন ঘূৰাই বিদ্যুৎ উৎপাদন কৰা হয়। চীন আৰু আগৰ সংযুক্ত চোভিয়েট গণৰাজ্য জোৱাৰ শক্তি উৎপ্যদন কৰা সৰু সৰু কেন্দ্ৰ স্থাপন কৰা হৈছে। ১৯৬৬ চনত ফ্ৰাঞ্চত প্ৰথম বৃহৎ জোৱাৰ বিদ্যুৎ শক্তি উৎপাদন কেন্দ্ৰ স্থাপন কৰা হয়। ভাৰতৰ লাক্ষা দ্বীপপূঞ্জ, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, সুন্দৰ বন অঞ্চল, কচ্চ আৰু কামৱে উপসাগৰীয়া অঞ্চল জোৱাৰ শক্তি উৎপাদনৰ উপযুক্ত স্থান। ভাৰতে জোৱাৰ শক্তি উৎপাদনৰ বাবে ফ্ৰাঞ্চৰ সহায় পাইছে।

*(৫) জীৱ শক্তি গেছ ঃ* জীৱ কাৰিকৰি বিজ্ঞানৰ কৌশল অৱলম্বন কৰি গোবৰ আৰু ঘৰুৱা জাৱৰৰ পৰা যি ইন্ধন গেছ উৎপাদন কৰা হয় তাক জীৱ গেছ বা গোবৰৰ গেছ বোলে। বায়ুশূন্য অৱস্থাত কেতবোৰ জীৱানুৱে জৈৱ-যৌগসমূহৰ অপঘটন কৰি মিথেন, হাইড্ৰজেন আৰু কাৰ্বন ডাই অক্সাইড উৎপাদন কৰে। মিথেনৰ পৰিমাণ ৫০-৭০ শতাংশ থকা বাবে এই গেছ ইন্ধন গেছ হিচাপে ব্যৱহাৰ কৰিব পাৰি। জীৱ গেছ প্ৰকল্পৰ পৰা জৈৱিক সাৰ আৰু বিদ্যুৎ উৎপাদন কৰিব পাৰি। ইয়াক ব্যৱহাৰ কৰি কম অস্বশক্তিৰ যন্ত্ৰপাতি চলাব পাৰি। আমাৰ দেশত বছৰি প্ৰায় ২২,৪২৫ নিযুত কিউৱিক মিটাৰ জীৱগেছ কেৱল জন্তুৰ গোৱৰৰ পৰা উৎপাদন কৰিব পাৰি। আমাৰ দেশৰ অপৰম্পৰাগত শক্তি মন্ত্ৰালয়ে গোবৰৰ গেছ প্ৰকল্পৰ বাবে দিয়া ঋণৰ ৫০-৯০ শতাংশ পৰ্য্যন্ত ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে। গোবৰ গেছ উৎপাদন কৰিবৰ বাবে ভিতৰুৱা গ্ৰাম্য অঞ্চল অধিক সুবিধাজনক কিয়নো নগৰ অঞ্চলৰ তুলনাত গ্ৰাম্য অঞ্চলত পোহনীয়া জন্তু অধিক পৰিমানে আছে। ভাৰতৰ গ্ৰাম্যঞ্চলৰ প্ৰায়বোৰ পৰিয়ালতেই গোবৰ যথেষ্ঠ পৰিমানে উৎপাদন কৰাৰ উৎস আছে। আমাৰ দেশত DNES (Research and Development activity for developing energy sourees) য়ে যথেষ্ঠ পৰিমানে গোবৰ গেছ প্ৰকল্প স্থাপন কৰাৰ সিদ্ধান্ত লৈছে। ভাৰতত ১,৫০,০০০ টা গোবৰ গেছ প্ৰকল্প ১৯৮৪-১৯৮৫ চনত স্থাপন কৰা হৈছিল। গোবৰ গেছ পৰিৱেশ অনুকূল, কম খৰছী, নৱীকৰণ কৰিব পৰা শক্তি সম্পদ।

*(৬) জীৱ ডিজেল ঃ* কিছুমান উদ্ভিদ প্ৰজাতিৰ আক্ষীৰৰ (Latex) পৰা পাতন প্ৰক্ৰিয়াৰে উন্নত মানদণ্ডৰ জীৱ-ডিজেল পোৱা যায়। এতিয়ালৈকে ইউফৰ বিয়েচি, এচক্লিপিয়েডচি, কনভলভুলেচি, চেপটেচিগোত্ৰৰ থকাৰ সম্ভেদ পোৱা গৈছে আৰু তাৰে ১৫ টা প্ৰজাতি অধিক উৎপাদনক্ষম। আমাৰ অসমত পোৱা বঙালী এৰা বা ভোট এৰা নামৰ উদ্ভিদ প্ৰজাতিটোৱে বৰ্তমান অধিক গুৰুত্ব লাভ কৰা দেখা গৈছে। এই গছৰ গুটিৰ পৰা উৎপাদন কৰা জীৱ ডিজেল ইন্ধন হিচাপে ব্যৱহাৰ কৰি আশানুৰূপ ফল লাভ কৰা দেখা গৈছে। বৰ্তমান ভাৰতৰ

বহুতো ঠাইত এই উদেশ্যে ভোট এৰাৰ খেতি কৰা হৈছে। যিহেতু জীৱ ডিজেলৰ উৎস উদ্ভিদ গতিকেই নবীকৰণ কৰিব পৰা শক্তি সম্পদ।

*(৭) এলকহল ঃ* বহুতো দেশত পেট্ৰলৰ খৰছ কমাবৰ বাবে পেট্ৰলৰ লগত ইমানল মিহলোৱা হয়। এনে ইমানল আলু , গুৰ, গোমধান ,বিট আদিক জীৱাণুৰ দ্বাৰা কিন্বন কৰি প্ৰস্তুত কৰা হয়। ই কম খৰচী, পৰিৱেশ অনুকূল আৰু নৱীকৰণ কৰিব পৰা।

*(৮) জীৱ ভৰ শক্তি ঃ* সালোক সংশ্লেষণৰ পৰা উৎপত্তি হোৱা সকলো দ্ৰৱকে জীৱ ভৰ বুলি কোৱা হয়। যিহেতু প্ৰণীসমূহেও খাদ্য শৃঙ্খলৰ জৰিয়তে উদ্ভিদে উৎপন্ন কৰা কাৰ্বহাইড্ৰেট জাতীয় খাদ্য সংগ্ৰহ কৰে সেয়েহে কুমলীয়া উদ্ভিদ, উদ্ভিদজাত আৰু প্ৰাণীজাত জাবৰ জোথৰ , গছৰ পাত, শাক বন শেলাই, জলত উদ্ভিদ, কৃষিজাত আৰু বনজাত পেলনীয়া দ্ৰব্য, (খেৰ, পতান, তুহ, কুহিয়াৰ জাবৰ, কাঠৰ গুড়ি আদিক জীৱভৰৰ ভিতৰত ধৰা হয়। জীৱভৰৰ পৰা উৎপাদন কৰা শক্তি পৰিৱেশ অনুকূল, কমখৰচী আৰু নৱীকৰণ কৰিব পৰা।

*(৯) ভূগোলীয় শক্তি ঃ* ভূগৰ্ভত সঞ্চিত হৈ থকা তাপ বিদ্যুৎ উৎপাদনত ব্যৱহাৰ কৰা হয়। জ্বালামুখী, গৰম পানীৰ উহঁ, উন্নত প্ৰস্ৰৱণ থকা অঞ্চলত ভূতাপীয় শক্তিৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পৰা যায়। আমাৰ দেশত এতিয়ালৈকে ৩৫০ টা এনে ভূগোলীয় শক্তি উৎপাদন কৰিব পৰা স্থান চিনাক্ত কৰা হৈছে। জম্মু কাশ্মীৰৰ লাডাখ, মধ্যপ্ৰদেশৰ টট্টাপানী, উত্তৰ প্ৰদেশৰ কামৰে অৰৱাহিকা, হিমাচল প্ৰদেশৰ পাৰ্বতী উপত্যকা ভূতাপীয় শক্তি উৎপাদনৰ উপযুক্ত স্থান বুলি চিনাক্ত কৰা হৈছে। হিমাচল প্ৰদেশৰ মণিকাৰান আৰু লাডাখৰ পূগা উপত্যকাত ইতিমধ্যে কাম আৰম্ভ কৰা হৈছে। ভূতাপীয় শক্তি কম খৰচী আৰু পৰিৱেশ অনুকূল।

*(১০) তৰংগ শক্তি ঃ* সূৰ্য্যৰ পৰা পৃথিৱীলৈ অহা ১.৫ শতাংশ শক্তি পৱন শক্তিলৈ ৰূপান্তৰ হয়। ইয়াৰে এটা অংশ সাগৰলৈ স্থানান্তৰিত হোৱাৰ ফলত তৰংগৰ সৃষ্টি হয়। তৰংগৰ পৰা আহৰণ কৰা শক্তি বতাহৰ পৰা আহৰণ কৰা শক্তিতকৈ অধিক কাৰ্য্যক্ষম। ভাৰতৰ উপকূল অঞ্চল দৈৰ্ঘ্য প্ৰায় ৬০০০ কিঃ মিঃ আৰু ইয়াৰ পৰা প্ৰায় ৬০,০০০ মেগাৱাৰ্ট বিদ্যুৎ শক্তি আহৰণ কৰা সম্ভাৱনা আছে।

*(১১) সাগৰীয় তাপ শক্তিৰ পৰিৱৰ্তনৰ দ্বাৰা ঃ* বিষুৱীয় অঞ্চলত সাগৰৰ উপৰিভাগ আৰু গভীৰ সমূদ্ৰৰ মাজত উষ্ণতাৰ বহুত পাৰ্থক্য পোৱা যায়। উপৰিভাগত প্ৰায় ২৮°-৩০° চেলচিয়াচ আৰু গভীৰ সমুদ্ৰত প্ৰায় ৫°-৭° চেলচিয়াচ পোৱা যায়। এই উষ্ণতাৰ তাৰতম্য বিদ্যুৎ উৎপাদনত ব্যৱহাৰ কৰিব পাৰি। ভাৰতৰ লাক্ষা দ্বীপপুঞ্জত এক মেগাৱাৰ্টৰ শক্তি উৎপাদনৰ এটা কেন্দ্ৰ স্থাপন কৰা হৈছে।

দ্ৰুতগতিত জনসংখ্যা বৃদ্ধিপ্ৰযুক্তি বিদ্যাৰ নতুন নতুন উদ্ভাৱণৰ ফলত জীৱন ধাৰণৰ মানদণ্ড সলনি হোৱাত শক্তিৰ চাহিদা দিনক দিনে বৃদ্ধি পাব ধৰিছে। প্ৰচলিত শক্তি সম্পদ সমূহৰ বহুতৰে যেনে কয়লা, খনিজতেল, প্ৰাকৃতিক গেছ আদিৰ উৎস সীমিত আৰু এই শক্তিসমূহ পৰিৱেশ প্ৰতিকূল। দহন কৰিলে কাৰ্বন ডাই অক্সাইড, চালফাৰ ডাই অক্সাইড, কাৰ্বন মন অক্সাইড, সীহ আদি প্ৰদূষক বায়ুমণ্ডলত মিহলি হয়। যিবোৰ পৰিৱেশ বিপৰ্য্যয়ৰ বাবে জগৰীয়া। তদুপৰি এই প্ৰদুষকবোৰ জীৱদেহত বিভিন্ন বেমাৰ আজাৰৰ কাৰক। সেয়েহে আমি সকলোৱে প্ৰাকৃতিক সুৰক্ষা দিয়াৰ স্বাৰ্থত, জীৱকুলৰ ভৱিষ্যতৰ স্বাৰ্থত পৰিৱেশ অনুকূল বিকল্প শক্তি সম্পদসমূহৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া বাঞ্চনীয়। ☺

*জীৱনত সুখ উপভোগ কৰিবলৈ হ'লে আনকো সেই সুখৰ সমভাগী হ'ব দিব লাগিব। এনে কৰাটো কেৱল উদাৰতাই নহয়, বুদ্ধিমানৰো কাম।*

\- এ. পি. কিউৰাছ





# “ভৱিষ্যতৰ প্ৰত্যাহ্বান, ছাত্ৰসমাজলৈ এটি আহ্বান”

অমূল্য চন্দ্ৰ গোস্বামী
অধ্যাপক (ৰসায়ন বিজ্ঞান)

পৃথিৱীৰ প্ৰত্যেক প্ৰাণীয়েই সুখ আৰু শান্তিৰে জীয়াই থাকিবলৈ বিচাৰে আৰু ইয়াৰ কাৰণে প্ৰত্যেকেই প্ৰতিটো মুহুৰ্ত্ততে নিজাববীয়াকৈ ব্যস্ত হৈ আছে। এই ক্ষেত্ৰত জীৱশ্ৰেষ্ঠ মানৱসমাজে বৰ্ত্তমান আটাইতকৈ বেছি সংগ্ৰাম কৰিবলগা হৈছে। ইয়াৰ কাৰণে অৱশ্যে আমাৰ বিশ্লেষণাত্মক মনোভাৱ আৰু উচ্চ আকাঙ্খ্যা আটাইতকৈ দায়ী। এটি সুখী আৰু শান্তিপুৰ্ণ জীৱন যাপন কৰিবলৈ মানুহক বহু বস্তুৰেই প্ৰয়োজন কিন্তু সেই সকলোবোৰৰ ভিতৰত আটাইতকৈ বেছি প্ৰয়োজনীয় বস্তুটো হৈছে সু-স্বাস্থ্য আৰু ইয়াৰ কাৰণে প্ৰয়োজনীয় মূল উপাদান কেইটা হৈছে বিশুদ্ধ বায়ু, পানী আৰু মাটি, অৰ্থাৎ এটি স্বাস্থ্যসন্মতি পৰিৱেশ। কিন্তু এই তিনিওবিধ উপাদানেই দিনে দিনে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। কাৰণ বৰ্ত্তমান সময়ত আমাৰ চাৰিওফালৰ পৰিৱেশত থাকিবলগীয়া প্ৰয়োজনীয় উপাদাসমূহৰ পৰিৱৰ্ত্তে অপ্ৰয়োজনীয় আৰু স্বাস্থ্য হানিকাৰক উপাদান দিনে দিনে বৃদ্ধি হ'বলৈ ধৰিছে। এই অৱস্থাৰ কাৰণে আমি মানৱ সমাজেই দায়ী। সেয়ে আজি আমি প্ৰতিজন নাগৰিকেই এই সমস্যাৰ বিষয়ে গভীৰভাৱে চিন্তা কৰি তাক নিৰাময় কৰিবৰ কাৰণে সংঘবদ্ধ ভাৱে আৰু যুদ্ধকালীন তৎপৰতাৰে চেষ্টা কৰিবৰ সময় হ'ল। অন্যথাই আমাৰ ভৱিষ্যৎ প্ৰজন্মই আমাক কেতিয়াও ক্ষমা নকৰিব।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে আমাৰ এই প্ৰদূষিত পৰিৱেশৰ কাৰণে আমি মানৱসমাজেই সম্পূৰ্ণভাৱে দায়ী আৰু এই ক্ষেত্ৰত দেখা গৈছে যে পৃথিৱীৰ উন্নত আৰু উন্নয়নশীল দেশসমূহৰ অৱদান আটাইতকৈ বেছি। আমি আমাৰ চাৰিওফালৰ য'তেই দৃষ্টি নিক্ষেপ কৰো তাতেই এটা প্ৰদূষিত অৱস্থাহে দেখা পাঁও। বিভিন্ন প্ৰকাৰৰ প্ৰদূষণৰ বিষয়ে আমি সকলোৱেই ইতিমধ্যে কমবেছি পৰিমানে গম পোৱা হৈছো। এই বিভিন্ন প্ৰকাৰৰ প্ৰদূষণৰ ভিতৰত বৰ্ত্তমান বায়ু প্ৰদূষণে প্ৰলয়ঙ্কৰী ৰূপ ধাৰণা কৰিছে। কাৰণ এই প্ৰদূষণে পৃথিৱীৰ চুকে কোণে থকা প্ৰতিটো জীৱকে পৰোক্ষ ভাৱেই হওক বা প্ৰত্যেক্ষভাৱে হওক তিল তিলকৈ মৃত্যুৰ দুৱাৰদলিলৈ লৈ গৈছে। পানী, মাটি নাইবা শব্দ প্ৰদূষণক এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত বাধা দি ৰাখিব পাৰিলেও বায়ু প্ৰদূষণক বাধা দি ৰখাতো সম্ভৱ নহয়। এই বায়ু প্ৰদূষণৰ ফলত উদ্ভৱ হোৱা আটাইতকৈ ভয়ঙ্কৰ অৱস্থাটো হৈছে গোলকীয় উষ্ণতা বৃদ্ধি বা পৃথিৱীৰ উত্তাপ বৃদ্ধি। বৈজ্ঞানিকসকলে সঁকিয়াই দিছে যে পৃথিৱীৰ তাপমানৰ ক্ৰমাগতভাৱে হোৱা বৃদ্ধিৰ কাৰণে ভীষণ গৰম, মূষলধাৰ বৰষুণ আৰু সাগৰীয় ধুমুহাৰ বেগ বৃদ্ধি হ'ব পাৰে যাৰ কাৰণে পৃথিৱীৰ কেইবাখনো দেশৰ অস্তিত্ব বিপন্ন হ'ব পাৰে।

গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰভাৱ আমি ইতিমধ্যে অনুভৱ কৰিবলৈ আৰম্ভ কৰিছো। কাৰণ এটি অধ্যায়নৰ পৰা দেখা গৈছে যে ১৯৯৫ চনৰ পৰা ২০০৭ চনলৈকে এই তেৰটা বছৰৰ বাৰটাই বিগত ১৫৭ বছৰৰ ভিতৰত উষ্ণতম বছৰ। যোৱা ১০০ বছৰৰ ভিতৰত পৃথিৱীৰ গড় উষ্ণতা ০.৭৪ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি হৈছে। মেৰু অঞ্চলৰ বৰফ প্ৰতি দশকত ৫% হাৰত কমি গৈছে। জলচক্ৰত তাৰতম্য ঘটাৰ ফলত অঞ্চলবিশেষত বানপানী, খৰাং বতৰ, ধুমুহা আদিৰ প্ৰকোপ বাঢ়িব ধৰিছে। আফ্ৰিকা আৰু এচিয়াৰ বহু অঞ্চলত খৰাং পৰিস্থিতিৰ উদ্ভৱ হৈছে। ইয়াৰ কাৰণে চুডানত গৃহযুদ্ধ সদৃশ পৰিস্থিতিৰ উদ্ভৱ হৈছে। বিশেষকৈ পশ্চিম চুডানত যোৱা পাঁচ বছৰত ২ লাখ মানুহৰ মৃত্যু হৈছে আৰু ২০ লাখ মানুহ গৃহহীন হৈছে। কলম্বিয়াতো সেই একেই পৰিস্থিতি উদ্ভৱ হৈছে।

গোলকীয় উত্তাপ বৃদ্ধিৰ কাৰণে আগন্তুক বছৰসমূহত হ'ব পৰা কেইটামান বিপদৰ কথা বৈজ্ঞানিকসকলে এনেদৰে উল্লেখ কৰিছে-

(১) ২০৩০ চনত ভাৰতবৰ্ষৰ মানুহৰ প্ৰয়োজনীয় পানী শতকৰা ত্ৰিশ ভাগ হ্ৰাস হ'ব আৰু ২০৮০

চলৈ পৃথিৱীৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশৰ পানীৰ অভাৱ হ'ব।

(২) ২০৩০ চনৰ ভিতৰত ভাৰতবৰ্ষৰ ৫ লাখ বৰ্গকিল'মিটাৰ গ্লেচিয়াৰ এক লাখলৈ হ্ৰাস হ'ব আৰু ২০৩৫ চনলৈ হিমালয়ৰ গ্লেচিয়াৰ সমূহৰ সম্পূৰ্ণ বিলুপ্তি ঘটিব আৰু ইয়াৰ ফলত আমাৰ দেশৰ প্ৰায় ২৫% ভাগ জীৱৰ বিলুপ্তি ঘটিব।

(৩) ২১০০ চনৰ ভিতৰত সাগৰপৃষ্ঠৰ উচ্চতা ৪০ ছেণ্টিমিটাৰ বৃদ্ধি হ'ব যাৰ কাৰণে পৃথিৱীৰ ৫০ কোটি মানুহ গৃহহীন হ'ব।

(৪) ২০৫০ চনত শীতৰ প্ৰভাৱ একেবাৰে কমি যাব আৰু তৃণভূমি হ্ৰাস পাব ফলত পশু খাদ্যৰ নাটনি হ'ব আৰু ডাঙৰ তৃণভোজী প্ৰাণী যেনে হাতী, বনৰীয়া ম'হ আদি হিংস্ৰ হৈ মানৱ সমাজৰ ক্ষতি সাধন কৰিব। ইয়াৰোপৰি সেই সময়লৈ গোটেই পৃথিৱীৰ প্ৰায় ১০০ কোটি মানুহ শৰণাৰ্থীলৈ পৰিণত হ'ব। ভাৰত আৰু আফ্ৰিকাৰ বৃহৎ অঞ্চল মৰুভূমিলৈ ৰূপান্তৰিত হ'ব।

(৫) ২১০০ চনত পৃথিৱীৰ গড় উষ্ণতা ৫ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি পাব। আপাত দৃষ্টিত যদিও এয়া সামান্য বৃদ্ধি যেন লাগিলেও কিন্তু এয়া অতি ভয়ঙ্কৰ কাৰণ পৃথিৱীয়ে যিটো শেষৰ তুষাৰ যুগ পাৰ হৈ আহিছে সেই সময়ত পৃথিৱীৰ গড় উষ্ণতা বৰ্ত্তমানতকৈ মাত্ৰ ৫ ডিগ্ৰী ছেলছিয়াছহে কম আছিল। প্ৰত্যেকে ভাবি চাওক বৰ্তমানতকৈ ৫° ছেলছিয়াছ উষ্ণতা কম হওঁতে যদি পৃথিৱীখন তুষাৰে ঢাকি ৰাখিব পাৰে তেন্তে বৰ্ত্তমানতকৈ ৫ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা বেছি হ'লে কেনে এটা ভয়ঙ্কৰ অৱস্থাৰ সৃষ্টি হ'ব।

গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰণে হোৱা ভৌগলিক পৰিৱৰ্ত্তনে গোটেই মানৱ সভ্যতালৈকে ভাবুকি কঢ়িয়াই আনিছে। সেয়ে স্বাভাৱিকতে প্ৰশ্ন হয় যে এই ভাবুকিৰ পৰা কেনেকৈ পৰিত্ৰাণ পাব পাৰি। এয়া বৰ্ত্তমান পৃথিৱীৰ প্ৰতিজন চিন্তাশীল ব্যক্তিৰ কাৰণে চিন্তাৰ বিষয় হৈ পৰিছে। এই বিষয়ে চিন্তা কৰি বিভিন্ন পৰামৰ্শ আগবঢ়োৱা কাৰণেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন উপৰাষ্ট্ৰপতি এল গোৰে আৰু ভাৰতীয় বৈজ্ঞানিক শ্ৰী ৰজেন্দ্ৰ পাচৌৰীৰ অধ্যক্ষতাত গঠন হোৱা Intergovernment Panel on Climate change (IPCC) ক যুটীয়া ভাৱে ২০০৭ চনৰ নবেল পুৰস্কাৰেৰে সন্মানিত কৰা হৈছিল।

বিভিন্নধৰণৰ বৈজ্ঞানিক বিশ্লেষণ আৰু চিন্তা চৰ্চাৰ পাছত পৃথিৱীৰ সকলো বৈজ্ঞানিক আৰু চিন্তাশীল ব্যক্তিয়ে একমুখে স্বীকাৰ কৰিছে যে গোলকীয় উষ্ণতা বৃদ্ধিৰ মূল কাৰণ হ'ল সেউজ গৃহ গেছৰ প্ৰভাৱ (Green house gas)। সেউজ গৃহ গেছ বুলি ক'লে প্ৰধানকৈ কাৰ্বন ডাই অক্সাইড গেছকেই ধৰা হয় যদিও কিন্তু সেউজ গৃহ গেছৰ প্ৰভাৱ বুলি ক'লে ইয়াৰ লগতে মিথেন, নাইট্ৰজেন অক্সাইড আৰু কাৰ্বনযুক্ত ক্লৰিন-ফ্লুৰিনৰ গেছ সমূহো অন্তৰ্ভুক্ত হয়। এই গেছ সমূহে সূৰ্য্যৰ পৰা অহা তাপশক্তি শোষণ কৰি সেইবোৰক পুনৰ বায়ুমণ্ডললৈ প্ৰতিফলিত হোৱাত বাধা দিয়ে। ইয়াৰ ফলত ভূ-পৃষ্ঠৰ উপৰিভাগৰ উষ্ণতা বৃদ্ধি হয়। এই গেছসমূহৰ ভিতৰত মিথেনৰ বাহিৰে বাকীবোৰ গেছে মানৱ জাতিৰ বিভিন্ন কাৰ্য্যকলাপ আৰু প্ৰকৃতিৰ ওপৰত মানৱজাতিয়ে কৰা অত্যাচাৰৰ ফলতেই উৎপন্ন হৈছে।

২০০০ চনৰ এটা সমীক্ষামতে বিভিন্ন প্ৰকাৰৰ ইন্ধন যেনে পেট্ৰল, ডিজেল, কয়লা, খৰি, গেছ ইত্যাদি দহনৰ কাৰণে গোটেই পৃথিৱীত প্ৰায় ১০১০ কোটি মেট্ৰিক টন কাৰ্বন ডাই অক্সাইড গেছ উৎপন্ন হৈছে। যোৱা সাত বছৰত এই পৰিমান আৰু বৃদ্ধি হৈছে। এই ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰই মুঠ পৰিমাণৰ প্ৰায় ১৬% গেছ উৎপন্ন কৰি তালিকাৰ শীৰ্ষত আছে ভাৰতৰ স্থান এই ক্ষেত্ৰত চতুৰ্থ, চীন আৰু ফ্ৰাঞ্চ ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থানত আছে। বায়ুমণ্ডললৈ নিৰ্গতহোৱা এই কাৰ্বন ডাই অক্সাইড গেছৰ প্ৰায় ৮৫% ভাগ যান বাহন আৰু কল কাৰখানাত ব্যৱহাৰ হোৱা ইন্ধনৰ দহনৰ ফলত উৎপন্ন হৈছে। কিন্তু বৰ্ত্তমান যান্ত্ৰিক যুগত এইবোৰ বন্ধ কৰাটো অসম্ভৱ, কিন্তু বহুক্ষেত্ৰত বিকল্প ব্যৱস্থা গ্ৰহণ কৰি হ্ৰাস কৰাটো সম্ভৱ। ইয়াৰ কাৰণে প্ৰয়োজন উন্নত প্ৰযুক্তি বিদ্যা আৰু জনসাধাৰণৰ সজাগতা। উন্নত আৰু উন্নয়নশীল দেশসমূহে ইতিমধ্যে বিদ্যুৎ শক্তি চালিত বা সৌৰশক্তি চালিত যান-বাহন উদ্ভাৱন কৰিবলৈ সমৰ্থ হৈছে, কিন্তু উৎপাদন খৰচ তুলনামূলক ভাৱে বেছি হোৱা কাৰণে বজাৰলৈ বহুল ভাৱে উলিয়াই দিব পৰা নাযায়। কিন্তু বৰ্ত্তমানৰ





পাৰিপাৰ্শ্বিক অৱস্থালৈ চায় ৰাজ সাহায্য দি আৰু আৰু লগতে আইন প্ৰণয়ন কৰি হ'লেও এনে ধৰণৰ যান বাহন প্ৰচলন কৰা উচিত। ইয়াৰোপৰি দেখা যায় যে পৃথিৱীৰ বিভিন্ন দেশৰ শক্তি উৎপাদন প্ৰকল্প সমূহত প্ৰচুৰ পৰিমানে কয়লা আৰু প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰা হয় আৰু এইবোৰৰ পৰা প্ৰায় ৬০% কাৰ্বনডাই অক্সাইড গেছ বায়ুমণ্ডললৈ ওলাই যায়। এই প্ৰকল্পসমূহৰ পৰা নিৰ্গত হোৱা গেছ হয় বন্ধ কৰিব লাগিব নহয় নূন্যতম কৰিব লাগিব।

'সেউজ গৃহ' গেছৰ অন্য এটা প্ৰধান উপাদান হৈছে মিথেন গেছ। যদিও এই গেছ মুঠ গোলকীয় সেউজ গৃহ গেছৰ ১৬% ছে, কিন্তু ইয়াৰ তাপশক্তি শোষণ কৰিব পৰা ক্ষমতা কাৰ্বন ডাই অক্সাইডতকৈ ২৩ গুণ বেছি। সেয়ে গোলকীয় উষ্ণতা বৃদ্ধিত ইয়াৰ প্ৰভাৱ অত্যন্ত বেছি, এই গেছৰ প্ৰধান উৎস প্ৰাকৃতিক উপাদান। সেয়ে এই গেছ বায়ুমণ্ডললৈ ওলায় যোৱা ক্ষেত্ৰত বাধা দিয়াত কিছু অসুবিধা আছে। কাৰণ মিথেন গেছ খেতিৰ পথাৰ, জলাহ অঞ্চল যেনে নলা-নৰ্দমা, পিতনি অঞ্চল, বিল পুখুৰী, ভূগৰ্ভৰ খাৰুৱা তেলৰ লগত প্ৰধানকৈ নিৰ্গত হয়। আনকি তৃণভূজী প্ৰাণীৰ বৃথা নাইবা ইন্ধন ৰূপে ব্যৱহাৰ কৰা গৰু-মহৰ গোবৰ দহন কৰোঁতেও প্ৰচুৰ মিথেন গেছ উৎপন্ন হয়। কিন্তু পৰীক্ষাৰ দ্বাৰা দেখা গৈছে উৎপন্ন হোৱা মুঠ মিথেন গেছৰ প্ৰায় ২৪% মানুহৰ বিভিন্ন কাৰ্য্য কলাপৰ পৰাহে উৎপন্ন হয়। সেয়ে এইখিনি গেছৰ নিৰ্গমন বন্ধ কৰিব পাৰিলেও গোলকীয় উষ্ণতা বৃদ্ধিত যথেষ্ট সহায় হ'ব। ইয়াৰোপৰি এই মিথেন গেছক ব্যৱহাৰৰ উপযোগী অন্য পদাৰ্থলৈ ৰূপান্তৰিত কৰিব পৰা পদ্ধতিও আছে।

মিথেন আৰু কাৰ্বন ডাই অক্সাইডৰ উপৰিও 'সেউজগৃহ' গেছৰ প্ৰায় ৯% গেছ যেনে নাইট্ৰজেন অক্সাইড, ফ্লুৰ'কাৰ্বন, ছালফাৰ হেক্সাফ্লুৰাইড আদি গেছ বিভিন্ন শিল্প উদ্যোগৰ পৰা উৎপন্ন হয়। এই গেছ সমূহ উৎপাদন থলীতে শোষণ কৰাৰ ব্যৱস্থা কৰিব পাৰি। ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে 'সেউজ গৃহ' গেছ মানৱ সমাজৰ বিভিন্ন কাৰ্য্য কলাপ বা শিল্প উদ্যোগৰ পৰা উৎপন্ন হৈছে। এই কাৰ্য্য কলাপৰ পৰা আমাৰ তাৎক্ষণিক সুবিধা বা অৰ্থনৈতিক সফলতা হৈছে কিন্তু অদূৰ ভৱিষ্যতে ইয়াৰ পৰা উদ্ভৱ হ'ব পৰা বিপদৰ কথা চিন্তা কৰাতো অত্যন্ত প্ৰয়োজনীয়। এই ক্ষেত্ৰত যদিও আন্তঃৰাষ্ট্ৰীয় স্তৰত বিভিন্ন আলোচনা বা চিন্তা-চৰ্চা কৰি নানা ধৰণৰ উপায় আৰু নীতি-নিৰ্দেশনা যুগুত কৰা হৈছে কিন্তু তৃণমূল পৰ্য্যায়ত গণ-সচেতনতা তাতকৈ বেছি প্ৰয়োজন হৈছে। এইগণ সচেতনতাৰ কাৰণে প্ৰত্যেক ৰাষ্ট্ৰতে ৰাষ্ট্ৰভিত্তিক ছাত্ৰ সমাজ একগোট হৈ এক আন্দোলনমুখী পৰিৱেশ সৃষ্টি কৰিব লাগিব। এই আন্দোলনৰ মূল লক্ষ্য হ'ব লাগিব।

(১) 'সেউজগৃহ' গেছৰ নিৰ্গমন বন্ধ বা নূন্যতম কৰিবৰ কাৰণে যিকোনো বিকল্প ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে জনগণক সজাগ কৰা।

(২) যিবোৰ শিল্প উদ্যোগৰ পৰা প্ৰচুৰ পৰিমানে কাৰ্বন ডাই অক্সাইড গেছ নিৰ্গমন হয় তেওঁলোকক এই গেছ থলীতে শোষণ কৰিবৰ কাৰণে ব্যৱস্থা কৰিবলৈ বাধ্য কৰোৱা।

(৩) প্ৰত্যেক যান বাহনৰ পৰা যাতে সেউজ গৃহ গেছ নিৰ্গত নহয় তাৰ ব্যৱস্থা কৰিবলৈ যানবাহন প্ৰস্তুত কৰা উদ্যোগক বাধ্য কৰা।

(৪) ব্যক্তিগতভাৱে কম দূৰত্বৰ কাৰণে বাইচাইকেল ব্যৱহাৰ কৰিবলৈ আৰু ব্যক্তিগত যানবাহনৰ পৰিৱৰ্তে যথাসম্ভৱ সামূহিক যান-বাহন ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক সজাগ কৰা।

(৫) সৌৰশক্তি, বতাহ শক্তি আৰু নিউক্লীয় শক্তিৰ ভিত্তিত বিদ্যুৎ উৎপাদন প্ৰকল্প স্থাপন কৰিবলৈ চৰকাৰ আৰু উদ্যোগপতি সকলক বাধ্য কৰোৱা।

(৬) প্ৰৰ্য্যাপ্ত পৰিমানৰ বৃক্ষ ৰোপন কৰা আৰু বৰ্ত্তমানে থকা বনাঞ্চল ধ্বংস কৰাত বাধা দিয়া আৰু সেইবোৰক উপযুক্ত ভাৱে ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰা।

(৭) বায়ুমণ্ডলৰ কাৰ্বন ডাই অক্সাইড গেছ ভিত্তিক উদ্যোগ স্থাপন কৰা। এইক্ষেত্ৰত পলিপ্ৰপাইলিন কাৰ্বনেট (PCC) নামৰ এবিধ পদাৰ্থৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। কাৰণ এই পদাৰ্থৰ পৰা জৈৱবিয়োজন হোৱা (Biodegradable) পলিথিন প্ৰস্তুত কৰিব পাৰি আৰু ই মাটি আৰু পানী প্ৰদূষণ ৰোধ কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব। ইতিমধ্যে চীন দেশত ব্যৱসায়িক ভিত্তিত এই উদ্যোগ স্থাপনত আগ বাঢ়িছে।

*** ▲▲▲ ***

# “আধুনিক ভাৰতবৰ্ষ, বিজ্ঞান আৰু বৈজ্ঞানিক গৱেষণা”

প্ৰদীপ কুমাৰ চেতিয়া ফুকন

খ্ৰীষ্টপূৰ্ব প্ৰায় ৪০০০ বছৰৰ আগতে ভাৰতবৰ্ষ বিজ্ঞানৰ ইতিহাস আৰম্ভ হৈছিল। সেই সময়ত বিশেষকৈ জ্যোতিবিজ্ঞানৰ প্ৰাধান্যতা বেছি আছিল। প্ৰকৃতিৰ বুকুৰেদি সময় বাগৰি গৈছে। নানা উঠন-পতনৰ মাজেৰে আজি আহি বিজ্ঞান বৰ্তমানৰ অৱস্থা পাইছে। বিভিন্ন সময়ত বিজ্ঞানী সকলৰ গৱেষণাৰ পৰা বহুতো নতুন তথ্য আৱিষ্কৃত হ'বলৈ ধৰিলে। আধুনিক ভাৰতবৰ্ষত বৈজ্ঞানিক গৱেষণাৰ পাতনি মেলা হয় উনবিংশ শতিকাৰ জগদীশ চন্দ্ৰ বসুৱে কৰা পৰীক্ষা সমূহেৰে। ইয়াৰ পিছত প্ৰফুল্ল চন্দ্ৰ ৰায়, মেঘনাদ সাহা, চন্দ্ৰশেখৰ ভেংকটৰমন আদি বিজ্ঞানী সকলে স্বাধীনতাৰ আগৰ কালছোৱাতে ভাৰতবৰ্ষত বৈজ্ঞানিক গৱেষণাৰ এক বাতাৱৰণ সৃষ্টি কৰিছিল। দেশে স্বাধীনতা লাভ কৰা আগতে ভাৰতবৰ্ষ বহুতো স্বপ্নদ্ৰষ্টা আছিল। বহুতো বিজ্ঞানী এখন শক্তিশালী আৰু আধুনিক ভৰতবৰ্ষ নিৰ্মাণৰ কথা ভাবি আছিল। ১৯৪০ চনত ভাৰতৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণা সংস্থা C.S.I.R. স্থাপিত হয়। (Council of scientific and Industrial Research)

কেমব্ৰিজ বিশ্ববিদ্যালয়ত তাত্বিক পদাৰ্থবিজ্ঞানৰ গৱেষণা কৰি অহা ডঃ হোমি জাহাঙ্গীৰ ভাবাৰে সহযোগত ১৯৪৫ চনত টাটা ট্ৰাষ্টৰ পৃষ্ঠপোষতাত বিজ্ঞানৰ মৌলিক গৱেষণাৰ প্ৰতিস্থান এটা স্থাপন হয়। ১৯৫৫ চনত ভাৰত চৰকাৰে এই প্ৰতিষ্ঠা টোক পাৰমাণৱিক পদাৰ্থবিজ্ঞান আৰু গণিত বিজ্ঞানৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰূপে স্বীকৃতি প্ৰদান কৰে। বৃটিছ সকলেও ভাৰতত আধুনিক বিজ্ঞান যুগটোৰ সূচনা কৰে। কিন্তু তথাপিও সাম্ৰাজ্যবাদীৰ শাসনৰ যোগটোত বিজ্ঞানে ভাৰতীয় সমাজৰ উন্নতিৰ যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। স্বাধীনতা লাভৰ পাছতে ভাৰত চৰকাৰে বিজ্ঞানক এক জাতীয় প্ৰচেষ্টা হিচাপে গ্ৰহণ কৰিলে।

এই প্ৰচেষ্টাৰ মূলতে পাশ্চাত্যৰ দেশবোৰত হোৱা ব্যাপক নিৰ্মাণে বা প্ৰস্তুতকৰণ পদ্ধতিৰ উৎকৰ্ষ সাধন। বিদ্যুৎৰ আগমনৰ লগে লগে নিৰ্মাণৰ ক্ষেত্ৰত নতুন মাত্ৰা যোগ হল। বিদ্যুৎ ব্যৱহাৰ কৰি ঠাই পোহৰোৱা, গৰম কৰা আৰু যন্ত্ৰ পাতি চলাব পৰা হ'ল। পঞ্চাশৰ দশকত ইলেকট্ৰনিক্স আৰু ট্ৰেনজিষ্টৰৰ নতুন কৌশল উদ্ভাৱন হ'ল। তাৰ পিছে পিছে মাইক্ৰ'ইলেকট্ৰনিক্স, কম্পিউটাৰ বিভিন্ন প্ৰকাৰৰ বিজ্ঞানৰ সঁজুলি উদ্ভাৱন কৰে। বিজ্ঞানী সকলে গৱেষণাৰ বাবে সহাঁৰি পালে। স্বাধীনোত্তৰ কালত পাৰমাণৱিক বিজ্ঞানে আমাৰ দেশক আগুৱাই নিছে। ১৯৫৭ চনত বোম্বেৰ ওচৰৰ ট্ৰম্বেত দেশৰ প্ৰথম পাৰমাণৱিক গৱেষণা কেন্দ্ৰটো স্থাপিত হয়। তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰু আৰু বিজ্ঞানী হোমি জাহাঙ্গীৰ ভাবাৰ উদ্যোগত এই প্ৰতিষ্ঠানটো স্থাপিত হয়। ১৯৬৭ চনত ই ভাবা আনৱিক কেন্দ্ৰ (Bhabha atomic Risearch centre) নামে জনাজাত হৈছে। এই কেন্দ্ৰৰ উদ্যোগত ভাৰতত কেইবাটাও পাৰমাণৱিক ৰিযেক্টৰ প্ৰতিষ্ঠিত হৈছে।

ডঃ বিক্ৰম ছাৰাভাইৰ উদ্যোগত উদ্যোগত ১৯৫৪ চনত আহমেদাবাদত ভৌতিক গৱেষণা কেন্দ্ৰ (Physical Research Laboratory) স্থাপিত হয়। ১৯৫৫ চনত মহাজাগতিক ৰশ্মিৰ জোখমাখ লবলৈ এই প্ৰতিষ্ঠানে কাশ্মীৰত এটা উদ্দ্যোগ কেন্দ্ৰ স্থাপন কৰে পাচত পাৰমাণৱিক শক্তি আয়োগে ১৯৬৩ চনত এই কেন্দ্ৰকে অতি উচ্চতাৰ গৱেষণা কেন্দ্ৰলৈ ৰূপান্তৰিত কৰে। কিছু বছৰৰ পাছত কোডাই কানল, ত্ৰিবান্দ্ৰম আৰু গুলমাৰ্গত ইয়াৰ আন তিনিটা উপকেন্দ্ৰ স্থাপন কৰা হয়।

ডঃ ছাৰাভাইৰ উদ্যোগত ভাৰতে মহাকাশ বিজ্ঞানৰ গৱেষণাতো অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। তেওঁ বুজিছিল যে আধুনিক যুগ মহাকাশৰ যুগ। সেয়েহে তেওঁ ভাৰতীয় পাৰমাণৱিক আয়োগৰ ভিতৰতে Indian National Committee for space Research নামৰ এটা আয়োগ স্থাপন



কৰে। বৰ্তমান ই ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰ অৰ্থাৎ Indian space Recearch organisation নামেৰে জনাজাত। এই প্ৰতিষ্ঠানৰ উদ্যোগত ১৯৬২ চনত মুম্বেত ৰকেট উৰুউৱা কেন্দ্ৰ Rocket Laun hing site এটা স্থাপন কৰা হয়। ইয়াৰ পাছত তামিলনাডুৰ শ্ৰী হৰিকোটত এনেকুৱা দ্বিতীয় কেন্দ্ৰটো স্থাপন কৰা হয়। প্ৰায় একে সময়তে আহমেদাবাদত কৃত্ৰিম উপগ্ৰহৰ গৱেষণা কেন্দ্ৰ “Sattelite Communication Earth centre” প্ৰতিষ্ঠা কৰা হয়। ১৯৭৫ চনত ভাৰতত নিৰ্মিত মহাকাশ যান আৰ্যভট্ট নিৰ্মান কৰাৰ পিছৰে পৰা মহাকাশ অভিযানত ভাৰতে পিচলৈ চাব লগা হোৱা নাই। ইতিমধ্যে ভাৰতীয় মহাকাশ বিজ্ঞানে অধিক উন্নতি লাভ কৰিবলৈ সক্ষম হৈছে।

ভাৰতীয় বিজ্ঞানীসকলে জ্যোতিবিজ্ঞানতো সুনাম অৰ্জন কৰিছে। স্বাধীনতাৰ পাছতেই নোবেল বটা বিজয়ী বিজ্ঞানী ছি.ভি. ৰমনে বাংগালোৰত Raman Research Institute প্ৰতিষ্ঠা কৰে।

বাংগালোৰতে স্থাপন কৰা হ'ল- Indian Astrophysical Institute। এই প্ৰতিষ্ঠান দুটাৰ গৱেষণা সকলে যৌথ মহাকাশৰ নক্ষত্ৰ সম্পৰ্কে আৰু মহাকাশৰ বিষয়ে নতুন তথ্য সংগ্ৰহ কৰি আছে। এই উদ্দেশ্যে তেওঁলোকে বাংগলোৰৰ ওচৰৰ গোবিন্দপুৰত ডেকামিটাৰ তৰংগ দৈৰ্ঘ্যৰ সংকেত গ্ৰহণ কৰিব পৰা ৰেডিঅ' দূৰবীন প্ৰায়ে কৰি আহিছে।

প্ৰযুক্তি ক্ষমতা বিকশিত কৰিবলৈ দেশ এখনৰ বহুসময় লাগে। গুৰুত্ব পূৰ্ণ কথাটো হ'ল-ই কেইটামান নিণয়াত্মক আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ওপৰতহে মন দিয়ে যি প্ৰযুক্তিয়ে অৰ্থনৈতিক অস্থিৰতাৰ মুখামুখি হ'বলৈ নিণয়াত্মক সুবিধা প্ৰদান কৰে। স্বাধীনতাৰ পিছতে ভাৰতত বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ প্ৰতিষ্ঠান Indian Institute of Technology কেইটা স্থাপন কৰা হয়। দিল্লী, বোম্বে, মাদ্ৰাজ, দৰকাপুৰ আৰু কানপুৰত প্ৰতিষ্ঠিত এই প্ৰতিষ্ঠান কেইটাই আমাৰ দেশৰ বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ ক্ষেত্ৰত যথেষ্ঠ বৰঙণি আগবঢ়াইছে। যোৱা দশকতে ই আমাৰ দেশত যথেষ্ঠ সংখ্যক বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ গৱেষণা কেন্দ্ৰ স্থাপিত হৈছে । সপ্তম পৰিকল্পনাৰ সময়ছোৱাত অৰ্থাৎ (১৯৮৫-৯০) চনলৈ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানে দেশৰ মূল আৰ্থসামাজিক পৰিকল্পনাত উল্লেখযোগ্য ভূমিকা লয়। কোনো এখন দেশৰ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ প্ৰযত্নত কিমান গুৰুত্ব দিয়া হৈছে সেই কথা দেশখনে গৱেষণা আৰু উন্নয়নৰ বাবে খৰচকৰা পুঁজিৰ পৰা সহজে বুজিব পাৰি। আমাৰ দেশত বৈজ্ঞানিক কাম কাজ আৰু গৱেষণা উন্নয়নৰ বাবে যথেষ্ঠ খিনি অৰ্থ খৰচ কৰে।

বৰ্তমান আহমেদাবাদত 'প্লাজমা' পদাৰ্থ-বিজ্ঞানৰ গৱেষণা আৰম্ভ হৈছে। সূৰ্য্যত যি ধৰণে শক্তি উৎপন্ন হয় গৱেষণাগাৰতো সেই ধৰণে শক্তিৰ উৎপাদনেই হল এনে গৱেষণাৰ মূল লক্ষ্য। প্লাজমা গৱেষণাৰ দ্বাৰা হয়তো ভৱিষ্যতে আমাৰ দেশক শক্তি সংকটৰ পৰা ৰক্ষা কৰিব।

৮০ দশকত ভাৰতীয় বিজ্ঞানীসকলে আন এটা বিষয়ত সুনাম আৰ্জিবলৈ সক্ষম হৈছে। বিষয়টো হ'ল অতি উষ্ণতাত অতি পৰিবাহিতা। ১৯৮৬ চনৰ অতিপৰিবাহিতাৰ ক্ষেত্ৰত নতুন ঘটনা ঘটে। ছুইজাৰলেণ্ডৰ বিজ্ঞানী ডঃ জৰ্জ বেডন'ৰজ আৰু ডঃ অলেক্স মূলাৰে ৩০° ডিগ্ৰী কেলভিন উষ্ণতাত এবিধ যৌগিক পদাৰ্থৰ অতি পৰিবাহিতাৰ আৱিষ্কাৰ কৰা বুলি ঘোষণা কৰে। অতি পৰিবাহিতাৰ বিষয়ে ভাৰতৰ কেইবাটাও প্ৰতিষ্ঠানৰ বিজ্ঞানীয়ে গৱেষণা চলাই আছিল যদিও বেডন'ৰজ আৰু মূলাৰৰ গৱেষণা ফল ঘোষণা কৰাৰ পাছত তেওঁলোকে নতুন উদ্দমেৰে কাম কৰিবলৈ লয়। বাংগালোৰত থকা বিখ্যাত “Indian Institute of Science”ৰ বিজ্ঞানীসকলে অতি পৰিবাহিতাৰ প্ৰযুক্তি বিকাশ আৰু গৱেষণাৰ ক্ষেত্ৰত ভাৰত যাতে পিছ পৰি নাযায়-সেই বিষয়ে আগভাগ লৈছে। এই ক্ষেত্ৰত ভাৰত চৰকাৰেও ব্যৱস্থা গ্ৰহণ কৰিছে।

আনৱিক জীৱবিদ্যা আৰু চিকিৎসা বিজ্ঞানত ভাৰতত বিজ্ঞানীৰ গৱেষণাই সমাদৰ লাভ কৰিছে। স্বাস্থ্য, কৃষি, চিকিৎসা আদি নানা বিষয়ত জীৱ কাৰিকৰী বিজ্ঞানৰ বাঢ়ি অহা গুৰুত্বলৈ লক্ষ্য ৰাখি চৰকাৰে Biotechnology Board খনক এটা পূৰ্ণ পৰ্য্যায়ৰ জীৱ কাৰিকৰী বিজ্ঞান বিভাগলৈ পৰিৱৰ্তিত ১৯৮৬ চনত কৰে। আগৰ পৰিৱেশ বিভাগক এতিয়া এটা নতুন মন্ত্ৰণালয় পাৰি পাৰ্শ্বিকতাৰ আৰু অৰণ্য মন্ত্ৰনালয়লৈ

পৰিৱৰ্তিত কৰা হয়। এই দৰে নানা নতুন বিভাগ আৰু মন্ত্ৰণালয় স্থান কৰি কেন্দ্ৰীয় চৰকাৰে সজাগতা প্ৰকাশ কৰাৰ লগতে বিভিন্ন ৰাজ্যত বিজ্ঞানৰ সংস্থাবোৰ বলিষ্ঠ কৰাৰ বাবেও বহুতো ব্যৱস্থা হাতত লয়। এই সকলোবোৰৰে উদ্দেশ্য হৈছে দেশৰ আৰ্থসামাজিক উন্নতিত বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানে যাতে পোনপটীয়া আৰু বলিষ্ঠ অংশ গ্ৰহণ কৰিব পাৰে।

প্ৰাকৃতিক সম্পদৰ বুনিয়াদ ভাৰতবৰ্ষৰ অন্যতম মূলশক্তি। ভাৰতত মূল্যবান আটাইবোৰ খনিজ দ্ৰব্যৰ টনকিয়াল ভঁৰাল নাথাকিব পাৰে বা থাকিলেও সিবোৰ জনবিশিষ্ট নহ'ব পাৰে কিন্তু তাৰে বেছি ভাগৰেই পৰ্যাপ্ত যোগান আছে। আমাৰ দেশৰ তীখা আৰু এলুমিনিয়ামৰ ভাল খনি আছে। টাইটেনিয়ামৰ নিচিনা বিস্ময়কৰ খনিজ ধাতু প্ৰচুৰ পৰিমানে আছে তেনেকুৱা আন কিছুমান দুৰ্লভ ভূ পদাৰ্থ আছে। আমাৰ দেশত বিশাল আৰু বিস্তীৰ্ণ উপকূল ভূমি আছে যত শক্তি উৎপাদনকাৰী অজস্ৰ সম্পদ মজুত আছে। আমি ভূ-সম্পদৰ প্ৰভূত ব্যৱহাৰ কৰো কাৰণে সিবোৰ আমাৰ ভৱিষ্যতৰ শক্তি। সমুদ্ৰগৰ্ভৰ সম্পদসমূহৰ অধিকাংশ আজিও অনাৱিস্কৃত হৈ আছে। আমাৰ ভূবিজ্ঞানী সকলে গৱেষণাৰ জৰিয়তে এনে শক্তি বিলাকক মানৱৰ কল্যাণৰ বাবে উৎসৰ্গত কৰিছে।

ভৱিষ্যতে অধিক গবেষণা সম্ভাৱনা থকা কাৰক বোৰ বিজ্ঞানীসকলে বাচি উলিয়াব লাগিব। সৌভাগ্যৰশতঃ ভাৰতৰ অজস্ৰ খনিজ সম্পদৰ ভাণ্ডাৰ আছে। বিশাল পৰিমানৰ লৌহ আৰু কেচাঁ মেঙ্গানিজ মজুত আছে। পৃথিৱীৰ ভিতৰতে উৎকৃষ্ট গুণৰ বক্সাইটৰ খনিও আমাৰ আছে। কিন্তু টাইটেনিয়াম মিশ্ৰ ধাতু আৰু এলুমিনিয়াম মিশ্ৰ ধাতুৰ দৰে মিশ্ৰ ধাতু গৱেষণা পূৰ্ণাংগ পৰ্য্যায়ৰ হোৱা নাই। ভাৰতৰ দ্ৰব্য বিজ্ঞানত অজস্ৰ গৱেষণা হোৱা সত্বেও এটা মিশ্ৰ ধাতুৰ তৈয়াৰ কৰিব পৰা নাই।

কোনোমতে অস্তিত্ব ৰক্ষা কৰিব পৰা এটা অৱস্থাৰ পৰা ভাৰতীয় কৃষিয়ে বিজ্ঞান আৰু কাৰিকৰীবিজ্ঞানৰ সহায়ত এটা বাণিজ্যিক কৃষিলৈ উন্নতি হৈছে। অৱশ্যে তথাপিও এই কথা কব লাগিব যে বিজ্ঞানাগাৰৰ পৰা খেতি পথাৰলৈ জ্ঞান লৈ যোৱাৰ ক্ষেত্ৰত যথেষ্ট পূৰাবলগীয়া ফাঁক এতিয়াও আছে। কৃষি ক্ষেত্ৰত দেশৰ নতুন নতুন অঞ্চললৈ সেউজ বিপ্লৱ লৈ থোৱাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে যদিও কিছু ক্ষেত্ৰত কৃষি বৈজ্ঞানিক গৱেষণাগাৰতে আছে।

জনস্বাস্থ্যৰ ক্ষেত্ৰত ভাৰতৰ বিজ্ঞানী চিকিৎসাবিদসকলে বৃহৎ সাফল্য লাভ কৰিছে। প্লেগ আৰু বৰ নিচিনা মাৰাত্মক মহামাৰী বেমাৰ সমূহ আধুনিক বিজ্ঞানে একেবাৰে নিৰ্মূল কৰিছে বুলিব পাৰি। আমাৰ দেশৰ বিজ্ঞানীসকলে মেলেৰীয়া, যক্ষ্মা, ডায়েৰিয়াৰ দৰে ৰোগকো আজিও গৱেষণাৰ কাৰ্য্যসূচীত ৰাখিব লগীয়া হৈছে। চিকিৎসা গৱেষণাৰ ক্ষেত্ৰতো বিজ্ঞানাগাৰৰ গৱেষণা আৰু জনস্বাস্থ্যৰ সেৱাৰ মাজত বলিষ্ঠ সংযোগ স্থাপন কৰাৰ প্ৰয়োগ এতিয়াও থাকিব লগীয়া হৈছে। নিউক্লীয় শক্তিৰ ক্ষেত্ৰত ভাৰতীয় বিজ্ঞানী সকলে সাফল্য লাভ কৰিছে। এতিয়া নিউক্লীয় শক্তিৰ উৎস, অনুসন্ধান, খনিৰ পৰা অনা ধাতু নিষ্কাশন, শুদ্ধীকৰণ আৰু সেইবোৰক নিউক্লীয় পদাৰ্থলৈ পৰিৱৰ্তন কৰা ৰিয়েক্টৰৰ বাবে মূল উপায় সৃষ্টি কৰা আদি সকলো কাম বৰ্তমান ভাৰতীয় বিজ্ঞানী সকলে কৰিব পাৰিছে।

ভাৰতীয় বিজ্ঞানী সকলে নতুনকৈ হাতত লোৱা সাগৰ বিকাশ আঁচনিত উল্লেখ্যনীয় পদক্ষেপ লৈছে। এণ্টাৰ্কটিকাত এটা স্থায়ী গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে। সাগৰত বহুধাতুৰ সন্ধান চলাইছে আৰু এই ক্ষেত্ৰত ভাৰতীয় বিজ্ঞানী সকলে যথেষ্ট পাৰদৰ্শিতা আহৰণ কৰিছে।

অপৰম্পৰাগত শক্তি উৎসৰ ক্ষেত্ৰতো দেশৰ বিজ্ঞানে গৱেষণা কৰি মানৱৰ কল্যাণৰ বাবে প্ৰয়োগ কৰিব পৰা কৰিছে। দেশৰ কেইবাঠাইত সৌৰশক্তিৰ সহায়ত উদ্যোগ আৰু ঘৰুৱা কামত ব্যৱহাৰ হোৱা গৰম পানীৰ যোগান ধৰা হৈছে তাৰ বাহিৰেও সৌৰ চৌকা, সূৰ্য্যৰ সহায়ত পথাৰৰ শস্য শুকুৱা, বায়ুশক্তিৰ সহায়ত চলোৱা পাম্প জৈৱ প্ৰকল্প উদ্যোগবোৰ আদিত ভাৰতীয় বিজ্ঞানী সকলে চমকপদ সাফল্য অৰ্জন কৰিছে।

ইলেক্টনিক্স আৰু দূৰ সংযোগৰ ক্ষেত্ৰত দেশখনে যথেষ্ট উন্নতি লাভ কৰিছে। মহাকাশৰ পৰা দূৰ সংযোগ অথবা বৈদ্যুতিক পদ্ধতিৰে পৃথিৱীৰ ছবি তোলা পদ্ধতি, প্ৰাকৃতিক সম্পদ, ভূমিৰ গুণাগুণ আৰু জলীয় সম্পদ সমূহ পৰীক্ষা কৰাত ব্যাপক হাৰত ব্যৱহৃত হৈছে।





# অসমৰ যুৱ সমাজৰ সপোন আৰু বাস্তৱ

ড° শশীকান্ত শইকীয়া



*এক ঃ যুৱ সমাজৰ সপোন ........*

অসমত কিমান জন ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীয়ে জানে যে আই আই এম পাছ কৰা এজন যুৱকে সম্প্ৰতি কিমান টকাৰ ন্যুনতম দৰমহা লাভ কৰে? এই প্ৰশ্নটো উত্তৰ হয়তো বহু অভিভাৱকেই দিবলৈ সক্ষম নহয়। এজন আই আই এম পাছ কৰা ছাত্ৰ বা ছাত্ৰীয়ে ন্যুনতম মাহে দৰমহা অন্যান্য সা-সুবিধা বাদ দি এক লাখ সত্তৰ হাজাৰ টকা (১,৭০,০০০)। তেনেদৰে কোম্পানী ছেক্ৰেটেৰী পাছ কৰা এজন ছাত্ৰ-ছাত্ৰীয়ে ন্যুনতম মাহে দৰমহা লাভ কৰে কমেও ষাঠিৰ পৰা সত্তৰ হেজাৰ টকা। এনে বহু কথাই আমাৰ যুৱ সমাজে জানিবলৈ আগ্ৰহ প্ৰকাশ নকৰে আৰু কোনোৱে এই বিষয়ে আলোচনা কৰিলেও আলোচনাত ভাগ ল'ব নিবিচাৰে। অসমৰযুৱ সমাজে আজিৰ তাৰিখত এনে কথা বিলাক জনাটো আৰু হাতেকামে নামি পৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ পিছে পিছে খেদি ফুৰা অসমৰ যুৱক-যুৱতীসকলে এই বিষয়ে অধিক জনাটো প্ৰয়োজন হৈ পৰিছে। আজিৰ তাৰিখত অসমত এনে পদ আৰু চাকৰিৰ বহু সুযোগ আহিছে কিন্তু অসমৰ যুৱ সমাজে এনে সুযোগ গ্ৰহণ কৰিব পৰা নাই। অলপতে দিল্লীৰ পৰা ইণ্ডিয়ান ইনষ্টিটিউত অফ কম্পেনী ছেক্ৰেটেৰীৰ পৰা এজন যুটীয়া সঞ্চালক ডিব্ৰুগড়লৈ আহি সেই বিষয় বৰ্তমান গুৰুত্বতা আৰু প্ৰয়োজনীয়তাৰ কথা দোহাৰি তেওঁ কৈছিল যে ন্যুনতম এশ পঞ্চাছ জন ছাত্ৰ-ছাত্ৰী হ'লে ডিব্ৰুগড়তে তেওঁ এটা বাৰ্চনি কেন্দ্ৰ স্থাপন কৰিব,যাতে ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হয়। কিন্তু দুৰ্ভাগ্যজনক কথা যে সেই বিষয়াজনে ভাষণ দি যোৱাৰ পিছত কোনো এটা পক্ষই এনে এটা কেন্দ্ৰ স্থাপন কৰাত গুৰুত্ব আৰোপ নকৰিলে। বিষয়াজনৰ মন্তব্য আছিল বহু আই চি এছ পাছ কৰা ছাত্ৰ-ছাত্ৰীয়ে অসমলৈ কাম কৰিবলৈ আহিব ইচ্ছা নকৰে। গতিকে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাজহুৱা আৰু বেচৰকাৰী খণ্ডত খালী হোৱা পদ সমূহত অসমৰ ছাত্ৰ-ছাত্ৰীৰ পৰাই নিযুক্তি দিব পৰা যাব। তেওঁ ডিব্ৰুগড়ৰ লেপেটকতাত স্থাপন হ'ব লগীয়া গেছ ক্ৰেকাৰ প্ৰকল্পত প্ৰয়োজন হোৱা পদৰ বিষয়েও উল্লেখ কৰিছিল।

যিসকলৰ 'দ্যা টাইমচ অৱ ইণ্ডিয়া' কাকতখন নিয়মীয়াকৈ পঢ়াৰ অভ্যাস আছে, সেইসকলৰ সেই কাকতৰ ২০০৭ চনৰ একৈশ ছেপ্টেম্বৰ সংখ্যাত প্ৰথম পৃষ্ঠাত প্ৰকাশিত এটা বাতৰি নিশ্চয় চকুত পৰিছিল। বাতৰিটো আছিল পৃথিৱীৰ ভিতৰত আটাইতকৈ সুখী যুৱক-যুৱতী হ'ল 'ভাৰতীয় যুৱক-যুৱতী'। ছুইদিছ এক সমীক্ষাৰ আঁত ধৰি এই বাতৰিটো প্ৰকাশ কৰা হৈছিল। সেই বাতৰিটোত এইটোও উল্লেখ আছিল যে নিম্ন মধ্যবিত্ত ভাৰতীয় সকল হ'ল আটাইতকৈ সুখী ব্যক্তি। ভাৰতীয় যুৱক-যুৱতীসকল বৰ্তমান কেৰিয়াৰ সম্পৰ্কত সচেতন হোৱা বুলিও সমীক্ষাটোত প্ৰকাশ পাইছিল। এই সমীক্ষাৰ পিছত প্ৰশ্ন আহি পৰিছে এই ভাৰতীয় যুৱক-যুৱতীসকল আৰু কিমান বছৰলৈ সুখী হিচাপে বিশ্বত চিহ্নিত হৈ থাকিব। যিসকল যুৱক যুৱতীয়ে পিতৃ-মাতৃৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থাকিবলৈ আগ্ৰহী সেইসকল যুৱক-যুৱতীয়ে কিমান দিনলৈ এই সুখানুভূতি উপলব্ধি কৰিব। যিসকল যুৱক-যুৱতীয়ে ভৱিষ্যতক লৈ অকণো চিন্তিত নহয় যিসকল যুৱক-যুৱতীয়ে পিতৃ-

মাতৃৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থাকিব বিচাৰে সেইসকলে সুখ অনুভৱ নকৰি কোনে বাৰু সুখ অনুভৱ কৰিব। কিন্তু এই সুখ বাৰু সদায় তেওঁলোকৰ লগত থাকিবনে? যিসকল যুৱক-যুৱতীয়ে সমাজৰ পৰিৱৰ্তনৰ স'তে সহবাস কৰা নাই বা এতিয়াও তাৰ কাষ চাপি যোৱা নাই সেইসকল যুৱক-যুৱতীৰ বাবে ভয়ংকৰ দিন আহি আছে। শিক্ষাম লৈও নিবনুৱা হৈ থাকিব, লাখ লাখ পদ খালি হৈ থকাৰ পিছতো নিযুক্তি নাপাব। সমাজৰ পৰিৱৰ্তনৰ স'তে খাপ খাই আগবাঢ়ি নগ'লে এইসকল যুৱক-যুৱতী ভৱিষ্যত অন্ধকাৰ হৈ পৰিব। এই সুখ আৰু হয়তো বৰ বেছি দিন উপভোগ কৰিব নোৱাৰিব। তেনে দিনেই আহি আছে অনাগত দিনসূহলৈ।

সম্প্ৰতি সমগ্ৰ বিশ্বতে তথ্য প্ৰযুক্তি আমোল পৰিৱৰ্তন হৈছে। তথ্য প্ৰযুক্তি উত্তৰণৰ লগে লগে সমগ্ৰ বিশ্ব এখন ক্ষুদ্ৰ গাঁৱলৈ ৰূপান্তৰিত হৈছে। প্ৰতি ছেকেণ্ডৰ মূৰে মূৰে বিশ্বৰ এটা কোণত সংঘটিত ঘটনা প্ৰবাহ বিশ্বৰ আন এটা কোণত থকা মানুহে জানিব পৰা হৈছে। এতিয়া সমগ্ৰ বিশ্বখন আপুনি চকুৰ আগতে তথ্য প্ৰযুক্তিৰ সহায়ত উপভোগ কৰিব পাৰে। তথ্য প্ৰযুক্তি এই উত্তৰণৰ লগে লগে আমাৰ দেশৰ বা আমাৰ ৰাজ্যৰ নতুন প্ৰজন্মই খাপ খাই আগবাঢ়ি যাব পাৰিছেনে? সাধু কথা নহয় বা কোনো গল্প উপন্যাসৰ কাহিনীও নহয়। অহা পাঁচ বছৰত আমাৰ ভাৰতবৰ্ষতে কেৱল বেংকিং খণ্ডতে ছয় লাখ পদ খালি হৈ পৰি থাকিব। ইয়াৰ কাৰণ এটাই উপযুক্ত শিক্ষা বা অৰ্হতা নথকাৰ বাবে নিবনুৱা থকাৰ পিছতো সেইসকলক নিযুক্তি দিব পৰা নাযাব। পদ খালি থাকিব, কিন্তু নিযুক্তি দিবলৈ মানুহৰ অভাব ঘটিব। ঘটনাটো আচৰিত যেন লাগিলেও বিভিন্ন সমীক্ষাসমূহে ইয়াকেই তথ্যসহকাৰে ভৱিষ্যতবাণী কৰিছে। যি সকল নিবনুৱাক দেশত নিযুক্তি দিবলৈ দেশী-বিদেশী কোম্পানী বা ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰে বিচাৰি হাবাথুৰি খাব, কিন্তু নিযুক্তি দিব পৰা নাযাব কেৱল উপযুক্ত শিক্ষাৰ অভাৱৰ বাবে। বৰ্তমান আমাৰ ভাৰতবৰ্ষত প্ৰতি বছৰে তিনিলাখ অভিযন্তা ডিগ্ৰীলৈ ওলাই আহে আৰু দুই নিযুত স্নাতক যুৱক-যুৱতী প্ৰতি বছৰে ডিগ্ৰী সমাপ্ত কৰে। সেই হিচাবে আমাৰ ভাৰতবৰ্ষত নিবনুৱাৰ অভাৱ নহয়। ডিগ্ৰী গ্ৰহণ কৰাৰ পিছতে সেইসকল যুৱক-যুৱতীয়ে চাকৰি বিচাৰি হাবাথুৰি খায় । আমাৰ দেশৰ বিভিন্ন ধৰণৰ বেংকিং প্ৰতিষ্ঠানত বৰ্তমান ন-লাখৰো অধিক লোক নিযুক্তি হৈ আছে। ভাবিলে আচৰিত হ'ব লাগে আৰু পাঁচ বছৰত ছয় লাখ এনে লোকক নিযুক্তি দিব পৰাকৈ পদ খালী হ'ব। কিন্তু এই ছয়লাখ লোকক বেংকিং প্ৰতিষ্ঠানবোৰে ইচ্ছা কৰিলে নিযুক্তি দিব নোৱাৰে। কাৰণ, এইসকল যুৱক-যুৱতীৰ উপযুক্ত অৰ্হতাৰ অভাৱ ঘটিব। গতিকে এই খণ্ডসমূহত কেনেদৰে নিযুক্তি দিব পৰা যাব বা মানৱ সম্পদৰ প্ৰয়োজন কেনেদৰে পূৰ্ণ কৰা হ'ব আজিৰ তাৰিখত সকলোৰে বাবে এক প্ৰশ্নবোধক হৈ পৰিছে। মন কৰিবলগীয়া যে আমাৰ দেশৰ পৰা প্ৰতি বছৰে বৃহৎ পৰিমাণৰ মানৱ সম্পদ দেশৰ বাহিৰলৈ ৰপ্তানি কৰা হয়। এনেদৰে মানৱ সম্পদ ৰপ্তানি কৰাৰ ফলত দেশত উপযুক্ত মানৱ সম্পদৰ অভাৱ ঘটিবলৈ লৈছে। ফলত অহা পাঁচ বছৰত উপযুক্ত অৰ্হতা প্ৰাপ্ত বা দক্ষ, মানৱ সম্পদৰ অভাৱৰ বাবে আমাৰ দেশৰ অৰ্থনীতিত ব্যাপক প্ৰভাৱ পৰিব। এই ঘটনাসমূহ আজিৰ তাৰিখত সপোন যেন লাগিলেও আৰু পাঁচ বছৰত ইয়াক দিঠকৰ ৰূপত দেখা পাম। এক সমীক্ষাত প্ৰকাশ পাইছে যে আমাৰ দেশৰ জাতীয় আয়ৰ ৫.২ শতাংশ তথ্য প্ৰযুক্তি বা ইয়াৰ আনুষঙ্গিক সেৱা সমূহ ৰপ্তানি কৰি সংগ্ৰহ কৰা হয়। গতিকে সমগ্ৰ বিশ্বত তথ্য প্ৰযুক্তি বিস্ফোৰণে পৰৱৰ্তী দিনসমূহত এক ভয়াবহ প্ৰতিচ্ছবি গঢ়ি তুলিব। যি পৰিৱেশ বা পৰিস্থিতিৰ হকে খাপ খাবলৈ আমাৰ যুৱক-যুৱতীসকল আজিৰ তাৰিখত প্ৰস্তুতি চলোৱা নাই। কেৱল আমাৰ দেশতে এইদৰে উপযুক্ত অৰ্হতাপ্ৰাপ্ত মানৱ সম্পদৰ অভাৱ ঘটিবনে? বিভিন্ন সমীক্ষা সমূহে প্ৰকাশ কৰা তথ্য মতে ২০২০ চনত সমগ্ৰ বিশ্বতে ৪০ নিযুত উপযুক্ত মানৱ সম্পদ নাটনি হ'ব। অল ইণ্ডিয়া মেনেজমেণ্ট এছ'চিয়েচন, বষ্টন কনচালটিং গ্ৰুপ আৰু কনফেডাৰেচন ইণ্ডিয়ান ইণ্ড্ৰাষ্ট্ৰিয়ে যুটীয়াভাৱে চলোৱা কেতবোৰ সমীক্ষাত এনে কেতবোৰ ভয়াবহ তথ্য বাহিৰ হৈছে। সম্প্ৰতি ৪১ শতাংশতকৈও অধিক নিযুক্তিত উপযুক্ত অৰ্হতা নোপোৱাৰ বাবে নিযুক্তি দিব লগা হৈছে। বিশেষকৈ উন্নত দেশসমূহত এনেধৰণৰ সমস্যাই ভয়াবহ ৰূপ লৈছে। এই ক্ষেত্ৰত দেশসমূহৰ অৰ্থনৈতিক উত্তৰণৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হৈছে।





২০১২ চনত ভাৰতত নিবনুৱা সংখ্যা হ'বগৈ ১৯ ৰ পৰা ৩৭ নিযুত। আৰু এই সংখ্যা ২০২০ চনত হ'বগৈ প্ৰায় পঞ্চাশ নিযুত। এনে ক্ষেত্ৰত এফালে দি নিবনুৱা সংখ্যা বৃদ্ধি হৈ গৈ থাকিব আৰু আনহাতে উপযুক্ত অৰ্হতা অভাৱৰ বাবে লাখ লাখ পদ খালী হৈ থাকিব। ইয়াৰ পৰিণতিত দেশৰ অৰ্থনীতি প্ৰভুত প্ৰভাৱ পৰিব। হয়তো দেশলৈ আমদানি কৰিবলগা হ'ব পাৰে আন দেশৰ পৰা উপযুক্ত মানৱ সম্পদ। এই ধাৰা ক্ৰমাগতভাৱে চলি থাকিলে দেশৰ সকলো চৰকাৰী-বেচৰকাৰী খণ্ডত বিদেশী মানৱ সম্পদ ভৰি পৰিব ফলত দেশৰ গুৰুত্বপূৰ্ণ কেতবোৰ তথ্য বিদেশীৰ হাতলৈ গুচি যাব। যিটোৱে দেশখনক দুৰ্বল কৰি তুলিব বুলি আশংকা কৰা হৈছে। এনে এক পৰিস্থিতিত আমাৰ দেশৰ নতুন প্ৰজন্মই নতুন চিন্তা কৰিবই লাগিব। নহ'লে নিজৰ দেশখন আনৰ হাতলৈ গুচি যাব। তেতিয়া আৰু বাধা দি কোনো লাভ নহ'ব।

সেয়ে আমাৰ অসমীয়া যুৱক-যুৱতীসকললৈ এটাই অনুৰোধ তেওঁলোকে যাতে অনাগত ভৱিষ্যতৰ দিনবিলাকৰ কথা অলপ হ'লেও ভাবিবলৈ লয়। এনে সন্ধিক্ষণত আমাৰ যুৱক-যুৱতীসকলে গতানুগতিক শিক্ষাৰ পৰিৱৰ্তে তথ্য প্ৰযুক্তিৰ স'তে সম্বন্ধ থকা শিক্ষা গ্ৰহণ কৰিবই লাগিব। সাধাৰণ শিক্ষা যেনে কলা, বাণিজ্য, বিজ্ঞান, অভিযন্তা, অধিবক্তা আদি শিক্ষা সমূহৰ লগে লগেও তথ্য প্ৰযুক্তি শিক্ষা আহৰণ কৰিবই লাগিব। যিহেতু আজিকালি সাধাৰণ বিভাগত স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লৈ কোনো উপযুক্ত চাকৰি পাব বুলি নিশ্চিত হ'ব নোৱাৰি সেয়ে তেনে যুৱক-যুৱতীসকলে তেনে শিক্ষাৰে শিক্ষিত হোৱাৰ উপৰিও তথ্য প্ৰযুক্তিৰ জ্ঞান গ্ৰহণ কৰিবই লাগিব। আপুনি এজন আইনৰ স্নাতক। আপুনি এই শিক্ষা গ্ৰহণ কৰাৰ লগে লগে আপুনি নিশ্চয় ওকালতি আৰম্ভ কৰিব। কিন্তু তথ্যপ্ৰযুক্তি জ্ঞানৰ অভাৱৰ বাবে আপোনাৰ ওকালতিত সাফল্য অহাৰ সম্ভাৱনা কম। সেয়া এক নামমাত্ৰ উদাহৰণহে। গতিকে তথ্য প্ৰযুক্তি স'তে আমাৰ যুৱক-যুৱতীসকলে দৌৰিব নোৱাৰিলে আমাৰ মানৱ সম্পদ নাটনি হোৱাটো কোনো অস্বাভাৱিক নহয়। আমাৰ চৰকাৰ সমূহেও তথ্য প্ৰযুক্তি জ্ঞান উপযুক্তভাৱে দিব পৰাকৈ শিক্ষা পদ্ধতিটো সলনি কৰিবই লাগিব। আওপুৰণি শিক্ষা ব্যৱস্থাই আমাৰ যুৱক-যুৱতীসকলক কেৱল নিবনুৱাহে সৃষ্টি কৰিব কোনো সংস্থাপন দিব বুলি নিশ্চিতকৈ কোনেও ক'ব নোৱাৰে।

*দুই ঃ* শিক্ষা আৰু কিছু কথা ............

আমি সমাজত বাস কৰোঁ। সমাজখন যিকোনো প্ৰকাৰে উত্তৰণৰ পথত আগবঢ়াই নিয়াটোৱেই আমাৰ লক্ষ্য হোৱা উচিত। দহজনে চোৰ কৰিছে বুলি আমি চুৰ কৰা উচিত নহয়। দহজনে দুৰ্নীতিত নিমজ্জিত হৈছে। সেই বুলি আমি দুৰ্নীতি কৰিবই লাগিবই লাগিব বুলি কোনো কথা নাই। যেনেদৰে সৰু এটা বিন্ধাৰে পোহৰ দেখা পোৱা যায়, তেনেদৰে সৰু সৰু কামৰ মাজেদিও আমি আমাৰ সমাজখনৰ আমাৰ মাজত থকা মানুহবোৰৰ কথা ভাবিব পাৰোঁ। আমি দুৰ্নীতিৰ কথা নাভাবি, দুৰ্নীতি নিৰ্মূলৰ কথা নিশ্চয় ভাবিব পাৰোঁ। এনে কাম কাজ সমূহ আগবঢ়াই নিবলৈ আমি সমাজত সজাগতাৰ বিপ্লৱ আনিবলৈ যত্নপৰ হোৱা উচিত। অৱশ্যে এনে কৰ্মত সমাজৰে এনে এচাম ব্যক্তি ব্ৰতী হোৱা নাই এনে নহয়। কিন্তু এনে লোকৰ সংখ্যা আমাৰ সমাজত তেনেই কম। বিশেষকৈ আমাৰ মাজত প্ৰচলিত হৈ থকা শিক্ষা ব্যৱস্থাই আমাৰ বহুতকে ইতিবাচক চিন্তা-চৰ্চা কৰিবলৈ বাধ্য কৰাব পৰা নাই। প্ৰচলিত শিক্ষা ব্যৱস্থা যদি নিখুঁত, উচ্চ মানদণ্ড বা ত্ৰুটিহীন হয়, তেন্তে সমাজত ঘটি থকা অসামাজিক কাম কাজকে ধৰি বহু উপসৰ্গ সহজেই নিৰ্মূল হ'ব বুলি আশা কৰিব পাৰি।এই ক্ষেত্ৰত কেৱল শিক্ষক-অভিভাৱক সমাজেই নহয় সকলো শ্ৰেণীৰ লোকেই সঁহাৰি জনাব লাগিব। শিক্ষা ব্যৱস্থাৰ ওপৰতে যিহেতু সমাজখন কেনেধৰণে পৰিচালিত হ'ব সেয়া নিৰ্ণিত হয়, সেয়ে শিক্ষা ব্যৱস্থা নিখুঁত হোৱাটো অৱশ্যেই জৰুৰী। কিন্তু আমাৰ সমাজৰ এটা মহলে শিক্ষা সম্পৰ্কে উচ্চ চিন্তা কৰাৰ পৰা বিৰত থাকে। সমাজখন নিজা বুলি ভাবিবলৈ সেইসকল লোকে আজিও চিন্তা কৰা নাই। এটা ভাল চিন্তাই যে সমাজখনৰ এটা অংগ ভাল কৰিব পাৰে সেই বিষয়ে কিঞ্চিত মানো চেষ্টা নকৰে। আমাৰ সমাজখনৰ এটা অংশই শিক্ষা সম্পৰ্কে আজিও কেনে মানসিকতা গ্ৰহণ কৰি আছে তাৰ এটা জ্বলন্ত উদাহৰণ দাঙি ধৰিব খুজিছোঁ। মোৰ এজন শুভাকাংক্ষী বন্ধু আছে। তেওঁৰ চাৰিজন পুত্ৰ সন্তান। চাৰিওজনেই পঢ়া শুনাত ভাল। মেধা শক্তি আছে। বন্ধুজনৰ আৰ্থিক অৱস্থা স্বচ্ছল নহ'লেও চাৰিওজনকে পঢ়া-শুনাৰ খৰচ যিকোনো প্ৰকাৰে যোগাৰ দি আহিছিল। এজন

পুত্র কলকতালৈ অধ্যয়নৰ বাবে যাব লগা হোৱাত ধন যোগাৰ দিয়াত সমস্যা আহি পৰিল। কিন্তু নিজা সন্তানক কলকতাৰ বিশেষ প্ৰতিষ্ঠানখনলৈ অধ্যয়নৰ বাবে থকা হেঁপাহো পৰিহাৰ কৰিবলৈ টান পালে। এফালে হাতত ধন নাই। আনফালে পুত্র সন্তানে অসমৰ বাহিৰলৈ পঢ়িবলৈ যাব খোজা হেঁপাহকো বাধা দিয়াৰ শক্তি নাই। বাংগালোৰত থকা আন এজন পুত্রকো মাহে মাহে নিয়মীয়াকৈ ধন পঠাব লাগে। আন দুজন সন্তানৰ পঢ়া-শুনা খৰচৰ কথাতো আছে। মেধা শক্তি সম্পন্ন বন্ধুজনৰ পুত্রৰ ইচ্ছা কেনেদৰে পূৰণ কৰিব পাৰে তাকেই দিনে-ৰাতিয়ে ভাবিবলৈ ধৰিলে। কেবাজনো বন্ধুৰ ওচৰত গৈ ধনৰ বাবে হাত পাতিছিল যদিও নিৰাশ কৰিলে। শেষত উপায়হীন হৈ বেংকৰ পৰাই শিক্ষা ঋণ এটা লোৱাৰ সিদ্ধান্ত ল'লে। এইবাৰ পাল পৰিল বেংকলৈ যোৱাৰ। বন্ধুজনে তেওঁৰ কাষতে থকা এটা শিক্ষা ঋণৰ বিষয়ে জানিব খুজিলে। বেংকৰ শাখা বিষয়াজন অসমীয়া হোৱা বাবে ঋণটো হ'বই বুলি ধৰিলে। কিন্তু বন্ধুজনে আশা কৰামতে বেংকৰ অসমীয়া বিষয়াজনৰ পৰা ঋণটো নাপালেই বৰঞ্চ ব্যৱহাৰ পাতিয়ে অসন্তোষহে দিলে। বন্ধুজনে সেই বেংকৰ পৰা ঋণৰ আশা এৰি এইবাৰ আন এটা বেংকলৈ ঢাপলি মেলিলে। সেই বেংকটো অসমীয়া বিষয়া এজনৰেই আছিল। কিন্তু শিক্ষা ঋণ দিয়াৰ ক্ষেত্রত নানা জটিলতা দেখুৱাই ঋণ দিয়াৰ পৰা বঞ্চিত কৰে। বন্ধুজনে এটা এটাকৈ কেইবাটাও বেংকৰ কাষ চাপিল প্ৰতিটোতে অসমীয়া বিষয়া থকা বাবেই বন্ধুজনক উৎসাহ দিয়াৰ পৰিৱৰ্তে হতাশ কৰি তোলে। শেষত ইউক' বেংকৰ শাখাত গৈ বন্ধুজনে সমস্ত ঘটনা বিৱৰি ক'লে। সেই বেংকৰ শাখা বিষয়াজন বাংলা সম্প্ৰদায়ৰ আছিল। বন্ধুজনক আগমনৰ কথা সুধিলে। আথে বেথে বহিবলৈ দিলে। কিয় আৰু কেলৈ আহিছে সুধিলে। বন্ধুজনে যে এটা শিক্ষা ঋণৰ বাবে বেংকে বেংকে ঘূৰি ফুৰিছে সমস্ত কথা বিৱৰি ক'লে। বেংক বিষয়াজনে তেওঁৰ কাষত বহি থকা অনান্য সকলক কিছু সময়ৰ বাবে বাহিৰলৈ যাবলৈ কৈ কেৱল মোৰ বন্ধুজনক থাকিবলৈ ক'লে। বাকী সকল বাহিৰলৈ ওলাই যোৱাৰ পাছত বন্ধুজনক বেংক বিষয়াজনে তেওঁৰ কেইটা সন্তান, তেওঁ কি কৰে, ঘৰৰ আৰ্থিক দিশৰ বিষয়ে মনোযোগ দি শুনিলে। শেষত শিক্ষাৰ ঋণ কিমান প্ৰয়োজন সন্তান কি প্ৰতিষ্ঠানত পঢ়াৰ বাবে ঠিক কৰিছে, সেই সকলোবোৰ জানি বুজি লৈ ঋণ তেওঁ বেংকৰ পৰা ল'বলৈ আহ্বান জনায়। বেংকৰ প্ৰয়োজনীয় এখন ঋণৰ প্ৰ-পত্র দি বন্ধুজনক সাদৰ সম্ভাষণ জনাই প্ৰ-পত্র যিমান সোনকালে পৰা যায় সিমান সোনকালে পূৰণ কৰি বেংকৰ শাখাটোত জমা দিবলৈ আহ্বান জনায় বিদায় দিলে। এই বাংলা বেংক বিষয়াজনৰ আচৰণত মুগ্ধ হৈ বন্ধুজনে এদিন মোক কৈছিল যে অসমীয়া বেংক বিষয়াকেইজনে ঋণ মঞ্জুৰ কৰাটো বাদেই বহিবলৈকে নিদিলে। কিন্তু বাংলা বেংক বিষয়াজনে বহিবলৈ দি ভালদৰে কথাবোৰ শুনি ঋণ দিবলৈ সন্মত হয় সকলো অসমীয়া বেংক বিষয়াই যে এনে প্ৰকৃতিৰ সেয়া নহয়। বিভিন্ন সময়ত বিভিন্ন বেংকত ভাল অসমীয়া বিষয়া-কৰ্মচাৰী লগ পোৱাৰ অভিজ্ঞতা মোৰ আছে। তথাপি মোৰ বন্ধুজনেও দুভাৰ্গ্য ক্ৰমে তেনে অভিজ্ঞতা লাভ কৰিছিল নিশ্চয়। এতিয়া প্ৰশ্ন হ'ল, যি সময়ত অসমীয়া বেংক বিষয়াসকলে বন্ধুজনক হতাশ কৰিছিল একেই সময়তে বাংলা ভাষী বেংক বিষয়াজনে উৎসাহিত কৰিছিল। এনে ক্ষেত্রত অসমীয়া বেংক বিষয়া কেইজনেহে অধিক আগ্ৰহেৰে বন্ধুজনৰ ঋণৰ বিষয়ে গুৰুত্ব দিব লাগিছিল। কিন্তু গুৰুত্ব পালে অনা অসমীয়া এজন বেংক বিষয়াৰ পৰাহে। আমাৰ অসমীয়া মানুহৰ চিন্তা-চৰ্চা কিমান উচ্চ পৰ্যায়ৰ, সমাজ আৰু শিক্ষা সম্পৰ্কে কিমান সচেতন আৰু অনা অসমীয়া সকলৰ চিন্তা-ভাবনাবোৰ কিমান সু-চিন্তিত এই ঘটনাটোৱেই প্ৰমাণ দাঙি ধৰিছে। আমাৰ অসমীয়া সমাজত কাম কৰা এনে ধৰণৰ বিষয়া-কৰ্মচাৰীৰ পৰা সমাজখন, দেশখন আগুৱাই নিয়াৰ কথা ভাবিব পাৰিনে বাৰু? এইখনেই আমাৰ সমাজ। আমি এইখন সমাজতেই জীয়াই থকা নাইনে? শিক্ষা সম্পৰ্কত সকলোৱে যদি সু-চিন্তিত ধ্যান ধাৰণা এটা গঢ় লৈ নুঠে তেন্তে আমাৰ এনে সমাজৰ পৰা কোনো সুফল পাব পৰা যাব বুলি নিশ্চয় আশা কৰিব নোৱাৰি।

আমাৰ দেশত শিক্ষাক কেনেদৰে গ্ৰহণ কৰি আহিছে একাংশ অসমীয়া আমোলা বিষয়াই ওপৰত উদাহৰণ দাঙি ধৰা হ'ল। এই ক্ষেত্রত চৰকাৰে লোৱা ভুমিকাইও সকলোকে আস্বস্ত কৰিব পৰা নাই। আমাৰ দেশৰ চৰকাৰবো শিক্ষাক সকলো ধৰণে আগুৱাই নিবলৈ কৰা প্ৰচেষ্টা ত্ৰুটিমুক্ত বুলি আজি ক'ব পৰা অৱস্থাত নাই। আমাৰ দেশত বেংকৰ পৰা শিক্ষা ঋণ ল'বলৈ বেংকৰ শাখাই শাখাই ঋণ লওঁতা সকলে দৌৰি ফুৰিব লাগে। তাৰোপৰি শিক্ষাৰ ক্ষেত্রত ঋণ ল'ব পৰা যায় বুলি আমাৰ গ্ৰাম্যঞ্চলতেই নহয় নগৰাঞ্চলখ বহু শিক্ষিত লোকেই জ্ঞাত নহয়। চৰকাৰে এই ক্ষেত্রত প্ৰচাৰত ব্যৱস্থা কৰা নাই। আমেৰিকাৰ দৰে দেশত 'শিক্ষা ঋণ' বৰ জনপ্ৰিয়। তেনে দেশত চৰকাৰে এই ঋণৰ বাবে আঁচনি প্ৰস্তুত কৰে। বেংক সমূহে পৃথকে পৃথকে আঁচনি প্ৰস্তুত কৰে। "ষ্টুডেণ্ট ল'ন মাৰ্কেট" নামেৰে জনপ্ৰিয় এই বজাৰখনত হোৱা প্ৰতিযোগিতাৰ ফলত ছাত্র-ছাত্রী সকলে কম সুদ আৰু কম সময়ৰ ভিতৰত ঋণ পাবলৈ সক্ষম হয়। ব্যক্তিগত বেংক প্ৰতিষ্ঠান সমূহে এই ঋণৰ ক্ষেত্রত অগ্ৰাধিকাৰ দিয়াত ক্লিন্টন প্ৰশাসনে চৰকাৰীভাবে লোৱা আঁচনি সমূহেও ক্ৰমে সফলতা লাভ কৰাত ব্যৰ্থ হৈ হৈছে। ব্যক্তিগত বেংক সমূহে পোনপতিয়াভাৱে খৰতকীয়াকৈ ঋণ প্ৰদান কৰাত চৰকাৰৰ নিজা আঁচনিয়ে সফলতা লাভ কৰিব পৰা নাই। ক্লিন্টন প্ৰশাসনে 'এ স্কলাৰ ৰুল ইন ষ্টুডেণ্ট' নামৰ আঁচনি প্ৰস্তুত কৰি ৰাইজৰ মাজত ব্যাপক প্ৰচাৰ অভিযানো চলাইছিল। আনকি ২০০৩ চনত শিক্ষা বিভাগৰ সহকাৰী মহা পৰিদৰ্শকে 'ষ্টুডেণ্ট ল'নৰ ক্ষেত্রত কঠোৰ হ'বলৈ বিশ্ববিদ্যালয়কে অন্যান্য প্ৰতিষ্ঠানসমূহক নিদেৰ্শ দিছিল। উল্লেখ্য যে ইণ্ডিয়ান বিশ্ববিদ্যালয়ক ২০০৪ বৰ্ষত 'চেলি মে' নামৰ বেংকটোৱে তিনি নিযুত ডলাৰ ছাত্র-ছাত্রীক ঋণ দিছিল। আনকি এই বেংকটোৱে 'অপৰটুনিটি ল'ন' নামৰ আন এক আঁচনি প্ৰস্তুত ছাত্র-ছাত্রীসকলক শিক্ষাৰ বাবে ঋণ দি উৎসাহিত কৰি শিক্ষাৰ ক্ষেত্রত আগুৱাই নিছিল। উল্লেখ্য যে 'চেলি মে' নামৰ বেংকটো আমেৰিকাৰ ভিতৰত সৰ্বাধিক শিক্ষা ঋণ দি ৰেকৰ্ড স্থাপন কৰিছে। 'বেংক অফ আমেৰিকা' নামৰ বেংকটোৱে ইউনিভাৰচিটি অফ ভাজিনীয়া' নামৰ বিশ্ববিদ্যালয়খনত পঢ়িবলগীয়া ছাত্র-ছাত্রীক ঋণ দি পূৰ্বৰ ৰেকৰ্ড ভংগ কৰিছিল। বেংকটোৱে একেলগে ২০০২ জন ছাত্র-ছাত্রীক ঋণ মঞ্জুৰ কৰি আমেৰিকাৰ আইন ভংগ কৰাৰ ৰোষতো পৰিছিল। চৰকাৰে মঞ্জুৰ কৰা ঋণ জনপ্ৰিয় নোহোৱাৰ মূলতে আছিল কম সুদ আৰু কম মাচুলৰ বিনিময়ত পোনপটীয়াভাৱে বেংকবোৰে শিক্ষা ঋণ দি ভোক্তাক আকৰ্ষিত কৰিছিল। জজ বুশ্ব ৰাষ্ট্ৰপতি থকাৰ সময়ছোৱাত আমেৰিকাৰ জনসাধাৰণে আজিৰ তুলনাত আৰু কমকৈ চৰকাৰে আগবঢ়োৱা ঋণ গ্ৰহণ কৰিছিল। এইয়াই হ'ল এখন উন্নত দেশ আমেৰিকা আৰু এখন উন্নয়নশীল দেশ ভাৰত চৰকাৰে ছাত্র-ছাত্রীৰ বাবে লোৱা কাৰ্য ব্যৱস্থা। উন্নত দেশত শিক্ষাৰ ক্ষেত্রত ঋণ ল'বলৈ বেংক বা অন্যান্য চৰকাৰৰ প্ৰতিষ্ঠানে ঘৰে ঘৰে গৈ ঋণ আগবঢ়ায় আৰু আমাৰ ভাৰতবৰ্ষত শিক্ষাৰ বাবে ঋণ ল'ব খোজা সকলে বেংকে বেংকে গৈ ঋণ বিচাৰি হতাশ হ'বলগীয়া হয়। চৰকাৰৰ এখন সন্তোষজনক আঁচনিও নাই ছাত্র-ছাত্রী ঋণৰ ক্ষেত্রত। এনে ক্ষেত্রত মেধা ছাত্র-ছাত্রী সকল যিসকলৰ আৰ্থিক অৱস্থা স্বচ্ছল নহয়, তেনে ছাত্র-ছাত্রীসকলৰ আশা-আকাংক্ষাবোৰ কলিতে মৰহি যোৱা নাইনে? এনে ছাত্র-ছাত্রীৰ হিচাপ বাৰু কোনে ৰাখিছে। দৰিদ্ৰ ঘৰত জন্ম হ'লেও অনেক মেধা ছাত্র-ছাত্রীয়ে মেধা শক্তিৰে মাজে মাজে অনেকক চমক খুৱাই। এনে ছাত্র-ছাত্রী সকলে এক সপোন দেখে। সু-প্ৰতিষ্ঠিত কলেজ, বিশ্ববিদ্যালয়ত পঢ়িবলৈ হেঁপাহ কৰে। কিন্তু চৰকাৰ, বেংক আদি অনুষ্ঠান সমূহে এই ছাত্র-ছাত্রী সকলৰ মনো বেদনা বুজিবলৈ চেষ্টা কৰাৰ বিপৰীতে উচ্চ শিক্ষা গ্ৰহণৰ পৰা পাকে প্ৰকাৰে বঞ্চিত কৰাহে পৰিলক্ষিত হয়। এনে ব্যৱস্থা আঁতৰ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহে কিবা ইতিবাচক চিন্তা কৰিব নোৱাৰে নে?

আমাৰ দেশত 'শিক্ষা ঋণ' আজিও জনপ্ৰিয় হোৱা নাই, এই ঋণ জনপ্ৰিয় কৰাৰ বাবে চৰকাৰে আঁচনিও গ্ৰহণ কৰা নাই। শিক্ষা ঋণৰ উপযোগিতা, চাহিদা তথা প্ৰয়োজনীয়তা কথা সংশ্লিষ্ট বিভাগ। আমোলা কৰ্মচাৰী সকলেও চিন্তা কৰা নাই। কিন্তু আমেৰিকাৰ দৰে দেশৰ শিক্ষা বিভাগৰ সচিব কেথাৰিন মেকলেন নামৰ মুখপত্র গৰাকীয়ে শিক্ষা ঋণৰ ক্ষেত্রত কৈছিল যে যুটীয়া ঋণ আঁচনি সমূহ ছাত্র-ছাত্রীৰ বাবে এক উৎকৃষ্ট উৎস। যুটীয়া ঋণ মানে হয়তো কেথাৰিনে ক'ব খুজিছিল চৰকাৰৰ পোনপটীয়া ঋণ আৰু বে-চৰকাৰী খণ্ডই আগবঢ়োৱা ঋণ। এই ঋণৰ যোগেদি ছাত্র-ছাত্রীসকলৰ মাজত যেনেদৰে প্ৰতিযোগিতাৰ মনোবৃত্তি বৃদ্ধি কৰা হয় তেনেদৰে গ্ৰাহক সেৱা উন্নত কৰা হয়। বিনিময়ত খৰচৰ পৰিমাণ

হ্ৰাস হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে আমেৰিকাৰ চিটি বেংক, চেলি মে, বেংক আমেৰিকাই ছাত্ৰ-ছাত্ৰীসকললৈ শিক্ষা ঋণ আগবঢ়াই আহিছে। এই বেংক সমূহে চৰকাৰী ব্যৱস্থাটোক সহযোগিতা আগবঢ়োৱা বুলিয়েই দাবী কৰে। বিল ক্লিন্টনে ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচনৰ পূৰ্বে অন্যান্য ইছুৰ লগতে 'এডুকেশ্যন ল'ন' ৰ ওপৰত গুৰুত্ব দি নিৰ্বাচনী প্ৰচাৰ চলাইছিল। এই ঋণৰ ক্ষেত্ৰত যি সকলে বেংকৰ পৰা পোনপতীয়াভাৱে ল'ব খোজে সেই সকলৰ বাবে চৰকাৰ গাৰান্টাৰ থাকিব বুলি ঘোষণা কৰিছিল। তাৰোপৰি এনে ঋণৰ বাবে ৰাজ সাহাৰ্যৰ কথাও ঘোষণা কৰিছিল। টম জইচ নামৰ চেলি মে বেংকৰ মুখপত্ৰ গৰাকীয়ে ঘোষণা কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰী ঋণতকৈ বে-চৰকাৰী ঋণেই উৎকৃষ্ট। ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষণ কৰিবৰ বাবে বেংকটোৰ তৰফৰ পৰা ঘোষণা কৰিছিল যে " The private sector program has better prices, better product selection, better service and better technology." মুখপত্ৰ গৰাকীয়ে ঘোষণা কৰিছিল যে এনে সা-সুবিধাৰ বাবেই ষ্টুডেণ্ট ল'নৰ সংখ্যা ক্ৰমে বৃদ্ধি পায়। ২০০৫-০৬ চনৰ বছৰটোত ৮৫ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায়। দহ বছৰৰ আগতে এই ঋণৰ পৰিমান আছিল ৩০ বিলিয়ন ডলাৰ। বেংকটোৰ তৰফৰ পৰা দাবী কৰে যে চৰকাৰৰ প্ৰচেষ্টাত আগবঢ়োৱা এনে ঋণৰ সংখ্যা ক্ৰমাগতভাৱে হ্ৰাস পাইছে। বেংকটোৱে এনে ঋণ যিমান আগবঢ়াইছে তাৰ এক তৃতীয়াংশও চৰকাৰে আকৰ্ষিত কৰাব পৰা নাই। মুঠতে আমেৰিকাৰ দৰে-দেশত চৰকাৰী খণ্ড আৰু বেচৰকাৰী খণ্ডৰ মাজত ষ্টুডেণ্ট ঋণ প্ৰদানৰ ক্ষেত্ৰত তুমুল প্ৰতিযোগিতাৰ সৃষ্টি হৈছে। এনে প্ৰতিযোগিতাৰ বাবেই ষ্টুডেণ্ট ঋণ গ্ৰহণত সুবিধা হৈছে সেই দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰ। কেৱল সেয়াই নে? ছাত্ৰ-ছাত্ৰীৰ বৰ্হিগমনৰ পথো ৰোধ কৰিব পৰা নাই। শিক্ষাৰ আন্তঃগাঁঠনিক সা-সুবিধা, পাঠ্যক্ৰম পৰিৱৰ্তন আদি বিষয়ত ৰাজ্য চৰকাৰে আৰু কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব নিদিয়াৰ বাবে অসমৰ দৰে ৰাজ্যৰ পৰা যেনেদৰে বছৰি হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী অসমৰ বাহিৰলৈ কেৱল শিক্ষা গ্ৰহণৰ বাবে যাবলগীয়া হৈছে, তেনেদৰে ভাৰতৰ বাহিৰলৈও বহু ছাত্ৰ-ছাত্ৰী গৈছে। ২০০১ চনৰ পৰা ২০০৭ চনলৈকে কেৱল অসমৰ পৰা ই ২৩,২১৩ জন (উচ্চ আৰু উচ্চতৰ) ছাত্ৰ-ছাত্ৰী অসমৰ বাহিৰলৈ গৈছে। এই সংখ্যাত স্নাতক, মেডিকেল, ইঞ্জিনিয়াৰিং, আই এচ কোচিং বা অন্যান্য কোচিং গ্ৰহণ কৰিবলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। অসমৰ বাহিৰত পাবলগীয়া শিক্ষা, অসমতে বা ভাৰতৰ বাহিৰত গ্ৰহণ কৰিবলগীয়া শিক্ষা ভাৰততে কিয় দিব পৰা নাই বা চিন্তা-চৰ্চা কৰা নাই সেয়াও এক চিন্তনীয় বিষয়। এনে চিন্তা-চৰ্চাইও ছাত্ৰ-ছাত্ৰী প্ৰব্ৰজনৰ ক্ষেত্ৰত বাধা দিব পৰা যায়।

*তিনি ঃ* বাস্তৱ আৰু ইয়াৰ প্ৰত্যাহ্বান ..........

বহুৰ বহুল প্ৰচাৰিত এখন অসমীয়া দৈনিকত এটা বাতৰি শিৰোনামা আছিল 'টাটাৰ লোভনীয় পদবীত প্ৰাৰ্থী মাত্ৰ চাৰিজন, আবেদনৰ ম্যাদ বৃদ্ধি'। উল্লেখ্য যে এচিয়াৰ সৰ্ববৃহৎ তথ্য প্ৰযুক্তি সন্থা টাটা কনছালটেনচিয়ে অসমত পঞ্চাশজন বিদ্যাৰ্থীক গ্ৰেজুৱেট ট্ৰেইনী ৰূপে চাকৰিত মকৰল কৰিব খুজিছিল। অতি লোভনীয় এই পদবীৰ বাবে মাত্ৰ অসমৰ চাৰিগৰাকী প্ৰাৰ্থীয়েহে বাছনি পৰীক্ষাত যোগদানৰ নিশ্চিত কৰিছিল। অতি আকৰ্ষণীয় তথা লোভনীয় সা-সুবিধাযুক্ত এই চাকৰিৰ বাবেও প্ৰাৰ্থী অভাৱ হোৱাত চিন্তিত হৈ পৰিছিল প্ৰতিষ্ঠানটো। এই চাকৰিৰ বাবে কোনো উচ্চ ডিগ্ৰীধাৰী বা ব্যতিক্ৰমী ধৰ্মী শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাছিল। মাত্ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰীক্ষা ৬০ শতাংশ নম্বৰ পালেই এই পদবীৰ বাবে আবেদন কৰিব পাৰে। কিন্তু অতি দুখ আৰু পৰিতাপৰ কথা যে অসমত বিশ লাখ নিবনুৱাই ভাৰাক্ৰান্ত কৰি থকা অৱস্থাত এই পদবীৰ বাবে মাত্ৰ চাৰিগৰাকী প্ৰাৰ্থীয়েহে আবেদন দাখিল কৰিছিল। পঞ্চাছটা পদ পূৰণৰ বাবে পুনৰ প্ৰতিষ্ঠানটো উপায়হীন হৈ আবেদনৰ ম্যাদ বৃদ্ধি কৰিবলগীয়া হৈছিল। এয়া হ'ল যোৱা বছৰ টাটা কনছালটেনচিয়ে প্ৰাৰ্থী নিযুক্তি দিবলৈ গৈ নিজেই বিমোৰত পৰা এটা উদাহৰণ। কেৱল সেয়াই নহয়। দুমাহমানৰ আগতে অৰুণাচলৰ চাংলাং জিলাৰ প্ৰতিষ্ঠিত তথা জনপ্ৰিয় এখন বিদ্যালয়ে কেইটামান শিক্ষকৰ পদ পূৰণৰ বাবে বহুল প্ৰচাৰিত্ত এখন ইংৰাজী দৈনিক বাতৰি





কাগজত বিজ্ঞাপন দিছিল। বিজ্ঞাপন অনুসৰি ডিব্ৰুগড়ৰ এখন হোটেলত প্ৰাৰ্থী সাক্ষাৎকাৰৰ ব্যৱস্থা কৰিছিল। উক্ত শিক্ষক বাছনি সমিতি এজন সদস্য হিচাপে এই লেখকো নিৰ্বাচিত কৰিছিল। বিদ্যালয়খনৰ বাবে প্ৰয়োজন হোৱা অধ্যক্ষ পদটিৰ বাবে দৰমহাৰ নিৰিখ আছিল ৮০০০ ৰ টকাৰ পৰা ১০,০০০ টকালৈ। তেনেদৰে স্নাতকোত্তৰ ইংৰাজী আৰু পদাৰ্থ বিজ্ঞান পদৰ বাবে নিম্নতম দৰমহা আছিল পাঁচ হাজাৰ টকা। উক্ত পদ কেইটিত নিযুক্তি পোৱাসকলক বিদ্যালয়ৰ চৌহদতে থকা মেলাবো বিদ্যালয় কৰ্তৃপক্ষই কৰি দিয়াৰ কথা আছিল। সাক্ষাৎকাৰৰ দিনা দেখা গ'ল এজন প্ৰাৰ্থীও নাই। অসমত সীমাহীন নিবনুৱা থকা অৱস্থাত চাকৰিৰ বাবে প্ৰাৰ্থী বিচাৰি নোপোৱাটো কেৱল দুখ আৰু বেদনাৰ কথাই নহয় ভৱিষ্যতৰ বাবেও শুভজনক নহয়। যি সময়ত পুৱাৰে পৰা নিশা এপৰলৈ লক্ষ্য লক্ষ্য নিবনুৱা যুৱক-যুৱতীয়ে চাকৰি বিচাৰি হাঁহাঁকাৰ কৰি ফুৰিছে সেই সময়তে হয় ক'ৰবাত আবেদনকাৰীৰ সংখ্যা তেনেই কম, নহয় প্ৰাৰ্থী সাক্ষাৎকাৰতেই নাই। এনে ঘটনা বিলাক কিয় ঘটিবলৈ পাইছে সেয়া এক নিশ্চয় চিন্তা কৰিবলীয়া বিষয়। অলপতে এখন মহাবিদ্যালয়ত পুথিভঁৰালৰ বাবে খালী হৈ থকা লাইব্ৰেৰিয়ান পদৰ সাক্ষাৎকাৰ অনুষ্ঠিত্ত হয়। উক্ত সাক্ষাৎকাৰত মাত্ৰ দুগৰাকী প্ৰাৰ্থীহে উপস্থিত থাকে। ইয়াৰ ফলত সাক্ষাৎকাৰ সমিতিয়ে প্ৰাৰ্থী বাছনি তালিকা প্ৰস্তুত কৰিবলৈ গৈ সমস্যাৰ সন্মুখীন হয়। যিহেতু বাছনি তালিকাত কমেও তিনিগৰাকী প্ৰাৰ্থী থাকিব লাগে। দুজন প্ৰাৰ্থী উপস্থিত থকাৰ বাবেই প্ৰাৰ্থীৰ বাছনি তালিকা প্ৰস্তুত কৰা সমস্যা আহি পৰে। অসমত সততে কৈ অহা বিশ লক্ষ্য নিবনুৱা থকা সত্বেও এনেদৰে প্ৰাৰ্থী কম হোৱা বিষয়টো নিশ্চয় লক্ষ্যণীয়। প্ৰকৃতাৰ্থত অসমত নিবনুৱা আছে ঠিকেই কিন্তু সেই নিবনুৱা সকল আত্ম সংস্থাপন পাব পৰাকৈ উপযুক্ত শিক্ষাৰে শিক্ষিত হোৱা নাই। কোনোবা এজনে অভিযন্তাৰ ডিগ্ৰী লৈছে ঠিকেই কিন্তু প্ৰয়োজনীয় এম বি এ বা আইনৰ ডিগ্ৰী নোলোৱাৰ বাবেই সেইজনে চাকৰি পোৱাৰ পৰা বঞ্চিত হৈছে। ঠিক তেনেদৰে কোনোবাই প্ৰথম শ্ৰেণী স্নাতকোত্তৰ ডিগ্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হৈছে যদিও হয় তেওঁ নেট, শ্লেট আদি পৰীক্ষা উত্তীৰ্ণ হোৱা নাই বা মনোনিৱেশ কৰা নাই। ঠিক তেনেদৰে অসমত চাৰ্টাৰ্ড একাউন্টেট, আই চি ডব্লিউ এ, আই আই এম শিক্ষাৰে শিক্ষিত লোকৰ চাহিদা বেছি যদিও কোনেও তেনে শিক্ষা ল'বলৈ আগবাঢ়ি যোৱা নাই। কোনোৱে হয়তো কলা-বাণিজ্য বিজ্ঞান শাখাত স্নাতক হৈ চাকৰি বিচাৰি ফুৰিছে কিন্তু তেওঁলোকে পাৰ্চনেল মেনেজমেণ্ট, মাৰ্কেটিং মেনেজমেণ্ট, হোটেল মেনেজমেণ্ট, ফাইনেন্স মেনেজমেণ্ট, অফিচ মেনেজমেণ্ট আদি বিষয়ৰ ডিগ্ৰী বা ডিপ্লমা নোলোৱাৰ বাবেই চাকৰিৰ পৰা বঞ্চিত হৈ আছে। তেনেদৰে অসমত মাষ্টাৰ অৱ লাইব্ৰেৰী চাইন্স, বেচেলৰ অৱ লাইব্ৰেৰী চাইন্স শিক্ষাৰে শিক্ষিত লোকৰ চাহিদা অতি সম্প্ৰতি যথেষ্ট আছে যদিও কোনেও তেনে পাঠ্যক্ৰমৰ শিক্ষা ল'বলৈ আগবাঢ়ি যোৱা নাই। আকৌ কোনোৱে যদি সেই শিক্ষাৰে শিক্ষিত হৈছেও ইউ জি চিৰ ন'নচ বা নেট, শ্লেট আদি পৰীক্ষাত উত্তীৰ্ণ নোহোৱাৰ বাবে পদ খালী থকাৰ পাছতো আবেদন কৰিব লৈ সাহস গোটাব পৰা নাই। কিন্তু অসমৰ যথেষ্ট সংখ্যক কলেজত এনে শিক্ষাৰে শিক্ষিত প্ৰাৰ্থীৰ বাবে পদ খালী আছে যদিও উপযুক্ত প্ৰাৰ্থীৰ অভাৱৰ বাবেই পদ সমূহ পূৰণ কৰিব পৰা নাই। আজিকালি স্নাতক অধ্যয়ন কৰি থকা অধিকাংশ ছাত্ৰ-ছাত্ৰীক এনে বিষয়ৰ ওপৰত জানিব খুজিলে তেওঁলোক তেনেই অজ্ঞ হৈ থকা যেন লাগে। তেনে শিক্ষাৰ কথা বা পাঠ্যক্ৰমৰ কথা বহুতেই নাজানে। আনকি অসমৰ বহু কলেজৰ ডিগ্ৰী পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক যদি এ চি এচ, আই চি এচ আদি পৰীক্ষাৰ কথা সোধা যায় তেন্তে তেওঁলোকে অধিকাংশই তেওঁলোকৰ জ্ঞানৰ দৈন্যতাৰ কথা প্ৰকাশ কৰে। অৰ্থাৎ বহু ছাত্ৰ-ছাত্ৰীয়ে তেনে পৰীক্ষাৰ কথা নামেই শুনা নাই। গতিকে অসমত নিবনুৱা সংখ্যা বৃদ্ধি পাইছে ঠিকেই কিন্তু সেই নিবনুৱাসকলে উপযুক্ত শিক্ষা নোলোৱাৰ বাবেই এনে অৱস্থাই চূড়ান্ত ৰূপ লৈছে। অসমৰ বাহিৰত যেনে বিহাৰ, কৰ্ণাটক, উত্তৰ প্ৰদেশ, দিল্লী আদি ৰাজ্যত ভাৰতীয় প্ৰশাসনিক সেৱা পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলে এক হবি ৰূপে গ্ৰহণ কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতামূলক পৰীক্ষাত বহিবৰ বাবে প্ৰস্তুতি চলায়। উত্তীৰ্ণ হোৱা বা নোহোৱা কথাটো পিছত। মুঠতে প্ৰশানিক

সেৰাৰ প্ৰতিযোগিতামূলক পৰীক্ষাত বহিবৰ বাবে তেওঁলোকে এটা হবি ৰূপে গ্ৰহণ কৰে। কিন্তু অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তেনে মনোভাৱ গঢ়ি উঠা দূৰৰে কথা সেই পৰীক্ষা সমূহৰ বিষয়ে বহুতে নাজানে? আনকি অভিভাৱকসকলেও এই ক্ষেত্ৰত সচেতন নহয়। সেইদৰে ৰে'লৱে বৰ্ডে অনুষ্ঠিত কৰা পৰীক্ষা বা আয় কৰ বিষয়া পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষা নতুবা বেংকিং প্ৰতিষ্ঠানে আয়োজন কৰা পৰীক্ষা বিষয়ে বহু ছাত্ৰ-ছাত্ৰীয়ে নাজানে। ফলত কলা বাণিজ্য বিজ্ঞান আদি কোনো এটা শাখাত স্নাতক ডিগ্ৰী লোৱাৰ পিছতে নিবনুৱাৰ শাৰীত যোগ দিয়ে। আজিকালি তেনে সাধাৰণ শাখাত স্নাতক হৈ কোনো ভাল চাকৰি যে লাভ কৰিব নোৱাৰে সেইটো সকলোৱে জানে। এতিয়া ডিব্ৰুগড় জিলাৰ লেপেটকটাত এটা গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ বাবে কাম-কাজ চলি আছে। এতিয়া শুনা গৈছে এই প্ৰকল্পত যোগ দিবৰ বাবে অৰ্থাৎ প্ৰথম শ্ৰেণীৰ পদ সমূহ পূৰণ কৰিবৰ বাবে প্ৰাৰ্থীৰ অভাৱ হৈছে। বিশেষকৈ এনে উদ্যোগৰ প্ৰথম শ্ৰেণীৰ পদসমূহ পূৰণ কৰিব পৰা যায় উচ্চস্তৰৰ মেনেজমেণ্ট ডিগ্ৰীধাৰী বা ক'ষ্ট একাউণ্টিং উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ মাজৰ পৰা। কিন্তু অসমত এতিয়া কিমানজন বৃত্তিগত মেনেজমেণ্টৰ পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী আছে। মাৰ্কেটিং, হিউমেন ৰিচ'চ, ফাইনেন্স, ইণ্ডাষ্টিয়েল ল', প্ৰডাকচন মেনেজমেণ্ট, পাব্লিক ৰিলেচন, ক'ষ্ট একাণ্টিং, আই চি ডব্লিউ এ, আই আই এম আদি কিমানজন অসমৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰম শেষ কৰি ঘৰতে বহি আছে। নিশ্চয় এনে শিক্ষাৰে শিক্ষিত যুৱক-যুৱতী আঙুলি মূৰত লিখিব পৰা অৱস্থাত আছে। কলা, বাণিজ্য, বিজ্ঞান শাখাত স্নাতক হৈ চাকৰিৰ বাবে পুৱাৰে পৰা নিশালৈ হামৰাওকাৰী ফুৰিছে ঠিকেই, কিন্তু তেনে যুৱক-যুৱতীসকলে বৃত্তিগত পাঠ্যক্ৰম জ্ঞান লাভৰ পৰা বঞ্চিত হোৱাৰ বাবেই এটা চাকৰি যোগাৰ কৰিব পৰা নাই। এই ক্ষেত্ৰত অভিভাৱকসকলো সচেতন নহয় যেন লাগে। এতিয়া ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া গেছ ক্ৰেকাৰ প্ৰকল্পত প্ৰথম শ্ৰেণী পদসমূহ অসমৰ বাহিৰৰ পৰা আমদানিকৃত প্ৰাৰ্থীয়ে পূৰণ কৰা হ'ব আৰু এই ক্ষেত্ৰত অসমৰ কোনো এটা সংগঠনেও মাত মাতিব নোৱাৰিব। কাৰণ সেই এটাই অসমত যে উপযুক্ত শিক্ষাৰে শিক্ষিত যুৱক-যুৱতীৰ অভাৱ। পিছত সেই উদ্যোগত তৃতীয় বা চতুৰ্থ শ্ৰেণীৰ পদ লাভৰ বাবে হৈ চৈ সৃষ্টি কৰা হ'ব। সুবিধা থকা সত্বেও আমাৰ বিশ লক্ষ্য নিবনুৱা মাজৰ পৰা প্ৰথম শ্ৰেণীৰ পদ সমূহ পূৰণ কৰিব পৰা অৱস্থাত নাই। শেষত অসমৰ বাহিৰৰ পৰা আমদানিকৃত এজন বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত অসমৰ যুৱক-যুৱতীসকলে তৃতীয়, চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে আবেদন পত্ৰখন দিবলৈকে ঘণ্টা ঘণ্টা ধৰি অপেক্ষা কৰিব লাগিব। তাকে নাপালে চহৰ বন্ধ, জিলা বন্ধ, পথ বন্ধ আদি কাৰ্যসূচী গ্ৰহণ কৰি পৰিৱেশ উত্তপ্ত কৰি তোলা হ'ব। কিন্তু এই প্ৰকল্পৰ প্ৰথম শ্ৰেণীৰ পদ সমূহ অসমৰ যুৱক-যুৱতী মাজৰ পৰাই নিযুক্তি দিব লাগিব বুলি কোনোবাই ক'ৰবাত আজিলৈকে দাবী কৰা শুনিছেনে? তেনে কৰিব নোৱাৰে। কাৰণ সেই পদ সমূহ পূৰণ কৰিবৰ কাৰণে অসমত যে তেনে প্ৰাৰ্থী আঙুলিৰ মূৰত লেখিব পৰা অৱস্থাত আছে। আমাৰ অধিকাংশ অসমীয়াক লাগে কেৱল তৃতীয়, চতুৰ্থ শ্ৰেণী পদসমূহ। সেই পদসমূহতে বেছিগুৰুত্ব দিয়া দেখা যায়। আমি কিয় প্ৰথম শ্ৰেণীৰ পদ সমূহৰ বাবে উপযুক্ত নহয়। সেয়া কিন্তু গভীৰভাৱে চিন্তা কৰিবলগীয়া। আনকি ঘৰৰ কাষতে থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰায় চল্লিশটা 'জব অৰিয়েণ্টেড' পাঠ্যক্ৰম মুকলি কৰাৰ কথাটোও বহু অভিভাৱক বা ছাত্ৰ-ছাত্ৰীয়ে নাজানে। জনাবো যেন ইচ্ছা নাই।

এই লেখাত অসমত নিবনুৱাৰ সম্পৰ্কে আলোকপাত কৰা হৈছে। সেয়ে অসমৰ নিবনুৱাৰ পৰিসংখ্যা দাঙি নধৰিলে নিশ্চয় ভুল কৰা হ'ব। ২০০৬ চনৰ ৩১ ডিচেম্বৰত পঞ্জীভুক্ত নিবনুৱাৰ সংখ্যা ১২,৩৬,৫০০ জন। ২০০২ চনত ৬৫,৯২৮ জন, ২০০৩ চনত ৬১,৬৫১, ২০০৪ চনত ৬৪,৪৯৮ জন আৰু ২০০৫ চনত ১,০৫,১৪৪ জন আৰু ২০০৬ চনত ৯৫,৭০৮ জন আছিল। আনহাতে, জিলা ভিত্তিত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা হ'ল - যোৰহাট জিলাত ৭৯,২৬২ জন, গোলাঘাট জিলাত ৬২,৩১৮, শিৱসাগৰ জিলাত ১,৩৩,০৭৬, ডিব্ৰুগড় জিলাত ৬৬,৮০২, শোণিতপুৰ জিলাত ৭০,৬৩৫ জন, দৰং জিলাত ৩৫,৭৩১ জন, লখিমপুৰ জিলাত ৬১,৭৯১, তিনিচুকীয়া জিলাত ৩২,৩৩০, ধেমাজি জিলাত ৩২,৭৬৪, নগাঁও জিলাত ৭২,৭৩২, মৰিগাঁও জিলাত ২৭,৯৯৬, কামৰূপ জিলাত ১,৯৩,০৫৭, নলবাৰী জিলাত ৬৭,২০৫, বৰপেটা জিলাত ৭২,৪৯২, ধুবুৰী জিলাত ৩৯,৫৭৮, কোকৰাঝাৰ জিলাত ১৫,১৬৪ জন, বঙাইগাঁও জিলাত২৭,৯৪২ , গোৱালপাৰা জিলাত ২৩,৬৫৮ জন, কাছাৰ জিলাত ৫৫,৩২৪ , হাইলাকান্দি জিলাত ১৫, ৭১০ , কৰিমগঞ্জ জিলাত ২৯,০২১, উত্তৰ কাছাৰ পাৰ্বত্য জিলাত ৮,১৬৭। তথ্য অনুসৰি মুঠ নিবনুৱাৰ এই সংখ্যাৰ মাজৰ ২,৯১৩ জন অভিযান্ত্ৰিক বিষয়ৰ, ৪৮৭ জন চিকিৎসা বিজ্ঞান বিষয়ৰ, ৪০৬ জন পশু চিকিৎসা বিজ্ঞান বিষয়ৰ, ১,১৮৩ জন কৃষি বিষয়ৰ, ১৫,৭৩৭ জন স্নাতকোত্তৰ ডিগ্ৰীধাৰী, ১,৮০,৬৯৯ জন স্নাতক ডিগ্ৰীধাৰী, ৩,৬৮,৩১৬ জন উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ, ৬,৪৩,৬০ গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ, ৫,৫৮৭ জন ডিপ্ল'মাধাৰী, ১৪, ৫২৮ জন আই টি আই উত্তীৰ্ণ আৰু অন্যান্য বিষয়ৰ ২,৯৫৪ জন। এয়া কেৱল চৰকাৰী পঞ্জীভুক্ত নিবনুৱা সংখ্যাহে। অপঞ্জীভুক্ত সকলো নিবনুৱা ধৰিলে বিশ লাখৰো অধিক নিবনুৱাৰ বুজাবহন কৰি আছে অসমে। প্ৰায় দুই লাখৰো অধিক স্নাতক নিবনুৱাই এটা চাকৰিৰ বাবে হাঁহাঁকাৰ কৰি ফুৰিছে। সেয়ে এইবোৰ এক মানৱ সম্পদৰ অপচয় নহয় নে? কিন্তু যদি সেই স্নাতকসকলে বৃত্তিগত পাঠ্যক্ৰমৰ শিক্ষাও লগতে ল'লেহেঁতেন তেন্তে নিশ্চয় এই সংখ্যা কমিলহেঁতেন।❑

*[লেখক ড০ শইকীয়া ডিব্ৰু মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা আৰু 'তিনিদিনীয়া অগ্ৰদূত'ত প্ৰতি বুধবাৰে প্ৰকাশিত নিয়মীয়া শিতান 'নেপথ্য স্বৰ' আৰু প্ৰতি শুক্ৰবাৰে প্ৰকাশিত 'দৈনিক প্ৰতিক্ষণ'ৰ নিয়মীয়া শিতান 'নেপথ্যৰ ভাষণ' ৰ স্তম্ভ লেখক।*



মানুহেই চিৰকাল পৃথিৱীত জীয়াই থাকিব বুলি নিশ্চিত হোৱাহেঁতেন সতি-সন্ততিৰ কথা চিন্তাই নকৰিলেহেঁতেন।

*- নেথানিয়েল হৰ্থণ*

পৰিৱৰ্তনেই জীৱনৰ নিয়ম। যিয়ে কেৱল অতীত আৰু বৰ্ত্তমানলৈ চায়, তেওঁ ভৱিষ্যতক নিশ্চয়কৈ হেৰুৱাব।

*- জন এফ কেনেডী*

# “আৰ্থ-সামাজিক সমস্যাৰ দৃষ্টিৰে এইড্‌ছ”

প্ৰশান্ত কুমাৰ বৰা
প্ৰবক্তা, ডিব্ৰুগড় মহাবিদ্যালয়, অৰ্থনীতি বিভাগ

এইড্‌ছ ৰোগ বৰ্তমান কেৱল চিকিৎসা বিজ্ঞানৰে নাইবা মানৱজাতিৰ স্বাস্থ্যজনিত সমস্যাই হৈ থকা নাই। এই ঘাটক ৰোগবিধে অতি কম সময়তে সমগ্ৰ বিশ্বব্যাপি ত্ৰাসৰ সৃষ্টি কৰাৰ লগতে একোখন দেশৰ কেতবোৰ সুদুৰ প্ৰসাৰী আৰ্থসামাজিক সমস্যাৰো সৃষ্টি কৰিছে। সুক্ষ্মভাৱে বিচাৰ কৰিচালে এই ৰোগ এক ব্যক্তিগত বা পাৰিবাৰিক স্বাস্থ্যজনিত সমস্যা যেন লাগিলেও ইয়াৰ ব্যাপকতা আৰু বিৰূপ প্ৰভাৱৰ পৰা সমাজ জীৱনক দেশৰ অৰ্থব্যৱস্থাক পৃথক কৰিব নোৱাৰি। যি দৰে এইড্‌ছ ৰোগৰ প্ৰাদুৰ্ভাৱ আৰু দ্ৰুত সংক্ৰমণৰ কাৰণে আমাৰ সামাজিক ব্যৱস্থা, পৰিৱেশ আৰু অৰ্থনৈতিক অৱস্থাও আংশিক ভাৱে দায়ী, সেইদৰে ৰোগ বিধৰ পৰা উদ্ভুট সামাজিক তথা আৰ্থিক প্ৰভাৱত গুৰুত্বৰ হোৱাৰ লগতে সুদুৰ প্ৰসাৰী বুলিব পাৰি। আমাৰ সমাজ জীৱনত এইড্‌ছ ৰোগৰ কাৰণ আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে ল'বলগা সাৱধানতাৰ বিষয়ে মুকলিকৈ ৰাজহুৱা ভাৱে আলোচনা কৰাৰ পৰিৱেশ এতিয়াও সৃষ্টি হোৱা নাই বা নিজ পৰিয়ালৰ মাজতেই হওক বা ওচৰ চুবুৰীয়া সমাজৰ আন ব্যক্তিৰ লগতেই হওক আমি এইড্‌ছ সম্পৰ্কে নিঃসংকোচ ভাৱে আলোচনা বিলোচনা কৰিবলৈ মানসিক ভাৱে প্ৰস্তুত নহয়। ফলস্বৰূপে সমাজৰ গৰিষ্ঠ সংখ্যক লোক এতিয়াও ৰোগটোৰ কাৰণ, ইয়াৰ ভয়াবহতা, প্ৰতিৰোধৰ উপায় আদি বিভিন্ন দিশ সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ হৈয়ে আছে যাৰ কাৰণে ইয়াৰ প্ৰদুৰ্ভাৱ দিনক দিনে বৃদ্ধি পাইছে। সেইদৰে অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণেও ৰোগবিধৰ সংক্ৰমণ বৃদ্ধি হৈছে বুলি ভাৱিবৰ থল আছে। অভাৱৰ তাড়ণাতেই বহুতো মহিলাক উপাৰ্যনৰ উৎস হিচাপে বেশ্যা বৃত্তি গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা হৈছে, নাইবা আৰ্থিক ভাৱে দুৰ্দশাগ্ৰস্ত পৰিয়াল একোটাৰ ভৰণ পোষণৰ কাৰণে স্বইচ্ছাই এনে বৃত্তি গ্ৰহণ কৰিবলৈ আগবাঢ়ি যাব লগাত পৰিছে। এই ধৰণৰ অসামাজিক অনৈতিক কাৰ্য কলাপে ৰোগবিধৰ ভাইৰাছ বিয়পোৱাত প্ৰচুৰ অৰিহনা যোগাইছে। যি নহওক, এইড্‌ছ ৰোগৰ কাৰণ আৰু ভয়াবহতা সম্পৰ্কে আলোচনা একাষৰীয়াকৈ ৰাখি ইয়াৰ আৰ্থসামাজিক প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰাহে এই লেখাটোৰ মূল উদ্দেশ্য।

সাধাৰণ ভাৱে চাবলৈ গ'লে এইড্‌ছ মহাব্যাধিৰ দ্বাৰা আক্ৰান্ত ব্যক্তিজনেই তাৎক্ষণিক ভাৱে ৰোগটোৰ চিকাৰ হয় যদিও মৃত্যু পৰ্যন্ত ৰোগাক্ৰান্ত ব্যক্তিজন আৰ্থিক আৰু মানসিক ভাৱে ক্ষতিগ্ৰস্ত হয়। কিন্তু অলপ গভীৰ ভাৱে দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে ৰোগাক্ৰান্ত ব্যক্তিজনৰ পৰিয়াল-পৰিজন, বন্ধুবৰ্গ আৰু সমাজ তথা দেশ লগতে আন্তৰ্জাতিক স্তৰতো ইয়াৰ প্ৰভাৱ নপৰাকৈ নেথাকে। অৰ্থাৎ একোখন দেশৰ সামাজিক , শৈক্ষিক, জনস্বাস্থ্য, চিকিৎসা, কৃষি, উদ্যোগ, উৎপাদন, বিনিয়োগ, বিয়োগ, বিত্তীয় আদি সামগ্ৰিক ক্ষেত্ৰত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে ৰোগবিধে প্ৰভাৱ বিস্তাৰ কৰিছে। আৰ্থিক প্ৰভাৱ সম্পৰ্কে পৰ্যবেক্ষণ কৰিলে প্ৰথমে ৰোগাক্ৰান্ত ব্যক্তিএজনৰ জীৱিকাৰ লগতে পৰিয়ালটোৰ ভৰণ পোষণৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা সমস্যাৰ কথাকেই মনলৈ আহে। যদি ব্যক্তিজন (পুৰুষ নাইবা মহিলা) চাকৰী কৰা বা আন কোনো পেচাদাৰী লোক হয় তেন্তে তেওঁ ৰোগাক্ৰান্ত ভগ্ন শৰীৰেৰে এসময়ত নিজৰ কৰ্মক্ষেত্ৰত সেৱা আগবঢ়াবলৈ অপৰাগ হৈ পৰি উপাৰ্জনহীন হৈ পৰিব পাৰে নাইবা কৃষি, ব্যৱসায় বাণিজ্য আদি কামত নিয়োজিত ব্যক্তি হলে কৰ্মদক্ষতা হেৰুৱাই পৰিয়ালটোৰ এক বোজা স্বৰূপ হব পাৰে। যদি ব্যক্তিজন পৰিয়ালটোৰ মূল উপাৰ্জনকাৰী লোক হয় আৰু আন কোনো উপাৰ্জনকাৰী লোক পৰিয়ালত নেথাকে তেন্তে পৰিয়ালটোলৈ আৰ্থিক দুৰ্যোগ নামি আহিব। ৰোগবিধৰ জীৱনজোৰা চিকিৎসাৰ জোৰা মাৰিবলৈ মাটি ভেটি, সা-সম্পত্তি আদি বিক্ৰী কৰিব লগা হলে একোটা পৰিয়াল ৰোগী জনৰ লগতে নিঃশেষ হোৱাৰ উপক্ৰম হব। অৱশ্যে সুখৰ কথা আমাৰ দেশত এইড্‌ছ ৰোগীৰ সম্পূৰ্ণ চিকিৎসা চৰকাৰে বীনামূলীয়াকৈ আগবঢ়াইছে যদিও ৰোগীৰ দৈনন্দিন খাদ্য তালিকাত অধিক পৰিপুষ্টিদায়ক খাদ্য সামগ্ৰিৰ যোগান ধৰিব লগা হোৱা হেতুকে পৰিয়ালটোৰ আৰ্থিক বোজা বৃদ্ধি হোৱা সম্ভাৱনাই অধিক। কেৱল সেয়ে নহয় মৃত ব্যক্তিগৰাকীৰ মৃতদেহ সংকাৰ, কাজকৰ্ম আদিত হোৱা খা-খৰচৰ পৰাও পৰিয়ালটো ক্ষতিগ্ৰস্থ হয়। মুঠৰ ওপৰত আদবয়সতে হেজাৰ জনৰ জীৱন বন্তি নিৰ্বাপন কৰি এনেদৰে এইড্‌ছ মহাব্যাধিয়ে ব্যক্তি তথা পৰিয়াল একোটালৈ আৰ্থিক দুৰ্যোগ কঢ়িয়াই আনিব পাৰে।

সেইদৰে এখন দেশৰ সামগ্ৰিক আৰ্থিক বিকাশৰ ক্ষেত্ৰতো ৰোগবিধৰ প্ৰাদুৰ্ভাৱে প্ৰভাৱন্বিত নকৰাকৈ নেথাকে। পৰিসংখ্যাৰ পৰা দেখা যায় যে এইড্‌ছৰ প্ৰদুৰ্ভাৱৰ কাৰণেই আফ্ৰিকাৰ গৰিষ্ঠসংখ্যক দেশৰ বাৰ্ষিক আৰ্থিক বৃদ্ধিৰ হাৰ ০.৫-১.২% নিম্নগামী হৈছে। ২০১০ চনলৈ অধিক ভাৱে আক্ৰান্ত দেশ বোৰৰ মুঠ ঘৰুৱা উৎপাদন ৮% পৰ্যন্ত হ্ৰাস পাবগৈ পাৰে বুলি আশংকা কৰা হৈছে। এইড্‌ছ প্ৰভাৱান্বিত কিছুমান দেশৰ মানুহৰ গড় আয়ুস ২০ বছৰ পৰ্যন্ত হ্ৰাস পোৱাৰ ফলত দেশবোৰত মানৱ শক্তি নাটনি, খাদ্যৰ অভাৱ, দৰিদ্ৰতা আদিৰ দৰে সমস্যাই দেখা দিছে। উপযুক্ত কৰ্মঠ শ্ৰমশক্তি এখন দেশৰ উন্নয়নৰ মূল চালিকা শক্তি। এইড্‌ছ আক্ৰান্ত এজন ব্যক্তিক কেতিয়াও উৎপাদনক্ষম শ্ৰমিক হিচাপে গণ্য কৰিব নোৱাৰি। যদি এখন দেশৰ যুৱ শক্তিৰ এক বুজন অংশ এইড্‌ছ ৰোগৰ দ্বাৰা আক্ৰান্ত হয় তেন্তে দেশখনত শ্ৰম শক্তিৰ নাটনি হোৱাৰ লগতে কৃষি, উদ্যোগ, বাণিজ্য আদি সকলো খণ্ডতে ইয়াৰ বিৰূপ প্ৰভাৱ পৰাতো নিতান্তই স্বাভাৱিক কথা। যিবোৰ দেশে দৰিদ্ৰতা, পুষ্টিহিনতা, খাদ্যসঙ্কট, নিৰনুৱা আদি অনেক সমস্যাৰ লগত যুঁজ দি আহিছে

তেনেবোৰ দেশে এইড্‌ছ ৰোগ প্ৰতিৰোধৰ কাৰণে নতুনকৈ কৌশল অৱলম্বন কৰিব লগা হোৱাত আৰ্থিক ব্যয়ৰ বোজা বৃদ্ধি পাইছে। অৰ্থাৎ উন্নয়নৰ ক্ষেত্ৰত পুঁজি বিনিয়োগৰ পৰিৱৰ্তে ৰোগ প্ৰতিৰোধৰ কাৰণে অৰ্থব্যয় কৰিব লগাত পৰিছে। উন্নতদেশবোৰে ৰোগবিধৰ প্ৰতিষেধক আৰু চিকিৎসাসম্পৰ্কীয় যাবতীয় কাম কাজৰ গৱেষণাৰ কাৰণে লক্ষ লক্ষ কোটি টকা ব্যয় কৰি প্ৰচেষ্টা অব্যাহত ৰাখিছে। আমাৰ দেশতো এইড্‌ছ ৰোগৰ চিকিৎসা ব্যয় চৰকাৰে বহন কৰাৰ ফলত দেশৰ কৰ দাতা জনসাধাৰণৰ ওপৰতে আৰ্থিক বোজা পৰিছে। এইড্‌ছ ৰোগত মৃত্যু হোৱা পিতৃ মাতৃৰ নিঠৰুৱা শিশু সকলৰ কাৰণে চৰকাৰে হাতত লোৱা কল্যান মূলক আঁচনিৰবাবে চৰকাৰী ৰাজহ ব্যয় কৰিব লগা হৈছে।

সমাজ জীৱনতো এইড্‌ছ ৰোগৰ প্ৰভাৱ অতি ব্যাপক আৰু সুদূৰ প্ৰসাৰী। এইড্‌ছ আক্ৰান্ত পুৰুষ বা মহিলা এগৰাকীক সমাজত ঘৃণাৰ দৃষ্টিৰে চোৱা লোক এতিয়াও নিচেই কম নহয়। আনকি পৰিয়ালৰ আন সদশ্যৰ পৰাও ককৰ্থনা, লাঞ্চনা ভোগ কৰাৰ উপৰিও একাষৰীয়া হব লগা ঘটনা আমাৰ সমাজ ব্যৱস্থাত বিৰল নহয়। ৰোগক্ৰান্ত কোনোবা শিশু বিদ্যালয়ৰ পৰা নিগৃহীত হৈ শিক্ষা জীৱন সামৰিব লগা হৈছে। শিক্ষা অসমাপ্ত ল'ৰা ছোৱালীৰ সংখ্যা দিনক দিনে বৃদ্ধি হৈ শিক্ষাৰ গুণগত দিশৰ পৰা দেশ এখন পিছপৰি যোৱাৰ সম্ভাৱনাও প্ৰকট হৈ পৰিছে। পৰিয়ালৰ এইড্‌ছ ৰোগাক্ৰান্ত ব্যক্তিৰ পৰিচৰ্যাৰ কাৰণেই হওক নাইবা পৰিয়ালটিৰ ভৰণপোষণৰ গধূৰ দায়িত্ব কান্ধ পাতি লোৱাৰ কাৰণেই হওক বহুতো তেনে দুৰ্ভগীয়া ল'ৰা ছোৱালীয়ে পঢ়াশালিৰ শিক্ষা আধৰুৱা কৰি দিন হাজিৰা বা আন কষ্টকৰ কামত আত্মনিয়োগ কৰিব লগা হৈছে। ফলত উপযুক্ত শিক্ষা গ্ৰহণৰ পৰা বহু ছাত্ৰ ছাত্ৰী বঞ্চিত হৈ দেশত মানৱ সম্পদ গঠনৰ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি হৈছে।

আমাৰ দৰে পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত পুৰুষ এজন এইড্‌ছৰ দ্বাৰা আক্ৰান্ত হলেও মহিলা গৰাকীকেই পোনপতীয়া বা আওপকীয়াকৈ জগৰীয়া কৰা হয় আৰু মহিলা সকলৰ প্ৰতি অন্যায় অবিচাৰ কৰি শাৰিৰীক, মানসিক শাস্তি বিহাৰ উপৰিও বিবাহ বিচ্ছেদৰ দৰে কঠোৰ সিদ্ধান্ত লোৱাৰ ফলত ভুক্তভোগী মহিলা সকলে অনিশ্চিত জীৱনৰ পথত খোজ দিব লগা হয়। আনকি কেতিয়াবা এনে

অনিশ্চিত ভৱিষ্যতৰ পৰা মুক্তি বিচাৰি আত্মহত্যাৰ দৰে চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। থাইলেণ্ড, ভাৰতৰ দৰে উন্নয়ণশীল দেশবোৰত মহিলা যৌন কৰ্মী সকলকে এইড্ছৰ ভাইৰাছ বিয়পোৱা বুলি এক পক্ষীয় ভাৱে জগৰীয়া কৰি মহিলা সকলৰ প্ৰতি অবিচাৰ কৰা হয়। এনে লিংগ বৈষম্য এখন সুস্থ সমাজ গঠনৰ বাবে কেতিয়াও কাম্য নহয়।

গতিকে দেখা যায় ৰোগবিধৰ সংক্ৰমনে ৰোগক্ৰান্ত ব্যক্তি এজনৰে নহয়, সমাজখনতো ইয়াৰ বিষবাস্প বিয়পাই সুস্থ সমাজ গঠন প্ৰক্ৰিয়াত গুৰুত্বৰ ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছে আৰু ই এক প্ৰত্যাহ্বান হিচাপে থিয় দিছে। এনে অনেক আৰ্থ-সামাজিক সমস্যাৰ লগতে মানৱ জাতিৰ বিপদ সংকুল ভৱিষ্যতৰ কথা চিন্তা কৰি এইড্ছ ৰোগৰ প্ৰতি পিঠি নিদি প্ৰতিজন দায়িত্বশীল, সমাজ সচেতন ব্যক্তিয়ে ৰোগ বিধৰ প্ৰতিৰোধৰ বাবে সমাজৰ একোজন অতন্দ্ৰ প্ৰহৰীৰ দৰে সংকল্পবদ্ধ হ'লে অদূৰ ভৱিষ্যতে নিশ্চয় ৰোগ বিধৰ সৰ্বনাশী প্ৰভাৱৰ পৰা বহুলাংশে মুক্ত হ'ব পৰা যাব।

অহিংসাৰ বাটেদি গৈ পৃথিৱীক এক অভিনৱ সংস্কৃতি, সভ্যতা, ৰাষ্ট্ৰপৰিচালনা, শাসনযন্ত্ৰ, সমাজ ব্যৱস্থা আৰু এক অৰ্থনৈতিক বৈপ্লৱিক পৰিবৰ্তন দিম বুলি আমি জগতৰ আগত ঘোষণা কৰিছিলো। তাক স্বাধীনতাৰ পিছত দিব নোৱাৰি - এতিয়া তাৰ বিপৰীত বাটেদি যাব লাগিছো। তাৰ মানে পৃথিৱীকো একো দিব নোৱাৰিলোঁৱেই, ইফালে পৃথিৱীৰ পুৰণি হিংসাত্মক অস্ত্ৰকে আনে ইয়াক আমাৰ ওপৰত প্ৰয়োগ কৰোতে যাক আমি মানৱ প্ৰগতিৰ প্ৰতি এটা ট্ৰেজনপ্ৰদ্ৰজ্ৰ দ্বন্দ্ব বুলি আখ্যা দিছিলো - আজি তাকেই আমাৰ ৰাষ্ট্ৰৰক্ষাৰ অমোঘ অস্ত্ৰ বুলি চূড়ান্ত প্ৰয়োগলৈ যাবলৈ কুণ্ঠাবোধ কৰা নাই।

*-জ্যোতি প্ৰসাদ*

বেয়া মানুহে শান্তিৰ ভয়ত পাপক ঘিন কৰে, কিন্তু ভাল মানুহে সততাৰ প্ৰতি প্ৰেমৰ কাৰণেহে পাপক ঘিন কৰে।

- জু ভেনাল।





# অসমীয়া ব্যাকৰণ চৰ্চাঃ এক ঐতিহাসিক পৰিক্ৰমা

ড° বিজু মৰাণ
অধ্যাপক, অসমীয়া বিভাগ

ভাষা মানুহৰ ভাৱ প্ৰকাশ কৰাৰ প্ৰধান মাধ্যম। ইয়াৰ বাহিৰে মানুহে বিভিন্ন ধৰণৰ বাগ্‌ভঙ্গীৰেও মনৰ ভাৱ আন এজনৰ লগত বিনিময় কৰে, কিন্তু ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীৰে ইয়াক ভাষা বুলিব নোৱাৰি। ভাষাবিজ্ঞানত মানৱ বাগিন্দ্ৰিয়ৰদ্বাৰা উচ্চাৰিত স্পষ্ট আৰু যাদৃচ্ছিক ধ্বনি প্ৰতীকৰ সহায়ত মনৰ ভাৱ মানৱ সমাজত বাস কৰা এজন লোকে আন এজন লোকৰ লগত বিনিময় কৰাৰ মাধ্যমকহে ভাষা বুলি স্বীকৃতি দিছে। এনে ভাষাৰ জৰিয়তে প্ৰাণীজগতৰ কেৱল মানুহেহে এজনে আন এজন মানুহৰ লগত মনৰ ভাৱ আদান প্ৰদান কৰিব পাৰে। মানৱ বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত স্পষ্ট ধ্বনিপ্ৰতীকৰ জৰিয়তে মনৰ ভাৱ আদান-প্ৰদান কৰিব পৰা ক্ষমতাই মানুহক ইতৰ প্ৰাণীৰপৰা পৃথক কৰি ৰখাৰ লগতে মানুহক সভ্যতাৰ উচ্চতম আসনত অধিষ্ঠিত কৰিছে।

সংস্কৃত 'ভাষ্‌' ধাতুৰ পৰা ভাষাশব্দটো সৃষ্টি হৈছে। পৰিৱৰ্তনশীলতা ভাষাৰ বাবে সঞ্জীৱনীস্বৰূপ। গতিয়েই ভাষাৰ জীৱন আৰু যতিয়েই তাৰ মৃত্যুৰ কাৰণ। ভাষাত পৰিৱৰ্তন স্বাভাৱিক কথা কাৰণ ভাষা পৰিৱৰ্তনশীল। পৰিৱৰ্তনশীলতাৰ মাজেৰে ভাষাই তাৰ স্বৰূপ সলোৱাৰ লগতে সময়োচিত শ্ৰীবৃদ্ধি সাধন কৰে আৰু সময়ৰ বালিত চিন ৰাখি যোৱাত আগভাগ লয়; কাৰণ পৰিৱৰ্তনশীলতাই ভাষাক একে স্থানত কেতিয়াও থাকিবলৈ নিদিয়ে, তাৰ অৱস্থা হয় বোৱতী নদীৰ পানীয়ে নদীৰ বুকুত পলস পেলাই অহাৰ অৱস্থাৰ দৰে।

অসমীয়া ভাষা পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ ইন্দো ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত এটা প্ৰধান ভাষা। ভাৰতীয় আৰ্যভাষাই খ্ৰীঃ পূঃ ১৫০০

শতিকাৰপৰা কেইবাটাও স্তৰৰ মাজেদি আহি খ্ৰীষ্টাব্দ দশম শতিকাত নব্যৰূপ নব্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ পায়হি। সুদীৰ্ঘ দুহেজাৰ পাঁচশ বছৰৰ বিৱৰ্তনৰ পৰিক্ৰমাৰ অন্তত ভাৰতবৰ্ষত নব্যভাৰতীয় আৰ্যভাষাবোৰে গা কৰি উঠে। ভাৰতীয় আৰ্যভাষাৰ নব্য ৰূপ নব্য ভাৰতীয় আৰ্যভাষা স্তৰৰপৰাই উদ্ভৱ হয় অসমীয়া, বঙলা, উড়িয়া, মৈথেলী আদি ভাষাবোৰৰ।

অসমীয়া সাহিত্যত বিশুদ্ধ সাহিত্যিক নিদৰ্শন পোৱা যায় চতুৰ্দশ শতিকাৰ কবি হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ'ত। তদুপৰি চৰ্যাপদ, শ্ৰীকৃষ্ণ কীৰ্তন, শূন্য পুৰাণ আদিকো অসমীয়া সাহিত্যৰ নিদৰ্শন বুলি প্ৰখ্যাত সমালোচক সত্যেন্দ্ৰ নাথ শৰ্মাই তেখেতৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' নামৰ গ্ৰন্থত উল্লেখ কৰিছে। অসমীয়া সাহিত্যৰ পোনপ্ৰথম সাহিত্যিক নিদৰ্শন চতুৰ্দশ শতিকাতে পোৱা যায় যদিও অসমীয়া ভাষা চৰ্চাৰ ইতিহাস তেনেই অবাৰ্চীন । অসমীয়া ভাষা চৰ্চাৰ দিশত আমি ঊনবিংশ শতিকালৈকে থমকি ৰ'বলগীয়া হয়। ভাৰতবৰ্ষ তথা অসমলৈ বৃটিছসকলৰ আগমন এক গুৰুত্বপূৰ্ণ ঐতিহাসিক পৰিঘটনা। অসমত বৃটিছৰ শাসনৰ পট্টনৰ ফলত অশেষ কুপ্ৰভাৱ পৰিছিল যদিও কিছুমান দিশত সুপ্ৰভাৱো পৰিল। অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ লিখি উলিয়াইছিল এজন বৃটিছ বিষয়াইহে। উইলিয়াম ৰবিন্সন নামে এজন বৃটিছ বিষয়াই ইংৰাজী ভাষাত প্ৰথমখন অসমীয়া ব্যাকৰণ 'A Grammar of the Assamese Language' ১৮৩৯ চনত লিখি উলিয়ায়। অসমত শাসনকাৰ্য চলোৱাৰ সুবিধা হোৱাকৈ অসমীয়া ভাষা শিকিবলৈ উইলিয়াম ৰবিন্সনে লেটিন ব্যাকৰণৰ আৰ্হিত এই ব্যাকৰণ ৰচনা কৰিছিল। এই ব্যাকৰণ শ্ৰীৰামপুৰৰপৰা প্ৰকাশ হৈ ওলাইছিল। এই কথা ঠিক যে উইলিয়াম ৰবিন্সনে কোনো ধৰণৰ সৎ অভিপ্ৰায় লৈ অসমীয়া ভাষাৰ ব্যাকৰণখন ৰচনা কৰা নাছিল যদিও তেখেতেই অসমীয়া ভাষাৰ চৰ্চা আৰু অসমীয়া ব্যাকৰণ ৰচনাৰ পথ মুকলি কৰে। তদুপৰি আন এটা উল্লেখনীয় কথা হ'ল যে

প্ৰথমখন অসমীয়া ভাষাৰ ব্যাকৰণেই ইংৰাজী ভাষাত ৰচিত হৈছিল। এই ব্যাকৰণ ৰচনাৰ ঠিক ন বছৰৰ পাছত অৰ্থাৎ ১৮৪৮ চনত আমেৰিকান বেপ্তিষ্ট মিছনেৰী নাথান ব্ৰাউনে অসমীয়া ভাষাৰ দ্বিতীয়খন ব্যাকৰণ ইংৰাজী ভাষাত ৰচনা কৰি উলিয়াইছিল। এই ব্যাকৰণখনৰ নাম আছিল 'Grammatical Notes on the Assamese Language' ইয়াৰ দ্বিতীয় সংস্কৰণ ১৮৯৩ চনত প্ৰকাশ হৈ ওলায়। এই ব্যাকৰণত মিছনেৰীসকলৰ সৰলীকৃত আখৰ জোঁটনি ব্যৱহাৰ কৰা হৈছিল আৰু ভাষাটো যি ধৰণে উচ্চাৰণ কৰা হৈছিল সেই একে ৰূপ ব্যাকৰণখনত ঠাই দিয়া হৈছিল। নাথান ব্ৰাউনৰ অসমীয়া ব্যাকৰণ ৰচনাৰ উদ্দেশ্য তথা বিশ্লেষণ পদ্ধতিৰ লগত উইলিয়াম ৰবিন্সনৰ অসমীয়া ব্যাকৰণ ৰচনাৰ উদ্দেশ্য আৰু বিশ্লেষণ পদ্ধতিৰ মাজত পাৰ্থক্য আছে। ৰবিন্সনৰ উদ্দেশ্য আছিল পক্ষপাতদুষ্ট। ৰবিন্সনে পাকে প্ৰকাৰে অসমীয়া ভাষাক বঙলা ভাষাৰ এটি ৰূপ বুলি দেখুৱাবলৈ বৈয়াকৰণিক দিশৰপৰা চেষ্টা কৰিছে। কিন্তু নাথান ব্ৰাউনে অসমীয়া ভাষাৰ ইতিহাস সম্পৰ্কে অধ্যয়ন কৰি অসমীয়া ভাষা যে এটা স্বতন্ত্ৰ ভাষা আৰু এই ভাষা স্বকীয় আৰু চহকী লিপি তথা সাহিত্যৰে সমৃদ্ধ তাক দেখুৱাবলৈ অহোপুৰুষাৰ্থ কৰিছে। অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ আহি নাথান ব্ৰাউনে সঠিকভাৱে বুজি উঠিছিল ইংৰাজ শাসনৰ অসমীয়া মানুহক মাতৃভাষাৰপৰা বঞ্চিত কৰাৰ কু-অভিপ্ৰায়। সেয়েহে তেখেতে অসমীয়া ভাষাক পুনৰোদ্ধাৰ কৰি অসমীয়া ভাষাৰ মাধ্যমত ধৰ্মপ্ৰচাৰ কৰাত অধিক গুৰুত্ব দিছিল। এই খিনিতে মনকৰিবলগীয়া আন এষাৰ গুৰুত্বপূৰ্ণ কথা হ'ল যে সেই সময়ত এচাম স্বাৰ্থান্বেষী বঙলাভাষীলোকৰ প্ৰৰোচনাত ইংৰাজ চৰকাৰে অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষাক ৰাজ্যভাষাৰ মৰ্যাদা প্ৰদান কৰিছিল। অসমত বঙলা ভাষা চলি থকাৰ এই সময়ছোৱাত পৰস্পৰবিৰোধী উদ্দেশ্যৰে ৰচনা কৰা ব্যাকৰণ দুখন ঐতিহাসিক দিশৰপৰা যথেষ্ট গুৰুত্বপূৰ্ণ।

ইয়াৰ উপৰি আৰু দুজন অনা অসমীয়া বৃটিছ লোকে অসমীয়া ভাষাত দুখন ব্যাকৰণ ৰচনা কৰিছিল। ১৮৯৪ চনত অ'ফৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক জি.এফ.নিকল চাহাবে 'Appendix V Sketch Assamese Grammer' নামেৰে চল্লিশ পৃষ্ঠাৰ এখন অসমীয়া ব্যাকৰণ ইংৰাজী ভাষাত ৰচনা কৰি উলিয়াইছিল। আনহাতে খ্ৰীষ্টান মিচনেৰীসকলৰ ব্যাকৰণ ৰচনাৰ যি শুভ পৰম্পৰা তাক শিৰোগত কৰি গুৱাহাটীৰ ডনবস্কৰ কেথলিক মিছনৰ ফাদাৰ অ' পাভিয়তিয়ে ১৯৪৯ চনত 'An Assamese Grammar with Vocabulary and Exercises' নামেৰে এখনি ব্যাকৰণ প্ৰকাশ কৰি উলিয়ায়। নিঃসন্দেহে এই ব্যাকৰণ দুখনৰ আলোচনা আছিল উচ্চ খাপৰ। উল্লেখ কৰা নিকলৰ ব্যাকৰণখনিৰ পাতনিত পোৱা যায় যে তেখেতৰ আৰু এখন বৃহৎ ব্যাকৰণ ৰচনাৰ পৰিকল্পনা আছিল যদিও কোনো কাৰণবশতঃ সেয়া হৈ নুঠিল।

ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই ১৮৫৯ চনত অসমীয়া ভাষাৰ প্ৰথমখন অসমীয়া ব্যাকৰণ লিখি উলিয়ায়। এই ব্যাকৰণখনৰ নাম আছিল 'অসমীয়া ভাষাৰ ব্যাকৰণ'। সেই সময়ত হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণৰ আৰ্হি আছিল প্ৰধানকৈ সংস্কৃত ব্যাকৰণ। ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে 'ব্যাকৰণ কৌমুদী'ত আলোচনা আগবঢ়োৱাৰ দৰে হেমচন্দ্ৰ বৰুৱাইও অসমীয়া বৰ্ণমালা, আখৰ-জোঁটনি, নত্ব বিধি, যত্ব বিধি আদিৰ আলোচনা আগবঢ়াইছিল। হেমচন্দ্ৰ বৰুৱাই 'অসমীয়া ল'ৰাৰ ব্যাকৰণ' নামেৰে এখন ব্যাকৰণ ১৮৮২ চনত লিখি উলিয়াইছিল। এই ব্যাকৰণখনৰ আলোচনা আছিল উচ্চ খাপৰ। তদুপৰি তেখেত দূৰদৰ্শী আছিল আৰু এই দিশত সজাগ আছিল যে সময় অনুসৰি ভাষা সলনি হয় তথা প্ৰয়োজনসাপেক্ষে ইয়াৰ ভেঁটি লৰাবলগীয়া হয়। তেখেতৰ ব্যাকৰণ চৰ্চাত অন্য এটি দিশো পৰিলক্ষিত হয়। সেয়া হৈছে অসমীয়া ব্যাকৰণৰ আলোচনাত সংস্কৃত ব্যাকৰণৰ নীতি-নিয়মৰ প্ৰয়োগ। যদিও সংস্কৃত ভাষাৰ পৰাই অসমীয়া ভাষাই জন্ম লাভ কৰিছে ; বিবৰ্তনৰ পথত অসমীয়া ভাষা সংস্কৃত ভাষাৰপৰা যথেষ্ট আঁতৰি আহিছে। সেয়েহে সংস্কৃত ভাষাৰ সকলো নিয়ম অসমীয়া ভাষাত নাখাটে। যতদূৰ সম্ভৱ অসমীয়া ভাষাই হৈছে একমাত্ৰ নব্যভাৰতীয় আৰ্যভাষা যি সংস্কৃত ভাষাৰপৰা আটাইতকৈ বেছি আঁতৰি আহিছে।

আৰম্ভনিতে অসমীয়া ব্যাকৰণ ৰচনাৰ প্ৰধান কাৰণ আছিল পাঠ্যপুথিৰ চাহিদা পূৰণ কৰা। এই উদ্দেশ্যে আগত ৰাখিয়ে ব্যাকৰণ চৰ্চা কৰাৰ হেতুকে অসমীয়া ব্যাকৰণ চৰ্চা যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাছিল। ১৯১২ চনত দেবানন্দ ভৰালিয়ে নতুন চিন্তা-চৰ্চাৰে 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' নামৰ গ্ৰন্থখন ৰচনা কৰে। সুকীয়া দৃষ্টিভঙ্গীৰে অসমীয়া ভাষাৰ ব্যাকৰণক চাবলৈ কৰা প্ৰয়াসৰ বাবে এই গ্ৰন্থখন অসমীয়া ব্যাকৰণ চৰ্চাৰ দিশত মাইলৰ খুটি বুলিব পাৰি। ইয়াৰ পিছতে নাম ল'ব পাৰি ১৯২৬ চনত প্ৰথম প্ৰকাশ লাভ কৰা সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ'ৰ। অসমীয়া ভাষা যে সংস্কৃত ভাষাৰপৰা পৃথক এই কথা ব্যাকৰণখনৰ জৰিয়তে দেখুৱাবলৈ যত্ন কৰা হৈছে। সংস্কৃতীয়া ৰীতিৰপৰা আঁতৰি আহি অসমীয়া ভাষাক নতুনকৈ দেখুৱাবলৈ যত্ন কৰাৰ দিশত এই ব্যাকৰণ বিশেষভাৱে উল্লেখযোগ্য।

১৯৩৬ চনত সু-বৃহৎ আকাৰেৰে প্ৰকাশ পোৱা কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' অন্যতম এখন উল্লেখযোগ্য গ্ৰন্থ। অসমীয়া ব্যাকৰণ চৰ্চাৰ লগতে ভাষা চৰ্চাৰ অন্যতম ধাৰা ভাষাতত্ত্বৰ জৰিয়তে অসমীয়া ভাষাক চাবলৈ কৰা প্ৰয়াস বোধহয় সেয়াই আছিল প্ৰথম।

অসমীয়া ভাষাক পোনপ্ৰথমে বিজ্ঞানৰ ভেঁটিত প্ৰতিষ্ঠা কৰিলে ড° বাণীকান্ত কাকতিয়ে। ইয়াৰ পূৰ্বে অসমীয়া ভাষাৰ বিষয়ে ভালেখিনি আলোচনা হ'লেও ভাষাবিজ্ঞানৰ ভেঁটিত অসমীয়া ভাষাৰ বিভিন্ন দিশবিলাকৰ সম্পৰ্কে আলোচনা কৰা হোৱ নাছিল। ঐতিহাসিক ভাষাবিজ্ঞানৰ দৃষ্টিভঙ্গীৰে অসমীয়া ভাষাৰ আলোচনা থকা বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখন হ'ল--'Assamese Its Formation and Development.' এই গ্ৰন্থখন প্ৰকৃততে এখন গৱেষণা গ্ৰন্থহে আছিল আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত ড''ৰেট ডিগ্ৰীৰ বাবে বাণীকান্ত কাকতিয়ে বিশ্ববিখ্যাত ভাষাতত্ত্ববিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ তত্ত্বাৱধানত যুগুট কৰিছিল। ১৯৪১ চনত এই বিখ্যাত গৱেষণা গ্ৰন্থখনৰ প্ৰথমটো সংস্কৰণ প্ৰকাশ পাইছিল। ইংৰাজী ভাষাত ৰচিত এই গ্ৰন্থখনৰ অসমীয়া অনুবাদো প্ৰকাশ হৈ ওলাইছে। কাকতিদেৱৰ জন্মস্থান বৰপেটাত ১৯৯৪ চনত অসম সাহিত্য সভাই তেখেতৰ জন্ম শতবাৰ্ষিকী কেন্দ্ৰীয় ভাৱে পালন কৰে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি কাকতিদেৱৰ গৱেষণা গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰাৰ প্ৰস্তুতি চলে। 'অসমীয়া ভাষাৰ গঠন আৰু বিকাশ' নামেৰে ১৯৯৬ চনত অসমীয়া ভাষাত প্ৰথম সংস্কৰণ ছপা হৈ ওলায়। বিশ্বেশ্বৰ হাজৰিকাই এই বৃহৎ গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰাৰ মহৎ কাম সম্পাদন কৰে। এই গ্ৰন্থখনিৰ বিষয়ে ভাষাতত্ত্ববিদ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই অসমীয়ালৈ অনুদিত গ্ৰন্থখনিত সন্নিৱিষ্ট তেখেতৰ 'মনীষী বাণীকান্ত কাকতি ঃ ভাষাবৈজ্ঞানিক প্ৰতিভা' নামৰ লেখাটিত এনেদৰে উল্লেখ কৰিছে -- "অসমীয়া ভাষাৰ আঁতিগুৰি বৰ্ণাই, অসম, কামৰূপ, প্ৰাগজ্যোতিষ, কামাখ্যা আদিৰ ইতিবৃত্ত বিচাৰ কৰি ভাষা-বৈজ্ঞানিক দৃষ্টিৰে অসমীয়া সাহিত্যৰ কাল নিৰূপণেৰে উপভাষাগত বিচাৰ পাৰ্থক্য, উপভাষাৰ নিদৰ্শন, অসমীয়া শব্দ-সম্ভাৰত আৰ্যভিন্ন সম্ভাৱিত উপাদানৰ আগশাৰীৰ প্ৰচেষ্টামূলক বিচাৰ, ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ বিস্তৃত বিশ্লেষণ-নিদৰ্শন, সম্ভাৱিত আৰ্যভিন্ন প্ৰভাৱৰ সাৰাংশৰূপে সামৰণী অধ্যায়, শব্দ-নিৰ্দেশিকা তথা নিৰ্বাচিত গ্ৰন্থপঞ্জীৰে সমৃদ্ধ।" অসমীয়া ভাষাৰ বিষয়ে বিজ্ঞানৰ দৃষ্টিভঙ্গীৰে আলোচনা আগবঢ়াই যোৱাত এই গ্ৰন্থখন এখন অদ্বিতীয় গ্ৰন্থ আৰু অসমীয়া ভাষা সাহিত্যৰ ইতিহাসত ই এখনি অমূল্য গ্ৰন্থৰূপে পৰিগণিত হৈ ৰ'ব।

অসমীয়া ব্যাকৰণ চৰ্চাৰ ইতিহাসত আৰু কেইখনমান ব্যাকৰণে ভাষা জননীৰ সেৱা কৰাৰ লগতে সুধীসমাজৰ সমাদৰ লাভ কৰিছিল। এই ব্যাকৰণ গ্ৰন্থসমূহেই সেই সময়ৰ বিদ্যালয়-মহাবিদ্যালয় আদিত চলিছিল। তেনে কিছুমান ব্যাকৰণ হ'ল--লোকনাথ শৰ্মাৰ 'অসমীয়া ব্যাকৰণ', সোণাৰাম চৌধুৰীৰ 'অসমীয়া সাহিত্যবোধ ব্যাকৰণ', শৰৎ চন্দ্ৰ গোস্বামীৰ 'সৰল ব্যাকৰণ', গিৰিধৰ শৰ্মাৰ 'আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ', হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যৰ 'অসমীয়া ব্যাকৰণৰ জিলিঙনি', ডিম্বেশ্বৰ নেওগৰ 'শুধ অসমীয়া', ভগবান মৰলৰ 'অসমীয়া ব্যাকৰণ জ্যোতি', বাপচন্দ্ৰ মহন্তৰ 'অসমীয়া ব্যাকৰণৰ ৰূপৰেখা' আদিয়েই প্ৰধান। ইয়াৰ উপৰি ১৯৭০-৭২ চনত চৰকাৰৰদ্বাৰা অনুমোদিত তথা পঢ়াশালিৰ তলখাপৰ ব্যাকৰণ ৰচোঁতাৰ ভিতৰত

ঘনকান্ত শৰ্মা, হৰেন্দ্ৰ নাথ শৰ্মা, হৰমোহন দাস, তাৰনাথ বৰপূজাৰী, বিনন্দচন্দ্ৰ বৰ্মন, ভূপেন্দ্ৰ নাথ চৌধুৰী আদিয়েই প্ৰধান। তদুপৰি অসমীয়া সাহিত্য জগতৰ বিদগ্ধ পণ্ডিত মহেশ্বৰ নেওগেও 'নিকা অসমীয়া ভাষা' নামেৰে এখনি অসমীয়া ব্যাকৰণৰ আলোচনা থকা হাতপুথি ৰচনা কৰিছিল।

অসমীয়া ব্যাকৰণ চৰ্চাৰ দিশত নতুন জোৱাৰ কঢ়িয়াই আনিলে ভাষাতত্ত্ববিদ গোলোক চন্দ্ৰ গোস্বামী আৰু উপেন্দ্ৰ নাথ গোস্বামীয়ে। উপেন্দ্ৰ নাথ গোস্বামীয়ে 'অসমীয়া ভাষাৰ ব্যাকৰণ' শীৰ্ষক গ্ৰন্থত অসমীয়া ভাষাৰ গঠন পদ্ধতিক নতুন ৰূপত বিশ্লেষণ আগবঢ়ালে। অৱশ্যে তেখেত ব্যাকৰণ চৰ্চাত অপ্ৰমাদী হৈ নৰ'ল। তেখেতৰ ব্যাকৰণত মধ্য প্ৰত্যয়কে আদি কৰি ভালেমান ভ্ৰান্তিকৰ আলোচনা আছে। অসমীয়া ব্যাকৰণ চৰ্চাৰ নতুন পথত সব্যসচীৰ ভূমিকা ল'লে গোলোক চন্দ্ৰ গোস্বামীয়ে। আধুনিক ভাষাবিজ্ঞানৰ প্ৰচুৰ জ্ঞান, অধ্যয়ন আৰু প্ৰশিক্ষণ থকা গোস্বামীয়ে বিজ্ঞানৰ ভেঁটিত অসমীয়া ধ্বনি সম্পৰ্কে আলোচনা থকা প্ৰথমখন গ্ৰন্থ 'ধ্বনিবিজ্ঞানৰ ভূমিকা' লিখি উলিয়ালে। এই গ্ৰন্থখনৰ প্ৰথম সংস্কৰণ ১৯৬৬ চনতেই প্ৰকাশ পাইছিল। এয়া সৰ্বভাৰতীয় পৰ্যায়ত তৃতীয় প্ৰয়াস। ইয়াৰ উপৰিও অসমীয়া বৰ্ণ সম্পৰ্কে সবিস্তাৰে আলোচনা কৰা 'অসমীয়া বৰ্ণ প্ৰকাশ' নামৰ গ্ৰন্থখন ১৯৬৯ চনত প্ৰকাশ পায়। ১৯৭২ চনত গোস্বামীয়ে লিখি উলিওৱা 'গোলোক ব্যাকৰণ' (সুবোধ আৰু প্ৰবোধ ভাগ) গ্ৰন্থখনে অসমৰ বিদ্বৎমণ্ডলীৰ মাজত তোলপাৰ লগালে। সংস্কৃত ভাষাক আগত ৰাখি অসমীয়া ব্যাকৰণ ৰচনা কৰাৰ ধাৰাটোৰপৰা আঁতৰি আহি গোস্বামীয়ে নতুন ৰূপত অসমীয়া ভাষাৰ গঠন পদ্ধতি নিজৰ ব্যাকৰণ পুথিত সজাই পৰাই উলিয়ালে। তেখেতৰ ব্যাকৰণৰ গ্ৰহণযোগ্যতাকলৈ অসমৰ ঠায়ে ঠায়ে কৰ্মশালা পৰ্যন্ত অনুষ্ঠিত হ'ল। পৰম্পৰাগতভাৱে ৰচিত অসমীয়া ব্যাকৰণত অভ্যস্ত অসমীয়া লোকে গোস্বামীয়ে নতুন ৰূপত গঢ় দিয়া ব্যাকৰণক গ্ৰহণ কৰিবলৈ প্ৰথমতে টান পাইছিল। তেখেতে ৰচনা কৰা আন দুখনি প্ৰসিদ্ধ ব্যাকৰণ গ্ৰন্থ হ'ল--'অসমীয়া ব্যাকৰণ প্ৰৱেশ' আৰু 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ'। ইয়াৰ উপৰি তেখেতে 'অসমীয়া ভাষাৰ উচ্চাৰণ', 'ভাষা ভাষণিকা' আদিৰ দৰে উচ্চখাপৰ গ্ৰন্থ প্ৰণয়ন কৰিছে।

অসমীয়া ব্যাকৰণ চৰ্চাৰ ১৬৯ বছৰীয়া ইতিহাসলৈ মন কৰিলে দেখা যায় যে তেনেই চালুকীয়াভাৱে এই চৰ্চা আৰম্ভ হৈছিল যদিও ই দোপতদোপে উন্নতি লাভ কৰি বৰ্তমানৰ বিজ্ঞানৰ ভেঁটিত প্ৰতিষ্ঠিত হৈছেহি। উইলিয়াম ৰবিন্সনৰ পৰা বৰ্তমানলৈকে অসমীয়া ব্যাকৰণ চৰ্চাৰ মাজেদি ভাষা জননীৰ সেৱা আগবঢ়োৱা প্ৰতিজন জ্ঞান তপস্বীয়েই অসমীয়া জাতিৰ বাবে স্মৰণীয় হৈ ৰ'ব।

*প্ৰাসঙ্গিক গ্ৰন্থ ঃ*


১. অসমীয়া ব্যাকৰণ মৌলিক বিচাৰ - ড° গোলোক চন্দ্ৰ গোস্বামী।

২. অসমীয়া ভাষা -- ড° ভীমকান্ত বৰুৱা।

৩. অসমীয়া ভাষাৰ গঠন আৰু বিকাশ -- ড° বাণীকান্ত কাকতি।


শিক্ষক ঃ দিপন এবিধ উভচৰ প্ৰাণীৰ নাম কোৱাচোন?

ছাত্ৰ ঃ ছাৰ ভকলা।

শিক্ষক ঃ আৰু এবিধ উভচৰ প্ৰাণীৰ নাম কোৱাচোন?

ছাত্ৰ ঃ ছাৰ আৰু এটা ভকলা।





# Human Development : Concept & Reality


**Mrs. Madhumita Goswami Barthakur**

**H.O.D. of Sanskrit**


The concept of growth and development have their origin in biology.

Some recent writers have pointed out that there is a semantic difficalty in the term development. According to van Nieuwarhuijze, "--Development may be an act, or a process, or an achieved condition." We may add that it may also be a goal i.e. a condition to be acheived. Here development means human resonces development. Human resouress are perhaps most strategie and critical determinant of growth and get its development has mot received the required attention. Even though a country may possess abudent physical recorces iit connot make rapid who are enterprising and have developed necessary skills and attitudes. Humsn effort is required to mobilize, organise and use these resources effectively and efficiently towards the production of required goods and serdly any natural and physical resourees, yet they have achived tremendous economic growth. Japan is perhaps the most notable example in this regard. On the other hand, we have countries and states which have large natural resources but have not been able to exploit them effectively and they continue to lag behind in economic

development of some of the states, notwithstanding their abundant material resources, has been very slow while a few other states with for less natural endowments have achieved remerkable progress. The difference is primarily due to the human factor.The knowledge, skill, attitudes and the initiative of the people can contribute greatly to-wards the economic development of a reign,state or a country. And the human resources development would involve upgrading these qualites of the people. The investment in human resources has directly contributed to the economic develpment and growth by promoting knowledge and application of science and technology to production processes, by developing innovations and research, by training the workers in different technical skills and by building up the right type of attitudes values and interests.

Human resources development is the key to development in all sectors of the economy. The fact that economically advanceed countries show signs of ecologically imbalance, social levsion, alineation of workers and distancee between man to man indicates that in addition to the economic development, the human resources development must be undertaken for the detterment of the individual in the society. The recent emphasis on behavioural aspects and techniques reflects the concern over counter productive behaviours and decsease in motivation. The phycologistid have identified the basic human needs and the satisfaction which the employees get when these needs are met, They all give the highest priority to the sense of fulfillment among human aspirations with

the economis advancement, These desire for self fulfillment rapidly rises. The strategy for the development of human resources should take care of all these.

The human resources development in India is faced with several problems. Important among them are explained below.

***1. Low priority :*** Low priority has been accorded to the development of human resources in our plans. Sectors like agriculture , industry etc have been given top priority. We have been spending more and more resources on their development of human resources took place only after meeting financial needs of agriculture, industry, transport ect.

***2. Lack of manpower planning :*** Because of poor manpower planning, problems of unemployment has been mounting in our country. Our human resources remain unutilised and thus are wasted.

***3. Regional imbalance :*** Human resources development in India has been unbalanced. There are the development of human resources in different regions of the country. Some states have launched lot of human resources development programmes while in many other states, such programmes are locking. The disparity between the rural and the urban areas is most marketed.

***4. Low rate of Return :*** Rate of return of investment on human resource development is generally low. Therefore, private in vestors do not take much interest in its development.

***5. Rapid growth of populatin :*** In India, population has been increasing rapidly. A poor country, like India, finds it difficult to spare vast resources for the development of such a large population. We have limited financial resources on the one hand and some other priority sectors (like agriculture, industry etc) on the other. The per capita benefits of these priority sectors are expected to be higher than the per capita benefits of human resource development.

***6. Problem of brain-drain :*** By brain drain we mean the large scale nigration of trained and skilled individuals to other developed countries.When these technically trained personal do not find suitable jobs in their own country,they find it more satisfying to work in foreign countries which provide them much between emplyoment opportunities. If we want to prevent further brain drain from the country, we will have to provide them with attractive employment opportunities.

In the process of economic growth, it is essential to attach more importance to the accumulation of physical capital. The growth of tengible capital in the economy depends to a considerable extent on the rate human capital formation. Thus human capital formation must be given more importance in the scheme of development. The key to development is man and that his abilities, values and attitudes must be changed in order to accelerate the process of development.

The importance of human capital in the Indian Economy cav be judged from the following argument :

***1. Better use capital goods :*** Modern technology is becoming more and more complex. With the growth of science, machinary and equipment are becoming requires skill and technical knowledge.

***2. Better use of importsnt khowledge :*** knowledge about production and management of economics is expanding at a very fast rate. The other development countries are incereasingly adoptig.





***3. Moderisation of attitudes :*** more important still human resources development is required to moderise attitudes. Backward social system and primitive attitudes and belief cannot go along with the growth.

Many of the tools and techniques often advocated are those which are relevant in the economically advanced countries. It is necessary in our country, particularly in view of the abundance of manpower made to develop this technology indigenonsly to suit our conditions.This will call for patence and persevering efforts. We should consider how much an effort can be organised.

Development of the country depends very much on the planning of man power.

1. The invesment should be made in these spheres which are less developed. There should be the expansion of consumer goods industries so that prices can be controlled on the one hand and more employment is areated on the other.
2. More invesment should be made in cottage and small scale industries because they are very much labour intensive industries.
3. New techniques of production should be adopted very slowly.
4. There should be the development of urban estates. This type of development will provide more employment.
5. To provide more employment, the system of education should be changed, Technical education should be given to the people.
6. Illiterar should be prohibited. Illterate person fail to understand the significance of family planning and thus growth of population makes a principal problem in the field of human development otherwise in the field of human resources development.

***Reference :***


**Kohli, u, 1988 : Human resources development and the planning process, vikash pub. House, new Delhi.**

**Lakhi, R.K. and Agarwal. S.L. 2001 : A kalyani's Economics.**

# “ভাৰতীয় জাতীয় জীৱন গঠনত তথা সামাজিক মূল্যবোধ নিয়ন্ত্ৰণৰ মহাভাৰতৰ অৱদান”


সংগ্ৰহ ঃ মহাভাৰতৰ পৰা

সংগ্ৰাহক ঃ শ্ৰী নিখিল প্ৰাণ গগৈ

স্নাতক দ্বিতীয় বৰ্ষ (সংস্কৃত বিভাগ)


মহাভাৰত এখন ভাৰতৰ জাতীয় মহাকাব্য, হিন্দুৰ ধৰ্ম গ্ৰন্থ আৰু প্ৰাচীন ভাৰতৰ সামাজিক ইতিহাস। মহাভাৰতৰ বিষয়বস্তু ৰাজনৈতিক আৰু পাৰিবাৰিক। ভাৰতৰ মূল সামাজিক গাঠনি বনাশ্ৰমৰ ওপৰত প্ৰতিষ্ঠিত আছিল। বৃত্তি অনুসৰি ব্ৰাহ্মণ ক্ষত্ৰিয়, শুদ্ৰ আৰু বৈশ্য – এই চাৰিটা শ্ৰেণী বিভাগ আছিল। সেই সময়ত ব্ৰাহ্মণ সকলৰ সমাজত উচ্চ স্থান আছিল।

अनेक जननी यत्र कातिकेयस्थ सम्भव: ।

व्रामणनां गवं चौव महात्म्यं यत्र कीर्त्यते ॥

অৰ্থাৎ যি মহাভাৰতত (আদিকাব্য) গো আৰু ব্ৰাহ্মণৰ মাহাত্ম্য কৃত্বিত্ত হৈছে। যি বেদৰ দৰে গতিকে ধাৰ্মিক লোকৰ এই মহাভাৰত শ্ৰৱণ কৰা উচিত। অধ্যয়ণত ব্যস্ত ব্ৰাহ্মণ সকলক ৰজাই জীৱিকাৰ বাবে আৰ্থিক সাহাৰ্য্য দিছিল। কিন্তু ব্ৰাহ্মণত্ব বংশানুক্ৰমিক নাছিল। গুণ আৰু কৰ্ম অনুসাৰে যি কোনো ব্যক্তিয়ে ব্ৰাহ্মণত্ব লাভ কৰিছিল। উদাহৰণ স্বৰূপে মহাভাৰতৰ দুই শ্ৰেষ্ঠ পুৰুষ বিদূৰ আৰু কৃষ্ণ ব্ৰাহ্মণ নাছিল। কৰ্ম আৰু গুণে তেওঁলোকক এই পৰ্য্যায়ত উপস্থিত কৰাইছিল। সেয়ে গীতাটো কৈছে –

चार्नुवर्ण्यं मया सृष्ट गुणकर्म विभागरा:

অৰ্থাৎ চাৰিবৰ্ণৰ সৃষ্টিকৰ্ত্তা মইয়ে অৰ্থাৎ শ্ৰী কৃষ্ণ, গুণ আৰু কৰ্ম অনুসাৰে এই বিভাগ বংশানুক্ৰমে নহয়। ব্ৰাহ্মণৰ উপৰিও ক্ষত্ৰিয় সকলেও বেদ অধ্যয়ণ কৰিছিল।

ৰাষ্ট্ৰীয় ব্যৱস্থা ৰাজতান্ত্ৰিক হ'লে ৰজাই বৰ্মানুশাসন অৱজ্ঞা কৰা নাছিল। ফলত ৰজাৰ স্বৈৰাচাৰিতা হব নোৱাৰিছিল। প্ৰজাৰ মংগল সাধন কৰাই ৰজাৰ আদৰ্শ আছিল। ৰজা আৰু প্ৰজাৰ মাজৰ সম্পৰ্ক পিতা পুত্ৰৰ দৰে আছিল।

সেই সময়ৰ সমাজ কৃষিৰ ওপৰত বৰ্তি আছিল। ৰজাই খেতিয়কক বিনামূল্যে শস্যৰ বীজ যোগান ধৰাৰ লগতে আৰ্থিক সাহাৰ্য্যও আগবঢ়াইছিল। মহাভাৰতত বণিকৰ উল্লেখে সেই সময়ত দেশৰ ভিতৰত বাণিজ্য লেন দেন হোৱাৰ অনুমান কৰিব পাৰি।

সমাজত বহুবিবাহ প্ৰচলন আছিল যদিও তিৰোতাৰ বহুবিবাহ সমাজত সহজ প্ৰক্ৰিয়া নাছিল। পুৰুষে বহু স্ত্ৰী গ্ৰহণ প্ৰথা সমাজত সহজ স্বাভাৱিক প্ৰক্ৰিয়া আছিল। দ্ৰোপদীক যেতিয়া যুধিষ্ঠিৰে পঞ্চ পাণ্ডৱে বিবাহ কৰাব বুলি প্ৰস্তাৱ কৰে, তেতিয়া দ্ৰোপদীয়ে কৈছিল যে হে কুৰুনন্দন এজন পুৰুষৰ বহুস্ত্ৰী গ্ৰহণৰ ব্যৱস্থা সমাজত বিহিত আছে। কিন্তু এগৰাকী স্ত্ৰী বহুপতি গ্ৰহণৰ ব্যৱস্থা সমাজত শুনা নাযায়।

সমাজত প্ৰচলিত নানা লোক বিশ্বাসৰ প্ৰতিফলন ইয়াত হোৱা দেখা যায়। এই বিশ্বাস মতে সমাজত অশুভৰ শক্তিৰ স্থিতি শগুণ, শিয়াল আদি যাতে প্ৰতিপন্ন কৰে। উদাহৰণ স্বৰূপে – দুৰ্য্যোধনৰ জন্মৰ সময়ত শগুণ, শিয়ালৰ বিকট চিঞৰ শুনি ব্ৰাহ্মণ পণ্ডিত সকলেৰ লগতে মহামতি বিদূৰেও ভাবিছিল, যে এই সন্তানৰ জন্ম বংশৰ বাবে সৰ্ব্বনাশকাৰী হ'ব আৰু এই অশুভ ইংগিতৰ ওপৰত বিশ্বাস কৰিয়েই দুৰ্য্যোধনক জন্ম লগতে ত্যাগ কৰিব বাবে উপদেশ দিছিল। লোক সমাজত প্ৰচলিত এই অশুভ লক্ষ্যণ সমূহ সম্পৰ্কে অন্ধবিশ্বস সমাজৰ কেৱল অশিক্ষিত লোকৰ মাজতে প্ৰচলন নাছিল, শিক্ষিত আৰু গুণি জ্ঞানী লোকৰ মাজতো প্ৰচলিত আছিল।

মহাভাৰতৰ সামাজিক জীৱনৰ স্থিতি ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত আছিল। সেয়ে কবিয়ে স্বাভাৱিক বাস্তৱতাৰ ৰূপ চিত্ৰন কৰোতে নিজস্ব মহৎ আদৰ্শকো ধৰি ৰাখিছে। সেয়ে যুদ্ধযাত্ৰাৰ প্ৰাকমূহুৰ্ত্তত দোৰ্য্যোধনে মাক গান্ধাৰীক প্ৰণাম কৰি





আৰ্শীবাদ ভিক্ষা কৰোতে গান্ধাৰীয়ে মনোকামনা পূৰণ হোৱাৰ আৰ্শীবাদ দিয়াৰ সলনি কৈছিল –

यतोधर्मस्ततृीजय:

অৰ্থাৎ য'ত ধৰ্ম তত জয়। এই উক্তিৰ দ্বাৰা কবিয়ে মহাভাৰতৰ আদৰ্শবাণীকে প্ৰমাণ কৰিছে।

ভাৰতীয় জাতীয় জীৱন গঠনত তথা সামাজিক মূল্যবোধ নিয়ন্ত্ৰণ ক্ষেত্ৰত মহাভাৰতৰ অৱদান সূদূৰ প্ৰসাৰী। একলব্যৰ গুৰুভক্তিৰ, যুধিষ্ঠিৰৰ সত্যনিষ্ঠা, অৰ্জুনৰ বীৰত্ব, ভীষ্মৰ ব্ৰহ্মচৰ্য্য, কৰ্ণৰ পুৰুষাকাৰ, অভিমুন্যৰ দুঃসাহসিকতা, সাবিত্ৰীৰ প্ৰতিব্ৰতা ধৰ্ম আদি আদৰ্শ সম্ভেদে (সমূহে) ভাৰতীয় সামাজিক জীৱনক প্ৰভাৱ পেলাই আহিছে।

**বেদৰ মতে মানৱৰ ১৬ টি সংস্কাৰ ঃ-**

গৰ্ভাধান, পুংসৱন, সীমন্তোন্নয়ন, জাতকৰ্ম, নামকৰণ, নিষ্ক্ৰমণ, অন্নপ্ৰাসন, চুড়াকৰ্ম, কৰ্ণবেধ, উপনয়ন, ৱেদাৰম্ভ, সমাৱৰ্ত্তন, বিবাহ, বাণপ্ৰস্থ, সন্ন্যাস, অন্ত্যেষ্টি।

“ঘট ঘট মে হ্যেয় সাঁঈ ৰমতা কুটুম বচন মত বোল।”

(কটু কথা ত্যাগ কৰা, সৰ্ব জীৱতে ভগৱন্তই ৰমণ কৰিছে)

-কবীৰ

“মনৰ দুৰ্বলতাতলৈ অধিক ভয়ঙ্কৰ পাপ একো নাই।”

“সকলো দুখৰ কাৰণ যে অজ্ঞানতা, এই কথা মই দিনৰ নিচিনা স্পষ্টকৈ দেখোঁ।”

“ভয়ৰ পৰাই দুখ আহে, ভয়ৰ পৰাই মৃত্যু আহে, ভয়ৰ পৰাই সকলো প্ৰকাৰৰ বেয়া বস্তুৰ সৃষ্টি হয়।”

-স্বামী ৱিবেকানন্দ

# "শিক্ষাৰ মানদণ্ড সম্পৰ্কে এটি আলোকপাত"

শ্ৰীপদ্ম মহন্ত
উঃ মাঃ প্ৰথম বৰ্ষ

এখন সমাজ তথা দেশৰ সৰ্বতো দিশত উন্নতি সাধনৰ প্ৰধান উৎস হ'ল শিক্ষা। শিক্ষাৰ অবিহনে কোনো ক্ষেত্ৰত যে আগবাঢ়িব নোৱাৰে ই সৰ্বজন বিদিত। মানৱমনৰ বিকাশ সাধন কৰাত শিক্ষাই সকলো প্ৰকাৰে অৰিহনা যোগায়। এতেকে প্ৰকৃত শিক্ষাই হৈছে জ্ঞান। জ্ঞানৰ আন এক নাম হ'ল অমৃত। জ্ঞান কিন্তু অমৃততকৈও মধুৰ। অমৃতপান কৰিলে হেনো অমৰ হয়। জ্ঞান অমৰতকৈ অমৰ। সীমাহীন জ্ঞানৰ বিভিন্ন শাখা প্ৰ শাখাৰ মাজত মানুহে একো একোটা নিৰ্দিষ্ট লক্ষ্যলৈ জ্ঞান আহৰণ কৰিব পাৰে। অতিজৰ মহাপুৰুষ সকলে একো একোটা নিৰ্দিষ্ট লক্ষ্যত থাকি আত্মচিন্তাৰে মানুহৰ দুখবেদনা নিবামই কৰিব পাৰিছিল। এতেকে কৰণীয়া কামৰ ওপৰত বিদ্যাৰ্থীৰ একান্ত লক্ষ্য আৰু ধ্যান হোৱা দৰকাৰ।শিক্ষাৰ্থীসকলে নিজ লক্ষ্যৰে ওপৰত স্থিৰভাৱে আৰু একাগ্ৰতাৰে মনোনিবেশ কৰা একান্ত প্ৰয়োজন। অধ্যয়নৰ সাৰ্থক সমাপ্তি হয় আত্ম উপলব্ধিত। আত্মচিন্তাই আত্ম উপলব্ধিক জগাই তোলে। কিতাপৰ বিদ্যা, গুৰু মুখৰ বিদ্যা আৰু আজিকালি সমাজত প্ৰচলিত শিক্ষা বিভিন্ন আৰ্হিৰ জৰিয়তে পোৱা শিক্ষাক আত্ম উপলব্ধিৰ মাজেদি শোধন কৰি গ্ৰহন কৰিব লাগে। আজিকালি দেখাগৈছে শিক্ষাগুৰুৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধা-ভক্তিৰ অভাৱ। শ্ৰদ্ধা-ভক্তিৰ অবিহনে কেতিয়াও কোনো বিষয়তে শিক্ষালাভ বা জ্ঞান আহৰণ কৰিব নোৱাৰে। শিক্ষাগুৰুৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ শ্ৰদ্ধাভক্তিৰ ভাৱ গঢ়ি তোলিব নোৱাৰিলে শিক্ষাৰ মানদণ্ড উন্নত কৰিব পৰা নাযায়। শিক্ষাৰ মানদণ্ড উন্নত নোহোৱাৰ অন্য কিছুমান কাৰণ হৈছে এলাহ। ইয়াৰ ওপৰিও অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত মধুৰ সম্পৰ্ক যেতিয়ালৈকে গঢ়ি তুলিব নোৱাৰে

তেতিয়ালৈকে শিক্ষাৰ মানদণ্ড উন্নত হ'ব নোৱাৰে। শিক্ষাৰ মানদণ্ডত শিক্ষক সকলৰ শিক্ষাদানৰ কৌশল বা পদ্ধতিৰ বিষয়ে জ্ঞান থকাৰ প্ৰয়োজন। শৈক্ষিক পৰিৱেশৰ অবাৱ সম্পৰ্কে ক'বলৈ গলে আজিকালি কিছুমান বিদ্যালয়ত বা মহা বিদ্যালয়ত শিক্ষাৰ প্ৰকৃত পৰিৱেশৰ অভাৱ। কাৰণ চৌদিশে গাড়ী মটৰৰ বৃকিত শব্দ। দোকান বজাৰ ওচৰত থাকিলে তাৰ চিএৰ বাখৰ আৰু বিশৃঙ্খলাৰে পৰিপূৰ্ণ। অন্যহাতেদি, প্ৰাইভেট টিউচনৰ সংখ্যা দিনক দিনে এনেদৰে বৃদ্ধি পাইছে যে সি ব্যৱসায়ত পৰিণত হোৱাত শ্ৰেণীত শিক্ষাদানৰ পৰিপুৰক হৈ পৰিছে। ফলত শ্ৰেণীত শিক্ষাদানৰ প্ৰতি এনে কিছু শিক্ষকে বিশেষ মনোযোগে কোনো কোনো ক্ষেত্ৰত নিদিয়া হৈছে। নিয়মীয়াকৈ শ্ৰেণী সমূহ নবহাৰ বাবেও শিক্ষা পাঠ্যক্ৰমত বাধা পৰে। ইয়াৰ ওপৰিও ভূট গ্ৰহণৰ সময়ত কিছুমান বিদ্যালয় অধীগ্ৰহণ কৰি ৰখাৰ ফলতো শিক্ষাৰ মানদণ্ড নিম্নগামী হোৱা পৰিলক্ষিত হৈছে। বজবৰৰা নোটচৰ প্ৰভাৱতো শিক্ষাৰ পৰিৱেশ বিনষ্ট হোৱা পৰিলক্ষিত হয়, যিহেতুকে বজাৰত ভুলে শুদ্ধে ছদ্ম নামত প্ৰকাশ কৰা বিভিন্ন বজৰুৱা নোটচৰ কিতাপে ছাত্ৰ-ছাত্ৰীৰ নিজৰ মৌলিক চিন্তা -ভাৱনাক যথেষ্ট বাধা দিছে, তদুপৰি পাঠ্যপুথি খৰচিমাৰি পঢ়াৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক বিৰত ৰখাত সহায় কৰিছে। ছাত্ৰ-ছাত্ৰীৰ বৰ্দ্ধিত সংখ্যালৈ চাই সেই অনুপাতে শিক্ষকৰ অভাৱেও কিছু ক্ষেত্ৰত পাঠদানত বাধাৰ সৃষ্টি কৰিছে। ইয়াৰ ওপৰিও, পাঠ্য-পুঠি সমূহ সময়ত পাবলৈ টান, পালেও অধিক দামত কিনিবলগীয়া হয়,য'ত নে কি আৰ্থিক ভাৱে দূৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণ কৰোতে যথেষ্ট কষ্ট আৰু অসুবিধাৰ সন্মুখীন হ'ব লাগে। অন্য হাতেদি শিক্ষাস্থান সমূহৰ কাৰণে পুথিভঁৰাল অপৰিহাৰ্য্য। যদিও কিছুমান বিদ্যালয় বা মহাবিদ্যালয়ৰ পুথিভঁৰাল বিলাকত যথেষ্ট পৰিমানৰ উপযুক্ত পাঠ্যপুথিৰ অভাৱ। অন্য এটি দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে সাধাৰণতে গাঁৱতকৈ নগৰৰ বিদ্যালয়বিলাক

যথেষ্ট উন্নত আৰু শিক্ষকো যথেষ্ট। গতিকে এই বৈষম্য দূৰকৰা প্ৰয়োজন। প্ৰাথমিক বিদ্যালয়ৰ পৰা হাইস্কুল পৰ্যন্ত শিক্ষাৰ ব্যৱস্থা একে হ'ব লাগে ৰাজ্যখনৰ বিভিন্ন ঠাইত অপৰিকল্পিতভাৱে বিদ্যালয়ৰ সংখ্যা বৃদ্ধি পোৱাত সেই শিক্ষানুষ্ঠান বিলাকত শিক্ষাৰ মানদণ্ড কিছু কিছু ক্ষেত্ৰত আনত কৈ তুলনামূলক ভাৱে কম। গতিকে,এনেবিলাক বিদ্যালয় খুলিবলৈ বিভাগীয় কতৃপক্ষই অনুমতি দিব নেলাগে। বিদ্যাৰ্থি সকলক বিজুলী চাকিয়েও জ্বলা কলা খোৱাইছে। বিজুলী পোহৰৰ বিজুতি সঘনাই হৈ হোৱাৰ কাৰণে পঢ়া শুনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী যথেষ্ট অসুবিধা হৈছে।

গতিকে,এই বিলাক কাৰণটো শিক্ষাৰ মানদণ্ড অধোগামী হোৱাৰ ইও এক কাৰণ বুলি কব পাৰি। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ধৰ্ম্ম,বৰ্ণ,জাতি,সম্প্ৰদায়ৰ ওপৰত ভিত্তি নকৰি অৰ্হতাৰ ওপৰত নিৰ্ভৰ কৰিহে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ৰাজনৈতিক উদ্দেশ্য,স্বজন প্ৰীতি আদিৰ বিবেচনাৰে নিযুক্তি হব নালাগে। সদায় উপযুক্ত অৰ্হতা সম্পন্ন আৰু চৰিত্ৰবান শিক্ষককহে নিযুক্তি দিব লাগে। শেষত আৰু এটি কথা উনোকিয়াব বিচাৰিছো, উঠি অহা প্ৰজন্মক ধংস কৰিবলৈ ম'বাইল ফোন, লগতে নিচাজাতীয় দ্ৰব্য, যেনে-পান,মছলা,লগতে কোনো কোনো সময়ত সুৰাৰ ৰাগীটো মতলীয়া হোৱা দেখা যায়।

গতিকে, এই সমস্ত দুখৰ ভাগী ভিভাৱক,শিক্ষক,ছাত্ৰ-ছাত্ৰী মিলি যেতিয়ালৈকে সময়ৰ ভাৱ ৰাখিব নোৱাৰে লগতে এই দুৰাৰুগ্য ব্যাধিৰ পৰা আতৰিব নোৱাৰো শিক্ষিত হলেও ইয়াৰ মানদণ্ড অতোত ৰাখিব নোৱাৰো।

********************

" কোনো এটা জাতিৰ সংস্কৃতি আৰু বৈশিষ্ট্য জনসংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে - সেয়া আন প্ৰাণৱন্ত বস্তুৰ ওপৰতহে নিৰ্ভৰশীল। বিদেশী আৰু শত্ৰুভাৱাপন্ন লোকৰ দ্বাৰা পৰিবেষ্টিত ক্ষুদ্ৰ সংখ্যা লঘিষ্ঠ সকলেও তেওঁলোকৰ সংস্কৃতি, ভাষা আৰু ঐতিহ্য যে কেৱল বজায় ৰাখিবই পাৰে এনে নহয়, সেইবোৰৰ যথোচিত শ্ৰীবৃদ্ধিও সাধন কৰিব পাৰে।

—জৱহৰলাল নেহৰু

# "সজাগতা এইডছ প্ৰতিৰোধৰ একমাত্ৰ উপায়"

শ্ৰীমতী দীপাঞ্জলি গগৈ
স্নাতক প্ৰথম বৰ্ষ (অসমীয়া বিভাগ)

*আৰম্ভণি ঃ*

বৈচিত্ৰময় পৃথিৱীত ৰোগৰ ক্ষেত্ৰটো বিচিত্ৰতা পৰিলক্ষিত হয়। বৰ্তমানৰ উন্নত চিকিৎসাবিজ্ঞানক অধিক উন্নত কৰিবৰ বাবে চিকিৎসাবিজ্ঞানৰ প্ৰতিদ্বন্দ্বী হিচাপে থিয় দিছেহি এইচ. আই. ভি. ৰ সৃষ্টি এইডছ ৰোগে। এইডছ ৰোগৰ চিকিৎসা নাইবা সম্পূৰ্ণ প্ৰতিকাৰৰ উপায় চিকিৎসাবিজ্ঞানে বৰ্তমানলৈকে চিকিৎসাবিজ্ঞানে উদ্ভাৱন কৰিব পৰা নাই। 'জনসাধাৰণৰ ,সজাগতাই এইচ.আই.ভি/এইডছ ৰোগৰ প্ৰতিকাৰৰ বা এই ৰোগৰপৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায়'-হিচাপে লৈ প্ৰতি বছৰে ডিচেম্বৰ মাহৰ ১ তাৰিখে 'বিশ্ব এইড্ছ দিৱস' পালন কৰা হয়। ইয়াৰ উদ্দেশ্য হৈছে - জনশিক্ষাৰ জৰিয়তে এইড্ছ ৰোগৰ ভয়াবহতাৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলা।

এইচ. আই. ভি. আৰু এইড্ছঃ

এইচ. আই. ভি. ৰ সম্পূৰ্ণ নাম হ'ল 'হিউমেন-ইমিউন-ডিফিছিয়েনছি ভাইৰাছ' (Human-immunodeficiency-virus)

এইচ. আই. ভি. পোনপ্ৰথমে আফ্ৰিকাৰ সেউজীয়া বান্দৰৰ দেহত আৱিস্কৃত হৈছিল। ১৯৮৩ চনত কেইজনমান সংগীবৃন্দৰ সৈতে মণ্টাগ'নিয়েৰে প্ৰথমবাৰ মানুহৰ দেহত এইচ. আই. ভি. ৰ অৱস্থিতি প্ৰমাণ কৰে। ইয়াৰ পিছত ১৯৮৪ চনত কেইজনমান সংগীবৃন্দৰ সৈতে গেল'ই দ্বিতীয়বাৰৰ বাবে মানুহৰ দেহত এইচ. আই. ভি. ৰ অৱস্থিতি প্ৰমাণ কৰে। মানুহৰ দেহত এই ভাইৰাছবিধৰ অৱস্থিতি ELISA আৰু WESTERN BLOT নামৰ দুটা পৰীক্ষাৰদ্বাৰা নিৰ্দ্ধাৰিণ কৰা হয়।

এইচ.আই.ভি. ৰ দেহত লিপিড আৰু প্ৰ'টিনেৰে গঠিত আৱৰণ থাকে। ইহঁতৰ ৰোগ কালান্তৰ সময় ১৫ ৰপৰা ৫৭ মাহ।

এইচ. আই. ভি. য়ে মানুহৰ দেহত থকা, বীজাণুৰ আক্ৰমণৰপৰা দেহক সুৰক্ষা প্ৰদান কৰা টি লিম্ফ'ছাইট নামৰ কোষবিধ আক্ৰমণ কৰি দেহৰ অসংক্ৰাম্যতা তন্ত্ৰ অচল কৰি দিয়ে। ইয়াৰ ফলত, আক্ৰান্তজনৰ দেহত বিভিন্ন ৰোগৰ লক্ষণে দেখা দিয়ে। ইয়াকে এইড্ছ বোলা হয়। এইড্ছৰ সম্পূৰ্ণ নাম হ'ল-'একুৱাৰ্ড–ইমিঅ'ন'-ডেফিছিয়েনছি-ছিনড্ৰ'ম' (Aquired-immuno-deficiency-syndrome) চমুকৈ এইড্ছ ৰোগ বোলা হয়। এইড্ছ এবিধ যৌন ৰোগ।

*এইড্ছ ৰোগৰ লক্ষণ ঃ*

এইড্ছ ৰোগে দেহত স্থিতি লোৱাৰ পিছত ৰোগীৰ দেহত কিছুমান এইড্ছ ৰোগৰ লক্ষণে দেখা দিয়ে। এই লক্ষণবোৰৰ সহায়ত পৰীক্ষাৰদ্বাৰা এইড্ছ ৰোগী চিনাক্ত কৰা হয়। লক্ষণবোৰ হ'ল–

এইড্ছ ৰোগত আক্ৰান্ত ব্যক্তিয়ে দেহৰ সাধাৰণ দুৰ্বলতা অনুভৱ কৰে।

এইচ.আই.ভি. আক্ৰান্ত ৰোগীৰ দেহৰ ৰোগ প্ৰতিৰোধী তন্ত্ৰ সম্পূৰ্ণৰূপে ধ্বংস হোৱা বাবে এনে অৱস্থাত বেক্টেৰিয়া, ভেঁকুৰ আদি যিকোনো ৰোগ বা ৰোগৰ লক্ষণে দেখা দিয়ে।





ইয়াৰ উপৰিও এইচ. আই. ভি. ৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ বিভিন্ন ছালৰ ৰোগ, হাঁওফাওঁৰ ৰোগ, যক্ষ্মা, মুখ আৰু ডিঙিৰ ৰোগ আদি হোৱা দেখা যায়।

এইচ. আই. ভি. এ স্নায়ুতন্ত্ৰত আক্ৰমণ কৰাৰ ফলত আক্ৰান্ত ব্যক্তিৰ চিন্তাশক্তি বা স্মৃতিশক্তি লোপ পায়।

এইড্ছ ৰোগীৰ দেহত প্ৰধানকৈ এনেবোৰ লক্ষণ দেখা পোৱা যায়।

*এইড্ছ ৰোগৰ কাৰণ ঃ*

এইড্ছ এবিধ যৌন ৰোগ। ব্যক্তিৰ দেহত এইড্ছ ৰোগ হোৱা কিছুমান কাৰণ আছে –

কোনো ব্যক্তিৰ অত্যাধিক আৰু অসংযত যৌন সংস্পৰ্শৰ ফলত প্ৰধানকৈ এইড্ছ ৰোগে সেই ব্যক্তিৰ দেহত থিতাপি লয়। কিয়নো, এই ৰোগৰ বীজাণু আক্ৰান্ত ব্যক্তিৰ শুক্ৰাণুবস, যোনিৰস আৰু স্তনৰ গাখীৰত পোৱা গৈছে। ইয়াৰ উপৰিও যৌন সংস্পৰ্শৰদ্বাৰাই এইচ. আই.ভি./এইড্ছ ৰোগে এজন ৰোগীৰ দেহৰপৰা আন এজন সুস্থ ব্যক্তিলৈ বিয়পি বিস্তাৰ লাভ কৰে।

বিভিন্ন ধৰণেৰে সংক্ৰমিত হৈও এজন সুস্থ ব্যক্তি এইড্ছ ৰোগীত পৰিণত হ'ব পাৰে। তেজৰ সঞ্চাৰণ, চিকিৎসকৰ ব্যৱহাৰিক সামগ্ৰীসমূহৰ বিশুদ্ধিকৰণ, নাপিতে সকলো ব্যক্তিৰ ক্ষেত্ৰত ব্যৱহাৰত কৰি থকা ক্ষুৰ আদি পৰীক্ষামূলক আৰু বিশুদ্ধ নহ'লে এইবোৰৰ জৰিয়তেও এইচ. আই. ভি. এজন আক্ৰান্ত ব্যক্তিৰ পৰা আন এজন সুস্থ ব্যক্তিলৈ বিয়পে।

ইয়াৰ উপৰিও কৃত্ৰিম অংগ প্ৰতিস্থাপনৰ সময়তো এইচ. আই. ভি. সংক্ৰমিত হৈ এইড্ছ ৰোগীৰ জন্ম দিয়াৰ সম্ভাৱনা থাকে।

প্ৰধানকৈ অসাৱধান আৰু সংযমহীনতাৰ বাবেই এইচ. আই. ভি/এইড্ছ ৰোগে সৃষ্টি আৰু বিস্তাৰ লাভ কৰিছে বুলি ক'ব পৰা যায়।

*ফলাফল ও গুৰুত্ব ঃ*

এইচ. আই. ভি/এইড্ছ ৰোগৰ সৃষ্টি আৰু ইয়াৰ বিস্তাৰ লাভ কৰা মাধ্যমবোৰৰ ফলত চিকিৎসকসকল সমস্যাৰ সন্মুখীন হৈছে। জৰুৰী অৱস্থাতো তেওঁলোকে কোনো লোকক ৰক্তদান কৰিবলৈ পৰীক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে। ফলত কিছুমান সময়ত চিকিৎসকসকলে সময়মতে ৰক্তদান কৰিবপৰা নাই।

ইয়াৰ উপৰিও চিকিৎসকৰ সামগ্ৰীবোৰ (চিকিৎসাৰ) বাবে বাবে পৰীক্ষামূলকভাৱে পৰিস্কাৰ আৰু প্ৰয়োজনসাপেক্ষে সংশোধন কৰি থাকিবলগীয়া হৈছে। এনেদৰে সামগ্ৰীসমূহৰ পৰীক্ষামূলক পৰিস্কাৰ কৰা ফলত বহু সময়ৰ প্ৰয়োজন হৈ পৰিছে। ইয়াৰ ফলত সময়ৰ অপব্যৱহাৰ হ'ব ধৰিছে।

বৰ্তমানলৈকে যিহেতু এইড্ছ ৰোগৰ প্ৰতিকাৰৰ কোনো উপায় চিকিৎসাবিজ্ঞানে উদ্ভাৱন কৰিব পৰা নাই; গতিকে এই ৰোগে যাতে আন সুস্থ, ব্যক্তিৰ দেহত স্থিতি লাভ কৰিব নোৱাৰে এই ক্ষেত্ৰত জনসাধাৰণৰ লগতে চিকিৎসকসকলো সতৰ্ক হ'ব লগীয়া হৈছে।

ক'লেৰা আদি মহামাৰীৰ দৰে এইড্ছ ৰোগে পোনে পোনেই জনসাধাৰণৰ মন আতংকিত কৰা নাই যদিও বহুক্ষেত্ৰত ই বাধাৰ সৃষ্টি কৰিছে। যাৰ ফলত কিছুমান কামৰ আমি পৰীক্ষামূলক ব্যৱস্থা ল'বলগীয়া হৈছে। ইয়াৰ পৰিণতিত আভ্যন্তৰীণ ক্ষেত্ৰত সমাজখন অসুস্থ হৈ পৰিছে।

শান্তিৰে জীৱন ধাৰণ কৰিবলৈ হ'লে আমাক এখন সুস্থ সবল সমাজৰ প্ৰয়োজন। য'ত কোনো এনেধৰণৰ ৰোগ নাথাকিব যিটোৰ প্ৰতিকাৰৰ উপায় নহ'ব। গতিকে আমি এইড্ছক হাঁহি ধেমালী বুলি উৰুৱাই দিব নোৱাৰোঁ। কিয়নো; ই যিদৰে বিস্তাৰ আৰু সৃষ্টি লাভ কৰে, চিকিৎসকৰ লগতে সৰ্বসাধাৰণ লোক সাৱধান নহ'লে সমগ্ৰ পৃথিৱীজুৰি সকলো মানুহৰ দেহতে এইড্ছ ৰোগে স্থিতি লাভ কৰিব।

গতিকে, আমি যৌন ৰোগ হিচাপে এইড্ছ ৰোগীক অসন্মান নকৰি গুৰুত্ব সহকাৰে এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সহযোগ কৰা উচিত। জনসাধাৰণৰ সহযোগে এইড্ছ ৰোগ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাত সহায় কৰিব পাৰে অন্যথা এই ৰোগত আক্ৰান্ত

হৈ মৃত্যু মুখত পৰাৰ বাহিৰে আন গত্যন্তৰ নাই। গতিকে এখন সুস্থ সবল সমাজ গঠনৰ আশাতেই আৰু নতুন প্ৰজন্মৰ সন্মুখত নিজৰ সুস্থতাৰ লগতে সমাজৰ সুস্থতাৰ পৰিচয় দিয়াৰ আশাতেই এইচ. আই. ভি./এইড্‌ছ ৰোগ আৰু ৰোগীক গুৰুত্ব সহকাৰে গ্ৰহণ কৰি ইয়াৰ প্ৰতিৰোধ কৰা উচিত।

এইচ. আই. ভি./এইড্‌ছ ৰোগ নিবাৰণৰ উপায় ঃ

বৰ্তমানলৈকে এইচ.আই.ভি. প্ৰতিষেধক ছিটা বা ইয়াৰ প্ৰতিকাৰৰ আন কোনো ঔষধি ব্যৱস্থা চিকিৎসাবিজ্ঞানে উদ্ভাৱন কৰিবপৰা নাই। তথাপি এইচ. আই. ভি. ধ্বংস কৰিবলৈ নতুবা ইয়াৰ বিভাজন ৰোধ কৰিবলৈ ATZ আৰু TIAS ঔষধ ব্যৱহাৰ কৰা হয়; কিন্তু ইয়াৰ ফলত এইচ.আই.ভি. সম্পূৰ্ণৰূপে ধ্বংস নহয়।

গতিকে জনসাধাৰণে এইচ.আই.ভি. এ দেহত স্থিতি লোৱাৰ আগেয়ে সাৱধান হৈ ইয়াৰ প্ৰতিৰোধ কৰা উচিত। এইড্‌ছ ৰোগৰপৰা দূৰত থাকি এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ 'বিশ্ব স্বাস্থ্য পৰিষদে' কিছুমান সতৰ্কতা মূলক ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। এই ব্যৱস্থাসমূহ হ'ল --

এইড্‌ছ ৰোগৰ প্ৰকৃত কাৰণ হৈছে অসংযত আৰু একাধিক ব্যক্তিৰ সৈতে যৌন সম্পৰ্ক স্থাপন। গতিকে, এই অসংযত যৌন সংস্পৰ্শ নিবাপদ আৰু সংযত হ'ব লাগে। একাধিক ব্যক্তিৰ সৈতে এই সংস্পৰ্শ স্থাপনৰপৰা বিৰত থাকিব লাগে।

পৰিস্কাৰ নকৰাকৈ কোনো এটা বেজি একাধিক ব্যক্তিয়ে ব্যৱহাৰ কৰাৰপৰা বিৰত থাকিব লাগে।

কোনো ব্যক্তিৰ তেজ আন এজন ব্যক্তিৰ দেহলৈ সঞ্চাৰণ কৰিবলৈ সম্পূৰ্ণ পৰীক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত। কিয়নো; তেজৰদ্বাৰা সংক্ৰমণৰ জৰিয়তে এজন সুস্থ ব্যক্তি এইড্‌ছ ৰোগীত পৰিণত হ'ব পাৰে।

এইচ. আই. ভি./এইড্‌ছ ৰোগত আক্ৰান্ত ৰোগীয়ে চিকিৎসকৰ পৰামৰ্শমতে ব্যৱস্থা লোৱা উচিত।

এইবোৰৰ উপৰিও জনশিক্ষাৰ জৰিয়তে এইড্‌ছ ৰোগৰ ভয়াবহতাৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলা উচিত।

উক্ত ব্যৱস্থাসমূহ গ্ৰহণৰদ্বাৰা এইড্‌ছ ৰোগ প্ৰতিৰোধ কৰিব পৰা যায়। ইয়াৰপৰা বুজা যায় যে এইড্‌ছ ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সতৰ্কতামূলক ব্যৱস্থাৰ সৈতে জনসাধাৰণেই একমাত্ৰ উপায় আৰু ঔষধ।

*সামৰণি ঃ*

যিকোনো ৰোগেই মানুহৰ মনত কম বেছি পৰিমানে ভয়ৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত এইচ.আই.ভি./এইড্‌ছ ৰোগ ব্যতিক্ৰম নহয়। এই ৰোগৰ চিকিৎসাৰ কোনো ঔষধ নোহোৱা বাবে ইয়াৰ বীজাণুৱে যাতে ব্যক্তিৰ দেহত স্থিতি লাভ কৰিব নোৱাৰে তাৰ কাৰণে আগতীয়াকৈ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত। মৃত্যুৰ বাহিৰে এই ৰোগত আক্ৰান্ত ৰোগীৰ আন গত্যন্তৰ নাই। যদিও মৃত্যু চিৰসত্য তথাপি এনে ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিবলৈ কোনোজনে নিবিচাৰে। গতিকে সকলোৱে মন সংযমশীল আৰু সুবিবেচক কৰি গঢ়ি জীৱনপথত আগবাঢ়ি গ'লে নিশ্চয় এনে ৰোগত আক্ৰান্ত হ'ব নালাগে। ইয়াৰ বাবে শিক্ষাদান, বিভিন্ন প্ৰচাৰ মাধ্যম আদিৰ দ্বাৰা জনসাধাৰণক এইড্‌ছ ৰোগৰ ভয়াবহতা সম্পৰ্কে শিক্ষাদান কৰি জনসাধাৰণক সহায় সহযোগিতাৰে এই ৰোগ প্ৰতিৰোধ কৰাৰ চেষ্টা কৰিব লাগে। ইয়াৰ ফলত এইড্‌ছ ৰোগৰপৰা মানৱসমাজে পৰিত্ৰাণ লাভ কৰিব।

গতিকে,

"আহক ৰাইজ;
আমি হাতে-হাত ধৰি আগুৱাওঁ,
এইচ.আই.ভি./এইড্‌ছ আঁতৰাই
সমাজৰপৰা,
এচমকা আন্ধাৰ আতৰাওঁ ।।"

---

বিঃ দ্ৰঃ উক্ত ৰচনাখন ডিব্ৰু মহাবিদ্যালয়ৰ N.S.S.ৰ উদ্যোগত আয়োজিত এইড্‌ছ সজাগতা উপলক্ষে অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত।





# Gender Economics

DR. Kamalendu Saikia
H.O.D. Economics

## Introduction

Gender Economis is an academic discipline is a science concerned about women's equality with man and the development of women. It provides an analytical tool, a worldview to understand the status of women and an alternative viewpoint to existing knowledge construction. It is inter-disciplinary in perspective. It is a partisan discipline,i.e. it is pro-women;at the same time, not anti-men. It emphasizes the need for providing a material basis for women's independence and autonomy,Improtant objectives of women's studies are as follows:

- To facilitate the process of understanding, recognizing and giving due Importance to the contributions made by women and men.
- To examine the reasons for subordination of women and for male domination.
- To empower women to attain gender justice and an effective role in all decicion-making processes.
- To evelove development alternatives with women.
- To ensure visibility of women as change agents for the enhancement of the status of women.
- To identify and understand roots of inequality that result in invisibility, marginalisation and exclusion of women from the intellectual world.
- To support social action aimed at equality, development, peace, education, health and employment of women.

## Concepts in Gender Economics

### "Sex" Versus "Gender"

Sex is Biological term and gender refers to the sex of the individual after socialization.Sex refers to biological difference between men and women. Gender is a social construct that defines social relationship between men and women. Women belong to the feminine gender because during the process of growing up, certain culturally constructed frminine traits are inculcated into them, right from the birth.

### Oppression and Exploitation

Any form of dehumanisation and degradation, violence and injustice, terrorization and humiliation, intimidation and threat, subordination and discrimination is considered as "OPPRESSION", while "Exploitation" has an economic connotation. In a Marxian sense. it is an extraction of "surplus labour" (that generates

profit) over and above necessary labour that an individual does for his/her subsistence.

**Socialisation :**

Socialisation is defined as the process through which the self acquires the rules, social recipes, conceptions of appropriate conduct and knowledge that allows them to act in their socio-cultural-political world. It is a mechanism of cultural transmission.Gender socialization means the process by which the individual is taught to internalize socially determined values of appropriate masculine traits and feminine traits.

**Social Construction :**

It is the process by which men and women are moulded into the culture of the group and thereby become accepted members of the group/community/society and measure up to their expectations.

**Deconstruction and Reconstruction :**

They are the analytical tools to examine individuals unfolding capacity to complex forms of behaviour and direct those capacities to know ethos/values to create new personalities. In gender economics these analytical tools are used to bring a change from "gender biased' or 'gender neutral' attitude to 'gender aware' and 'gender sensitive' attitude.

**Patriarchy :**

Partriarchy is an institution that perpetuates male domination and female subordination. It sustains power relations that discriminate against girl and women in the houscholds and in the economy. It attributes 'private' realm to women and 'public' domain to men. Pillars of patriarchy are family, kinship network, state, religion and media - PANCH MAHABHOOTA. In a patriarchal society, the line of inheritance passes from father to son known as Patrilineage. The patriarchal order is Patrilocal i.e. after marriage, the bride is expected to go the groom's residence.

**Matriarchy :**

Matriarchal institutions are mother centered. In this system, the line of inheritance is from mother to daughter, known as Matrilineage.After marriage, groom goes to brides house termed as Matrilocal.

**Trends in Feminism :**

Liberal Feminists:- Those who focus on the constitutional guarantees of equal treatment of men and women are known as liberal feminists.

Marxist Feminsts:- Those who locate women's subordination in a class contradictions are known to be Marxist feminists.

Radical Feminists consider 'patriarchy' as main culprit for women's woes.

Socialist Feminists believe that women's predicaments are determined by the complex interplay of class, caste,race, religion, ethnielity with patriarchy.Hence the need for deconstructing patriarchy in a different socio-cultural, geo-political and historical contexts.

Psycho Analytical Feminists focus on individual journeys of women to arrive at





mental make up and internalization of values by the people concerned.

Post Modern Feminists contest hegemony of meta theories and dominanat discourses and bring to the fore the voice of the subjugdated, oppressed and mariginalized. They emphasise decentreing from the mainstream.

Eco-Feminists believe that women's role in the subsistence economy is crucial for the survival of the humankind. Women have symbiotic relationship with mother-nature. Male dominated development models are violent towards mother earth and women.

Black Feminists-Race is the central reality for the black feminists though they also challenge the patriarchal/male domination.

Womanist-Womanism is a contribution of Afro American feminists who believe that in spite of barbaric experiences of slavery, subjugation and horror the black culture/ celebrations have surveves due to women's resilience. There is a need to promote this celebrations/cultural legacies throust heritage of oral histories, legend, grandmothers' stories.

Gender Based Division of labour has existed in all societies for thousands of years. In India, it is based on the ideology of male dominance, caste and social norms of purity and pollution. It is also based upon the notion that women are physically weaker than men and are not suited for physically arduous taske.

Women's biological task of monthly menstruation and pregnancy, confined them to subsistence eoconomy such as lowly paid agricultural work, handicrafts and also household work.

**Gender and the Process of Economic Develpment.**

The incorporation of subsistence economies into 'modern' market economies has brought into question the traditional gender-based division of labour as an organizing principle in the rural and urban sector because of the basic injustice it perpetuates Women end up doing the least skilled work and are underpaid or are expected to contribute to survival needs of the family without any corresponding benefits.Esther Boserup in her pioneering work brought to fore African women's crucial contribution towords food security and explained the political economy of polygamy in Africa that allowed men to concentent and centralize economic resources through unpaid and back. Braking labour of women and children in the subsistence economy tha did not have much animal resources for cultivation of land.

Economic Basis and Functioning of Patriarchy and Matrilineal societies,structures and systems

Patriachy thrives on control of women's sexuality, fertility and labour for male hegemony over economic resources. Analytical tools provided by Gender Economics (GE) are extrernely useful to deal with the socio-economic and legal issues concerning marrige.Divorce,custody of children, guardainship rights, alimony, maintenance, property right of mother, sister, daughter, legally wedded

wives and her child/children.Co-wives and their children and the issues coneerning adoption.GE has a special significance in the subsistence economy, which uses the kinship networks, institutions of polygamy and polyandry for concenration and centralisation of wealth and capital by either the patriarchs or the matriarchs. Domestic animals, women and children are the main assets in the subsistence sector where collection of fuel,fodder water are important,components of daily life over and above agrarian chores, live-stock rearing and kitchen gardening.

GE has drawn heavily from all mainstream disciplines and innumerable social movements of the last three decades. GE provides insights to examine budgets of Government Organisations (GOs) and Non-Government Organisation (NGOs) from the point of view of gender justice. Priority areas being women' education,health and nutrition, skill development,accounts, financial and commercial viability, legal standing, asset and corpus building.GE contextualises day to day survival struggles of women in the family, in the households, in the community and in the micro, meso and macro economy with the perspective of power relations which control women and girl children's sexuality. fertility and labour.

To explain this concept, I would like to give some example from popular culture:

Control of women's sexuality

A) Dress code which, restricts mobility of women and girls, does not allow her to do those chores which, require flexible body movements, reduces her efficiency and employability in non-conventional occupations.

B) "tool" as a phallic symbol, not being allowed to be used by menstruating women as it is supposed to have contaminating influence. Hostility towards women who ride bicycles, drive cars and scooters, operate machines and use ploughs for farming,wheels for pottery, saw for carpentry.

C) Women being treated as repository of custom and tradition and cultural practices.dedicated as devdasis, jogitis and forced to undergo series of masochistic fasting,scarification and self infliction of pain which make them unemployable and perpetually dependant on the patriarchs.THey enjoy only subversive power of a comfort women that too is mediated by men, as they don't have any legal rights,In the commercial context, the same happens to women beneficiary of Maitri-karar(friendship contract) and Seva karar(Service contract)

D) Need for male escorts, bodyguards for dainty, sickly and weak women who see their, identity as anorexie,women.Billion-dollar beauty business thrives by controlling young woman so that they are incapable of using their body for manual chores. Here women's insecurity about their looks is used by the cosmetic industry.

E) Women eating last,the least and the left over.Nourishing and balanced diet as a male prerogative.Daughters and brides kept on starvation diet. Food secures middle-aged women as honorary men.

Inference of A.B.C.D. and E. Declining sex ratio-As per 2001 census (933 women per 1000 men), hgh mortality and morbidty rates.

Control of women's fertility.

A) Women being treated as male-child producing mechine.Customary practices of female infanticide and neglect and abandonment of girl child.scientific teehniques of sex determination tests used for female foeticide,pre-conception elimination of female embryo with the help of sex-preselection techniques.

B) Population policies targeting women for unsafe contraceptives and harmful hormone based contraceptive researehes, which violate bodily integrity and dignity of married and unmarried girls and women.

C) Laws on prostitution penalising and prosecuting women victims of sexploitation running a parallel economy of as much as 200 billion rupees.

D) Social boycott of unwed mothers, Illegitimate children being stigmatised by society and deprived of economic, social and educational opportunities. They are further marginalised in the economy, which is undergoing massive structural adjustments and instatility.Facilities like identity card, ration card and other legal documents which are a must for citizenship rights are not provided to them.

Inference of A,B,C, and D can be named as brothel model at economic development which thrives on unpaid and invisiblised labour of women, It perpetuates the vecious circle of child marrige,child prostitution and child labour (CP, CM, and CL). Super exploitation of female headed household and domestic workers get sanctity in this model. Women have to shoulder this added burden along with the burden of the vicious circle of poverty, over-population and unemployment.

3. Control of women's labour :

A) Use of women in the economy for the occupations which are extensions of housework, i.e. 3 Cs (cooking, cleaning and caring), only 6% of women are in the organised sector which guarantees protection of labour legislation and ERA (Equal Remuneration Act). 94% of women are in the informal sector which does not guarantee job-security. regular income and personal safety.

B) Demonisation of highly qualified, efficiency plus and career women. Witch hunting of intellectually independent and verbally articulate women workers, employees, technicians and decision-makers.

C) Sexual harassment as an occupational hazard to crush the confidence of women and keep them in the state of perpetual terrorisation, humiliation and intimidation.

Inference of A, B and C can be limited opportunities for women and ghettoisation of women in non-challenging, routinised and low-status jobs known as "women

prone industries in the official dicourse. Most of the economic activities done by majority of women are non-marketed and non-monetised and reward for labour does not reflect the value of their labour. In such a situation to gauge economic worth of their work Time Use studies are the most effective tools to identify their opportunity costs.

**Market, Mobility and Women**

Globalisation induced mobility of women has posed new problems for women in the labour market.Hence, efforts at empowerment of women by 550 feminist economists who are functioning in 31 countries under the banner of International Association of Feminist Economics to provide DAWN (Development Alternatives with Women) gain tremendous importance in the contemporary context.According to them, the most pressing issue are as follows:

a) Economic profile of special needs population-Female headed househeld (Divoreced deserted, widowed, separated women) home based workers, women work in the family enterprise, self employed women, and women entrepreneurs.

b) Analysis of nature of occupational diversification among women, industrial classification implications of office automation, computerisation, flexi-time, job-sharing and part time work.

c) Effects of structural adjustment on Market segmentation - segmented factor market affects self employed women directly when they want to buy raw material and other services. Segmented labour-market has direct bearing on the daily grind of women workers in the informal sector. Segmented product market makes unorganised women workers and women's collectives without networking insecure and vulnerable as sellers.

d) Economic basis of customary laws and the family laws: When the customary laws get codified.we must be vigilant about the fact that women's interests are not sacrified. Women's land rights and property rights need special mention at the time of codification of personal laws. Except for Andhra Pradesh and the North Eastern states, women have lost their customary land rights due to Land Reform Act.

e) In mega development projects, which displace the native population, care must be taken to see to it that women get equal share in monetary compensation, land-rights and right to shelter. The same applies to the social and natural disaster mangement programmes.

f) Political Economy of GET RICH QUICK formula in the name of dowry, sati (widow burning), Bhootali (witch hunting) for land grab, house-grab or to deprive women of their legitimate property right should be examined with a consideration for avoiding violence against women.

g) Women's Empowerment by Men Decision Makers-In a situation where women's agency is virtually non-existent, the benevolent patriarch wedded to the cause of Women's empoerment become project coordinators. Guidelines for Utilisation of Constituency Development Funds of Menbers of Parliament and members of Legislative Assembly and Area Development Fund of corporators for women's education, employment, training capacity building are drawn by Gender economists.

Gender Bias in Theories of Value, Distribution and Population has been a major bone of contention.Neoclassical analysis based on law of marginal utility in consumer analysis, marginal cost in the product pricing and marginal productivity have come under severe scrutiny. In the area of home economics, Nobel laureate Gary Backer's model of "competing interests" in distribution of resources in the households and higher opprtunity cost of men as "bread earner" andwomen as home maker is criticired by women's students scholass as sexist and status quo-ist. Amartya Sen and Martha Nassbaum have put forward a concept of cooperative conflict in the theory of distribution. Feminist Reading of Economic Laws : Marginal Productivity Thery and Laws of Maximisation form basis tenets of Gender Economics. The feminists economists also believe in engendering micro and macro economics.

বিশ্ব প্ৰকৃতিৰ নিয়মৰ কোনো হেৰফেৰ নহয়। দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পাছত দিন হ'বই। ৰাতি যিমানেই আন্ধাৰ নহওক কিয় ই প্ৰভাতৰ আগমনক কেতিয়াও বাধা দিব নোৱাৰে। সেইদৰে সুখ দুখৰ সংমিশ্ৰণেই হ'ল জীৱন। দুখৰ পাছত এদিন সুখ আহিবই আৰু দুখৰ মাজত সুখৰ অস্তিত্ব অনুভৱ কৰিব পৰাজনে কেতিয়াও দুখৰ দিনত হতাশ হৈ নপৰে। কাৰণ তেওঁ জানে দুখৰ দিন কেতিয়াও সদায় নাথাকে আৰু সুখ দুখ অনুভৱৰ হে বস্তু, ইয়াক ধন সোণেৰে জুখিব নোৱাৰি। তেনে ধনৰ কি অৰ্থ আছে যদিহে ই ৰাতিৰ নিদ্ৰা চকুৰ পৰা কাঢ়ি লৈ যায়।

# A BRIEF STUDY OF WOMAN ENTREPRENEURSHIP

MISS JOLLY CHUTIA
LECTURER
DEPARTMENT SOCIOLOGY

Studies on woman entrepreneurship of industrially less developed areas are very limited because of lack of woman entrepreneurs in such areas. An entrepreneur is a person who has an entreprising quality with an eye on opportunities and an uncanny usion. Commercial acumen and above all a person who is willing to take risks because of the adveuturous spirit withing. Same holds good for women also. The government of India has defined woman entrepreneurs based on women participation in equity and employment of a business enterprice. Accordingly a women entrepreneur is defines as " an enterprise owned and controlled by a women having a minimum financial interest.

Majority of the women entrepreneurs were house wives, prior to starting their enterprises. Therefore it is concluding that house wives may be potential source of entreprenership. Entrepreneurial mind set in woman due to socio-economic compulsions, has gone into a state of hibernation is induced and activated it can bring about balances and stable growth women have learnt to be patient due to sustained subbordination to men.

Development is a bilaterd phenomenon of giving opportunity and taking opportunity. In case of development of women entreprenerurship the just condition of giving opportunity and taking opporfunity. In case of development of women entrepreneurship the first condition of giving opportunity is at a stage of near fulfillment and the other condition of taking opportunity by the women to be entre preneur is at a stage of take off. Society at large has not only accepted the rate of women an entrepreneur but it has created an atmosphere conduceiue for development and emergence of women entrepreneurship.

The government of India has been assigning increasing importance to the development of women entrepreneurs in the country in recent years. The sixth foure year plan for example proposed for promoting female employment in women owned industries. The government moved a step for word in the sixth foure year plan by including of integration of women in development. As integration of women in development is to treat women as specific target groups in all development programmes, to provide assistance for marketing their products and to involve women in decision making process.

The problem faced by women entre preveurs in the country emanate from a multitude of sources and are manifold. Entrepreneurship is not a " bed of roses" to the woman. Their task has became more tedious and full of challenges since they have to encounter public prejudices criticism. Women face certain problems not as an entre preneur but as a woman. Therefor, when compared to men the problem of women entrepreneurs are more in number. They are socio-personal problems, mouagerial problems, production problems, managerial problems, financial problems and problems of government Assistance.

Socio-personal problems are most of the women are facing the problems of wrong attitude of the society against them. In a male dominated society, women are encountered with many socio personal problems like lack of family and community support, male dominated society, lack of education in for mation, economic backwardness and low risk bearing capacity. Secondly managerial problems are in the form of lack of knowledge of general management and experience, lack of skilled labour absenteensim and labour turnover, lack of clear cut objectives and transportation problem as women. Thirdly production problem are inadequate availability of land plots and premises problem of getting required inpeets, inadequte technical support of production indentification and machinery utilisation, lack of upgrading of technology, Reseanch and development and quality control, and poor inventory management.Fourthly marketing problems means lack of knwledge of how to market the product and whom to contact, heavy competition with big enterprises,, Exploitation by middleman and difficulties in collection of dues, in adequate sales promotion avenues and lack of export marketing support. Fifthy financial problem are the problem of getting loan and subsidy, insistence or collateral and margin money requriement, time taken to process loan, tightly repayment schedule, poor financial management and maintenance of accounts And sixth problems of government assistance.Red tapism of various levels,advisory organisations become exploitive and to dishonest, complicated and time consuming proceduress for getting the assistance and government policies are not favourable.

So to widen and strengthen the base of women entreprenership there are some special entre preveurship development programmes for women with a view to encourage women to enter industry.

1. Training programmes should develop self-confidence, self-esteem, assertiv-eness, courage and risk for women entrepreneurs.
2. Training programme should be designed in such a manner that women entrepreneurs can benefit out of their strevgth and over come their weaknesses.
3. The training programmes should provide special assistance for selection of produce/service so that wome

entrepreneurs can be in a position to perceive and respond to various profitable opportunities.

4. There is an urgent need to educate women for taking up entrepreneurship and for stressing benefits of entrepreneurs ship. This awareness can be achieved through conferences, seminers, training programmes, refreshers courses, awarness camps and other related activities.
5. When women work outside their home, they face problems of child care governmental organization should make efforts to provide facilities in the form of child care facilities. These facilities should adjust timings, locations as per the convenience of women entrepreneurs.
6. Success stories of women entre prereurs from varied backgrounds should be popularized through text books of schools and colleges. All possible media should be used to profit these role models.
7. For economic security of women, it is necessary to develop cooperative credit secieties where small amounts of money can be saved and used for giving better financial resources to women. This process would develop intended support among its members.
8. Illiterate women generally work is household enterprises, They find it difficult to interact with the outside environment because of lack of courage and fear of failure. So such women should be trained in modern techniques and latest trends in activities like sewing, dairy, bakery, spining, weaving, leather products etc. So that productive uttlization of their time and capacities can take place.

To eusure that these benefits will reach the common women to eusure an attitudinal change in regard to the role of women as an entrepreneur will certainly

lead to the development of a conducive environment in which women entrepreneurship will flourish like anything. Business entreprenership provides economic independence and social status of women. Ultimately it leads to future economic prosperity of the nation. The growth of industrialization, education about significant changes in the tradition bound Indian society. It is a fact that man alone cannot break the will of proverty, unemployment and inequality. Active and equal participation of women is indispenable is fighting against this social evils.

**উপদেশ নহয়, আৰ্হিহে প্ৰয়োজনীয়**

মানুহে আনক উপদেশ দি ভাল পায় কিন্তু আনৰ উপদেশ পালন কৰিবলৈ ইচ্ছা নকৰে। আমি এনেকি সৰু সৰু শিশুকো উপদেশ দি পৰিচালনা কৰিব বিচাৰোঁ। কিন্তু আমি বুজিবলৈ চেষ্টা নকৰোঁ যে শিশুমনে উপদেশ নহয়, আৰ্হিহে বিচাৰে। কাৰণ শিশুৱে উপদেশৰ তত্ব বুজি নাপায়। পিতৃ-মাতৃয়ে যি কৰে তেওঁলোকে তাকেই কৰিব বিচাৰে আৰু কৰি ভাল পায়। গতিকে শিশুৰ বাবে





# NATIONAL INTEGRATION : HISTORICAL ASPECTS

**Mrs. Mitali Baruah**
Head, Department of History
Dibru College
Dibrugarh

The history of National Integration of India is of recent origin. There were only diversed groups of people, big or small, based on language, religion, race or caste in the geographical region now known as India. Of course, during the rule of a few kings like Chandragupa Maurya, Ashoka, Samudragupta, Harsavardhana or Aurangzeb, a vast area of modern India was under their sway, but the spirit of nationalism among the people living in these kingdoms did not grow. Their empires were identified with the rules and with their death, the empire collapsed. When the British arrived and gradually established and expanded their empire to cover the present India-Pakistan sub- continent even then the spirit of nationalism did not emerge. The reason was the political division of the country into British India and the princely states numbering over six hundred, big or small. It was only when the fight for freedom from the British rule began and gained momentum, the idea of nationalism among the people began to emerge. The common fight to drive the British out led by Indian National Congress under a galaxy of leaders like Bal Gangadhar Tilak, Mahatma Gandhi, Jawaharlal Nehru. Subhash Chandra Bose to name a few may therefore be rightly called the binding force to make the vast people to think in terms of one Indian Nation despite their diverse languages, castes, religions and races.

But while the struggle for independence from the British rule was the binding force, a mental attitude encompassing all who came to India in the past, first as conquerors and then as settlers was to be found prevailing in India since the distant past. This outlook of catholicity and tolerance led to the merger and mixing up of the different bands of people from the Sakas, the Hunas, the Greeks to the Mughals to make India a grate nation in the years followed. This outlook was based on the Hindu outlook of catholicity and tolerance towards all. The saints and sages of ancient India taught to respect others' faiths, respect the rivers as holy, love the matherland more than the heaven. These techings gave birth to a bond of togetherness and fellow-feelings among the people living in far off places from Gujrat to Assam and from Kanyakumari to Kashmir.

But as mentioned above, despite all these factors, integration of the whole lcountry into one nation was not realised until the arrival in India of the British who in their own imperialistic interest turned a spiritually united India into a single political unit. On the other hand, with the spread of western education many Indian scholars gave new interpretation to Hindu religion and spearheaded a reformation movement against untouchability,

casteism and such other social evils. Many Indians competed for important jobns under the British rule and proved that they were not behind the Englishmen. Many Indians such as Rabindranath Tagore and C. V. Raman, got international recognition for their achievements. This gave birth to a new sense of pride among the people. The improvement of menas of transport and communication contributed to the spread of this national pride. This new sense of pride soon overcame the barriers of religion, caste and such other social barriers. The Indian National Congress under Mahatma Gandhi and others, transformed this new-found pride into a nationalistic spirit throughout the length and breadth of the country, never to be found in the past. National integration thus reached its zenith and the mighty British power cracked before this might of Indian nationalism. Of course, because of British policy of divide and rule, a section of the people under the guidance of Muslim League were successful in dividing the country on the basis of two-nation theory. But India, as it remains, after that partition did not give up that nationalistic spirit, rather, it has become intense and deep in recent years.

After attainment of independence however, though the country saw development in every sphere, widespread unemployment, lack of development of equal basis among different regions, over-anxiousness of some people to impose Hindi on others, the widening of gap between rich and poor, have kept a large number of people unhappy and some of them even frustrated. This has gradually led some people to think in terms of race, region and caste. But despite the growth of such feelings the spirit of nationalism in India is deep and wide, as it revealed for example, during the recent Kargil war, or does so whenever India scores a victory in any international sport-events. The long process of national integration beginning from the freedom movement has thus achieved its goal and Indian Nationalism has come to stay, and there is no threat to it, despite occasional out-bursts here and there.

*"We have too many men of science, too few men of God.*
*We have grasped the mystery of the Atom*
*and rejected the Serman of the Mount.*
*The world have achieved brilliance without wisdom, power without experience.*
*Ours is a world of nuclear giants and ethical infants.*
*We know more about war than we do about peace, more about*
*Killing than we do about living." -- by Omor Brudely of U. S. A.*





# সমসাময়িক সময়ত অম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰাসংগিকতা

ড° শান্তি বড়া
প্ৰৱক্তা (দৰ্শন বিভাগ)

মানুহৰ পৰিৱৰ্তনৰ লগে লগে যুগৰো পৰিৱৰ্তন হয়। কিন্তু মহৎ লোক সকলৰ জীৱনৰ বাণীৰে যুগৰ পৰিৱৰ্তনত যি পূৰ্বাভাস দি গৈছে তাৰ ভিতৰত অম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰসংগ উল্লেখনীয়। ১৮৮৫ চনৰ ডিচেম্বৰ মাহত বৰপেটাৰ বুনিয়াদী পৰিয়ালত জন্ম গ্ৰহণ কৰা ৰায়চৌধুৰী সৰুৰে পৰা নিজৰ দেশ আৰু জাতিৰ প্ৰতি তেখেতৰ যি প্ৰেম আছিল সেইয়া বিভিন্ন প্ৰবন্ধ, কবিতা, নাটক আদিত প্ৰকাশ পাইছিল। দেশেই ভগৱান – এনেধৰনৰ চিন্তা চৰ্চা মনত ৰাখি অসম আৰু অসম বাসীক নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰাবলৈ অহনিশে চেষ্টা কৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত তেখেতে বিশ্বাস, আলস্যবিহীন, সংগ্ৰামনিষ্ঠ আৰু অভাৱ অনাটনৰ মাজেদিয়েই দিন অতিবাহিত কৰিছিল। স্বাধীনতা আন্দোলনত জপিয়াই পৰি বহুবাৰ জেললৈ যাব লগা হৈছিল। দেশৰ ভিতৰত কঠোৰ পৰিশ্ৰম কৰিবলৈও অকনো কোণ্ঠাবোধ নকৰিছিল। জেলৰ ভিতৰৰ অমানৱীয় কষ্টত অন্তৰৰ পৰা নিগৰি নিগৰি ওলাই অহা কবিতাত তেখেতে কৈছিল–'তই ভাঙিব লাগিব শিল, নোৱাৰো বুলিলে নহব হে ভাই............'। অৰ্থাৎ আত্মবলিদানেহে নিজ মাতৃভূমিক উদ্ধাৰ কৰিব লাগিব। ভাৰতৰ অতীত গৌৰৱ সুঁৱৰি, দাসত্বৰ শিকলি চিঙি দেশবাসীক যুদ্ধ জীৱন লাভ কৰিবলৈ আহ্বান জনাইছিল। কিন্তু ৰায়চৌধুৰীয়ে অনুভৱ কৰিছিল যে সৰ্বভাৰতীয় দৃষ্টিৰে অসমৰ সুকীয়া সমস্যাবোৰ অৱহেলা কৰিছে। অসমৰ সমস্যাৱলী, আগন্তুক বিপদ আৰু তাৰ প্ৰতিকাৰৰ প্ৰতি উদাহীন, আৰ্থসামাজিক আৰু সাংস্কৃতিক দিশৰ প্ৰতি আওকান আদিৰ বিষয়ে অসমৰ জনসাধাৰণক সচেতন হ'বলৈ আহ্বান জনাইছিল। সেইবুলি ৰায়চৌধুৰীয়ে ভাৰতৰ পৰা বিচ্ছিন্ন ৰূপত অসমক কল্পনা কৰা নাছিল। কিন্তু অসমত অসমীয়াৰ স্বকীয় অস্তিত্ব সংৰক্ষণ, অসমত অসমীয়া ভাষা, অসমৰ মাটি ভৱিষ্যতৰ কাৰণে সংৰক্ষণ,কাম-কাজ, চাকৰি বাকৰি, বেপাৰ-বাণিজ্যত অসমৰ থলুৱা লোকে পাব লাগে বুলি তেখেতে চিঞৰিছিল। এনেধৰণে মন্তব্য কৰাৰ বাবে তেখেতক অনা অসমীয়া সকলে 'প্ৰাদেশিতা' আৰু 'উগ্ৰজাতিয়তাবাদী' বুলি মন্তব্য কৰিছিল। কিন্তু ৰায়চৌধুৰী প্ৰকৃততে তেনে নাছিল। সকলো মানৱজীৱনৰ ধৰ্ম্ম যে প্ৰথমে নিজৰ ঘৰখন, তাৰপিছত গাওঁখন, তাৰপিছত নিজৰ অঞ্চল আৰু ৰাজ্য। এইবিলাকৰ পিছতে নিজে থকা ৰাষ্ট্ৰখনৰ স্বাৰ্থ কথা চিন্তা কৰে। অম্বিকাগিৰী ৰায়চৌধুৰী ইয়াৰ ব্যতিক্ৰম নাছিল। বৰ্তমান ভাৰতৰ বিভিন্ন ৰাজ্যত গঢ় লৈ উঠা আঞ্চলিক দল সমূহ ইয়াৰে নমুনা। তেখেতৰ অসম স্বাৰ্থ ৰক্ষা কৰাত সৰ্বভাৰতীয় স্বাৰ্থৰ লগত মতবিৰোধ হোৱা নাছিল। যেনেদৰে আন প্ৰদেশৰ লোকসকল ভাৰতীয়,তেনেদৰে অসমীয়া লোক সকলো ভাৰতীয়। ঘৰৰ মানুহে নিজৰ ঘৰত, থলুৱা মানুহে নিজৰ থলত, দেশৰ মানুহে নিজৰ দেশতে নিৰাপদ অনুভৱ নহয় তেন্তে মানৱজীৱনৰ মূল্য কত।

অম্বিকাগিৰিয়ে পূৰ্ববঙ্গৰ পৰা অবাধ প্ৰবজন, অসমৰ অনাবাদী মাটি দখল ,অসমীয়াৰ ওচৰত বনুৱাৰ অত্যাচাৰ আৰু অসমীয়া মানুহৰ আসন্ন বিপদৰ প্ৰতি উদাহীনতা আদিৰ প্ৰতি সকিয়াই দিছিল। যিবিলাক সমস্যাই আজিও অসমত অসমীয়াৰ চকুৰ নিদ্ৰা হৰণ কৰিছে। আনকি স্বাধীনতাৰ পাছতো পূব-পাকিস্তান আৰু তাৰ পাছত বাংলাদেশৰ পৰা লুকাই চুৰকৈ অসমত প্ৰৱেশ কৰা বিদেশীবোৰৰ চিনাক্ত কৰা কথা তেখেতে তেতিয়াই সোঁৱৰাই দিছিল। তেখেতে বাহিৰাগত সোঁত কেনেকৈ বন্ধ কৰিব পাৰি তাৰ জলন্ত সমস্যাই যি ৰূপ ধাৰণ কৰি অসমীয়াৰ অস্তিত্বৰ নিঃশেষ কৰিবলৈ উপক্ৰম কৰিছে, সেই সমস্যাবিলাক

যদি গুৰুত্ব সহকাৰে আগতেই অনুভৱ কৰা হলহেতেন তেন্তে আজি অসমত দীৰ্ঘদিনীয়া আন্দোলনৰো প্ৰয়োজন নহ'লহেতেন।

সমসাময়িক সময়ত অম্বিকাগিৰি ৰায়চৌধুৰীৰ প্ৰাসংগিকতা অতি জৰুৰী হৈ পৰিছে। তেখেতে উঠি অহা প্ৰজন্মক সম্বন্ধ কৰি কৈছে- যি ছাত্ৰই দেশৰ আৰু জন্মভূমিৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাৰ দায়িত্ব পালন কৰি জীৱন উচ্চৰ্গা নকৰে তেনে ছাত্ৰই গতানুগতিক বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ উপাধি লাভ কৰিলেও নিজৰ দেশৰ বা জাতিৰ একো উপকাৰত নাহে । ছাত্ৰসকল দেশৰ সম্পদ। গতিকে তেওঁ কৈছিল যি শিক্ষাই ছাত্ৰক দেশৰ সম্পদ কৰি গঢ়ি তুলিব নোৱাৰে তেনে শিক্ষা এটা জাতিৰ কাৰণে অমাৰ্জনীয় অপৰাধ। ৰায়চৌধুৰীয়ে বাটে বজাৰে ঘূৰি এনেয়ে অ'ত-ত'ত মেল পাতি কাজিয়া-পেছাল লগাই, দিনৰ কামৰ শেষত ঠায়ে ঠায়ে গাজা-ভাং খাই অযথা সময় নষ্ট কৰা পোষকটা নকৰিছিল।

ৰায়চৌধুৰীয়ে ডেকা শক্তিক আহ্বান কৰি কৈঠিল— জীৱন মৰণৰ সংকটপূৰ্ণ অৱস্থা, অসমৰ বিভিন্ন সমস্যা, বাংলাদেশৰ অবাধ প্ৰৱজন আদিয়ে বৰ্তমান অসমত জলন্ত সমস্যাৰ সৃষ্টি কৰিছে। সুঠাম ডেকাসকলে আনৰ আক্ৰমণত শেষ হবলৈ এৰি দি শ্লোগান কেইটামান মুখস্থ গাই হাঁওফাঁও আৰু বুকুৰ কামী হাড়কেডাল কাহিল কৰাৰ অৰ্থ নাই। প্ৰয়োজন সাপেক্ষে নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ শক্তি অপচয় নকৰি বুকু পাতি থিয় দিবলৈ সাজু হ'ব লাগিব। তেখেতে ১৯৪২ চনতে ভৱিষ্যত অসমৰ অধিকাৰী ডেকা শক্তিক আহ্বান কৰি কৈছিল তোমালোক জাগ্ৰত হোৱা, নিজৰ শ্ৰম লব্ধ ভাতমুঠি পেট ভৰাই খাই নিৰাপদতা নিশ্চিত কৰা। নিজৰ মাতৃভূমি মাটিডোখৰ আজি কাৰ ভৰিৰ তলিলৈকে বাগৰি যাবলৈ ধৰিছে, য'ত ভৱিষ্যতে নিজ ইছামতে খোজ এটা পেলোৱাৰ অধিকাৰৰ পৰাও বঞ্চিত হ'ব লাগিব। আমাৰ জাতীয় অস্তিত্বটো কোনোবা সাগৰত পৰি বিলীন হ'বলৈকে যাব ধৰিছে আৰু মহামানৰ বিৰাট সামাজত শুং এধানমানো খেপিয়াই পোৱা নাযাব। এই শোচনীয় পৰিণামৰ প্ৰতিকাৰ বিচাৰি আকুল হোৱা মনোবৃত্তি গঢ় দিবলৈ প্ৰয়োজন বোধ কৰিব লাগিব। আনক আক্ৰমণ কৰা ভাৱ আৰু উদ্যোগটোৱেই হিংসাত্মক। কিন্তু আক্ৰমণৰ বিৰুদ্ধে প্ৰতিৰোধৰ গঢ় তুলি আত্মৰক্ষা কৰা প্ৰস্তুতিটো হিংসাত্মক নহয়, নিৰ্হিংসাত্মক। আত্মৰক্ষাত্মক সংগঠনত হিংসাৰ ঠাই নাই। কাপুৰুষতাক মানৱ মহত্ব-জ্ঞাপক শৌৰ্য্য-বীৰ্য্য, বীৰত্বৰ মহত্ব নাথাকে। দেশত যেতিয়া ফোপোলা অৱস্থা ঘটে তেতিয়া বাহিৰৰ শোষণ অভিসন্ধিমূলক কথা কিছুমান ভাহি আহি সেই ফোপোলা বিলাকত সোমাই পৰে।

ৰায়চৌধুৰীয়ে সকীয়াই দিছিল-অসমীয়া। তুমি হিন্দু, বৌদ্ধ, মুছলমান, খৃষ্টিয়ান, ভৈয়ামবাসী, পৰ্বতবাসী, ট্ৰাইবেল , উন্নত, অনুন্নত সকলোবিলাক এক হৈ অসমত স্থায়ীকৈ বসবাস কৰি অসমৰ সুখ-দুখৰ লগত নিজৰ সুখ-দুখ মিলাই অসমৰ মূল সোতৰ লগত আগুৱাই যাবলৈ। অসম কেৱল শোষণভূমি ৰূপে ব্যৱহাৰ কৰাৰ পক্ষপাতী নাছিল। যদি এনে হয় ভাৰতৰ ৰাজ্যবোৰত সংহতিৰ পৰিৱৰ্তে সদায় বিদ্বেষ, অস্বাস্থ্যকৰ পৰিৱেশ চলি থাকিব। অসম আৰু অসমীয়াৰ ওপৰত বৰ্তমান উদ্ভৱ হোৱা পৰিণামৰ প্ৰতিচ্ছবি স্বদেশ আন্দোলনৰ ১৯০৪ চনতেই তেখেতে অনুমান কৰিছিল। এনে পৰিণামৰ পৰা পৰিত্ৰাণ পাবলৈ পৰিস্থিতি বিলাকৰ লগত সঙ্গতি ৰক্ষা কৰা চিন্তাধাৰা লানি নিছিগাকৈ দেশৰ হকে কঠোৰ পৰিশ্ৰম কৰি গ'ল।

সেই সময়ত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ডেকা শক্তি জাগ্ৰত কৰিবলৈ যি আহ্বান কৰিছিল বৰ্তমান সময়ত অতি অনুকৰণীয়। তেখেতে দাঙি ধৰা অসমৰ প্ৰতিচ্ছবি খন কোনো ব্যতিক্ৰম হোৱা নাই, বৰঞ্চ বেছি জটিল ৰূপহে ধাৰণ কৰিছে। ৰায়চৌধুৰীৰ বৈপ্লৱিক ভাৱধাৰা আজিও প্ৰাসংগিক হৈছে। গতিকে আজি ডেকাশক্তিয়ে ধৰণী ধৰি অসম আৰু অসমবাসীক সমস্যাৰে জৰ্জৰিত জটিল পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰি অসমখনক সকলো দিশতে উত্তৰণৰ বাবে প্ৰচেষ্টা চলোৱা উচিত।

□□□□





# শংকৰদেৱ আৰু মাধৱদেৱৰ নাটৰ এটি তুলনা

শ্ৰীমতী পল্লৱী গগৈ
স্নাতক প্ৰথম বৰ্ষ(কলা শাখা)

শংকৰদেৱৰ নাটৰ আৰ্হি লৈয়েই মাধৱদেৱে নাট ৰচনা কৰিছিল যদিও বিষয়বস্তু, চৰিত্ৰ-চিত্ৰন আৰু নাট্যশৈলীৰ ফালৰ পৰা তেওঁৰ নাটৰ কিছু পাৰ্থক্য দেখা যায়। অৱশ্যে দুয়োজনৰে নাট ৰচনাৰ উদ্দেশ্য একেই আছিল। কৃষ্ণ ভক্তি মাৰ্গক অসমৰ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা। এই নাট ভাওনাই শংকৰদেৱৰ আৰু মাধৱদেৱৰ নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ ভেটি সুদৃঢ় কৰি তোলাত বহু সহায় কৰিছিল। তলত দুয়োজনাৰ নাটৰ এটি তুলনা আগবঢ়োৱা হ'ল—

দুয়োজনাৰে নাটৰ তুলনামূলক আলোচনাৰ অসংগত পোনতে দেখা পোৱা এটি দিশ হ'ল নাট্যশৈলীৰ নামকৰণ। শংকৰদেৱৰ নাটক বুজাবলৈ 'অংক' আৰু মাধৱদেৱৰ নাটক বুজাবলৈ 'ঝুমুৰা' শব্দৰ প্ৰায়ে প্ৰয়োগ কৰা হয়। শংকৰদেৱে নিজৰ লেখাত 'যাত্ৰা' নাট 'নাটক' আদি শব্দহে ব্যৱহাৰ কৰিছে। 'অংক' শব্দটো ব্যৱহাৰ কৰা নাই। অৰ্থাৎ এই শব্দৰ প্ৰয়োগ পৰৱৰ্তী ভকত বৈষ্ণৱসকলে আৰু চৰিত পুথিতহে ব্যৱহাৰ কৰিছিল। তেনেদৰে মাধৱ দেৱৰ নাট্যসমূহকো নিজে 'ঝুমুৰা' বুলি কোৱা নাই। পৰৱৰ্তী কালৰ চৰিতকাৰ বা লিপিকাৰ সকলেহে এই শব্দটো তেওঁৰ নাটৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছে। দুয়োজনৰে নাটৰ বিষয়বস্তু, চৰিত্ৰাঙ্কন আৰু নাটকীয় কলা কৌশলৰ ফালৰ পৰা শংকৰদেৱৰ নাটকক 'অংকীয় শৈলীৰ' আৰু মাধৱদেৱৰ নাটকক 'ঝুমুৰা-শৈলীৰ' বুলি অভিহিত কৰিব পাৰি।



নাটকীয় কলা কৌশলৰ ফালৰ পৰা দুয়োটা শৈলীৰ মাজত কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। শংকৰদেৱৰ নাটত তিনিপ্ৰকাৰৰ শ্লোক থাকে এই শ্লোক কেইটা হ'ল কাহিনী বা চালচলন বুজোৱা শ্লোক আৰু সামৰণি শ্লোক।

শংকৰদেৱৰ ছয়খন নাটত এশ আঠোটা শ্লোক পোৱা যায়। তাৰে পত্নীপ্ৰসাদ নাটৰ এটি শ্লোকহে

কেৱল ভাগৱত পুৰাণৰ পৰা উদ্ধৃত কৰা। বাকীখিনি শ্লোক শংকৰদেৱৰ ৰচনা। মাধৱদেৱৰ ঝুমুৰা কেইখনিত নান্দীশ্লোক নাট, নাটৰ মাজত থকা শ্লোকৰ সংখ্যাও কম। এই শ্লোক খিনি বিল্ব সংগলৰ 'কৃষ্ণকৰ্ণামৃত' অথবা ভাগৱত পুৰাণৰ পৰাই আহৰণ কৰিছে।

দুয়োগৰাকী নাট্যকাৰৰ নাট্যশৈলীত গীতৰ সু-প্ৰয়োগ লক্ষ কৰা যায়। শংকৰদেৱৰ নাটত ভটিয়াই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। নাটকীয় ভটিমা তিনিপ্ৰকাৰৰ। এই তিনিপ্ৰকাৰ হ'ল আদিতে দিয়া সংগলাচৰণ ভটিমা, শেষত দিয়া মুক্তিমংগল ভটিমা আৰু ভাটৰ মুখত দিয়া ভটিমা। মাধৱদেৱে তেওঁৰ নাটকেইখনিত ভটিমাৰ ব্যৱহাৰ প্ৰায়ে কৰা নাই। ভোজন বেহাৰ ঝুমুৰাত থকা এটি ভটিমাৰ বাহিৰে তেওঁৰ সন্দেহযুক্ত ঝুমুৰাকেইখনিত ভটিমাৰ প্ৰয়োগ কৰা দেখা নাযায়।

অংকীয়া শৈলী নাটৰ অন্যতম বৈশিষ্ট হৈছে সূত্ৰৰ মুখত আৰু চৰিত্ৰৰ মুখত দিয়া কথাসমূহ। ইয়াৰ ভাষা ব্ৰজাৱলী। শংকৰদেৱৰ নাটৰ গীত আৰু সংলাগত যথেষ্ট পৰিমানে সংস্কৃত শব্দ আৰু ব্ৰজাৱলী ভাষাৰ শব্দ প্ৰয়োগ কৰি ভাষাত এক গাম্ভীৰ্য প্ৰদান কৰা দেখা যায়। শংকৰদেৱৰ নাটকৰ তুলনাত মাধৱদেৱৰ খুমুৰাৰ ভাষা কিছু পৰিমানে সৰল আৰু কথিত ভাষাৰ ওচৰ চপা গীত বিলাকতো ঘৰুৱা অসমীয়া শব্দৰ প্ৰয়োগ বেছি।

সূত্ৰধাৰ শংকৰদেৱৰ নাটৰ এক অবিচ্ছেদ্য অংগ। তেওঁ একাধাৰে গায়ক, নৰ্তক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু চৰিত্ৰৰ পৰিচয় জ্ঞাপক। কিন্তু মাধৱদেৱৰ ঝুমুৰা সমূহৰ পৰিসৰ যিহেতু ঠেক গতিকে সূত্ৰধাৰৰ প্ৰয়োগ কৰিলেও আপেক্ষিকভাৱে তেওঁৰ দায়িত্ব আৰু কম।

শংকৰদেৱৰ নাটত একোটি দীঘৰ কাহিনী ৰূপ দিয়া হয় কেতিয়াবা একোটি উপকাহিনীও তাৰ মাজত দেখা যায় কিন্তু মাধৱদেৱৰ নাটত থাকে একোটি পৰিস্থিতিৰ চমু চিত্ৰণ। উপ-কাহিনী ইয়াত প্ৰায়ে অনুপস্থিত।

নৱ বৈষ্ণৱ সাহিত্যৰ ঘাই ৰস হ'ল ভক্তিৰস। শংকৰদেৱ আৰু মাধৱদেৱৰ নাট সমূহতো ভক্তিৰসে মূখ্য ভূমিকা গ্ৰহণ কৰিছে। কিন্তু নাট্যকাৰ দুজনাৰ নাটত কম বেছি পৰিমানে প্ৰায়বোৰ ৰসৰে প্ৰকাশ ঘটিছে। শংকৰদেৱৰ নাটসমূহত হাস্য করুণ, শৃংগাৰ বীৰ আৰু ৰৌদ্ৰ ৰসৰ উপযুক্ত প্ৰয়োগ দেখা যায়। মাধৱদেৱৰ নাটসমূহৰ মাজত ইমানবোৰ ৰস দেখা নাযায়। বাৎসল্য ৰস তেওঁৰ নাটৰ প্ৰাণ। এই কথা সত্য যে দুয়োজনা নাট্যকাৰৰ নাটৰ শেষ লক্ষ হৈছে ভক্তি।

শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্যসমূহৰ ঘাই চৰিত্ৰ হ'ল কৃষ্ণ। তেওঁ অৱতাৰী পুৰুষ আৰু অসীম শক্তিৰ অধিকাৰী। এইজন নায়কৰ চৰিত্ৰৰ উপস্থাপন কৰোতে শংকৰদেৱ আৰু মাধৱদেৱে সুকীয়া ৰীতি গ্ৰহণ কৰিছে। শংকৰদেৱৰ নাটৰ কৃষ্ণ যুৱ পুৰুষ ৰূপ, শক্তি আৰু দয়াৰ সাগৰ। আনহাতে মাধৱদেৱৰ নাট বা ঝুমুৰাৰ কৃষ্ণ হ'ল শিশুকৃষ্ণ। লৰুনুটোৰ দুষ্ট কৃষ্ণ ঝুমুৰা সমূহৰো ঘাই আকৰ্ষণ।

শংকৰদেৱৰ নাটত ৰুক্মিনী সত্যভামা, সীতা, শান্তী আদি মনোৰম নাৰী চৰিত্ৰ অংকন কৰিছে। তেওঁলোকৰ প্ৰিয় মিলনৰ বাসনা আৰু বেদনা ঈৰ্ষা আদি ভাৱসমূহ ৰূপায়ন কৰিছে। আনহাতে মাধৱদেৱৰ ঝুমুৰাত কৃষ্ণৰ বিপৰীতে কোনো নায়িকাৰ ভূমিকা নাথাকে। শিশু কৃষ্ণৰ লগত থাকে মাতৃ যশোদাৰ চৰিত্ৰ।

মুঠতে ক'ব পাৰি যে, শংকৰদেৱ আৰু মাধৱদেৱৰ নাট্যৰীতি বহুক্ষেত্ৰত বেলেগ আছিল যদিও মূল উদ্দেশ্য আছিল এক। নাটকীয় বিনোদনৰ মাজেদি নৱ বৈষ্ণৱ ভক্তি আন্দোলনৰ মূল ব্যক্তব্য প্ৰচাৰ কৰা। ইয়াতে দুয়োজনা নাট্যকাৰে স্বকীয় শৈলীৰে নাট্য সৃষ্টিত সফলতা লাভ কৰিছিল।

▲▲▲▲▲





# পৰিৱেশ সংৰক্ষণত আমাৰ ভূমিকা

শ্ৰীমতী বৈদ্য বুঢ়াগোহাঁঞি
উচ্চতৰ মাধ্যমিক (কলা শাখা)
প্ৰথম বৰ্ষ

**আৰম্ভণি ঃ**

সাম্প্ৰতিক কালত পৰিৱেশ সংৰক্ষণৰ বিষয়টোৱে বিশেষভাৱে গুৰুত্বলাভ কৰিছে। প্ৰকৃতিৰ ওপৰত জীৱশ্ৰেষ্ঠ মানুহৰ নিৰবিচ্ছিন্ন ধ্বংসলীলাৰ কুফল হিচাবে সঘনাই সংঘটিত হোৱা প্ৰাকৃতিক বিপৰ্যয়সমূহ পৰিলক্ষিত হৈছে। ৰেডিঅ', টেলিভিছন, বাতৰি কাকত আদিত এই সম্পৰ্কে সততে যিদৰে আলোচিত হৈছে, ঠিক সেইদৰে সমগ্ৰ বিশ্বৰ জনগণৰ মাজত সচেতনতাৰ হেতু পাঁচ জুন তাৰিখটোক "বিশ্ব পৰিৱেশ দিৱস" হিচাবে ঘোষণা কৰা হৈছে। কিন্তু উপযুক্ত কাৰ্যক্ৰমনিকা সমূহ পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত কিমানদুৰ সফল কাম হৈছো কিম্বা এই ক্ষেত্ৰত সচেতন মহল আৰু আমাৰ দৰে ছাত্ৰ প্ৰজন্মইনো কেনেধৰণৰ ভূমিকা পালন কৰিব পাৰে বা কৰা উচিত সেই সম্পৰ্কে তলত আলোচনা কৰাৰ প্ৰযত্ন কৰা হ'ল।

পৰিৱেশ কেনেকৈ ৰক্ষা কৰিব পাৰি বা পৰিৱেশ সংৰক্ষণত আমাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাৰ আগতে পৰিৱেশ বুলিলে আমি কি বুজো সেই সম্পৰ্কে স্পষ্ট হৈ লোৱাটো উচিত।

**পৰিৱেশৰ উৎপত্তিগত শব্দ আৰু ইয়াৰ সংজ্ঞা ঃ**

পৰিৱেশ শব্দটোৰ ইংৰাজী প্ৰতিশব্দ Environment এই শব্দটো আহিছে ফৰাচী শব্দ Environer ৰ পৰা। পৰিৱেশ শব্দটোৰ অভিধানিক অৰ্থ—এটা বস্তুৰ চৌপাশে থকা অৱস্থাটো সাধাৰণভাৱে চাবলৈ গ'লে- গছ-গছনি, মানুহ, জীৱ-জন্তু, ক্ষুদ্ৰাতিক্ষুদ্ৰ উদ্ভিদ আৰু প্ৰাণী,মাটি, পানী, বায়ু, ধাতু, খনিজ পদাৰ্থ, এই সকলোবোৰ ধৰিয়েই আমাৰ পৰিৱেশ। আমাৰ চৌপাশে থকা জৈৱ আৰু অজৈৱ সকলো ধৰণৰ বস্তুকেই পৰিৱেশে সামৰি লয়। কিন্তু বৰ্ত্তমান সময়ত পৰিৱেশ বুলি ক'লে কেৱল - গছ-গছনি, জাবৰ-জোথৰ, প্ৰদূষণ, বনাঞ্চল, বণ্যপ্ৰাণী আদি বুজা মানুহৰ সংখ্যা যথেষ্ট বেছি। তেওঁলোকে জীৱনক বাহিৰত ৰাখি বা নিজক বাহিৰত ৰাখি পৰিৱেশৰ কথা আলোচনা কৰিব খোজে। গতিকে তেঁওলোকৰ পৰা যে পৰিৱেশ সংৰক্ষণ বা ৰোধ কৰিব পাৰিব তাৰ আশা তেনেই ক্ষীণ।

**পৰিৱেশৰ উপাদান ঃ**

আমাৰ পৰিৱেশ চাৰিটা উপাদানৰ সমষ্টি। যেনে- (ক) বায়ুমণ্ডল, (খ) জলমণ্ডল, (গ) স্থলমণ্ডল আৰু (ঘ) জীৱমণ্ডল। গতিকে, আমাৰ প্ৰদূষণো ওপৰোক্ত চাৰিপ্ৰকাৰে হ'ব পাৰে।

*বায়ু প্ৰদূষণৰ কাৰণবোৰ ঃ* i) কীটনাশক দৰৱৰ ব্যৱহাৰৰ ফলত উৎপন্ন হোৱাগেছ বায়ুৰ লগত মিহলি হৈ বায়ু প্ৰদূষণ হয়। ii) চিমেণ্ট কাৰখানা, লো-তীখাৰ কাৰখানা আদিৰ পৰা ওলোৱা প্ৰদূষকে বায়ু প্ৰদূষণ কৰে। iii) দ্ৰুত উদ্যোগীকৰণ আৰু শিল্পায়নে বায়ু প্ৰদুষণত সহায় কৰিছে। iv) বিজুলী শক্তি উৎপাদন কেন্দ্ৰ, তাপৰ সৃষ্টিকৰা চুলাবোৰ আৰু গোবৰ গেছ তৈয়াৰী কেন্দ্ৰৰপৰা ওলোৱা ছালফাৰ-ডাই-অক্সাইড বায়ুৰ লগত মিহলি হৈ বায়ু প্ৰদূষণ হয়। v) যান-বাহন, কল-কাৰখানা আদিৰ পৰা নিৰ্গত ধোৱাবোৰত থকা নাইট্ৰ'জেন অক্সাইড বায়ুৰ লগত মিহলি হৈ বায়ু প্ৰদুষণ হয়।

ওপৰত উল্লেখ কৰা কাৰণবোৰৰ উপৰিও আৰু বহুতো কাৰণত বায়ু প্ৰদুষণ হ'ব পাৰে। বায়ু প্ৰদুষণ ৰোধ কৰাৰ উপায়বোৰ হৈছে ঃ i) বৃক্ষৰোপন আৰু বণানীকৰণৰ জৰিয়তে বায়ু প্ৰদুষণ ৰোধ কৰিব পাৰি। ii) নিৰ্গমণৰ মাত্ৰা কমাই ৰাখিবলৈ মটৰগাড়ীৰ ইঞ্জিনবোৰ নতুনৰূপে সাজিব লাগে।

iii) কাৰিকৰী দিশৰ উপৰিও ব্যক্তিগত দিশতো তলত উল্লেখ কৰা দিশবোৰ লোৱা উচিত। i) যানবাহনবোৰৰ নিয়মীয়া পৰীক্ষণ আৰু চাফচিকুণ কৰণ, ii) শিল্প, উদ্যোগ আদিবোৰ মানুহৰ বসতিস্থলৰ পৰা দূৰত স্থাপিতকৰণ, iii) চহৰ আৰু গাঁওবোৰৰ চাৰিওফালে সেউজীয়া অঞ্চলৰ সংৰক্ষণ, iv) প্ৰদূষণ নিয়ন্ত্ৰণ ব্যৱস্থা নকৰালৈকে কল-কাৰখানাবোৰক উৎপাদনৰ অনুমতি দিব নালাগে।

গতিকে, ৰাইজ আৰু চৰকাৰৰ যৌথ প্ৰচেষ্টাত বায়ু প্ৰদূষণ ৰোধ কৰা এই ভয়ংকৰ সমস্যাটো সম্ভৱ হৈ উঠিব।

*জলপ্ৰদূষণৰ কাৰণ ঃ* i) মানুহ আৰু জীৱৰ মৰাশ পানীত পেলোৱাৰ ফলত পানী দূষিত হয়। ii) কল-কাৰখানাৰ পৰা ওলোৱা নানান বিষাক্ত বস্তুৱে পানী প্ৰদূষণ কৰে। iii) ঘৰৰ পেলনীয়া আৱৰ্জনাবোৰৰ পানী আৰু লগতে প্লাষ্টিকৰ মোনা, কাগজ, কাপোৰ আদিবোৰ মিলি ময়লাৰ সৃষ্টি হয় আৰু ই পানীৰ প্ৰদূষণ ঘটায়। iv) খেতি পথাৰত ব্যৱহাৰ কৰা কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰ, আদিবোৰ বৰষুণৰ পানীৰ লগত মিলি গৈ নৈ,বিল আদিৰ পানী প্ৰদূষণ কৰে।

*জলপ্ৰদূষণৰ ৰোধৰ উপায়বোৰ হৈছে ঃ* i) মৰাশবোৰ পানীত পেলোৱা বন্ধ কৰিব লাগে, ii) কল-কাৰখানাৰ প্ৰদূষিত ময়লাবোৰ কোনো জলাশয়ত পেলাব দিব নালাগে, iii) ঘৰৰ আৱৰ্জনাবোৰ পৰিশোধন কৰিহে পানীত পেলোৱাৰ ব্যৱস্থা কৰিব লাগে। এই বিলাকেই ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা।

*স্থল বা মাটি প্ৰদূষণৰ কাৰণ ঃ* i) কল-কাৰখানা আৰু খনিৰ আৱৰ্জনাৰ দ্বাৰা মাটি প্ৰদূষিত হয়। ii) জৈৱিক কাৰকৰদ্বাৰা মাটি প্ৰদূষণ হ'ব পাৰে, iii) গৃহস্থৰ পৰিত্যক্ত আৱৰ্জনাৰ ভিতৰত জাবৰ জোথৰ, পুৰণি বাতৰি কাকতবোৰ প্লাষ্টিকৰ মোনা, পুৰণি কাপোৰ কানি আদিবোৰে মাটি প্ৰদূষণত সহায় কৰে।

*ইয়াৰ ৰোধৰ ব্যৱস্থাবোৰ ঃ* i) আৱৰ্জনাবোৰ বিশেষভাৱে শোধন কৰাৰ ব্যৱস্থা কৰিব লাগে। ii) জৈৱিক কাৰকবোৰ মিথেন আদি গেছলৈ সলনি কৰিবপাৰিলে আমাৰ মাটি প্ৰদূষণ যথেষ্ট হ্ৰাস পাব।

বৰ্তমান সমগ্ৰ বিশ্বৰ আৰু এটা গুৰুত্বপূৰ্ণ আৰু ভয়াবহ সমস্যাৰ সৃষ্টি হৈছে। যাক আমি গোলকীয় উষ্ণতা (Global Warning) বুলি কওঁ। গোলকীয় উষ্ণতা বৃদ্ধিয়ে বিশ্বৰ জনতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰাছ অক্সাইড, মিথেন আদি গ্ৰীণ হাউছ গেছৰ আধিক্যই গোলকীয় উষ্ণতা উদ্বেগজনকভাৱে বৃদ্ধি কৰিছে। সম্প্ৰতি যিটো গতিত এই উষ্ণতা বৃদ্ধি পাইছে, তালৈ লক্ষ কৰি আৰু কেইটামান শতিকাৰ পিছতেই পৃথিৱীত মানৱ সভ্যতা ধ্বংসপ্ৰাপ্ত হ'ব বুলি বিজ্ঞানি সকলে ভৱিষ্যবাণী কৰিছে। গোলকীয় উত্তাপ বৃদ্ধিৰ ফলত বতৰ তথা জলবায়ুৰ উল্লেখযোগ্য পৰিৱৰ্তন হৈছে আৰু মানুহৰ দেহত নানাধৰণৰ ৰোগৰ সৃষ্টি হৈছে। ১৯৯০ চনৰ ভিতৰত পৃথিৱীৰ উষ্ণতা ০.৩ ডিগ্ৰীৰ পৰা ০.৬ ডিগ্ৰী চেণ্টিগ্ৰেডলৈ বৃদ্ধি পাইছে। কেইবছৰমানৰ ভিতৰত এই হাৰ ১.১ ডিগ্ৰীৰ পৰা ৩.৩ চেণ্টিগ্ৰেডলৈ বৃদ্ধি পাব বুলি বিজ্ঞানী মহলে ঠাৱৰ কৰিছে। উষ্ণতা বৃদ্ধিৰ ফলত হিমালয়কে ধৰি উচ্চ পৰ্বতসমূহৰ বৰফ গলিবলৈ লোৱাত নদীসমূহত বানপানীৰ তীব্ৰতা বহুগুণে বৃদ্ধি পাইছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ মূল কাৰণ দ্ৰুত গতিত বনাঞ্চল ধ্বংস। বনাঞ্চল ধ্বংসই উষ্ণতা বৃদ্ধিত অবিহনা যোগাই আহিছে। যোৱা শতিকাৰে পৰা বনাঞ্চল ধ্বংসৰ গতি অতি তীব্ৰতৰ হৈ পৰিছে। জীৱশ্ৰেষ্ঠ মানুহ হৈও আজি আমি আমাৰ দায়বদ্ধতাৰ কথা পাহৰি গৈছো। পৃথিৱীক ৰক্ষা কৰাৰ পৰিৱৰ্তে পৃথিৱীক ধ্বংসৰ গৰাহলৈ ঠেলি নিব লাগিছো। বায়ু প্ৰদূষণৰ ফলত উষ্ণতা বৃদ্ধি আৰু তাৰ ফলতেই প্ৰাকৃতিক দুৰ্যোগে প্ৰৱল ৰূপ ধৰি ঠায়ে ঠায়ে মানুহক যমৰ যাতনা ভোগাব লাগিছে, আৰু অধিক যন্ত্ৰণা সম্প্ৰতি আমাৰ সন্মুখত সমাগত।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যিমানেই উন্নতি হৈছে সিমানেই মানুহে প্ৰকৃতিৰ ওপৰত কতৃত্ব চলাইছে আৰু সিমানেই পৰিৱেশ প্ৰদূষণ বৃদ্ধি হৈছে। পৰিৱেশ প্ৰদূষণ আমাৰ সকলোৰে কাৰণে বৈৰীস্বৰূপ। পৰিৱেশৰ অৱনতিৰ মূলতেই প্ৰদূষণ। এই পৰিৱেশ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে মানৱজাতিৰ অস্তিত্বই বিপদাপন্ন হ'ব। তেনে সম্ভাৱনাই পৰিলক্ষিত হৈছে।





আমাৰ প্ৰকৃতিৰ চৌপাশৰ গছ-গছনিবোৰৰ নোহোৱা হৈ পৰিছে। ইয়াৰ মুখ্য কাৰণ মানুহ। কোৱা হয় যে উদ্যোগীকৰণ, জনসংখ্যা বৃদ্ধিৰ ফলত গছ-গছনি কাটিব লগা হৈছে। সীমিতভাৱে চাবলৈ গ'লে উদ্যোগপ্ৰধান নগৰ বা ৰাজ্যৰ তুলনাত অসমৰ তাৰ হাৰ তেনেই নগন্য। অসমত যদি গছ ৰোৱা আৰু গছ ৰক্ষাৰ আন্দোলন জোৰদাৰ নকৰিলে বিপদ অনিবাৰ্য। গতিকে, মানুহে গছ-গছনিৰ সতে সহাৱস্থান কৰিব শিকিব লাগে। ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবে গছ কঠাৰ ফলত গছৰ সংখ্যা কমিছে, বনাঞ্চল কমিছে। জনসংখ্যা বাঢ়িছে, ঘৰ বাঢ়িছে, উদ্যোগ বাঢ়িছে! এই সকলোবোৰৰ হেঁচা পৰিছে গছ তথা বনাঞ্চলৰ ওপৰত। জীৱাশ্ম ইন্ধনৰ দহন দিনে দিনে বাঢ়ি গৈছে, কল-কাৰখানা আৰু যান-বাহনৰ সংখ্যাও অভূতপূৰ্বভাৱে বাঢ়িছে। হাবি-বন ভাঙি খেতি কৰাৰ ফলত পৃথিৱীত অৰণ্যৰ এলেকা অস্বাভাৱিকৰূপে হ্ৰাস পাইছে। জল-প্ৰদূষণ, বায়ু-প্ৰদূষণ আৰু অত্যাধিক নিৰ্বনীকৰণ ফলত পৰিস্থিতিৰ ভাৰসাম্য বিনষ্ট হৈছে।

*সামৰণি ঃ*

গতিকে, পৰিৱেশ প্ৰদূষণমুক্ত কৰিবলৈ প্ৰতিজন ব্যক্তি থতা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী সজাগ হোৱাটো উচিত। প্ৰদূষণৰ ভয়াবহতা সম্পৰ্কে সময় থাঁকোতেই সচেতন হৈ সবল প্ৰচেষ্টা হাতত ললেহে উত্তৰাধিকাৰী সূত্ৰে পোৱা এই বিনন্দীয়া পৃথিৱীখন ভৱিষ্যত উত্তৰাধিকাৰী সকলৰ হাতত অৰ্পন কৰাটো সম্ভৱ হৈ উঠিব। আমাৰ সমাজৰ যিচাম লোকে আৱেগৰ বশৱৰ্তী হৈ জধে-মধে গছ কাটিব লাগিছে তেওঁলোকক মানসিক পৰিৱৰ্তন তথা সংস্কাৰ সাধন কৰিব পাৰিলেহে পৰিৱেশ প্ৰদূষণ নামৰ সমস্যাটো কাৰ্যকৰী হৈ উঠিব। অন্যথা এই চৰম বিপৰ্যয়তে এদিন মানৱ জাতিৰ ধ্বংস হ'ব।

▲▲▲▲▲▲

মানুহ হৈছে জীৱশ্ৰেষ্ঠ প্ৰাণী, যিয়েই জীৱনৰ সকলো অসম্ভৱকো সম্ভৱ কৰিব পাৰে। আত্মবিশ্বাসেই মানুহক জীয়াই থকাৰ প্ৰেৰণা যোগায়, নিজৰ একাগ্ৰতা, ধৈৰ্য্য আৰু সাহসে মানুহক উন্নতিৰ জখলাত আগবঢ়াই নিয়ে। আত্মসচেতনে মানুহক যুগজয়ী কৰি বাস্তৱৰ স'তে মুখামুখি কৰি সময়ৰ সোঁতত আগবঢ়াই নিয়ে। এই সকলোবোৰ আমাৰ মাজতেই আছে।

# “প্ৰতীকবাদ ঃ আধুনিক অসমীয়া কবিতাত প্ৰতীকৰ প্ৰয়োগ ”

হেমন্তকুমাৰ শইকীয়া

অভিধেয়াৰ্থৰ সীমা অতিক্ৰমী মনৰ ভাৱানুভূতি প্ৰকাশৰ বাবে ব্যঞ্জনাঘন শব্দৰ প্ৰয়োগকেই প্ৰতীক বুলি কোৱা হয়। কবি মানসত প্ৰতীকে ৰূপ, বৰ্ণ আৰু গন্ধৰ ইংগীতময়তাৰে ব্যঞ্জনাঘন স্পৰ্শযোগ্যতা লাভ কৰে। সময় আৰু ব্যক্তি ভিন্নই একো একোটা প্ৰতীকৰো সুকীয়া সুকীয়া ৰূপ লক্ষ্য কৰা যায়। ডঃ মহেন্দ্ৰ বৰাৰ ভাষাত 'প্ৰতীক হ'ল শব্দ অথবা শব্দপুঞ্জৰ প্ৰচ্ছন্ন অৰ্থযুক্ত ব্যঞ্জনাময় ৰূপ।' *(সাহিত্য উপক্ৰমণিকা, পৃঃ ৩২)*

সৰ্বসাধাৰণ মানুহৰ মনত এনে এটা ধাৰণা লক্ষ্য কৰা যায় যে কেৱল কবিতাতহে প্ৰতীকৰ প্ৰয়োগ কৰা হয় প্ৰকৃতাৰ্থত তেনে ধাৰণা অমূলক। পৰম্পৰাগতভাৱে আমাৰ মাজত বহুতো প্ৰতীকৰ প্ৰচলন থকাৰ উপৰিও শিল্প কলা ইত্যাদিবোৰতো বহুলভাৱে প্ৰতীকৰ প্ৰয়োগ দেখা যায়। মন কৰিবলগা এয়াহে যে পৰম্পৰাগতভাৱে চলি অহা এই প্ৰতীকৰ প্ৰয়োগৰ লগত কবিতাৰ প্ৰতীকবাদী আন্দোলন দুয়োটা সুকীয়া সুকীয়া। এক কথাত 'কবিতা এনে এক বিশেষ কলা যি প্ৰতীকৰ ওপৰত নিৰ্ভৰশীল। ব্যাপক অৰ্থত প্ৰতীকে সকলো কলাকে প্ৰাণৱন্ত কৰি তোলো'। *(আ.অ.ক.প্ৰ.আ.চি. পৃঃ ৫৬-লোপা বৰুৱা)।*

প্ৰতীকবাদী আন্দোলন উনবিংশ শতিকাৰ শেষৰ ফালে ফ্ৰান্সত হোৱা, সাহিত্য জগতৰ এক যুগান্তকাৰী আলোড়ন। কবি সাহিত্যিক বোৰ্দলেয়া, শুক্ৰেচিয়াছ, মাৰ্লামে, ভাৰ্লে, ৰিমবা ইত্যাদিৰ হাতত এই আন্দোলন গা কৰি উঠি বিশ্বৰ বিভিন্ন প্ৰান্তলৈ প্ৰসাৰতা লাভ কৰে। মানুহৰ বুদ্ধিমত্তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাতকৈ প্ৰতীকবাদী কবিসকলে ৰহস্যময়তা, কল্পনা, প্ৰৱনতা, আৱেগ ইত্যাদিৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছিল। দৰাচলতে প্ৰতীকবাদী কবিসকলৰ বাদ্ধমূল ধাৰণা আছিল যে বিশ্বজগতৰ উপলব্ধি প্ৰকাশ কৰিবৰ বাবে প্ৰতীকৰ বাহিৰে আন একো থাকিব নোৱাৰে। সেই অসীম ৰহস্যময়তা প্ৰকাশৰ বাবে বুদ্ধি গ্ৰাহ্য উপায়ৰ পৰিৱৰ্তে ব্যঞ্জনাখন প্ৰতীকৰহে প্ৰয়োজন অধিক। প্ৰতীকবাদী আন্দোলন উদ্ভাৱনৰ মূলতে বহুতো ঐতিহাসিক কাৰণ নিহিত থাকিলেও প্ৰধানতঃ বিজ্ঞানৰ অগ্ৰগতিয়ে আনি দিয়া যুক্তিবাদী আদৰ্শৰ বিৰুদ্ধে প্ৰকাশ্যে বিদ্ৰোহ আৰু ভাঙোনমুখী ধৰ্মীয় বিশ্বাসৰ আধাৰত ৰহস্যময়তাৰ ব্যঞ্জনাত্মক প্ৰকাশেই ইয়াৰ ঘাই উদ্দেশ্য।

কুৰি শতিকাৰ চল্লিশৰ দশকৰ পৰা অসমীয়া কবিতাই ৰোমান্তিকতাৰ পৰিধি অতিক্ৰমী নতুন বাটেৰে বাট বুলিবলৈ লয়। বিশ্বযুদ্ধৰ ক্ষয়ংকাৰী প্ৰাদুৰ্ভাৱ, শিল্প বিপ্লৱৰ অভূতপূৰ্ব প্ৰসাৰ আৰু ধৰ্মীয় বিশ্বাসহীনতাৰ কুঠাৰাঘাতে পৰম্পৰাগত কাঠামোত প্ৰৱল আঘাত হানে। আৰু তাৰ পৰিপ্ৰেক্ষিততেই ফ্ৰান্সৰ প্ৰতীকবাদী আন্দোলনৰ দৰে কোনো কাব্যান্দোলন নহ'লেও অতি সচেতন ভাবে বহুকেইজন অসমীয়া কবিয়ে বোৰ্দলেয়াৰ,মাৰ্লামে, ইয়েটছ, ৰিল্কে, ছাইমন্‌ছ, আদিৰ দ্বাৰা গভীৰ ভাবে প্ৰভাৱান্বিত হয়। অমূল্য বৰুৱাৰ 'আন্ধাৰৰ হাঁহাকাৰত প্ৰতীকবাদী কাব্য ধাৰাৰ সামান্য চিটিকণি পৰিছিল যদিও এলিয়টী কাব্যধাৰাৰ গভীৰ প্ৰভাৱপুষ্ট কবি হেম বৰুৱাৰ কবিতাত প্ৰতীকবাদে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিলে।

জয়ন্তীৰ পাতত কাব্যজীৱনৰ শুভাৰম্ভ কৰি ৰামধেনুৰ মাজেৰে বিকশিত ৰূপ পৰিগ্ৰহণ কৰা হেম বৰুৱাৰ কবিতাত সমাজ সচেতনতা, সভ্যতাৰ সংকট, মানবীয় প্ৰমূল্যৰ বিকৃতি সম্যকভাৱে উপলব্ধ হয়। হেম বৰুৱাৰ কবিতাত প্ৰতীকৰ জটিলতা নাই। প্ৰতীকবাদী আন্দোলনৰ গঢ়েৰেও তেওঁ প্ৰতীক প্ৰয়োগ কৰা নাছিল। হেম বৰুৱাৰ কবিতাত প্ৰতীক আছিল নিজস্ব দৃষ্টিভংগীৰে গ্ৰহণ কৰা ভাৰতীয় পৰম্পৰাৰ বিভিন্ন উৎসৰ চিনাকী ৰূপ।

'জোন' কবি হেম বৰুৱাৰ কবিতাৰ চিনাকী প্ৰতীক। কবি কল্পনাৰ মুক্তক প্ৰকাশত এই চিনাকী জোনৰ বিভিন্ন ৰূপ। খগেন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাৰ ভাষাত "তেওঁৰ কবিতাত জোন





কেতিয়াবা হৈছে'এজনী শেতা ছোৱালী', মূৰত বগা ওৰণি লোৱা, 'বিধৱা বিধৱা লগা', 'খীনাই নোহোৱা হোৱা', মৃত্যুমুখী 'বৰফৰ মাজে মাজে বাট বিচাৰি বনাই ফুৰা' পৰিশ্ৰান্তি অসহায় জীৱনৰ প্ৰতীক।" (হেম বৰুৱাৰ এমুঠি কবিতা, পৃঃ ১৩) আকৌ আন কোনো ঠাইত এই যেন হৈ পৰিছে শান্তিৰ প্ৰতীক কপৌচৰাইৰ বুকুৰ দৰে প্ৰবলে আশাৰ বৰ্তাবাহক। অথবা ক্ষন্তেকতে জোনৰ বৰণ সলনি হৈ "হালধীয়া জোনে" মৃত্যুৰ চেতনাৰে কপাঁই যাই- নিঃসঙ্গ বিধবাৰ বুকু।

সমাজ সচেতন কবি হেমবৰুৱাৰ কবিতাত মহাকাব্যিক চৰিত্ৰৰ প্ৰতীকাত্মক প্ৰয়োগ লক্ষণীয় দিশ। কৃষ্ণ, ৰাম, সীতা, অৰ্জুন, ধৃতৰাষ্ট্ৰ, কংস, কুন্তী, জৰা সন্ধ, বুদ্ধ, শকুন্তলা, ইত্যাদি চৰিত্ৰবোৰে বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিছে—

আমি হাল বাওঁ, আমাৰ নাঙলৰ সীৰলুত / স্বৰ্ণ সীতাই পোখা মেলে।

..................................................

জীনক কোনে ৰুধিব পাৰে? / আমিযে পাতিছোঁ, আমাৰ জীৱন থলীত / হেজাৰ কংসৰ মৃত্যুশাল।

..................................................

সূৰ্য, নতুন সূৰ্য / তুমি কুমাৰী পৃথিৱীক কুন্তি কৰা। (পৃথিৱী)

সৃষ্টিৰ অমল বাসনাই কবিমানসত শান্তি সীতাৰূপত আত্ম প্ৰকাশ কৰিছে। শ্ৰমতেই জীৱনৰ পৰিপূৰ্ণতা। এই শ্ৰমৰ বুকুৰে এদিন জীৱন সুন্দৰ হ'ব, শোষকৰ শোষণ নিপীড়ণৰ পৰা শ্ৰমজীৱি লোক মুক্ত হ'ব আৰু তাৰ বাবেই কংসৰূপী 'ফেচাবদী' সকলৰ মৃত্যুশাল পাতি সূৰ্য বন্দনা কৰিছে 'সূৰ্য নতুন সূৰ্য / তুমি কুমাৰী পৃথিৱীক কুন্তি কৰা।" এতিয়া প্ৰয়োজন কৰ্ণৰ দৰে শৌৰ্য, বীৰ্য, সৌন্দৰ্যৰ সাধকৰ।

'মমতাৰ চিঠি' কবিজনাৰ আন এটি সুন্দৰ প্ৰতীকাত্মক কবিতা। বৈধব্যৰ যন্ত্ৰণাত বিদ্ধস্ত এগৰাকী মাচাৰ পোৱা আৰু হেৰুৱাৰ মৰ্মন্তুদ বেদনা এই কবিতাটোৰ মাজেৰে ব্যঞ্জিত হৈছে-

"এয়া মম এডাল জ্বলাই লৈছোঁ"

এই জ্বলাই লোৱা মম এহাতে যেনেকৈ ক্ৰমে ক্ৰমে টুটি অহা জীৱনৰ প্ৰতীক, ঠিক আনফালে বুকুৰ ভিতৰত অনুভূত নিঃসঙ্গতা, দুখ আৰু অধীকাৰাংক্ষা নিৰ্বাপিত হোৱাৰ বিমূৰ্ত প্ৰকাশ। নিঃসংগতাৰ যন্ত্ৰণাই হয়তো মানুহৰ আটাইতকৈ কঠিন যন্ত্ৰণা। বৈধব্যৰ যন্ত্ৰণাই কোঙা কৰা মনৰ মাজত কেতিয়াবা সংগলাভৰ বাসনাই স্ফুলিংগৰ দৰে পীড়া কৰে। তেনে পৰত সংযমৰ লৌহ শিকলিৰে নিজক বান্ধি তেওঁ ঢাপলি মেলে অতীতৰ বুকুলৈ—

বাহিৰৰ উৰুঙা বতাহজাকে মমডাল আহি
কোবাইছেহি।......................
চাওঁ খিৰিকীখন জপাই দিওঁ
সাত বছৰৰ আগৰ কথাবোৰ তোমাৰ বাৰু মনত আছেনে?

আমি যে নতুন জীৱনৰ পাতনি মেলিছিলোঁ।

চৌপাশৰ পৃথিৱীৰ জাক জমকতা আৰু মনৰ মাজত বৈধব্যৰ যন্ত্ৰণাই ঠেক্‌াই অনা চাৰিসীমাৰ দোমোজাময় চিত্ৰৰ প্ৰকাশ'উৰুঙা বতাহ' আৰু তাৰ বাবেই নিজক কঠোৰ কৰাৰ প্ৰতীক ৰূপে কবিয়ে প্ৰয়োগ কৰিছে 'খিৰিকীখন জপাই' দিয়াৰ ব্যঞ্জনা।

প্ৰতীকৰ সফল প্ৰয়োগেৰে আধুনিক অসমীয়া কবিতালৈ নতুন মাত্ৰা দান কৰাৰ ক্ষেত্ৰত কবি নৱকান্ত বৰুৱা অগ্ৰগণ্য। বুৰঞ্জী, ৰাজনীতি, দৰ্শন, বিজ্ঞানৰ সকলো উপাদানেৰে সমৃদ্ধ নৱকান্ত বৰুৱাৰ কবিতাত দেশী বিদেশী বহুতো কবিৰ প্ৰতীকৰ প্ৰভাৱ পৰিছে যদিও কবিজনাই তেনে প্ৰতীকক কৌশলেৰে স্বকীয়তা দান কৰিছে। কবিৰ প্ৰথম প্ৰকাশিত কাব্য পুথি 'হে অৰণ্য হে মহানগৰ'ৰ কবিতাবোৰত নগৰীয়া জীৱনৰ অন্তঃসাৰ শূন্যতা আৰু সংকটাপন্ন জীৱনৰ যন্ত্ৰণাক্লিষ্ট ৰূপ প্ৰতিভাত হৈছে—

মোৰ দলিত আত্মাৰ আলিবাটত
বলিয়াবোৰৰ পদক্ষেপে
আঁকি যায়
কঁঠুৱা আভজঁ পদধ্বনিৰ ছাপ।
মহানগৰী ওলমি থাকে
ডাৱৰৰ চিপজৰীত।
ইয়াত 'বলিয়াবোৰ' ক্ষমতালিপ্সুৰ,

'ডাৱৰ' নিৰাশাৰ আৰু'আলি দোমোজাই' সংকটকালীন সময়ৰ ইংগিত বহন কৰিছে। এক কথাত নগৰীয়া সভ্যতাত অপমৃত্যু হোৱা মানৱতা বা প্ৰমূল্যই কবিতাটোৰ মূল বিষয়বস্তু।

চিৰৰহস্যঘন মানুহৰ মন আৰু ঠিক সেইদৰে ৰহস্যঘন বিশাল আকাশ। দেশী বিদেশী বহু কবিৰ কবিতাত আকাশৰ নানা ৰূপ। কবি নৱকান্ত বৰুৱাৰ কবিতাটো আকাশৰ বহল প্ৰয়োগ লক্ষ্য কৰা যায়। কেতিয়াবা ই হয় 'ক্লান্তিহীন,' কেতিয়াবা আকৌ 'তামৰঙী', ক'ৰবাত 'ঈষাৰ দৰে নীলা,' অথবা অন্ধনীল' মহাজীৱনৰ শৌৰ্য-বীৰ্য ঘোষণা কাৰী এই আকাশ কালাতীত। অৱক্ষয়ৰ আবিলতাৰে পৃথিবী নিঃশেষ হ'লেও থাকি যাব আকাশৰ নীলা আৰু বিশালতা —

(ক) এদিন হেৰাব জোন, জোনৰ হাঁহিৰ সতে
নীল নদী সময়ৰ চুমাত শুকাব
তথাপিতো ৰৈ যাব
অন্তহীন ক্লান্তিহীন এখনি আকাশ। (মোৰ আৰু পৃথিবীৰ)

(খ) আজি মোৰ আকাশ বহল (মহাকাব্যৰ পাণ্ডুলিপি)

(গ) আকাশ, তোমাৰ নীল ৰঙ মোৰ ব্যাথাৰে আৰু নীল কৰি কৰুণ কৰাৰ কামনা (প্ৰাৰ্থনা ঃ আকাশৰ প্ৰতিঃখিৰিকীয়া)

সমালোচক ইমদাদ উল্লাহে নৱকান্তৰ বৰুৱাৰ কবিতা প্ৰসংগত কৈছে—"কবি বৰুৱাৰ চকুত আকাশে সম্ভৱতঃ মহাজীৱনৰ মুক্তিৰ ইংগিত বহন কৰি আনে।" কলুষ, কালিমা, আৰু ক্ষুদ্ৰতম প্ৰাত্যহিকতাৰ পৰা মুক্তিৰ দুৰ্বাৰ হেঁপাহ নৱকান্ত বৰুৱাৰ কবিতাত লক্ষ্য কৰা যায়।

জীৱনৰ অৱক্ষয়ী প্ৰমূল্যই ব্যথিত কৰা কবি মানসৰ প্ৰতীকাত্মক প্ৰকাশ। 'ইয়াত নদী আছিল' নামৰ কবিতা। কবিতাটোৰ নামকৰণো প্ৰতীক সমৃদ্ধ। কবিয়ে 'ইয়াত নদী আছিল'—বুলিহে উল্লেখ কৰিছে। এই 'নদী' প্ৰাণৰ চঞ্চল-চপলতাৰে ভৰপূৰ জীৱনৰ প্ৰতীক। এতিয়া সেই নদী নাই, তাৰ ঠাইত বাঢ়ি আহিছে মৰুভূমি, দ্ৰুত সলনি হৈছে সময়, খোৰোঙৰ কপৌ ফুলৰ কাল টুটিছে, জীৱন এতিয়া নিষ্প্ৰাণ,নিবস, আকাশো এতিয়া তামৰঙী—

কিন্তু মৰুভূমি আহে
লাহে লাহে মাহে মাহে বছৰে বছৰে
আঁহতৰ খোৰোঙত এপাহি কপৌফুল সোনকালে সৰে
গোপন ব্যাধিৰ দৰে লাহে লাহে মচি নিয়ে
প্ৰাণৰ যিমান ৰঙ সেউজী সোণালী
আঁকি দিয়ে তামৰঙী এখন আকাশ আৰু
ফুটছাই বৰণৰ এখন পৃথিৱী। (ইয়াত নদী আছিল।)

আধুনিক সভ্যতাৰ সংকটে মানুহৰ জীৱনৰ পৰা মন্থৰ গতিত কাঢ়ি নিয়া প্ৰাণচাঞ্চল্যই কেনেদৰে জীৱন নিষ্প্ৰাণ নিৰস আৰু মৰুভূমিৰ দৰে কঁহকঁহীয়া কৰি তুলিছে সেয়া প্ৰতীক সমৃদ্ধ ৰূপত প্ৰকাশি উঠিছে এই কবিতাটিত।

একান্ত ব্যক্তিগত কিছুমান প্ৰতীকো নৱকান্ত বৰুৱাৰ কবিতাত দেখা যায়। 'মনত পৰেনে অৰুন্ধতী' কবিতাত মাদকতাময় যৌৱনৰ নিবিড় অন্তৰংগতা প্ৰকাশৰ পথত এনে প্ৰতীকৰ প্ৰয়োগে প্ৰাণ পাই উঠিছে—

সেমেকা পোহৰে সোঁৱৰাই দিয়া
তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ। (এটা প্ৰেমৰ পদ্য)

'মন কুঁৱলী সময়,' 'জেংবাই ১৯৬৩', 'আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি' ইত্যাদি কবিতাৰে পাঠকৰ অন্তৰত দকৈ ৰেখাপাত কৰা কবি অজিত বৰুৱাই কাব্য জীৱনৰ পাতনি মেলিছিল চল্লিশৰ দশকতে। অৱশ্যে মাজে মাজে দীৰ্ঘ নিৰৱতা অৱলম্বন কৰা কবি অজিত বৰুৱাৰ কবিতাত প্ৰতীকে সুকীয়া ৰূপ লৈছে। শব্দ প্ৰয়োগৰ ক্ষেত্ৰত কঠোৰ নীতি অৱলম্বন কৰি অতি নিকপকাপীয়াকৈ মনৰ জটিল ভাবানুভূতি প্ৰকাশৰ বেলিকা প্ৰতীকি ভাষাই বৈয়াকৰণিক নিয়মকো ক'তো ক'তো অতিক্ৰমী গৈছে। কবিৰ ভাষাতেই "য'ত ৰঙ বিলাক দেখা ৰঙৰ ভিতৰৰ নহয়, গোন্ধ বিলাক পোৱা গোন্ধৰ ভিতৰত নহয়, শব্দৰ দ্বাৰা" সেইবোৰ সৃষ্টি কৰিবলৈ বিচৰা হৈছে *(কিছুমান পদ্য আৰু গান পৃঃ ৮৬)*

কাতি মাহৰ এটা ধোঁৱা ৰাতিপুৱা
কুঁৱলি গলি ভাহে
এই পুৱা যেন অতীত জীৱন
..........................
যোৱা বছৰ এনে পুৱা উঠিছিলোঁ নতুন হামিয়াই
থকা নথকা এক পলকৰ দলঙত
সময় বন্ধ হৈ যায়। (?)..................

ধোঁৱা-কুঁৱলিৰ ছাঁয়া ছন্নতাত অস্পষ্ট কাতি মাহৰ ৰাতি পুৱাৰ দৰে কবিৰো অতীত জীৱন ছাঁয়াময়। 'ধোঁৱা'-'কুঁৱলি' শব্দই ইয়াত অস্পষ্টতাৰ ইংগিত কঢ়িয়াই আনিছে। বৰ্তমানৰ মাজত অতীতে ভুমুকি মাৰি যায়। অতীত আৰু বৰ্তমানৰ দোমোজাত 'থকা নথকা'ৰ দলঙত সময় স্থবিৰ হৈ ৰয়। সেই স্থবিৰ সময়ৰ পলকৰ দলঙত সংযোজিত হৈ আছে কবিৰ শৈশৱ আৰু যৌৱনৰ স্মৃতি। 'নতুন হামিয়াই' প্ৰতীকেৰে অলস সোঁৱৰণীৰ ইংগিত দিছে।

'জেংবাই ১৯৬৩' নামৰ কবিতাটোত আধুনিক মানুহৰ সুক্ষ্ম সন্দেহবাদ প্ৰতীকাত্মক ৰূপত প্ৰকাশ পাইছে। বিজ্ঞান, বিশ্বাস, অবিশ্বাস, অন্ধবিশ্বাস, মৃত্যুচেতনা, অবচেতন মনত পোত গৈ থকা অহেতুক ভয়, বেসুৰা-সুৰীয়া হোৱ জীৱনৰ সুক্ষ্ম দোমোজাময় জটিল অনুভূতি কবিতাটোৰ মাজেৰে ব্যঞ্জিত হৈছে-

ৰাতি হলেও সোৱণশিৰিৰ চৰত আমি নাও চপালোঁ
চাপৰিৰ ডাঙৰীয়াই আমাক ৰক্ষা কৰিব?
..........................
নাৱৰ টিঙত শুই
তৰা আৰু বোকা একেলগে দেখি।
বাঘৰ গোঁজৰ ম'হৰ ঘন্টা জলকুঁৱৰীৰ গীত
একেলগে বাজে বেসুৰা-সুৰীয়াকৈ

'তৰা আৰু বোকা' প্ৰতীকে ইয়াত সসীমৰ বুকুত অসীমৰ দ্যোতনা কঢ়িয়াই আনিছে।

ব্যক্তিগত প্ৰতীকেৰে উপাদেয় কৰিব এটা উল্লেখযোগ্য কৰিব। "আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি' একালৰ সম্ভ্ৰান্ত মানুহৰ পোছাক। পৰম্পৰাগত অসমীয়া বিয়াত দৰাই মূৰত মথুৰা পাগ মাৰি এই পোছাক পৰিধান কৰিছিল, কবিয়েও মেজাংকৰিৰ এঙাচোলা পিন্ধি সোঁৱৰণিৰ জখলাৰে যৌৱনৰ মাদকতা ভৰা দিনৰ উপলব্ধি কৰিছে। বহুদিনীয়া সামৰণ কাপোৰৰ পৰা উৰি আহে এটি নতুন গোন্ধ সেই গোন্ধেই বোৱাই আনে অনেক ডুখুৰীয়া ছবিৰ স্মৃতি—

ৰাতিতে উঠি শুঙি পালো যেন কুসুম
মালতী তেল নাকফুল আৰু ঘামৰ
গোন্ধ আমাৰ সেই ভঠেলি
দিয়া খলাত।

কুসুম, নাকফুল, ঘামৰ গোন্ধৰ দেহজ প্ৰেমৰ ইংগিত লুকাই আছে। নৃতাত্বিক দিশৰ পৰাও এই উৎসৱ যৌনগন্ধী। নিশাৰ আন্ধাৰত যৌৱনৰ মাদকতাই কৰা আমনিৰ গভীৰ আকাংক্ষা কবিতাটোৰ মাজেৰে ব্যঞ্জিত হৈছে।

আধুনিক অসমীয়া কবিতাৰ অগ্ৰগণ্য কবি নীলমণি ফুকনৰ কবিতাত প্ৰতীকৰ প্ৰয়োগ অতি মনোৰম। অনুভৱ অনুভূতিৰ প্ৰগাঢ়তা, শব্দ প্ৰয়োগৰ মিতব্যয়িতা আৰু একক প্ৰতীকৰ বহুলতাই মাজে মাজে পঢ়ুৱৈক বিভ্ৰান্ত কৰিলেও ই দুৰ্বোধ্য বুলি ক'ব নোৱাৰি। গভীৰ অন্তদৃষ্টি, যুগ যন্ত্ৰণাৰ পৰা উদ্ভুত নিঃসংগতা বোধ, ভাৱৰ বৈচিত্ৰ্য, কল্পনাৰ বিস্ময়কৰ প্ৰকাশ, প্ৰকৃতিৰ প্ৰয়োগ, শিল্পকলাৰ প্ৰভাৱ, মৃত্যু চেতনা, জীৱন মৃত্যুৰ ৰহস্যময়তা ইত্যাদি বিষয়বোৰৰ ব্যঞ্জনাঘন প্ৰকাশেই নীলমণি ফুকনৰ কবিতাৰ উপজীব্য।

'সূৰ্য হেনো নামি আহে এই নদীয়েদি' কবি নীলমণি ফুকনৰ এটি সুন্দৰ প্ৰতীকবাদী কবিতা। এটি হৰিণা পোৱালীৰ সহজ সৰলতাই নমাই অনা কবি মনৰ অপাৰ বিস্ময় প্ৰকাশ কৰিছে এই কবিতাটোত। কবিতাটোৰ মূল অনুপ্ৰেৰণা প্ৰাচীন মিচৰীয় মিথ আৰু এখন প্ৰাচীন মিচৰীয় চিত্ৰ—

নিওলিথিক কোনো এক প্ৰগলভা গাভৰুৰ
দৰেই শুই ৰ'ল
অৰণ্যৰ দুবাহুত বাহু মেলি, শ্ৰৱাৰতী! এতিয়া
চম্পক ফুলাৰ ৰাতি
মাথো মই আৰু এটি হৰিণা পোৱালী
ফুটুকা - ফুটুকী।
অন্তহীন প্ৰশান্তিৰ স্নিগ্ধতাৰে সানি দিলে
মোৰ হৃদয়ত আজি এটি হৰিণাই অপাৰ
বিস্ময়া। (এটা হৰিণা পোৱালী)

কবিজনাৰ আন এটা প্ৰতীকাত্মক কবিতা 'টোপনিতো তেওঁ মোক খেদি ফুৰিছিল।' বিচ্ছিন্নতাবোধৰ প্ৰতীকি ইংগিত বহন কৰা কবিতাটোৰ প্ৰতিটো শাৰীৰেই অতীব ব্যঞ্জনাঘন

আচেনে বাৰু তেওঁৰ মুখত
সেই উভালি পৰা এজোপা গছ
ওঁঠ দুখনত আছেনে বৈ
পানী ৰঙা হোৱা দুখন নৈ
আছেনে বাৰু তেওঁৰ দুচকুত
সেই দুটা কলা ঘোঁৰা
আদিও মোৰ নিতৌ নিশা
কলিজা গচকি ৰয়।

'উভালি পৰা গছ', পানী ৰঙা নৈ, দুটা ক'ল ঘোঁৰা, কলিজা গচকি ৰোৱা ইত্যাদি প্ৰতীকবোৰে বিধ্বস্ত বিপৰ্যস্ত জীৱন, যন্ত্ৰণা কাতৰ প্ৰাণ, জীৱন সংগ্ৰামৰ ভীতি সন্ত্ৰস্ততা ব্যঞ্জিত কৰা যেন অনুমান হয়।

গ্ৰাম্য জীৱন আৰু প্ৰকৃতিৰ উপাদানেৰে নীলমণি ফুকনৰ কবিতাক সৰ্বাংগ সুন্দৰ কৰি তুলিছে। থলুৱা, চিনাকি প্ৰতীকৰ প্ৰয়োগেৰে সমৃদ্ধ এটি কবিতাত যন্ত্ৰণাকাতৰ খাটি খোৱা মানুহৰ পৰিসমাপ্তিৰ ইংগিত দিবলৈ গৈছে এইদৰে—

পানী হিলৈ ফুটাদি শিল ফুটিব
দলিয়াই দিবি তোৰ হাতৰ
হাতী দাঁতৰ হাত।
আই তই ৰহদলা পথাৰত
উলঙ্গ হৈ নাচিবি
নাচিবি পথিৱীৰ নৃত্য
.....................
আৰু খেতিয়কবোৰ বাটলৈ
ওলাই আহিব।

ক'ববাত আকৌ মাত্ৰ এটা বা দুটা প্ৰতীকৰ বুকুতেই গোটেই কবিতাটোৰ ঐক্যসূত্ৰও নিকপকীয়াকৈ নিহিত কৰি প্ৰকাশ কৰাৰ প্ৰচেষ্টা নীলমণি ফুকনৰ কবিতাত লক্ষ্য কৰা যায়।

এনেদৰেই প্ৰতীকবাদী কাব্যান্দোলন আধুনিক অসমীয়া কবিতালৈ নতুনত্ব আৰু সুকীয়া মাত্ৰা কঢ়িয়াই আনে। এই আন্দোলনৰ পৰিপ্ৰেক্ষিততেই পৰম্পৰাগত প্ৰতীকৰ গণ্ডী অতিক্ৰম কৰি প্ৰতীকে ব্যক্তিগত প্ৰতীকলৈ উন্নীত হয়। ফলশ্ৰুতিত যুগ জটিলতাৰ, খণ্ড-বিখণ্ড ৰহস্যময় অভিজ্ঞতাক কাব্যৰূপ দিবলৈ কবি সকল সক্ষম হয়। অৱশ্যে প্ৰতীকৰ প্ৰয়োগেই বা কোনো এটা আন্দোলনেই সাহিত্যৰ ক্ষেত্ৰত চূড়ান্ত নহয়। তেনে দিশৰ পৰা প্ৰতাকবাদী কাব্যান্দোলনকো কবিতাৰ আংগিকৰ ক্ষেত্ৰত এক ৰীতি বুলি গ্ৰহণ কৰিব পাৰি, ইয়েই নিশ্চয় শেষ ৰীতি নহবও পাৰে।

**সহায়ক পুথি ঃ**

১) আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰ কল্প-ডঃ লোপা বৰুৱা
২) সাহিত্য উপক্ৰমণিকা-ডঃ মহেন্দ্ৰ বৰা
৩) আধুনিক অসমীয়া কবিতা-ডঃ পূৰ্ণ ভট্টাচাৰ্য
৪) কবিতাৰ ৰূপছায়া-ডঃ কৰবী ডেকা হাজৰিকা

*****

মানুহ জন্মতেই দুষ্ট নহয়, সি বেমাৰী হোৱাৰ দৰে পিচতহে দুষ্ট হয়।

—ভল্টেয়াৰ





# EDUCATION RESEARCH IN IN HIGHER EDUCATIONAL INSTITUTIONS OF RURAL AREAS WITH SPECIAL REFERENCE TO ASSAM IN THE CONTEXT OF SOCIETY

*Dr. Bonti Phukan Sonowal*

Education research is a careful and critical enquiry or examination in seeking facts or principles of educational problems. In this write up an attempt is made to understand directly with the colleges in rural areas of Assam which present a great challenge to our society. It can properly concern itself with such matters as student development, class organisation, teacher-student relationship, interaction with the community, curricular matters, teaching techniques and many matters.

**Concept of Education and Purview of Higher Education :-**

The aims of education go on changing with the time. Rigveda says, "Education is something which makes man self-reliant and self-less." According to Aristotle, education means, "Creation of a sound body." It is for life and through life. In the wider sense education includes the development from infancy to maturity. That is why, education involves all aspect of life - knowledge, vocational or social training, self-development or socialization.

Higher education focuses educational endeavour on four main areas.[1]

(i) Class room learning (knowledge)
(ii) Research (New knowledge)
(iii) Examination (Output in knowledge)
(iv) Service to society (application of knowledge)

Therefore, learner and the educator must both aim at and move towards this goal. Similarly, the UNESCO also pointed out the four pillars of knowledge.[2] They are -

1 & 2. Dr. Sistla Rama Devi pani (ed), University News, 45 (31), July 30 - Aug 05, 2007.

(i) Learning to know (tools of comprehension)
(ii) Learning to do (to be able to interact with the environment)
(iii) Learning to live with others (participate and cooperate with others in all human activity)
(iv) Learning to be (it being the essential way which integral the presious three processes of learning.

In that sense, education and knowledges should be utilized for the welfare and economic development of the people as well as the state.

The institutions of higher education includes first and second grande colleges, professional colleges, technical colleges and the university classes, imparting instruction for post - graduate students and research institutions. And higher educational institute are to generate knowledge, creativity and intellectual development. It has the purpose of improving of human life.

**The Present Scenario of Higher Education Institutions in Assam :-**

As of today, therer are 5 universities, 1 deemed university and 328 colleges. These are -

| Sl. No. | Universities / Deemed University | Nos. of Colleges under the following University |
|---|---|---|
| 1. | Assam Agricultural University, Jorhat | 6 |
| 2. | Assam University, Silchar | 48 |
| 3. | Gauhati University | 165 |
| 4. | Dibrugarh University | 109 |
| 5. | Tezpur University | 0 |
| 6. | Indian Institute of Technology, Guwahati | 0 |

The table. 1 shows the numbers of the educational institution, in Assam, 2004 - 2005

| Sl. No. | Type of Institution | Number |
|---|---|---|
| 1. | University | 5 |
| 2. | Institute of National Importance | 1 |
| 3. | College for General Education | |
| (a) | Arts. Science and Commerce College | 317 |
| (b) | Junior College | 125 |
| 4. | College for Professional Education | |
| (a) | Agriculture and Forestry | 2 |
| (b) | Engineering | 3 |
| (c) | Law | 20 |
| (d) | Veterinary | 2 |
| (e) | Medical College (including Homeo/ Ayurvedic/Dental/Pharmacy/Nursing) | 7 |
| 5. | School for General Education | |
| (a) | Higher Secondary School | 620 |
| (b) | High/post Basic School | 4629 |
| (c) | Middle/Senior Basic School | 8143 |
| (d) | Primary/Jr.Basic School | 30068 |
| (e) | Pre-primary/Pre Basic School | 199 |
| 6. | Institution for Professional Education (Under Graduate) | |
| (a) | Politechnic Institution | 8 |
| (b) | Technical Industrial Arts and Craft Schools. | 32 |
| 7. | Teachers Training Institution | |
| (a) | Teachers Training College | 40 |
| (b) | Teachers Training School | 1 |
| 8. | School for Vocational Professional Special and other Education | |
| (a) | Commerce | 36 |
| (b) | Music and Dancing | 43 |
| (c) | Arts and Craft | 26 |
| (d) | Junior Technical | 6 |
| (e) | Handicapped | 5 |
| (f) | Juvenile Delingquent (Jail School) | 4 |

The table 2 shows the total enrolment by courses / stages of studies in Assam 2004-05.

## TOTAL ENROLMENT BY COURSE / STAGES OF STUDIES IN ASSAM 2004 - 2005

| Sl. No. | Course / Stage | Total Enrolment | | S. C. | | S. T. | |
|---|---|---|---|---|---|---|---|
| | | Total | Female | Total | Female | Total | Female |
| 1. | Ph. D/D. Phil / M. Phil/DSc. | 752 | 323 | 25 | 10 | 46 | 19 |
| 2. | M. A. | 7531 | 3367 | 579 | 230 | 729 | 281 |
| 3. | M. Sc. | 3994 | 1324 | 298 | 100 | 311 | 102 |
| 4. | M. Com. | 1094 | 219 | 119 | 27 | 88 | 15 |
| 5. | B. S. & B. A. (Hon) | 144605 | 57985 | 13512 | 5104 | 21277 | 7694 |
| 6. | B. Ax. & B. Sc. (Hon.) | 31507 | 5340 | 2219 | 543 | 2311 | 599 |
| 7. | B. Com. & B. Com. (Hon.) | 16696 | 2387 | 1840 | 415 | 2104 | 592 |
| 8. | B. E. & B. Sc. (Engg.) | 3810 | 350 | 445 | 83 | 417 | 76 |
| 9. | B. Ed. / B. T. | 2387 | 957 | 275 | 81 | 317 | 136 |
| 10. | M.B.B.S. (Alophathy) includ--ing Ayurvedic / Homeo / Dentistry/Nursing / Pharm-acy | 2556 | 791 | 190 | 53 | 378 | 100 |
| 11. | Management Course | 213 | 73 | 20 | 5 | 15 | 4 |
| 12. | L. L. B. / L. L. M. | 7165 | 1576 | 609 | 196 | 519 | 162 |
| 13. | Agriculture & Forestry | ---- | | | | ---- | ---- |
| 14. | Politechnic (Diploma) | 4500 | 505 | 353 | 58 | 315 | 41 |
| 15. | Technical, Industrial Arts and Craft School | 4560 | 762 | 505 | 138 | 830 | 333 |

*Source : Selected Educational Statistics, 2004 - 2005. Govt. of India*

### Employment and Unemployment Scenery in the field of education (General, professional, technical)

The rapid expansion of higher education has created many more problems than it has solved. The present system of higher education is very rigid and structurally formal, perpetuating social disparity, discrimination and economic inequality. In the sense of employment. The planners of higher education are handicapped in the assessment of the actual labour market needs for skills in various sectors of the economy. That is why, the most alarming feature of the state is the growing employment problems. The job-seekers specially educated job-seekers are increasing day by day.

The table 3 shows the number of registration, Placement and number in live register by level of education in Assam.

**TABLE 3**

Distribution of Educated job seekers

**NUMBER OF REGISTRATION, PLACEMENT AND NUMBER IN LIVE REGISTER BY LEVEL OF EDUCATION IN ASSAM, 2005**

| Level of Education | Registration | Placement | No. of the Live Register |
|---|---|---|---|
| 1. Engineering Graduates | 97 | 1 | 1859 |
| 2. Medical Graduates | 43 | 1 | 529 |
| 3. Agricultural Graduates | 43 | 2 | 1127 |
| 4. Veterinery Graduates | 89 | 2 | 413 |
| 5. Post Graduates | 1883 | 7 | 16479 |
| 6. Graduates | 16432 | 10 | 194911 |

### The present scenario of Assam and problems of the educated youth living in the rural areas of Assam.

Assam is an agricultural state. Assam is under-urbanised. The population in the state is predominately rural in character. The percentage of people living in the rural area of Assam is almost 75-80. The economy of the region is dominated by Agriculture and allied activities. Of course, Assam, the largest economy in

the north east, has a relatively well developed and diversified educational infrastructure as compared to other state in the north eastern region. Henceforth, it is true that the present seenary of rural areas of Assam are very pitiable. There are a serious lack of educational facilities, lack of proper communication, health and hospitality, lack of mass media, internet, computer facilities and even lack of availability of electricity also. Moreover, proverty is also burning problem of rural areas.

For ages our villages have been neglected. The village has declined and is declining. On other hand, rural development is the most of the developing countries has remained an illusion agenda. In this situation, the educated youths living in the rural areas are confronting various problems like lack of peer groups, proper guidance and counselling, lack of sources of information and so and so forth.

**Education and the role of the rural higher educational institutions :**

We are partically realised that "our education is mostly information based the information to be stored in mind, temporarily used in examinations. and in interviews for white-colour jobs and to be conveniently forgotten. "[4] That is why, education does not become part of our life. It does not mould or regulate our lives and thought processes. Currently, higher education is partially inefficient and loss making industry in Assam.

A person equipped with the higher education has not learnt the basic art of survival. Actually the institutions of higher education are not related to the greater social needs at present. Our institutions have, to a grat extent, been responsible for depriving our villages of the best talent and strangulating the community life therein. On other hand, rural institues and other institutions primarily meant for rural areas do not receive sufficient support and encouragement. Higher education will be socially relevant if it is associated with special productive opportunities for it are open for all. Now-a-days, higher education is meant for only a particular class of people. The majority of the poor people and even middle class people can not afford the expenditure for getting higher education. Subsequently brilliant students having no capacity to go to specific educational

4. B. B. Kumar, Higher Education in North East India, p. 7





institutions and are deprived of higher education. Henceforth, the rural educational institutions should must undertake some urgent steps to improve the productive efficiency and raise the standard of living of the people, Similarly, the state should come forward to help poor students who can not afford to study professional courses in private instituties. Generally the state plays a key role in the spread of literacy and growth of education. Nevertheless the govt inslst the institution of higher education need to be self-reliant. As a result, the environment of educational institution has changed into an industrial environment. It is hampering the quality improvement in education. Side by side one important issue is that institutions of higher education are not free from dierct or indirect indirect influence of political power. Increasing political influence in education is quite for the future of the society. Above all, the current wave of liberalisation, privatisation and globalisation perculate on very sector of our economy including higher education. In this respect the state is an obstacle towards human liberty and freedom. Thus, the rural institutions of higher education must be planned and conducted according to the need of village community. Such as (i) The rural college should create social understanding and ability to solve social problems. (ii) They should undertake vocational guidance and cultural programmes. (iii) The village youth should be educated in those things in which he is interested and those occupations to which his daily life is related. (iv) Such co-curricular activities should be provided as would result in the improvement or village houses and village community. (v) Lectures, drammas, music etc should be organised in otder to remove social evils.

At all, education should be the widest road leading to the solution of all our problems. The higher educational institution should have social mobilization like out-reach programme, awareness programme for the welfare of the society. Of late, there are so many rural colleges which are not directly related to the society. The practical scenario of such a higher educational institution of Dibrugarh may be pointed out to draw a vivid picture of an rural area. Dibru College, Dibrugarh is situated at Boiragimoth and established in 1963. But the surrounding areas of the college are yet to be developed. The inhabitants of that "Pacca line" (labour line) adjacent to Dibru College Campus clear their bowels by the side of the approach road to the college and as a result of this area has become

unhygenic and unpleasant and as such the people residing in this area and the pedestrians have to face much inconvenience due to bad odour and area has become unhygenic. The said people always create public nuisance as there are many unauthorised country liquor shops inside the labour line. In this situation, the members of CHINTION (NGO), shishu and Mahila KALyan Group, a socio cultural organisation persistently informed to the district administrative machinary.But the administrative authority never undertake any step for rapid social change. Thus the sole and most essential duty of such institutions are to take some initiatives and responsibility for reorientation of behaviour of the people and social progress by the help of education.

In this situation, the rural colleges can do a lot in the rural reconstruction. For the programme of rural reconstruction, education of the massess in villages is absolutely essential. Undoubtedly society and education are intimately related. In real sense, the health, wealth and happiness of our country depend upon the prosperity of village. So, Robindranath Tagore and Mahatma Gandhi also gave particular attention to establishment of comprehensive institutions for the rural people starting at the early childhood level going upto the highest.

After above discusion, it becomes quite cleas that higher education can be achived if higher education in state is planned on the basis of (i) Costbenefit effectiveness (ii) Linkage with the economic policy (iii) Supplier of needed human resources to each and every field of the society.

In conclude we can say that we are expected a harmonius, peaceful and democrative society. And education, therefore should be life-centred. As political, social, economic condition change and new problems arise, it becomes necesary that the aims of education at different stages should be carefully re-examined and restated.

❋❋❋❋❋❋❋❋





# "জাতীয় সংস্কৃতি ৰক্ষাত নৱ-প্রজন্মৰ ভূমিকা"

শ্রীপ্রাঞ্জল কলিতা
উঃ মাঃ দ্বিতীয় বর্ষ (কলা শাখা)

*— চিৰ চেনেহী মোৰ ভাষা জননী, নৱ প্রজন্মক তোমাৰ বুকুত সোমায় —*
*অসমীৰ ঐতিহ্যক দিয়াহে চিনাই। অন্যথাই মৰম আকলুৱা, চঞ্চলা, চপলা সোনাইক আমাৰ*
*পশ্চিমীয়া প্ৰৱাল সোঁতে নিবধে উটাই।।*

আজিৰ একবিংশ শতিকাৰ উচ্ছৃংখল যান্ত্রিকতা, ভোগবাদৰ চৰম চাকনৈয়া, পশ্চিমীয়া ধঙৰ ধাম সুমিয়াত মানবীয় প্রমূল্যবোধৰ অৱক্ষয় ঘটিছে। আধুনিক যুগৰ বিজ্ঞান তথা প্রযুক্তি বিদ্যাৰ চমকপ্রদ কৌশলেও এনে অৱক্ষয়বোধ কৰাত ব্যর্থ পৰিলক্ষিত হৈছে। ভাৰতীয় তথা অসমীয়া ঐতিহ্যৰ প্রতি উদাসিনতাই এনে অৱক্ষয়ৰ কাৰণ আমাৰ অনুমান হৈছে। সেয়ে আমি দুস্কৃতি আঁতৰাই 'সংস্কৃতি ৰমাত নৱ প্রজন্মৰ ভূমিকা'ৰ বিষদ আলোচনা সময়োচিত বুলি বিবেচনা কৰিছো।

গ্রীক দার্শনিক চক্রেটিছে এথেন্সক এখন পূর্ণাঙ্গ ৰাজ্য সজোৱাৰ মানসেৰে দেশৰ যুৱ সম্প্রদায়ৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু সেয়ে বাটে ঘাটে যুৱক যুৱতী সকলক সংস্কৃতিৰ সভা বুজাই দিছিল। বর্তমানৰ ভাৰতীয় ৰাষ্ট্রপতিয়ে ভাৰত বাসীৰ হকে দিয়া ভাষণতো আমি তাৰে ইঙ্গিত পাওঁ। সেয়ে প্রত্যেক অভিভাৱক, শিক্ষানুষ্ঠান সমূহৰ কর্মকর্তা সকল, সমাজৰ কর্ণধৰ সকলে নৱ প্রজন্মক জীৱন পৰিক্রমাৰ সচাঁ সমল যুগুতোৱা উচিত বুলি আমি ভাৱো।

সংস্কৃতি ৰক্ষাত ভূমিকা লোৱাৰ পূর্বে সংস্কৃতি মানে কি? তাৰ উৎস ক'ত? ইত্যাদি প্রশ্ন যুৱ-সম্প্রদায়ৰ সন্মুখত উদয় হ'ব লাগিব। 'সম' উপসর্গৰ লগত কৃ ধাতু আৰু ভিন্ন প্রত্যেয় যোগ হৈ সংস্কৃতি শব্দটি সাধিত হৈছে। সংস্কৃতিৰ অর্থ ব্যাপক। ধর্ম, ভাষা, সাহিত্য, নৃত্য-গীত আচাৰ-অনুষ্ঠান সমূহৰ ৰীতি-নীতিৰ ক্রমবিকাশিত যি পৰিমার্জিত ৰূপ সেয়া হৈছে সংস্কৃতি। সংস্কৃতি সমাজৰ দান। যুগ জোৰা সাধনাৰ অন্ততহে সংস্কৃতিৰ আগমন ঘটাব পাৰিছিল মানৱে। ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ উৎস বেদ, পুৰাণ সমূহ। বেদৰ সাৰ ভাগ গীতা। সর্বশাস্ত্র শিৰোমণি গীতাত সন্নিবিষ্ট আছে স্বয়ং ভগৱানৰ বানী। গীতা শাস্ত্রমণিক বিবেক বা নীতি শাস্ত্র বুলি কোৱা হয়।

শান্তি প্রগতিৰ প্রথম পদক্ষেপ। বিবেক, সৎ শান্ত জনেহে প্রগতিৰ পথেৰে আগবাঢ়িব পাৰে। সাম্প্রতিকত অসমবাসীয়ে যি অশান্তি ভূগিছে তাৰ নিশ্চয় কেতবোৰ কাৰণ আছে। ৰাজনীতি, সমাজনীতি, ধর্মনাতিৰ গুৰিয়াল সকল কিন্তু এই ক্ষেত্রত যথেষ্ট জগৰীয়া, কিয়নো এই সকলে অসমৰ বৃহৎ স্বার্থ পূৰণতকৈ ক্ষুদ্র স্বার্থ পূৰণতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। পৰিয়ালৰ মূৰব্বী পিতৃয়ে নিজৰ চিন্তা কৰে, পৰিয়ালত অশান্তি অনিবার্য। ঠিক সেইদৰে দেশৰ মূৰব্বী সকলেও কেৱল নিজৰ ক্ষুদ্র স্বার্থ পূৰণত গুৰুত্ব দিলে দেশত অশান্তি হোৱাটো নিশ্চিত। পৰিয়ালত কোনো সন্তান অসৎ কার্মত লিপ্ত হ'লে, যি কোনো প্রকাৰে পিতৃয়ে সৎ পথলৈ অনাৰ দিহা কৰে, মদপী বা ভঙুৱা পুত্রক মদ, ডাঙৰ যোগান নধৰে। কিন্তু ৰাজনীতিবিদ সকলে সংস্থাপনৰ দোহাই দি যুৱ সম্প্রদায়ক মদৰ দোকান খুলিবৰ বাবে অনুমতি দিয়ে। তেনে সংস্থাপনে সমাজৰ আর্থিক দিশ টনকিয়াল হ'লেও নৈত্তিক দিশ নিম্নগামী হ'বই ই নিশ্চিত। 'ধনাৎ ধর্ম মূলম' ধনেই ধর্মই মূল হ'লেও ব্যৱহাৰিক দিশ অসৎ হ'লে অশান্তিৰ পৰিমানহে বাঢ়ে। অৱশ্যে এতিয়াও সমাজৰ সিংহ ভাগ মানুহেই ভেড়াৰ জাপেৰে জীৱনৰ ঢাপ বোৰ পাৰ হোৱাৰ যত্ন কৰি আছো ভাবি নাচাও কিয়? এজন চিকিৎসকৰ পুত্রই চিকিৎসা বিষয় নপঢ়াকৈ চিকিৎসক হ'ব নোৱাৰে, ঠিক তেনেদৰে ব্ৰহ্ম শক্তি অধ্যয়ন নকৰাকৈ ব্রাহ্মণৰ পুত্র হ'ব নোৱাৰে।

তেনেহ'লে কিয়নো তেওঁৰ দ্বাৰা পুস্পিতা হোৱা কন্যা শিশুটিক পাপৰ বাবে প্ৰায়চিত্ত কৰাও? মৃতকৰ সদগতিৰ বাবে মৃতকে ব্যৱহাৰ কৰা সকলো সামগ্ৰী পুৰোহিতক দিও কিন্তু পিতৃয়ে আটাইতকৈ বেছি ব্যৱহাৰ কৰা মাতৃ গৰাকীক নিদিও কিয়? আমি ভাৱো-এনেধৰণৰ কৰ্মৰ ফলতে হয়তু সমাজত অশান্তিৰ ধুমুহা বলিছে। জাতিভেদ উচ্চ-নীচ ভাৱ প্ৰকট হৈ পৰিছে ফলত ব্যাহত হৈ পৰিছে সমাজৰ অনাবিল শান্তি। দৰিদ্ৰ বুভুক্ষজনৰ নৰকংকালৰ ওপৰত ধনী শ্ৰেণীয়ে নিৰ্মাণ কৰিছে প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা। প্ৰকৃত বিচাৰালয় নাই-আছে মাথো ধনৰ, সেয়ে হত্যাকাৰী হলেও ধন থাকিলেই ফাঁচীৰ পৰা বাছি যাব পাৰি। মৰণ মাথো দৰিদ্ৰজনৰ। কিন্তু এই কথা সত্য যে সাধুতাৰ বিনাশ নাই। দুৰ্ভাগ্য আমি সাধু হ'বলৈ শিকা নাই ৰামায়ণ, মহাভাৰত, গীতা, ভাগৱতৰ সাৰ কথালৈ কান দিয়া নাই মাথো ভাটৌৰ দৰে মাত মাতিছো।

পঞ্চদশ শতিকাতে শ্ৰীমন্ত শংকৰদেৱে ভাৰতবৰ্ষ ভ্ৰমণ কৰি বেদ বেদান্তৰ সাৰ বুটলি অসমীয়া জাতিৰ সংস্কৃতিৰ ভৰাল চহকী কৰিছিল। কিন্তু অযোগ্য সন্তানৰ হাতত আজি সেই ভৰাল উদং। নাই কোনো বিজ্ঞান সন্মত বিশ্লেযন। পৰম্পৰাৰ দোহাই দি তথাকতিত শীৰ্ষস্থানীয় ব্যক্তিয়ে আজিও স্বীকাৰ কৰি আছে পূৰ্ব পুৰুষৰ অন্ধ আনুগত্য। ভৰতীয় তথা অসমীয়া সাহিত্যৰ সমল লৈছে ৰামায়ন মহাভাৰতৰ বুবুৰ পৰা। গতিকে এই মহান গ্ৰন্থ সমূহৰ নীতি বচন বাদ দিলে ভাৰতীয় তথা অসমীয়া সংস্কৃতিত অচিৰেই দুষ্কৃতিৰ আগমণ ঘটিব। শ্ৰীমন্ত শংকৰ দেৱে দি যোৱা সংস্কৃতি হৈছে-'কৃষ্ণ' সংস্কৃতি। কৃষ্ণ শব্দৰ বৈয়াকৰণিক অৰ্থ হৈছে সংস্কৃতি। কৃষ্ণ শব্দটি সাধিত হৈছে - কৃষ্ণ + ন পদে। কৃষ্ণ শব্দ কৰ্ষণ ৰ লগত জড়িত। শাৰীৰিক বা মানসিক যি কোনো কৰ্ষনেই কৰ্ম। অৰ্থাৎ কৰ্মই মানৱ ধৰ্ম। কৰ্মৰ লগত ধৰ্মৰ কল্যান মাৰ্গৰ কৰ্ম নহয়। স্থান কালৰ প্ৰতি লক্ষ্য ৰাখি কৰা কৰ্মহে কল্যান মাৰ্গত পৰে আৰু কল্যান মাৰ্গী কৰ্মইহে সংস্কৃতিৰ সপোন ৰচিব পাৰে।

বৃহত্তৰ অসম নিৰ্মাতা শংকৰদেৱে অসমত প্ৰৱৰ্তন কৰিছিল "এক শৰণ হৰিনাম ধৰ্মৰ"। এই নামধৰ্মত কৰ্মকাণ্ড পৰিত্যজ্য। তৃতীয় বিশ্বৰ দেশ ভাৰতবৰ্ষ তথা অসম গ্ৰীষ্ম প্ৰধান দেশ। সেয়ে এই দেশৰ জলবায়ু কৃষি কৰ্মৰ উপযোগী। আনফালে ভাৰতবৰ্ষই সত্য, ত্ৰেতা, দ্বাপৰ যুগ অতিক্ৰমি কলি যুগত প্ৰবৰ্ত্তিছে। সেয়ে শতস্বৰ নিৰ্মিত কৃষ্ণ সংস্কৃতিৰ আশ্ৰয় লবই লাগিব কলি যুগৰ মানৱে। কলিযুগৰ নাম ধৰ্মত কৃষ্ণ নাম ব্যতিৰেকে হোম-যজ্ঞ, শ্ৰাদ্ধ পিণ্ডৰ সাৰ্থকতা নাই। বাছি বাছি পঢ়া কিতাপে মানসিক উৎকৰ্ষ সাধন কৰাৰ দৰে, বিচাৰ বিশ্লেষণ কৰি কৰা কৰ্মইহে জগতৰ হিত সাধিব পাৰে।

চাৰি বেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণৰ আধাৰত যি ভাৰতীয় হিন্দু ধৰ্ম গঢ় লৈছে এই ধৰ্মত মূৰ্তি পূজাৰ ব্যৱস্থা নাই। উপনিষদ কালীন সংস্কৃতিৰ গৱেষক ত্ৰ বাৰ্থ, ডঃ যোগিৰাজ বসু, ডঃ ৰাজেন্দ্ৰ কুমাৰ ত্ৰিবেদীয়ে গৱেষণাৰ অন্তত মত আগবঢ়াৰ যে বেদ ধৰ্ম মূৰ্তি পূজামূলক নহয় আৰু হবও নোৱাৰে। নিৰাকাৰ, নিৰঞ্জন ভগৱান তেওঁৰ কোনো প্ৰতিমা নাই, গতিকে মূৰ্ত্তি পূজা অৰ্থহীন। সংস্কৃতিৰ দুটা অৱস্থা থাকে-এটা বাহ্যিক আনটো আন্তৰিক। পবিত্ৰতা, সদাচাৰ,শিষ্টতা, নম্ৰতা আদি বাহ্যিক বা বহিঃসংস্কৃতিৰ অন্তৰ্ভূক্ত। শ্ৰদ্ধা, দয়া, ভক্তি, ভগৱৎ, প্ৰেম আদি আন্তঃসংস্কৃতিৰ ওপৰত পৰে। যি কোনো সমাজে সভ্যতাৰ পাতনি মেলে বহিঃসংস্কৃতিৰ যোগে। লাহে লাহে বহিঃসংস্কৃতিয়ে গতি কৰে আন্ত সংস্কৃতিলৈ। যেতিয়া বহিঃ তথা আন্তঃসংস্কৃতিৰ ভেটি দৃঢ় হয় তেতিয়াহে সেই সমাজ মান সভ্য সমাজ বা সভ্য জাতি হিচাপে পৰিগণিত হয়।

বৰ্তমান আমি চৌপাশে দৃষ্টি নিক্ষেপ কৰিলেই দেখা পাওঁ বাহ্যিক সংস্কৃতিৰ অধঃপতন। বিজ্ঞানৰ নানান অৱদানৰ বলত দৈহিক ভাৱে প্ৰশস্ত হলেও মন প্ৰশস্ত হোৱাৰ পৰিৱৰ্তে দিনক দিনে সঙ্কোচিত হোৱাহে দেখা গৈছে। মানসিক আৰু অধ্যাত্মিক অধঃপতন ইমানলৈকে বিয়পিছে যে বন্ধুৱে বন্ধুক, ভাতৃয়ে ভাতৃক, পুত্ৰই পিতৃক
স্বামীয়ে স্ত্ৰীক হত্যা কৰিবলৈ অকনো কুণ্ঠাবুধ নকৰে। এইয়া জানো সভ্য জাতিৰ সংস্কৃতিৰ ইঙ্গিত? আটাইতকৈ পৰিতাপৰ কথা যে বহিঃঅথবা আন্তঃসংস্কৃতিৰ চৰ্চা কেৱল বয়োজেষ্ঠ লোকৰহে কাম হব পাৰে বুলি আজিৰ পৰা পাঁচশ বছৰৰ আগতেই চিন্তা কৰিছিল শংকৰ, মাধৱ দুয়োজনা গুৰুৰ ওপৰিও সচেতন সাহিত্যিকে। সেয়ে সাহিত্যৰ মাজেদি তেওঁলোকে সমাজক বুজাবলৈ যত্ন কৰিছিল-জীৱন পৰিক্ৰমাৰ প্ৰাৰম্ভতে সংস্কৃতি চৰ্চাৰ গুৰুত্ব। শুদ্ধ বাট চিনি ললেহে আগুৱাই গৈ লক্ষ্যস্থান পাব পাৰে। তাৰ প্ৰমান পাও-শংকৰ দেৱ ৰচিত কীৰ্ত্তনৰ "প্ৰহ্লাদ চৰিত্ৰ" নামৰ অধ্যায়ত প্ৰহ্লাদে দৈত্য শিশু সকলক কোৱাৰ ছলেৰে-গোটেই যুৱ সম্প্ৰদায়লৈকে পৰামৰ্শ দিছে যে-কলি যুগৰ মানৱ অল্পায়ু। খুব বেছি এশ বছৰহে তেওঁলোকৰ জীৱন কাল হ'ব পাৰে। এশ বছৰৰ আধা ভাগ(৫০) ভাগ নিদ্ৰাত যায়। জন্মৰ পৰা বিশ (২০) বছৰ লগৰ লগৰীয়াৰ সৈতে ওমলোতেই যায়। মাত্ৰ দহ বছৰ পাই ধন উপাৰ্জনৰ বাবে। শেষৰ বিশ বছৰ কাল বৃদ্ধকালে সামৰি লয়। নানান ৰোগ ব্যাধিয়ে জীৱন অচল কৰি তোলে-গতিকে আত্মিক উন্নতি, পৰিয়ালৰ তথা সমাজৰ হিত সাধিব পৰা নীতি নিৰ্দেশনাৰ অৰ্জন কৰিবলৈ সময় নোহোৱা হয়। সেয়ে শিশু সকলৰ কুমাৰ কালৰ পৰাই ভাগৱত ধৰ্ম চৰ্চা কৰি জীৱনৰ বাট সেন্দুৰীয়া কৰি লোৱাৰ নিৰ্দেশ দিছে। যি শিশুৱে সৰু কালৰ পৰা সংস্কৃতিৰ চৰ্চা কৰে-অচিৰেই তেওঁৰ জীৱন ধন্য হ'বই। ৰজাই ভাল দেখে যাক ভেটিও নালাগে তাক। কৃষ্ণ সংস্কৃতি ৰাজ মাৰ্গ। গতিকে ৰাজ মাৰ্গ গ্ৰহণ কৰি জীৱন পৰিক্ৰমাত আগবাঢ়িলে তেওঁক কোনো দুষ্কৃতিয়ে আক্ৰমণ কৰিব নোৱাৰে। সুনীতি পুত্ৰ ধ্ৰুৱই তাৰ জলন্ত প্ৰমাণ।

সাম্প্ৰতিক কালৰ যি অধঃপতন-এই অধঃপতনৰ পৰা সন্তানক বচোৱাৰ গুৰু দায়িত্ব আহি পৰিছে মাতৃ সকললৈ। আজিৰ যুৱতী অৱস্থাৰ পৰাই সৎ নীতি নিয়মৰ অৰ্জন নিতান্তই প্ৰয়োজন। তেতিয়াহে সৎ এগৰাকী হোৱাৰ যোগ্যতা অৰ্জন কৰিব পাৰে। পোছাক-পৰিচ্ছদ, চাল স্থিতি, প্ৰলয়ৰ কৰ্ম সম্পাদন কৰে। তেনে স্থলত বাকী জীৱ সকলে কেনেকৈ নীতি বহিভূত কৰ্ম কৰি জীৱন পথত অগ্ৰসৰ হ'ব পাৰিব? শুনিবলৈ পোৱা যায়-শিক্ষিত- মহিলাৰ ভাষ্য-শিৰৰ সেন্দুৰ, ওৰণি সতীৰ পৰিচয়-নহয় তেতিয়াহ'লে পতিৰ পৰিচয়ত তেওঁলোকৰ কাযত নাই। শিৰৰ সেন্দুৰ তথা ওৰণি গুচাই পুনৰ জীয়ৰী হোৱাৰ চেষ্টা চলোৱা মহিলাৰ বাবে বিবাহ বান্ধোন, মাতৃত্বৰো অৰ্থ নাই। কিন্তু সজাত সোমাই থোৱা পক্ষীকহে মাত শিকাব পাৰি-উৰণীয়া পক্ষীক নোৱাৰি। সেয়ে-সৃষ্টি ৰক্ষাৰ হেতু, নীতি-শৃঙ্খলা-অটুট ৰাখিবৰ বাবে সমাজে বিবাহ নামৰ এটি বন্ধনৰ নিয়ম কৰিছে। নিয়মৰ প্ৰয়োজন নাই বুলি ভাবিলে মানৱ পুনৰ ডাৰউইনৰ বান্দৰৰ স্তৰলৈ অচিৰেই গতি কৰিব, সেইয়া জানো সভ্য মানৱৰ কামনা? কেতিয়াও নহয়। সংস্কৃতিৰ প্ৰতি সচেতন ব্যক্তিৰ কামনা নিজক মানৱৰ পৰা উত্তৰণ ঘটাই অভিমানৱ,মহামানৱ ৰূপে সময় বালিত খোজ ৰাখি যোৱা। সেয়ে কাতৰ অনুৰোধ-আহক আমি সকলোৱে প্ৰবীণ চামৰ জীৱনৰ অভিজ্ঞতাক শ্ৰদ্ধাৰে আদৰি জীৱন পথৰ সহযাত্ৰী হওঁ।

********

ড ° ৰাধাকৃষ্ণণ

অতি সামান্য কামকো ঘৃণা কৰা উচিত নহয় যি মানুহে অতি সৰু কাম কৰে, তেওঁ ডাঙৰ কাম কৰাজনতকৈ অলপো সৰু নহয়। কৰ্ত্তব্যৰ ধৰণ দেখি নহয়, কৰ্ত্তব্য সাধনৰ ধৰণ দেখিহে মানুহক বিচাৰ কৰিব লাগে।

# “এইড্‌ছ” (AIDS)

দীপৰেখা কোঁৱৰ
স্নাতক দ্বিতীয়বৰ্ষ (ৰসায়ন বিভাগ)

AIDS এক নিঃশব্দ মৃত্যুৰ নাম, এক ভয়ংকৰ মহামাৰী নাম আৰু বৰ্তমান সময়ত AIDS ৰ বিষয়ে জনাতো আমাৰ অভিযান চলাই থকা হৈছে তথাপি আমি বহুতে এই ক্ষেত্ৰত সজাগ হ'ব পৰা নাই। তাৰ কাৰণ হয়তো এই ক্ষেত্ৰত নিৰক্ষতা আৰু বহুতো প্ৰাপ্তবয়স্কয়ে নিজৰ সন্তানক যৌন শিক্ষা দিব নিবিচাৰে। ফলত বহুতো অভিযান ব্যৰ্থ হৈ পৰিছে। কিন্তু আমি এই নিঃশব্দ মৃত্যুৰ বিষয়ে জনাতো খুবেই প্ৰয়োজন।

AIDS ৰ সম্পূৰ্ণ নাম হ'ল Acurired Immune Detriency Syndrome! ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হোৱা ই এবিধ সংক্ৰামক ৰোগ। আমেৰিকা যুক্তৰাষ্ট্ৰত ১৯৮১ চনত প্ৰথমে নিৰ্ণীত হোৱা এই ৰোগ এতিয়া উত্তৰ আৰু দক্ষিণ আমেৰিকা মহাদেশ, মধ্য আফ্ৰিকা, পশ্চিম ইউৰোপ আৰু দক্ষিণ পূৰ্ব এছিয়াকে ধৰি প্ৰায়ৰ দেশবোৰতো বিয়পি পৰিছে। এই AIDS ৰ মূলত হ'ল HIV ভাইৰাছ (Human Immune Deficiency Virus)। এই HIV ভাইৰাছ মানুহৰ শৰীৰত প্ৰৱেশ কৰিলে ই টি লিম্ফ'ছাইট নামৰ তেজৰ শ্বেত কণিকাৰ ক্ষতি কৰি মানুহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নিঃশেষ কৰি পেলায়। এই ৰোগত ৰোগীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা একেবাৰেই নাইকিয়া হৈ পৰে আৰু অৱশেষত মৃত্যুক সাৱতি লব লগা হয়।

AIDS ৰোগ এজনৰ শৰীৰৰ পৰা আন এজনৰ শৰীৰলৈ বিয়পে। কিন্তু একেলগে থাকিলে, একেলগে খেলা-ধূলা কৰিলে, একেলগে খাদ্য গ্ৰহণ কৰিলে এই ৰোগ নিবিয়পে। ৰোগীক পৰিচৰ্যা কৰিলেও এই ৰোগ বিয়পিব নোৱাৰে। যেতিয়া HIV বীজাণু সংক্ৰমিত মানুহৰ তেজ (Blood), বীৰ্য (Semen), যোনিৰস (Vaginal Fluid) আদি সুস্থ মানুহৰ তেজ বা শ্লেখা আৱৰণৰ (Mucus membranc) সংস্পৰ্শলৈ আহে তেতিয়াই এই ৰোগৰ সংক্ৰমণ হয়। এই বীজাণুৰ সংস্পৰ্শলৈ কেইবাবাৰো আহিলেহে সংক্ৰমণ হয়।

*AIDS ৰ বীজাণু সংক্ৰমিত হোৱা কাৰণ সমূহ হৈছে-*

১) সঘনাই হোৱা অসুৰক্ষিত যৌন সংগম। বিশেষকৈ সমকামী পুৰুষ সকলৰ ক্ষেত্ৰত এই সংক্ৰমণ আটাইতকৈ বেছিকৈ হয়। উভয়কামী সকলৰ ক্ষেত্ৰতো এই ৰোগ হোৱাৰ বিপদ বেছি। ইয়েই AIDS ৰ প্ৰধান কাৰণ।

২) সংক্ৰমিত বেজীৰে (Syringe) এজন সুস্থ মানুহক বেজী দিলে বীজাণু সংক্ৰমিত হয়। সাধাৰণতে ড্ৰাগছ লওঁতে একেটা বেজীকে ব্যৱহাৰ কৰাৰ ফলত আক্ৰান্ত লোকৰ শৰীৰৰ পৰা নিৰোগী লোকলৈ এই ৰোগ বিয়পে। ড্ৰাগছ সেৱনৰ ইয়ো এটা ভয়াবহ ফলাফল।

৩) HIV বীজাণুৰ দ্বাৰা সংক্ৰমিত মাতৃৰ দ্বাৰা গৰ্ভস্থ সন্তানলৈ এই ৰোগ বিয়পে।

বৰ্তমানলৈকে এই AIDS ৰোগৰ কোনো প্ৰতিষেধক ছিটা এলোৱা নাই যদিও সমগ্ৰ পৃথিৱী জুৰি চিকিৎসা বিজ্ঞানী সকলে এই দিশত গৱেষনা কৰি আছে। সৰ্ব সাধাৰণ মানুহক উপযুক্ত স্বাস্থ্য শিক্ষাদান কৰিহে AIDS ৰোগ নিয়ন্ত্ৰণ কৰিব পৰা যাব। এই ক্ষেত্ৰত সমগ্ৰ বিশ্বতে জনসাধাৰণ সচেতন হ'ব লাগিব। সেইবাবে বিশ্ব স্বাস্থ্য সংস্থাই ১৯৮৮ চনৰ ১ ডিচেম্বৰৰ দিনতো “বিশ্ব এইড্‌ছ দিৱস” হিচাপে ঘোষণাক কৰে।

অৱশ্যে এই ড্‌ছৰ বীজাণুৱে আক্ৰমণ কৰাৰ বহুদিনলৈকে ইয়াৰ লক্ষণসমূহ দেখা নিদিয়ে। সাধাৰণতে আক্ৰমণ হোৱাৰ ৮-১০ বছৰ পাছতহে লক্ষণবোৰে দেখা দিয়ে। সাধাৰণতে ৰোগী সঘনাই কাঁহ, জ্বৰ, পেটৰ অসুখ হৈ থাকে। ৰোগীৰ দেহৰ ওজন কমি আহে, চিন্তাশক্তি হ্ৰাস পায় আৰু ৰোগী জনে এনে অৱস্থাত অতি দুৰ্বল অনুভৱ কৰে আৰু অৱশেষত মৃত্যু হয়।

এই ৰোগৰ সম্পৰ্কে শিক্ষা আৰু সচেতনতাই এই ৰোগ প্ৰতিৰোধ কৰাত বহুখিনি সহায় কৰে। কেতিয়াও পৰীক্ষা নকৰাকৈ তেজ ল'ব নালাগে। যৌন ব্যাধি, অবাধ যৌন সংসৰ্গৰ বিৰুদ্ধে সচেতন হ'ব লাগে। কনডম আদি ব্যৱহাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে শিক্ষা ল'ব লাগে।

আমি যদি আৰম্ভণিতেই এই ৰোগৰ প্ৰসাৰতাক বাধা দিব নোৱাৰো। তেন্তে সমগ্ৰ সমাজক কে বিভীষিকাময় মৃত্যুৰ কৰাল ছাই ছাটি ধৰিব। অৱশ্যে আমি এই ৰোগত আক্ৰান্ত ৰোগীক কেতিয়াও এৰাই চলাতো উচিত নহয়। কাৰণ বহুক্ষেত্ৰত ৰোগী সকলে হীনমান্যতাত ভুগে। গতিকে এনে অৱস্থাত ৰোগীক দেখুওৱা মৰম, চেনেহ, সহানুভূতিয়েই ৰোগীৰ বাবে আটাইতকৈ ডাঙৰ ঔষধ।

...................সহায় লৈ

কামৰুপা মোৰ
সুৱদিসুৰীয়া
অসমীয়া ভাষা
জগত-সভালৈ যাব,
উজ্বল
সুজ্বল
কহিনুৰ পিন্ধি
হাঁহি জ্যোতিৰূপা হ'ব।
ময়ে অসমীয়া
প্ৰাগ্‌জ্যোতিষৰ
ময়ে অসমীয়া শোণিতপুৰৰ
নবীন যুগৰ
কুমাৰ ভাস্কৰ মই
ময়ে অসমীয়া শৰাইঘাটৰ
চোকা-তৰোৱাল লওঁ লাচিতৰ,
মোমাইতামুলী গড়
দুৰ্জ্জয় অগ্নিগড় ময়েই
নাই মোৰ সমসৰ।

— *জ্যোতিপ্ৰসাদ*

গল্প

# "স্বপ্নভংগ"

শ্ৰীদৰ্পণজিৎ কোঁৱৰ
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

বাৰিষাৰ প্ৰথমজাক বৰষুণ দিছে। টংটংকৈ হৰিধনৰ টিন পাতেৰে চোৱা ঘৰটোত বৰষুণে শব্দ কৰিছে এটা সাংকেতিক তালত। ঘৰৰ মাটিৰ পিৰালিতে বহি হৰিধনে মুগ্ধ নয়নেৰে বৰষুণ জাকলৈ চাই আছে। দুদিন আগলৈকে দিয়া টিকা ফটা ৰ'দৰ ফলত চিৰাল ফটা পৃথিৱীখনে আজি যেন বৰষুণৰ প্ৰত্যেকটো টোপালকো শুহি ল'ব। হৰিধনে মনতে ভাৱিলে সিয়ো যেন দৌৰ মাৰি গৈ সৰু হৈ থাকোতে তিতাৰ দৰে তিতিবগৈ আৰু বৰষুণ জাকে ধোৱাই যেন লৈ তাৰ সকলো দুখ,সকলো চিন্তা, সকলো ভাগৰ।

"হেৰি কি ভাবি আছেনো? চাহ ঠাণ্ডা হ'ল দেখোন? কথাষাৰ কৈয়েই জোনালী মানে তাৰ ঘৈণীয়েক বাৰিৰ পাছফালে গ'ল কিবা দুডালমান শাক পাত বিচাৰি। এই যে জোনালী তাইৰ এই ধুনীয়া নামটো অব্যৱহাৰৰ কাৰণেই হওক বা আন কিবা কাৰণতেই হওক বৰ্তমানে বিলুপ্তিৰ পথত। আজিকালি তাই কাৰোবাৰ বাবে হৰিধনৰ ঘৈণীয়েক কাৰোৱাৰ বাবে বৌ, কাৰোবাৰ বাবে খুড়ী, কাৰোবাৰ বাবে বোৱাৰী মুঠতে জোনালী নামটোৱে বৰ্তমানে পুলি পোখাই বাঢ়ি শ্ৰীবৃদ্ধি হৈ এটা বিৰাট ৰূপ ল'লৈগৈ। এতিয়া গছজোপাৰ মূল শিপা জোনালী নামটো ব্যৱহাৰ কৰা লোকৰ সংখ্যা মুষ্টিমেয়। এই প্ৰক্ৰিয়াটোৰ আৰম্ভনি কোনে প্ৰথমতে কৰিছিল হৰিধনেও নাজানে। যি দৰে সি নাজানে কিদৰে সি আৰম্ভ কৰিছিল জোনালীক সিহঁতৰ একমাত্ৰ সন্তান বুবুৰ নাম ব্যৱহাৰ কৰি বুবুৰ মাক বুলি মাতিবলৈ।

"ঔ আই, কি হ'ল আকৌ মানুহটোৰ। পুৱাই পুৱাই জোপোকা মাৰি ভাৱি আছে? বুলো হয়নে, চাহ টোপা চেচাঁ হৈ গ'ল খবৰেই নাই।" কৈ কৈ জোনালীয়ে বাৰীৰ পৰা বুটলি অনা খুটুৰা শাক মোঠা লৈ ভিতৰলৈ সোমাই গ'ল ভাত বনাবৰ বাবে। এৰা,বুবুৰ অলপ পাছতে স্কুললৈ যাবৰ হ'বৈ এতিয়া। তাই ল'ৰাটোক আকৌ স্কুললৈ হওক বা আন কৰৱালেই হওক যোৱাৰ আগতে কিবা দুটামান গৰমে গৰমে খোৱাই নপথালে সুখ নাপায়। মাকৰ মনতো। সিহঁত দুয়োটাৰে এটাই আশা দুয়োটাৰ একমাত্ৰ সন্তান বুবুৱে ডাঙৰ হৈ কিবা এটা ভাল চাকৰি কৰক। চহৰত থাকি কৰা এটা চাকৰি। অৱশ্যে বুবু পঢ়াত বৰ এটা বেয়া নহয়। এল. পি. বৃত্তি আৰু এম. ই. বৃত্তি দুয়োটাই পাইছে। বুবু এইবাৰ ক্লাছ টেনত। অহাবছৰ মেট্ৰিক দিব। স্কুলৰ শিক্ষকবোৰেও আশা কৰিছে বুবুৱে ভালদৰে পাছ কৰিব। হৰিধনেও ভাৱে বুবুৱে হৰেণৰ পুতেকে এই গাওঁৰ স্কুলৰ পৰা ভালদৰে পাছ কৰাৰ পাছত কিবা কৰিব পাৰিলে কৰক। সেইবাবে বুবুক সি খেতি খোলাত বেছি নলগায়। ল'ৰাটোৱে এইকেইদিন পঢ়া-শুনা কৰাও সি দেখিছে। গতিকে এতিয়া প্ৰভু ভগৱন্তই কৃপা কৰিলেই ৰক্ষা আৰু....।

হৰিধনে ঘৈণীয়েকে দি থৈ যোৱা চাহটোপালৈ চালে। কাঁহৰ বাটিত দি থৈ যোৱা এটোপা ৰঙা চাহ। গৰুজনীয়ে গাখীৰ দি থাকোতে অৱশ্যে চাহকেইটোপাই গাখীৰৰ মুখ দেখিছিল। বুবুয়েও খাব পাইছিল আৰু কেতিয়াবা কেতিয়াবা কাৰোবাক কাৰোবাক এপোৱা, দুপোৱা গাখীৰৰ বেচি জোনালীয়ে দুটকা উপৰ্জন কৰিব পাৰিছিল। তাৰে তাই নিজলৈ বুলি গোন্ধোৱা তেল, সেন্দুৰ আদি কিনিছিল। পিছে ভগৱানৰহে বস্তু, এইকেইদিন গৰুজনীয়ে গাখীৰ দিয়া বন্ধ কৰিছে। হ'ব ভগৱানে কৰিলে আকৌ হ'ব। সি লাহেকৈ বাটিটো ধৰি সৰুকৈ শোহা এটা মাৰিলে। এঃ ছেহ, চাহখিনি তেনেই চেঁচা হৈ গ'ল। এতিয়া জোনালীক আকৌ চাহ কৰিবলৈ কৱলৈ তাৰো বেয়া লাগিছে। পুতেকৰ কাৰণে ভাত বনাই থকা অৱস্থাত আৰু আমনি নকৰো বুলি ভাৱি চাহৰ বাটিটোত থকা চাহত সি আৰু এটা শোহা মাৰিলে। চাহখিনি তিতা-তিতা লাগিছে। কৈছিল, জোনালীয়ে কালিয়ে কৈছিল-ঘৰত চেনি শেষ হ'ল বুলি। সিহে বৰ এটা মন কান নকৰিলে। গৰমে গৰমে হোৱা হ'লে যেনে তেনে চাহখিনি খাব পৰা হ'লহেঁতেন কিন্তু এতিয়া চেঁচা, কিছু তিতা চাঁহখিনি বাৰু কেনেকৈ খায়। চাঁহ খিনিতি বোধহয় জোনালীয়ে চেনি থোৱা টেমাটোত পানী ধালি গোলি চাহখিনি মিঠা কৰাৰ উদ্দেশ্য মিহলাই দিছিল। সেইবাবে চাহখিনিত মিঠা আৰু তিঁতাৰে এক অদ্ভুত সংযোগ হৈছে।

খটৰকৈ নঙলাডালত শব্দ হোৱাত সি মূৰ তুলি চালে ৰমেন, যদুহঁত আহিছে। কিয়বা এইকেইটা উলালহি সি মনতে ভাৱিলে। হৰিধনক দেখি সিহঁতে মাত লগালে "কি কৰি আছ" ? নাই এনেয়ে বৰষুণজাক চাই আছো। পিছে কি বা সকামত উলালিহি এই বতৰীয়া বৰষুণত তিতি-তিতি? আহ ভিতৰলৈ আহি তাৰ চৰাঘৰত সজাই থোৱা ৰঙা-নীলা প্লাষ্টিকৰ চকীবোৰত বহি পানীবোৰ টোকাৰ অক্ষম প্ৰচেষ্টাত লিপ্ত হৈ থাকোতে সি ভিতৰত ঘৈণীয়েকক ৰমেনহঁত অহাৰ খবৰ দি বটাটোত তামোল পান আৰু নলীয়া কটাৰীখন হাতত লৈ হেঙেল ভগা কাঠৰ চকীখনত বহি তামোলৰ বাকলি গুচাই গুচাই সুধি গ'ল-"কি হ'ল অ? এই বৰষুণৰ বতৰত তিতি বুৰি এলালিহি যে।" গোটেই কেইটাই কোৱা কথাৰ পৰা হৰিধনে বুজিলে হৰেণৰ পুতেক বোলে কিবা হাকিম হৈ সিহঁতৰ জিলালৈ আহিছে। সি হকিম হ'ল। ডাঙৰ হাকিম। বৰ ক্ষমতা থকা হাকিম। জিলাৰ সদৰত অফিচ থকা হাকিম। কিবা বোলে এচ. ডি. চি. নে কি? তেনেকুৱাই কিবা এটা। গাঁৱৰ ভিতৰত সিয়েই প্ৰথম ডাঙৰ চাকৰি কৰা হাকিম। গতিকে গাওঁখনে মিলি তাক সম্বৰ্ধনা জনাব লাগে। সিয়ো সিহঁতৰ লগত নিজৰ ঐক্যমত প্ৰকাশ কৰিলে।

হৰেণৰ পুতেক হাকিম হৈছে। বৰ ভাল কথা বৰ আনন্দৰ কথা। এতিয়া অন্ততঃ আনগাৱঁৰ মানুহৰ আগত কৱলৈকে হ'ব সিহঁতৰ গাঁৱৰ লৰায়ো হাকিম হ'ব পাৰিছে। হৰেণৰ ঘৰখন এখন তেনেই সাধাৰণ ঘৰ। টোকোলা, ডাল-দৰিদ্ৰ বিশেষণ দিব পৰা এখন ঘৰ। হৰেণৰ পুতেক বাবলুৱে, এঃ ভাল নামটো কি আছি জানো সি পাহৰিছে। মাত্ৰ হৰেণৰ পুতেকৰ চলতি নাম বাবলুটোহে এতিয়া তাৰ মনলৈ আহিছে। বাবলুৱে মেট্ৰিক পাছ কৰাৰ পাছত বাপেকে তাৰ পঢ়াৰ ফালে ইতি পেলাব বিচৰা দেখি গাঁৱৰ ৰাইজখন জাঙুৰ খাই উঠিছিল। "বোলে গাঁৱৰ প্ৰথম ল'ৰা যি ষ্টেণ্ড নে ফিষ্টেণ্ড কৰিছে। সি কিবা টকাৰ অভাৱত নপঢ়িব নেকি? গাঁৱৰ ৰাইজখন কিবা মাৰি হাজি গ'ল নেকি? গাৱঁৰ সন্মানৰ কথা ইয়াৰ লগত জড়িত আছে। সি পঢ়িবই আৰু তাক গাৱঁৰ ৰাইজে।" নীলাম্বৰ মাষ্টৰ যি নিজৰ কাৰণে কোনোদিনেই কাৰো পৰা এপইচাও বিচৰা নাছিল তেওঁৰ নেতৃত্বতেই এখনি সমিতি গঠিত হৈছিল বাবলুৰ পঢ়াৰ বাবে প্ৰয়োজনীয় টকা গোটাবলৈ। সেই সমিতিৰ হৰিধনো সদস্য আছিল। বাবলুৱে চাকৰি নোপোৱালৈকে সেই সমিতিয়ে পঢ়াৰ খৰচ বহন কৰি আছিল। টকা তোলাৰ লগত জড়িত এটা ঘটনা সদায় তাৰ বৈ যাব। সেইটো হ'ল– মেট্ৰিক পাছ কৰাৰ পাছত বাবলুৰ পঢ়াৰ বাবে টকা গোটাই থকা সময়ৰ কথা। সিহঁতৰ গাঁৱৰ আটাইতকৈ দুখীয়া বুলি বিবেচিত জয়া বিধৱাৰ ঘৰটো সিহঁতে নিজৰ চান্দা তোলাৰ হিচাৱৰ পৰা বাহিৰ কৰি দিছিল। টকা গোটাই প্ৰায় শেষ হৈ অহাৰ সময়তে এনি জয়াই আহি কৈছিল– "গাঁৱৰ নাম কৰা ল'ৰা এটাৰ কাৰণে ৰাইজখনে ইমান কৰিছে অথচ মোৰ পৰা চান্দা লোৱা নহ'ল কিয়? মই হতভাগিনীৰ নিজৰ লৰা ছোৱালী নাই গতিকে গাঁৱৰ ল'ৰা ছোৱালী বোৰকেই মোৰ নিজৰ লৰা ছোৱালী বুলি ভাৱি আছো। মোৰ খাৱলৈ নোজোৰে বাবেই মোৰ ল'ৰাটোৰ কাৰণে একো নকৰিম নেকি? এই বুলি তাই কঁকালৰ খোচনিৰ

পৰা টকা পাঁচশ উলিয়াই দিছিল। সিহঁত সকলোৱে জানিছিল এইয়া তাইৰ নাখাই সচাঁ টকা। কিন্তু তাইৰ আগ্ৰহক নেওচা দি তেওঁলোকে তাইৰ পইচা নলও বুলিবলৈ সাহস গোটাব পৰা নাছিল। তাইৰ আগ্ৰহে নীলাম্বৰ পণ্ডিতৰ চকু সজল হৈ পৰা সি দেখিছিল।

সেই গাঁৱৰ ৰাইজে টকা- পইচাৰে সহায় কৰি বাবলুক পঢ়াই থকাৰ মাজতেই বাবলুৱে এদিন চাকৰি পালে। সেইদিনা গাঁৱৰ ৰাইজৰজে কি স্ফুৰ্টি। যেন নিজৰ ল'ৰাইহে চাকৰি পাইছে। চাকৰি পাই বাবলু দূৰৈত চাকৰি কৰিবৰ বাবে গুচি গ'ল। সেই বাবলুৱে আজি তিনি বছৰৰ মূৰত হাকিম হৈ নিজৰ জিলালৈ উভতি আহিছে। হৰিধনে প্ৰায়ে কয় বুবুক কয় বাবলুৰ দৰে হ'বলৈ। যদি এদিন বুবুও হাকিম হব পাৰে তেন্তে ৰাইজে তাকো সম্বৰ্ধনা জনাব। বৰ মুখৰ কথা হ'ব। প্ৰভূ ভগৱন্তই চকু মেলি চালেই হয় আৰু।

আজি বাবলুক সম্বৰ্ধনা জনাবলৈ পতা সভাৰ দিন। সকলো ব্যস্ত হৈ পৰিছে বাবলুক কেন্দ্ৰ.কৰি। বাবলুৰ গুণানুকীৰ্তনে ভৰি পৰিছে গোটেই গাওঁ। সভাখন পৰিচালনা কৰিবলৈ মতা হৈছে নীলাম্বৰ পণ্ডিতক। পিছে নেৰা নেপেৰা বৰষুণে ৰাস্তাতো কিছু বোকা কৰাত উদ্যোক্তা সকল চিন্তিত হৈ পৰিছে। পিছে বাবলুটো এসময়ত বোকা পানী খচকি খেতি কৰি ডাঙৰ হোৱা ল'ৰা সি আৰু এইকন বোকালৈ কেৰেপ কৰিবনে? সি হাকিম হৈছে যেতিয়া এই ৰাষ্টা পকী হ'বলৈ আৰু বেছি দিন নাই।

সভাৰ নিৰ্দিষ্ট সময় পাৰ হৈ গ'ল, বাবলুৰ কোনো দেখা দেখি নাই। কোনো কথা নাই অসমত কিবা কাম বিলাক সময় মতে হয় নেকি? ঘড়ী এঘণ্টাৰ পাছতহে সভাৰ ঘড়ী আৰম্ভ হয়। তাতে সভালৈ এচ. ডি. চি. আহিব। তেওঁ কিবা এলা পেচা মানুহ নেকি? তেওঁৰ কিমান কাম। গতিকে কিছু পলম হোৱা স্বাবাৱিক। তিনি ঘণ্টা মানৰ পাছতো কোনো খবৰ খাতি নহাতহে মানুহবোৰ অলপ বিমূঢ়ত পৰিল। বাবলুৰ কোনো বেমাৰ-আজাৰ হোৱা নাইতো। আজিকালি যিমানহে বেমাৰ উলাইছে। এইদৰে ৰাইজৰ মাজত গুণাগথা চলি থকাৰ আধা ঘণ্টা মানৰ পাছত এখন বগা এম্বেছাদৰ গাড়ী দেখা গ'ল। সকলোৱে কোৱা কুই কৰিলে "সেয়া বাবলু আহিল। সি কিবা নহাকৈ থাকিব পাৰিব নেকি? যিমান কাম থাকক নালাগে সি আহিবই।"

হৰিধনেও মানুহবিলাকৰ লগতে বাবলুক চাবলৈ বুলি গাড়ীৰ ওচৰ পালেগৈ। কিন্তু গাড়ীৰ পৰা নমা মানুহকেইজনৰ লগত দেখোন বাবলু নাই। হয়তো পাছত আহি আছে। কিন্তু মানুকেইজনে কি কৈছে "অপূৰ্ব বৰুৱা ছাৰ আহিব নোৱাৰে। ইমান বোকা।" তাকে কৱলৈকে সিহঁতৰ ছাৰে তাহাঁতক পঠাই দিছে। হৰিধনৰ চাৎকৰে মনত পৰিল বাবলুৰ ভাল নামটো অপূৰ্ব। হৰিধনৰ মূৰটো যেন ঘূৰাই গ'ল। যিটো ল'ৰাই এসময়ত বোকাৰ মাজত ডাঙৰ হৈছিল আজি সেইটো ল'ৰাই বোকাৰ অজুহাতত আহিব নোৱাৰিলে। গাঁৱৰ মানুহখিনিৰ মৰমলৈ বাৰু তাৰ এবাৰো মনত নপৰিলেনে? সি ইমানদিনে বুবুক বাবলুৰ দৰে হ'বলৈ কৈ ভূল কৰিছে। সি আজিৰ পৰা কোনো দিনেই বুবুক বাবলুৰ দৰে হ'বলৈ নকয়। তাৰ পৰিৱৰ্তে সি বুবুক হাকিম হ'বলৈ উৎসাহ দিব ঠিকেই লগতে উপদেশ দিব গাওঁক ভালপোৱা, মাটিৰ গোন্ধক ভালপোৱা, আকাশ ভালপোৱা এজন মানুহ হ'বলৈ।

:::::::





# "স্মৃতি, তই আকউ................"

শ্ৰী গৌৰৱ ফুকন

এতিয়া নিশা ১.৩০ বাজিছে। দুচকুত টোপনিয়ে ঘৰ হেৰুৱাইছে কাহানিবাই। বহুত দিন হ'ল, নিশাৰ নিৰৱতা ভাঙিব পৰাকৈ সুৰ তুলিব পৰা নাই বাঁহীটোত। কথা পতা হোৱা নাই-জোনাকৰ সৈতে। ডায়েৰীৰ পাতবোৰেও মোৰ হাতৰ অনুভৱ স্পৰ্শ কৰা নাই। এৰা, মানুহক সময়ে কোন টলকত ক'লৈ প্ৰক্ষেপ কৰে কোনেও হয়তো নুবুজে। এটা সময় আছিল,তেতিয়া দুচকুত সপোন আচিল, আশা আছিল, আকাশী ৰঙৰ তিৰবিৰণি আছিল। কিন্তু.........।

তেতিয়া মই ডিব্ৰুৰ উচ্চতৰ মাধ্যমিক প্ৰথম শাখাৰ ছাত্ৰ। বুকুত সাহস আৰু চকুত নীলাময় স্বপ্ন লৈ আৰম্ভ কৰিছো মোৰ কলেজীয়া জীৱনৰ অগ্ৰগামী যাত্ৰা। ডিব্ৰুগড়ৰ বৈৰাগীমঠত ভাড়াঘৰত মোৰ এই নতুন যাত্ৰা আৰম্ভ কৰিবৰে পৰা কিছুমান অচিনাকী চৰিত্ৰই ভুমুকি মাৰিলেহি-ৰাজা, ৰূপম, ৰাজীৱ, স্বৰ্নমণি, নীলা, ভাস্কৰ, ঋতু ইত্যাদি। ভাগ্যৰ সৈতে আৰম্ভ হ'ল এখন নতুন যুদ্ধ এখন অলিখিত সংগ্ৰাম জীৱনৰ ভেঁটি প্ৰতিষ্ঠাৰ বাবে, যাৰ সৈতে জড়িত মাঁ-দেউতাৰ বহুতো ৰামধেনু সপোন।

জীৱনৰ ৰেলপথেদি আগুৱাই যাওঁতে কেতিয়াবা চিনাকী ষ্টʼপেজত এৰি অহা স্বপ্নীল মূহুৰ্তবোৰে আমনি কৰেহি আৰু মই এবুকু নষ্টালজিয়াত ডুব যাওঁ।

"নিজৰা কোঁৱৰ"- প্ৰেম ভালপোৱাৰ কথা বুজিবলৈ লোৱাৰ সময়তে লগ পাইছিলো মাগুৰবৰণীয়া, হাঁহিলে টোলপৰা এই ছোৱালীজনীক। গাঁৱৰ সেই তিনিআলিটোৰ মূৰত সদায় বাট চাইছিলো তাই আহিব বুলি। তাইক ভালপোৱাৰ বাবেই কিজানি আকাশৰ প্ৰেমিক হৈ পৰিলো, গানৰ গুনগুননিত ভাল লগা হ'ল। তাইৰ বাবেই মই মোৰ অপৈনত শব্দৰ মিছিলেৰে সাজিব লৈছিলো। গল্প-কবিতাৰ কিছুমান কেঁচা ভাস্কৰ্য। সকলো ঠিকেই আছিল, কিন্তু ক'ৰ পৰা জানো এচমকা ক'লা মেঘে ঘৰ সাজিলেহি? হঠাৎ বৰষুণআহিল আৰু মোৰ প্ৰথম ভালপোৱা উটি-ভাহি ক'ৰবালৈ গুছি গ'ল। ৩০ জানুৱাৰী, ২০০২ এই দিনটোৰ কথা কেতিয়াও পাহৰিব নোৱাৰিম ছাগে। এৰা-সেইদিনাইটো মোৰ মৰমৰ নিজৰাজনীক চিৰদিনৰবাবে হেৰুৱাইছিলো। এবাৰ লগ পোৱাটো দূৰৈৰ কথা মাত এযাৰো দিব নোৱাৰিলো তাইক। কেতিয়াবা খুৱ খং উঠে এই মাক-দেউতাকবোৰলৈ। কেৱল টকা-সম্পত্তি দেখিয়েই কোনো বাচ-বিচাৰ নোহোৱাকৈ ছোৱালী এজনীক আনৰ হাতত বোজাস্বৰূপ। এবাৰো ভাবিব নোখোজে সেই ছোৱালীজনীৰ সপোনবোৰৰ কথা,গৌণ হৈ পৰে তাইৰ ইচ্ছা-অনিচ্ছা, আশা আকাংক্ষাবোৰ।

সময় বাগৰিল। ডিব্ৰুৰ উমেৰে মই তেতিয়া স্নাতক পৰ্য্যায়ৰ ছাত্ৰ। বহুত পালো, বহুত হেৰুৱালো, বহুতো চিনাকী অচিন হ'ল, বহুতো অচিনাকী চিনাকী হ'ল। লগ পালো ক্ষীৰ পিল্টু, দেৱ, গৌৰিত, নিৰজ, বিনীতা, সুৰযু, বন্তি, উৎপল..........ৰ দৰে বহুতো ভাল-লগা,চিনাকী-আত্মিক চৰিত্ৰ। কিন্তু গৌৰিত আৰু নিৰজ-ভাল লাগে ইহঁত দুজনৰ ব্যক্তিত্ব। বহুত ওচৰৰ পৰা জনিছিলো ইহঁত দুজনক। শুনিছিলো বহুতো জীয়া শব্দৰ উচু পনি। নিৰজ সোনোৱাল-এজন প্ৰচুৰ সম্ভাৱনাপূৰ্ণ কৰি। প্ৰতিভা আছে তাৰ। কাকত-আলোচনীত ওলাই লেখাবোৰ। ছবি আঁকে বুলিও জানিছিলো। ডিব্ৰুৰ সানিধ্যত বহুত কথাই পাতিছিলো তেওঁৰ সৈতে। জানিছিলো-তেওঁৰ লিখিত-অলিখিত বহু সোৱঁৰণিৰ দস্তাবেজ আৰু গৌৰিত। জীৱনৰ আলি-পদুলিবোৰত নানা সমস্যাৰে ভাৰাক্ৰান্ত ব্যৰ্থ প্ৰেমিক মোৰ এই বন্ধুজনে কবিতা লিখে কেতিয়াবা। অনুভৱ প্ৰকাশৰ ব্যৰ্থ প্ৰচেষ্টা এয়া তেওঁৰ। তাৰ আকাশী উদাৰতাত মুগ্ধ হয় বন্ধু-বান্ধৱীবোৰ। আনক সহায় কৰি ভালপোৱা এই ল'ৰাজনে নিজে অনুভৱ

কৰে চৰম অসহায়তা। কলেজৰ Social walfare secretrary আছিল সি। তাক তাৰ সতীৰ্থই বিশ্বাসঘাত কৰিছিল। প্ৰতাৰনা ভুলৰ বলি হৈছিল তেওঁ। কলেজ-ৰাজনীতিত চলি থকা কিছুমান তথাকথিত ছাত্ৰৰ গুণ্ডাৰাজত ক্ষুব্ধ হৈছিল তেওঁ। মোক কৈছিল,"গৌৰৱ, আমাৰ ৰাজ্য ৰাজনীতিত থকা বোকাবোৰ আমাৰ কলেজ ৰাজনীতিতো সোমাই পৰিছে।ইয়াত সতীৰ্থয়ো বিশ্বাসঘাত কৰে"। ডিব্ৰুৰ সানিধ্যৰ মধুৰ স্মৃতিবিলাকে আজিও খেদি ফুৰে। সেই দেৱদাৰু, কৃষ্ণচূড়া, ইউকেলিপ্টাছ গছকেইজোপা, কলেজৰ ওপৰ মহলাত, বিশিষ্ট বন্ধুৰ উচুপনি, লাইব্ৰেৰীৰ ৰীডিং ৰুম, প্ৰেকটিকেল হ'লৰ ব্যস্ততা, বঘু কাই, গগৈদা, শইকীয়াদা হঁতে প্ৰেকটিকেল হ'লত কৰা সহায়, চাৰ-বাইদেউ সকলৰ অকৃত্ৰিম সহৃদয়তা, উৎসাহ, প্ৰেৰণাবিলাক জানো কেতিয়াবা পাহৰিব পাৰিম। পাৰিম জানো নীলা নামৰ সেই ছোৱালীজনীক স্মৃতি কৰিব। নিজৰাৰ অবৰ্তমানত যি তুলিছিল হৃদয়ত প্ৰেমৰ জোৱাৰ। যাৰ বাবে মোৰ কলখেদি পুনৰ নিগৰিছিল কবিতা কবিতা গোন্ধ। যাৰ নামত মোৰ বন্ধুবৰ্গই আদায় কৰিছিল নিজস্ব স্বাৰ্থ। পাৰিমজানো,পাহৰিব তাইক। যাক প্ৰপ'জেল দি হেৰুৱাইছিলো এগৰাকী ভাল বান্ধৱী। সেই যে চৌকিডিঙ্গী চাৰিআলিত..........।

সময়ৰ সোঁতত পাচঁটা বছৰ উটি গ'ল। মই ডিব্ৰু এৰি ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহিলো,এমুঠি হালধীয়া সপোন লৈ। এই পাঁচবছৰত ডিব্ৰুগড়খনৰ চেহেৰা বদলিল,ডিব্ৰুখনো আগতকৈ ধুনীয়া হ'ল। মানুহ বাঢ়িল, ঘৰ বাঢ়িল, যান্ত্ৰিকতা বাঢ়িল। কিন্তু মোক যেন পৰিৱৰ্তনৰ এই ঢৌৱে ভাঙি থৈছে গ'ল। কৃষক পুত্ৰই হাতত তুলি ল'লো নাঙল, পথাৰ হৈ পৰিল কৰ্মক্ষেত্ৰ।

দুটিমান চৰাইৰ কিচিৰ-মিচিৰ কাকলিত গম পালো ৰাতিপুৱা হ'ল। এমুঠি ৰঙীন আভাই দিনটো ধুনীয়া কৰি তুলিব খুজিছে। এটা সুন্দৰ পুৱাৰে এটা নতুন দিন আগবঢ়াইছে, আৰু মই.........,হয়তো এটা গতানুগতিক গতিৰেই মই জীৱনযাত্ৰাৰ গতিপথত চলিব লাগিব। বাৰে বাৰে স্মৃতিবোৰ ভাহি থাকিব চিৰদিন, চিৰন্তৰ..........।

বিঃ দ্ৰঃ- ডিব্ৰু সভ্যতাৰ সকলোৰে হাতত মোৰ এই ক্ষুদ্ৰ গল্পটি অৰ্পন কৰিলো-লেখক।

☞ সৎ উপদেশতকৈ কোনো উপহাৰেই বেছি মূল্যবান হ'ব নোৱাৰে।

- ইৱাছমাছ

☞ মই কেৱল এটা কথাকে জানো, সেয়া হ'ল মই একো নাজানো।

- চক্ৰেটিছ

☞ ভুলকৈ জনাতকৈ একো নজনাই ভাল।

- শেক্সপীয়াৰ





# "মোৰ কলেজীয়া জীৱনত প্ৰথম ক্ষেত্ৰ অধ্যয়নৰ ডোখৰীয়া স্মৃতি"

শ্ৰীমতী দীপশিখা বৰা
স্নাতক তৃতীয় বৰ্ষ (কলা)

ধাৰণা হৈছে মনে বিচৰা কলেজ এখনতে যেন পঢ়িবলৈ পাইছোঁ। সচাঁকৈ অগতানুগতিক। কলেজৰ পৰা প্ৰথম ভ্ৰমণ কৰিবলৈ পাই মই গৌৰৱবোধ কৰিছোঁ। এনে ধৰণৰ শিক্ষামূলক ভ্ৰমণবোৰে মোৰ দৰে ছাত্ৰ-ছাত্ৰীসকলক কণ্টকাকীৰ্ণ জীৱন পথত আগবাঢ়ি যাবলৈ যথেষ্ট প্ৰেৰণা দিয়ে আৰু ভৱিষ্যতেও দিব বুলি মই ভাবোঁ। ডিব্ৰু মহাবিদ্যালয়ৰ 'অসমীয়া বিভাগ'ৰ শ্ৰদ্ধেয় বীৰেণ বৰুৱা মহাশয় আৰু লগতে সহযোগ কৰা বিভাগীয় মহাশয়-মহাশয়াসকল আৰু বিশেষভাৱে ডিব্ৰু মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতি বৰগোহাঁই মহাশয়লৈ আন্তৰিক শুভেচ্ছা থাকিল। কিয়নো মহাশয়াৰ অনুমতি অবিহনে আমি এনে যাত্ৰাৰ সুবাস ল'ব নোৱাৰিলোহেঁতেন।



সুন্দৰ আৰু উপযুক্ত পৰামৰ্শ, পৰিকল্পনা আৰু দায়িত্বসহকাৰে সকলো কাম বিশেষভাৱে বীৰেণ বৰুৱা আৰু মনোজ শৰ্ম্মা মহাশয়ে মূৰ পাতি লোৱাত আমাৰ ভ্ৰমণকাৰ্য্য দৃষ্টিনন্দন হ'ল। এই ভ্ৰমণে আমাৰ লগতে তিনিওটি বৰ্ষৰ অগ্ৰজ তথা শিক্ষাগুৰুসকলৰ মাজত আত্মীয়তা বঢ়াই তুলিলে। এনে নিঃস্বাৰ্থ ভ্ৰমণেই হ'ব পাৰিব ন-প্ৰজন্মৰ মাজত আত্মীয়তা গঢ়ি তোলাৰ 'শিপা আৰু ডেউকা'। বৰ্তমান ব্যস্ততাপূৰ্ণ জীৱনত এনে ধৰণৰ ভ্ৰমণেহে হয়তো প্ৰকৃত জীৱনৰ আমেজ দিব, জীৱনটোক সমৃদ্ধিশালী কৰি তুলিবলৈ প্ৰেৰণা যোগাব।

কলেজীয়া জীৱনৰ পাতনিতেই শিক্ষামূলক ভ্ৰমণৰ প্ৰথম অভিজ্ঞতাখিনি আমাৰ মাজলৈ যিদৰে আহিছে, সেই একেই ৰূপ যাতে অনাগত বছৰকেইটিত পাব পাৰোঁ, এই দিশত যেন ছাত্ৰ-ছাত্ৰী তথা বিভাগীয় মহাশয়-মহাশয়াসকলেও চেষ্টাৰ ত্ৰুটি নকৰে। অসমীয়া বিভাগৰ পৰা পোন প্ৰথমবাৰৰ বাবে ওলোৱা শিক্ষামূলক ভ্ৰমণক আমি প্ৰত্যেকেই অতি আগ্ৰহেৰে ললোঁ। আগতে বহুতো ভ্ৰমণ কৰিছিলো যদিও এনে আমেজ কিন্তু পোৱা নাছিলো। সচাঁই......... এই যাত্ৰা যেন অলপ নতুন ধৰণৰ। এই ভ্ৰমণৰ বৈচিত্ৰ আছে, ইয়াৰ আছে জীৱন পৰিপূৰ্ণকৈ উদযাপন কৰাৰ বন্দনা। মাত্ৰ আজিৰ দিনটোত ভালদৰে জীয়াই থাকিবলৈ, যোৱা দিনবোৰৰ সুখ-স্বপ্নৰ সুবাস ল'বলৈ আৰু জীৱনৰ আহি থকা দিনবোৰ আশাভৰা হৈ উঠিবলৈ ভ্ৰমণে ইতিবাচক ৰঙণি যোগায়।

ভাল লাগিল ভ্ৰমণৰ আগ্ৰহ প্ৰত্যেকৰে মুখত দেখি। ই আমাক জীৱন সম্পৰ্কে নতুন দিশ এটাৰ অনুভৱ কৰিবলৈ সুযোগ দিলে। আজি প্ৰায় দুবছৰ মানৰ আগতে আনৰ মুখত শিক্ষামূলক ভ্ৰমণৰ উপকাৰিতাৰ কথা শুনিহে আছিলোঁ। এনে ভ্ৰমণৰ অনুভৱ জানিবলৈ বৰ আগ্ৰহ হৈছিল। উৎকণ্ঠাৰ অন্ত পৰিল ১৯ ছেপ্তেম্বৰ দেওবাৰ দিনটোত, ঢাপলি মেলিছিলোঁ ৰাতিপুৱা আঠ বজাত শিৱসাগৰলৈ

বুলি, বহুত কিবা-কিবি আশা বুকুত বান্ধি। চৌকিডিংগী বাছ ষ্টেণ্ডতে আমি আটাইবোৰ গাড়ীত উঠিলো। দীঘলীয়া যাত্ৰাত আমাৰ লগত থকা মহাশয়-মহাশয়া তথা বন্ধু-বান্ধৱীসকলৰ গীতৰ সুৰ আৰু খুহুতীয়া কথাই আমাক বেছ আমোদ দিলে। প্ৰথমে আমি চালো কলিয়াপানী সত্ৰ।

(ক) কলিয়াপানী সত্ৰ ঃ-

কলিয়াপানী সত্ৰৰ যাদুঘৰৰ অৰ্ন্তভাগ অতি মনোমোহা ৰং কৰা। মহাভাৰত, ৰামায়ণ আদি গ্ৰন্থৰ বিভিন্ন দেৱ-দেৱীৰ দৃশ্যবোৰ ইমান সজীৱভাৱে আছে যে দেখি চকু জোৰ পৰি যায়। সুন্দৰ, পৰিস্কাৰ, কলিয়াপানী সত্ৰৰ ভিতৰত যিটো মণ্ডপ আছে সেইটো অপূৰ্ব। প্ৰতিখন দেৱাল আৰু চিলিঙত বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তি, পদুমফুল, বাদ্যযন্ত্ৰ আদি সুন্দৰকৈ খোদিত কৰা আছে। ৰংবোৰ অতি উজ্জল।

সত্ৰৰ যাদুঘৰত সোমাই এক জীৱনজোৰা অভিজ্ঞতাৰে সত্ৰৰ পৰা প্ৰস্থান কৰিলো। কলিয়াপানী সত্ৰৰ স্মৃতি বুকুত বান্ধি বাহিৰে বাহিৰে ৰাওনা হ'লো চৰাইদেউ পাহাৰলৈ।

(খ) চৰাইদেউ পাহাৰ ঃ-

চৰাইদেউৰ নাম ললে প্ৰথমেই সুপ্ৰসিদ্ধ ঐতিস্যমণ্ডিত আহোম ৰজা স্বৰ্গদেউ চুকাফাৰ মৈডামকে ধৰি অন্যান্য মৈডামবোৰ মনৰ দাপোনত ভাঁহি উঠে এটি এটিকৈ। সচাঁকৈ এক অপূৰ্ব শিহৰণ চৰাইদেউ পাহাৰ। তাৈল নোযোৱালৈকে ইয়াক কল্পনাও কৰিব নোৱাৰি। চৰাইদেউ পাহাৰলৈ যোৱা ৰাস্তাটো বৰ দীঘল যেন লাগিছিল। যেন শেষেই নহ'ব। আচলতে আমি যিখন বাছ ভাড়ালৈ লৈছিলো, বাছখনত গান শুনাৰ ব্যৱস্থা নাছিল। যাত্ৰাপথত আমি মাজতে শিৱসাগৰৰ 'নন্দন-বন' ৰেষ্টুৰেণ্টত সোমাই ভাত - পানী খাই ললোঁ। পুৱাৰ আহাৰ খালোঁ মৰাণৰ এখন ৰেষ্টুৰেণ্টত। চৰাইদেউলৈ যোৱাৰ পথত মাজে মাজে ৰাস্তা ভুল হোৱা বুলি ভাৱ হৈছিল। আবেলি ২ বজাত আমি চৰাইদেউ পালোগৈ। চৰাইদেউৰ মৈডামবোৰ বৰ ওখ ওখ। ওপৰলৈ উঠিবলৈ কোনেও সহজে সাহসেই নকৰে। মৈডামবোৰ বৰ থিয়, বগাবলৈ সহজ নহয়। মৈডামবোৰ ঘাঁহেৰে আবৃত আছিল। মৈডামত উঠি আকাশত উৰি ফুৰা চৰাইৰ নিচিনাকৈ বৰ গৰ্বেৰে তললৈ চাই পঠিয়ালো। চকুৰে মণিব নোৱাৰা দূৰলৈকে চাৰিওদিশে ওচৰতে থকা যেন লগা পাহাৰবোৰ চাই খন্তেকৰ কাৰণে মনপ্ৰাণ হৰি নিয়াৰ দৰে হৈছিল। প্ৰাকৃতিক সেউজময় জীপাল পৰিৱেশটোৱে আমাৰ মন কাঢ়ি নিলে। তাৈল নোযোৱালৈকে ইয়াক কল্পনাও কৰিব নোৱাৰি। নিৰ্জীৱ পাহাৰত সৌন্দৰ্য্যৰ পোহাৰ মেলি, যুগ যুগ ধৰি অপৰিসীম শাৰীৰিক আৰু মানসিক শক্তি প্ৰয়োগ কৰি নিৰ্মান কৰি উলিওৱা সেই মৈডামবোৰ আৰু শিৱসাগৰৰ ৰংঘৰ, কাৰেংঘৰ, তলাতলঘৰ, মঠ-মন্দিৰবোৰৰ কাৰুকাৰ্য্যৰ বৰ্ণনা ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। ওখ ওখ মৈডামবোৰ বগোৱা বাই উঠাৰ এক বৈচিত্ৰ্যময় অভিজ্ঞতা। মাজ নিশা সাৰ পাই আজিও মই যেন ৰিণিকি ৰিণিকি শুনো চৰাইদেউৰ বুকুত জিলিকি থকা মৈডামবোৰৰ হিয়া-ভগা আকুল বিননি।

ৰজা মহাৰজাসকলৰ সেই অমূল্য কীৰ্তি-চিহ্নসমূহ হাজাৰ-হাজাৰ বছৰ ধৰি সগৌৰৱেৰে থিয় দি আছে শিৱসাগৰৰ বুকুত গৌৰৱময় অতীতৰ নীৰৱ সাক্ষী হৈ। ইয়াৰ উপৰি শিৱ-সাগৰত উজলি থকা বৰ পুখুৰীবিলাক, যাদুঘৰ, জেৰেঙাপথাৰ আদিকো কেন্দ্ৰ কৰি মঠ-মন্দিৰ, উদ্যান, ৰংঘৰ, তলাতলঘৰ আদিয়ে সকলো পৰ্য্যটকৰে মন আকৰ্ষিত কৰে। ঐতিহাসিক শিৱসাগৰ চহৰখন ফুৰিছো যদিও লগৰ লগৰীয়াৰ সৈতে ফুৰিবলৈ যাবলৈ বহুত দিনৰ পৰা মনৰ এটি কোণত মই এমুঠি আশা পুহি ৰাখিছিলো। বিশেষকৈ চৰাইদেউত থকা বিৰাট বিৰাট মৈডামবিলাকৰ কাৰুকাৰ্য্য ওচৰৰ পৰা চাই চকু ফুৰাবলৈ আৰু যোৰহাট কলিয়াপানী সত্ৰ, ঢেকীয়াখোৱা বৰনামঘৰ, আদিত খোজ পেলাই সেই ঠাইবিলাকৰ সৌন্দৰ্য্য উপভোগ কৰাৰ এক দুৰন্ত হেঁপাহ আছিল।

চেপ্তেম্বৰ মাহ, গতিকে কিছু গৰমতো পৰিবই। তথাপিও মন বান্ধিলো যাম বুলি। প্ৰথমে আমি মাজুলীলৈ যোৱাৰ কথা ভাবিছিলো যদিও শেষত চৰাইদেউলৈ যোৱাৰ সিদ্ধান্ত হ'ল। কাৰণ মাজুলীলৈ মোৰ লগৰ বেছিভাগ বন্ধু-বান্ধৱীয়েই গৈছে কাৰণে সিহঁতে যাবলৈ ইচ্ছা নকৰে। কিন্তু চৰাইদেউ বুলি ক'লে সকলো ওলায়। আমাৰ বিভাগৰ বাহিৰৰ





দুজন শিক্ষাগুৰু ক্ৰমে বুৰঞ্জী বিভাগৰ বিশ্ব প্ৰতিম শৰ্ম্মা ছাৰ আৰু হিন্দী বিভাগৰ জাহ ছাৰে আমাক সহযোগ কৰাৰ কাৰণে তেওঁলোকলৈও ধন্যবাদ জনালো। অৱশ্যে দুই-তিনিজন শিক্ষাগুৰুক আমি লগ ধৰিছিলো যদিও তেওঁলোকে গৰমৰ কাৰণে যাবলৈ ইচ্ছা নকৰিলে। আমি কিন্তু টালি-টোপোলা বান্ধি গৰমকো আওকান কৰি উক্ত দিনটোৰ কাৰণে সাজু হ'লো। এখন বাছ ভাড়ালৈ ল'লো। যাত্ৰী হ'লো আমাৰ চাৰিজন মহাশয়, এগৰাকী বাইদেউ আৰু আমাৰ ত্ৰিছ জনমান বন্ধু বান্ধৱী। আমি ভ্ৰমণসূচী এনেদৰে তৈয়াৰ কৰিছিলো। যোৰহাট ঢেঁকীয়াখোৱা বৰনামঘৰৰ পৰা আৰম্ভ কৰি কলিয়াপানী সত্ৰ, চৰাইদেউ, গড়গাঁৱৰ কাৰেংঘৰ, শিৱসাগৰৰ ৰংঘৰ, তলাতলঘৰত সোমায় পুনৰ ডিব্ৰুগড়। চৰাউদেউৰ পৰা বাহিৰে বাহিৰে গড়গাঁৱৰ কাৰেংঘৰ চাবলৈ আহিলোঁ।

(গ) কাৰেংঘৰ ঃ-

অসমৰ আহোম ৰাজত্বৰ সমৃদ্ধি শৌৰ্য-বীৰ্য্যৰ প্ৰতীক এই প্ৰসাদ। ভাবি আচৰিত লাগে থলুৱা সামগ্ৰীৰে নিৰ্মিত এই প্ৰসাদ শ শ বছৰৰ পাছতো অক্ষত-অব্যয় অৱস্থাত আছে। অভিনৱ নিৰ্মাণশৈলী আৰু বৈশিষ্টই যুগে যুগে দূৰ-দূৰণিৰ বিদেশী পৰ্য্যটকক আকৰ্ষিত কৰে। অসমীয়া সমাজৰ গৌৰৱ গাথাঁৰ বিৰল চানেকি কাৰেংঘৰ চাই আমি চাৰিমান বজাত তলাতল ঘৰ চাবলৈ গলো।

(ঘ) তলাতল ঘৰ ঃ-

তলাতল ঘৰ চাওঁ মানে পলমেই হৈছিল যদিও অলপ সময় থাকিবলৈ পালো। তলাতল ঘৰৰ কাৰুকাৰ্য্য মোগল শিল্প-শৈলীৰ লগত সাদৃশ্য থকা বুলি পুৰাতত্ত্ববিদসকলেও কয়। কোঠাবোৰৰ ভাগ অসমীয়া মানুহৰ ঘৰৰ আৰ্হিৰে সজোৱা। আমি ঘূৰি আহোতে ৰাতি আঠ বাজিল। শিৱসাগৰৰ যাদুঘৰ চোৱাৰ ইচ্ছা আছিল ,সেই ইচ্ছা পূৰ্ণ নহ'ল। কাৰণ যাদুঘৰ সিদিনাখন বন্ধ আছিল। ইতিমধ্যে বেলি ডুবিছিল। খৰধৰকৈ তলাতলঘৰৰ পৰা ওলাই আহি গাড়ীত উঠিলো।

ঢেঁকীয়াখোৱা বৰনামঘৰৰ তোৰণ, কলিয়াপানী সত্ৰৰ প্ৰৱেশদ্বাৰ, চৰাইদেউ পাহাৰৰ দ্বাৰ, কাৰেংঘৰ, তলাতলঘৰৰ তোৰণবিলাক অতি মজবুত আৰু দৃষ্টিমধুৰ। যিবিলাকৰ কাৰুকাৰ্য্যৰ কথা বৰ্ণনা কৰা কঠিন। চকুৰে নেদেখিলে ইয়াৰ সৌন্দৰ্য্য কল্পনাও কৰিব নোৱাৰি। ভিন ভিন কামত ব্যৱহাৰ কৰিবলৈ বহুত মহল তৈয়াৰ হৈছিল। প্ৰতিটো মহলৰ কাৰুকাৰ্য্য চমৎকাৰ। ৰাজপৰিয়ালৰ লোকে প্ৰাৰ্থনা কৰিবলৈ নিৰ্মাণ কৰা মন্দিৰকে আদি কৰি মাজভাগত থকা বাগিছা আদিয়ে অতীতৰ দিনবিলাকলৈ মনটোক যেন টানি নিয়ে। ঠিক গধূলি আঠমান বজাত আমি মৰাণ পালোহি। মৰাণত পুনৰ আমি লঘু আহাৰ খালো। মৰাণ পাৰহৈ আহি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ভৰি দিলো। ৰাতি বাহিৰে বাহিৰে গায়ত্ৰী নেৱাৰ বাইদেউক বিশ্ববিদ্যালয়ৰ ছাত্ৰী নিৱাসত থবলৈ বুলি বিশ্ববিদ্যালয়ৰ মাজেৰে আহিলো। সেই পৰিৱেশৰ সৌন্দৰ্য্য উপভোগ কৰিলো। মনোজ শৰ্ম্মা ছাৰে আমাক সুধিছিল - তোমালোকৰ এনেকুৱা হোষ্টেলত থাকিবৰ মন যায়নে? যদি যায় ভালদৰে এতিয়াৰ পৰাই পঢ়া। বীৰেণ বৰুৱা ছাৰ কৈছিল - বিশ্ববিদ্যালয়ৰ হোষ্টেলত থাকিবলৈ পালেহে জীৱনটো সাৰ্থক নিচিনা লাগে। বাছত আহি থাকোঁতে কি সুন্দৰ বতাহ, গৰমৰ নাম-গোন্ধ নাই। সোণালী নগৰৰ সোণালী স্মৃতি বুকুত বান্ধি আটাইয়ে ৰাওনা হলো ঘৰাঘৰি। সচাঁকৈ এই যাত্ৰা এক বিৰল অভিজ্ঞতা।

***********

# "ৰিণিকি ৰিণিকি দেখো ডিব্ৰুপাৰ............"

শ্ৰীনীৰজ সোনোৱাল
প্ৰাক্তন আলোচনী সম্পাদক ও ছাত্ৰ (অসমীয়া বিভাগ)

ডিব্ৰুৰে ৰিঙিয়াই ঃ

গান্ধীনগৰ পথ। কিবা ভাল লাগে মোৰ। ক্ৰমশঃ উন্নতিলৈ ধাবিত। মই প্ৰথম ডিব্ৰুগড় আহোতে এই গান্ধী নগৰৰ চমু পথেৰে ডিব্ৰু কলেজলৈ গৈছিলো। পথটো প্ৰথমে ৰঙামাটি আৰু পলসৰ আছিল। এদিন শিলগুটি পৰিল। বাৰিষাত পথটোৰ ওপৰেদি ক'ৰবাত ক'ৰবাত পানী বাগৰিছিল। কলেজলৈ জোতা পিন্ধি অহাটো মুস্কিল হৈ পৰিছিল। তথাপি মোৰ মায়া। বেঙা কৰি, কেতিয়াবা একেৰাহে কেইবাটাও জাপ মাৰি মাৰি আহিছিলো। এদিন পকি হ'ল। পথৰ দাঁতিত দলনিৰে ভৰি থকা পথাৰখন ঠেক হৈ আহিল। ওখ ওখ ঘৰ হ'ল। পাতল সমাগম পথটো ভিৰ হৈ পৰিল। দ্ৰুতবেগি হৈ পৰিল পথটোৰ ব্যস্ততা। কেইবাটাও দুৰ্ঘটনাৰ সাক্ষি হৈ ৰ'ল পথটো। মোৰ ভালকৈ মনত আছে, কলেজীয়া জীৱনৰ ভাৰাতীয়া হৈ থকা মোৰ মালিকৰ ঘৰত ৰামু নামৰ সেই দিন হাজিৰা কৰা কাকজন এই পথটোতে এদিন তেজেৰে লুতুৰি হৈ পৰি আছিল। সেয়া বিগত বছৰৰ কথা। আজি কেইবাটাও বছৰৰ বিৰতিত এই পথেৰে মই মোৰ স্মৃতিৰ টোপোলা খুচুৰি ফুৰিছোঁ। বৰ হেঁপাহ হয় কেতিয়াবা। বুকুৰে চোঁচৰি আহে এখন দুখনকৈ ছবি। ইমান চিনাকী মুখবোৰ ধৰা দিয়েহি। বিভিন্নজনৰ বিভিন্ন পথেৰে গতি। মোৰো ব্যতিক্ৰম নহয়। কলেজৰ ছাত্ৰ হৈ থকা হেঁতেন এই পথত দিতুল, বিজয়, মুন, কুমকুম, মায়ু নহ'লে মনিষা সংগী হৈ থাকিলেহেঁতেন। নহ'লে প্ৰয়ে বিপৰীত দিশে আহি থকা কাজল সনা এম ডি কে কলেজৰ সেই ছোৱালীজনীক লগ পালোহেঁতেন। পাঁচটা বছৰৰ পথৰ চিনাকী। নাম ধামো নাজানিছিলো আজিলৈকে..........নাম এটা দি লৈছিলো মই-'মৌ'!! মোৰ সুধিবৰ মন যায় আজিও, মৌ'ক লগ পাইছিল নেকি কোনোবাই?.......... নাম নজনা শোক এটাই মোক জোকাৰি দি গ'ল। ছেঃ আজি কোনোবা এজন মোৰ লগত থাকিব লাগিছিল। বৰ হেঁপাহ হৈছে ডিব্ৰু কলেজখন চাই দুচকু ভৰাই ল'বলৈ। মোৰ বুকুখন বৰকৈ উঠা নমা কৰিছে। কৰিবই মই যে ৰিণিকি ৰিণিকি দেখিছো ডিব্ৰু কলেজ। সৌৱা ওপৰ মহলাত কঁহুৱা হালিজালি থকা যেন দেখিছে। সেয়া ডিব্ৰুয়ান। ডিব্ৰু কলেজৰ ছাত্ৰ-ছাত্ৰীক ডিব্ৰুয়ান বুলি কয়। মই দেখা পাইছো কৃষ্ণচূড়া দুজোপা। শাৰী শাৰী দেৱদাৰু কেইজোপা। ওখ ইউকেলিপ্টাছ কেইডাল। আমলখি কেইজোপা। আমলখিজোপা দেখিলে মোৰ চাতকৈ মনত পৰে তাৰিত আৰু বিভূলৈ। পাগল আছিল সেইকেইটা। প্ৰেয়সীক দিবলৈ বিপদসংকুল কলেজৰ থাৰ্ডফ্ল'ৰ চুই থকা আমলখি জোপাৰ কোমলডাল বগাই আমলখি আনিদিছিল। মোৰ হাত ঘড়িলৈ চালো বাৰটা বিশ। হয় এইটো সময়তে মই প্ৰায়ে মই কলেজত কলেজত ভৰি দিওহি। অৱশ্যে মোৰ মেজৰ ক্লাচ থাকিছিল ন'টা পোন্ধৰত। কলেজৰ ক্লাচৰ প্ৰতি কিয়জানো মোৰ মোহ নাছিল। হায়াৰ ছেকেণ্ডাৰী লেবেলত একান্ত বাধ্য ছাত্ৰ। মোৰ বিষয়ৰ ছাৰ-বাইদেউৰ পৰা মৰম আদায় কৰি ল'ব পাৰিছিলো, গতিকে ডিগ্ৰী লেবেলত এই মৰমক সদ্ (অসৎ) ব্যৱহাৰ কৰিছিলো ক্লাচ নকৰি। ক্লাচ নথকা সময়খিনিত যেতিয়া মই আহি ওলাওহি.............,এই

যেন নৱনীতাই ক'ব-'এই.......... আজিও ক্লাচ নকৰিলি! শৰ্ম্মাছাৰে বেয়া পাইছে কিন্তু........!! এৰা.............আজি সেই প্ৰশ্ন সাধোতা নাই। শৰ্ম্মাছাৰে খং কৰিবলৈও নাই। আজি





সেইবোৰ অতীত। তথাপিও স্মৃতিৰ বৰঘৰত একোখন জীৱন্ত ছবি। ক'ত সোঁৱৰণীৰ বিজড়িত সেই ধূসৰ ধূসৰ মাদকতাভৰা কলেজীয়া জীৱন। যি মাদকতা জীৱনটো আজিও সেকি লওঁ। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে আমাৰ চুবুৰীয়া ৰাজ্যৰ ল'ৰা-ছোৱালীবোৰ আহি আমি সেতু বান্ধিছিলো ডিব্ৰুৰ চোতালত। মিলা-প্ৰীতিৰ চেতনা।..........দিন হ'ল, মাহ হ'ল, বছৰ হ'ল অথচ ভাৱ হয়............. কিমান দিননো হৈছে?...................ওঁঠত লৰি আহিল নীৰ বালিখিতিয়াৰীৰ এটা কবিতাৰ শব্দবোৰ......................

"ৰৈ যা অলপ ৰৈ যা বুলি ক'লেই জানো-'সময়ে ৰ'ব'!
সন্মুখৰ ফালেই গতি কৰা যে তাৰ নিয়ম
তথাপি মহাশয়, এনে পৰতে আপুনিও আহকচোন আমাৰ ডিব্ৰু মহাবিদ্যালয়লৈ
ব্যস্ততাকে সোঁৱৰণীৰ বৰঘৰত আঁউজোৱাই
এমুঠি ৰং সিঁচি কৃত্ৰিমতাৰ কামিজটো দলিয়াই
ভাবিব নালাগে দিয়ক............! আঁৰি থোৱা থাকিবই
মহাবিদ্যালয়ৰ দুই যৌৱন গৰকা নঙলামুখ
এক নঙলামুকত সপোনৰ স'তে আঁৰি থোৱা থাকিব কৃষ্ণচূড়াৰ হাঁহি
আৰু কে নঙলামুখত আঁৰি থোৱা থাকিব আকাশখনক চুই চোৱাৰ আমেজ
কোন বাটেৰে আমাৰ যৌৱনা দলিচাত খোজ দিব সেয়া আপুনিয়ে ঠিৰাং কৰিব
তথাপি.........! নহাকৈ নাথাকিব আমাৰ মহাবিদ্যালয়লৈ
দুচকুত বেদনাৰ লুণীয়াবোৰে ভিৰ কৰিলে আপুনি থমকি নৰ'ব
কিয়নো ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰতিটো ভাজঁত
লুকাই থাকে অনুৰাগৰ বুলবুলি চৰাই, ওঁঠত গোলাপী লুকা-ভাকু,
হিৰন্ময়ী গদ্য,হালধীয়া-নীলা-কজলা-কলপতীয়া সজাবা সপোন
বাট বিচাৰি, যাট বিচাৰি, জীৱনৰ সংজ্ঞা বিচাৰি
থকা সৰকা কৰিব পাৰে আপোনাৰ কলিজা
তথাপি আপুনি উভতি নাযাবা..............
কিয়নো আকাশ হ'ব খুজিলেও হ'ব নোৱাৰি আকাশৰ ৰূপোৱালী জোন
নদী হ'ব খুজিলেও নিৰ্বিবাদে বৈ যাব নোৱাৰি কাৰোবাৰ বুকুয়েদি
মৌ বাহৰ থুপৰ দৰে জাকৰুৱা ল'ৰা-ছোৱালীৰ টুকুৰা-টুকুৰি কথা
জন'ইব্ৰাহিম, ছলমান খান হেয়াৰ কটিঙে................,ৰেভলন,লেকমী
লিপষ্টিকৰ ৰঙেৰে ৰঙীণ কৰিব খোজাৰ হাবিয়াস..............
ডিছকভাৰ, পালচাৰ, চি বি জেদ, ইউনিকন, কৰিজমাৰ..............শব্দৰে
আপোনাক হয়তো পাহৰাই দিব পাৰে এভন, হিৰ'জেত, হিৰ'ৰয়েল
চাইকেলৰ যন্ত্ৰপাকাচৰ শব্দক..................
এতিয়াই কৈ থলো, কাকো নোকোৱাকৈ আপুনি অকলে এজাক
ধুমুহা হৈ নাযাব।
ধুমুহাই মাথোঁ হেৰুৱাব জানে, ধুমুহাই মাথোঁ ধ্বংস হ'ব জানে

আমি ডিব্ৰুয়ান সকল অনিশ্চিত
আমি গুচি গ'লে ছিকনাবোৰ ঠিকনা হৈ নাথাকে
সেইবাবে আপুনি ডিব্ৰু মহাবিদ্যালয়ৰ ষ্টপত খোজ দিওঁতে কাহানিও
ঠিৰাং নকৰিব...............এখন আকাশ আজুৰি আনি দিয়াৰ কথা
অৱশ্যে এটা কাম কৰিব পাৰে আপোনাৰ ওঁঠত লাগি থকা
কেঁচা হাঁহিটো আমাক দিব পাৰে

আমি ডিব্ৰুয়ানসকলে নিৰ্বিবাদে দুচকুৰ বাদুত আঁৰি থম সপোনৰূপে থোৰতে কৈ খোলো আমি সপোনৰ পাছত দৌৰা ডিব্ৰুয়ান আধুনিকতাৰ ৰঙীণ পোছাকেৰে আমি ৰঙীণ যদিও আমাৰ এখন অকৃত্ৰিম হিয়া আছে, য'ত আমি লালন কৰোঁ মাথো সেউজীয়া।।"

ভাত সাজ চাউলীয়া ঃ

ঃ হেই You .......! অ' তোমাক কৈছোঁ।

..........বুজিবৰ বাকি নাথাকিল মেডামে মোকে সুধিছে!

'গল্প কাক কয়?'.............

কিছু মৌনতা.....................

"নিদিষ্ট পৰিধিৰ মাজত যাৰ বিকাশ সম্ভৱপৰ। সেই বুলি গল্প যে একোটা ঘটনা বা একোটা মুহূৰ্ততে সীমাবদ্ধতা থাকিব, তাৰো কোনো অৰ্থ নাই। গল্প একোটা ঘটনাৰ প্ৰকাশকো হ'ব পাৰে নাইবা বিক্ষিপ্ত জটিল ঘটনাৰো বাহক হ'ব পাৰে।".......................মেডামৰ দুচকুলৈ চাব ভয় লাগিছিল। আজি মোৰ কলেজীয়া জীৱনৰ প্ৰথম ক্লাচ। মই মানুহটো ঘামিছো। আচলতে মই কেনেকৈ কথাখিনি কলো। মোৰ বাইদেউৰ অসমীয়া মেজৰৰ কিতাপখনে বচালে।.......ক্ৰমশঃ মেডাম কাষ চাপি আহিছিল। কৈছিল,উত্তৰটো ভাল লাগিল। আশা ৰাখিছো এটা সময়ত অসমীয়া সন্মানীয় বিষয়ত তোমাক ছাত্ৰ হিচাপে লগ পাম।

ক'ৰ পৰা আহিছা?

ঃ ডাঙৰীৰ এখন গাওঁৰ পৰা।

ঃ ক'ত আছে?

ঃ তিনিচুকীয়াৰ ছৈখোৱা মৌজাৰ অন্তৰ্গত।

ঃ................ কিন্তু তুমি মোৰ ক্লাচত বাৰটা দিন অনুপস্থিত!!

ঃ আচলতে বাইদেউ আজি মোৰ প্ৰথম ক্লাচ। ডিব্ৰুগড় মোৰ বাবে একেবাৰে অচিনাকী। ভাৰাঘৰ এটা বিচাৰী লওঁতে দেৰি হ'ল। যোৱা কালি স্থায়ি হৈছোহে।

ঃ ঠিক আছে। ভাৰাঘৰৰ প্ৰথম ভাত সাজ কোনে ৰান্ধি দিলে?

ঃ নিজে

ঃ ভাত সাজ কেনে হ'ল?

ঃ ভাতকেইটা চাউলীয়া হ'ল। চৰজিত হালধী বেছি হ'ল?

—কথাকেইটা ক'বলৈহে পালো, ক্লাচত হাঁহিৰ বৰষুণ। অসম্ভৱ লাজ লাগিছিল কথা কেইটা খোলাকৈ কয় হাঁহিয়তাৰ পাত্ৰ হোৱাৰ বাবে।





..............মেডামে হাঁহি হাঁহিয়েই সেইদিনা ক্লাচটো ইতি পেলাইছিল। বৰ বিপদত পৰিছিলোঁ। এজনো চিনাকী নাছিল। সেইদিনা ভীষণ অভাৱ অনুভৱ কৰিছিলো স্কুলীয়া বন্ধু কেইজনক। তাতে বাৰটা দিন পলমকৈ আহিছো................থাক এতিয়া শিলৰ খুটি হৈ। হুমুনিয়াহ এটা সৰকি আহিল।'তোমাৰ দৰে ময়ো বাৰটা দিন পলমকৈ আহিছো। এজনো চিনাকী নাই......... বৰ বিপদত পৰিছো।

..................(আই ঐ দেহী কি মিঠা মাত...............'মৌ' নাম নেকি এইৰ)

ঃ মোৰ নাম জোনাক শইকীয়া ঘৰ দিচাংমুখ................

--ভাল দিয়া! প্ৰথম বন্ধু ডিব্ৰু কলেজৰ, মনত ৰাখিম...............

এয়া.................২০০১ চনৰ কথা। জোনাক হেৰাই গ'ল। তথাপি স্মৃতিৰ চাৰি-চুকীয়া এলবামত জোনাক আজিও জোনাক।

ঃ নৰহৰ চিঞৰ ঃ

ঃ নিয়ৰদা.................

--চক খাই উঠিলো—মোৰ নামলৈ এইদৰে তেজপুৰত চিঞৰিবলৈ কোন ওলাল অ'। ধেমাজি অভিমুখি বাছৰ পৰা নৰহ ভাইটি নামি আহিল। ধেমাজিৰ ল'ৰা। কলেজতে লগ পাইছিলো। চিধাই সি সাৱটি মাৰি ধৰিলহি। চকু দুটা চপচপীয়া পথাৰখনৰ দৰে দেখাইছিল তাৰ।

'দ্বিতীয়বাৰৰ বাবে আপোনাক লগ পাম বুলি ভবা নাছিলো। চিঠি লিখিবলৈ আপুনি ঠিকনাটোও নিদিলে। ডিব্ৰুগড়ত পঢ়িবলৈ অহা আমাৰ দৰে চালানি ল'ৰাবোৰক গা-পাতি ল'ব পৰাকৈ দ্বিতীয়জন আপোনাক লগ নাপালো। আজিও মনত পৰে আমাক কাটিবলৈ অহা মদাহী কেইজনৰ পৰা আমাক বচাই অনা। নিয়ৰদা মই আজি সফল প্ৰেমিক। আপোনাৰ কথামতে কবিতাক কৈ দিলো সকলো কথা। বহাগত বিয়াখন হ'বগৈ। আপুনি ইয়াত যে, পাহিবাৰ ঘৰৰ পৰা আহিলে?'

'বহু কথা কৈছে সি। সুধিছেও! আজিও যেন জ্যেষ্ঠ।'

'কওক নিয়ৰদা পাহি ক'ৰ কথা। ৰেডিঅ'ত আপোনাৰ গল্প থোকা থুকি কুৰিটা শব্দ শুনিলো। বৰ মন গৈছিল সেইদিনা এবাৰ আপোনাক সাৱটিবলৈ।'

--আহ চাহ একাপ খাওঁ............। তাৰ পাছত কম। যদি তোৰ সময় হয়!

'কিয় নহ'ব!'

--হোটেলত দুজনীয়া ছিট এটা দখল কৰিলো। তেতিয়াও তাৰ চকু দুটা চপচপীয়া পথাৰ.......... 'ইহঁতবোৰৰ বাবেই জীৱনটো মোৰ অপাৰ লোভ।'মোৰ আচলতে বহু বছৰ হ'ল পাহিহঁতৰ ঘৰলৈ নোযোৱা। দুগালত অভিমানী বেলুন আঁকি পাহি বহু দূৰলৈ গ'লগে। আজি কালি পাহিয়ে মোলৈ চিঠি নিলিখে। সময়বোৰ ৰয় নাথাকে অ' নৰহ। সুখী হোৱাৰ সকলো বাট সম্প্ৰতি বন্ধ। সেই বুলি দুখী হৈ থকাটোও সমুচিত নহয়। সেই যে পাহি................বৰষুণ পাগলী পাহি.........ক'তা বৰষুণ আবেলি ফুলাম ছাতিৰ তলত যাপন কৰিছিলো। সেই পাহিয়ে লখিমপুৰৰ এটি কবিতাৰ সন্ধিয়াত মাইক্ৰ'ফোনত শ'জন মানুহৰ আগত কবিতা গাইছিল--'নী বৰষুণৰ দিনবোৰত মই তোমাক মনত পেলাম। কাৰণ এজাক গৰম বতাহৰ মাজেৰে নামিছিল সেই বৰষুণ।"শ্যালা বৰষুণে নিয়ম নাভাঙে বৰষুণ নিদি। নিয়ম ভাঙে হৃদয়ে..........শ্যালা যন্ত্ৰনাই ধূলাই যৌৱনৰ ছিটিবাছ................।

'কি চাই আছ'ত ত কৈ চাহ খা।'

"নিয়ৰদা সেয়ে আজিকালি আপোনাৰ কবিতাৰ শব্দবোৰ থোকাথুকি। গল্পৰ নামবোৰো থোকাথুকি।"

ঃ কেতিয়াবা টোপনিতে, জানমণিয়ে হাত বুলাই দিছিল............ঃ

সোঁৱৰণীয়ে একাঁঠু হ'ল কলিজাখন। সোঁৱৰণীৰ বুকুতে গাজি উঠে সোঁৱৰণী। বাঁহ পাতবোৰৰ স'তে কঁপি থাকে ডিব্ৰুখন। মোৰ বাৰীৰ তমোলগছত টোকোৰা চৰাইয়ে সজোৱা বাহ কেইটাৰ দৰে ওলমি থাকে চিনাকী মুখবোৰ বুকুৰ সোঁৱৰণী গছডালত নিৰ্মল, জয়ন্ত, বিজ, পাপু, দিতুল, কিংকং, বিউটি (ৰাজেশ), জয়, বগৰীজোপা,

আমজোপা শেৱালীজোপা আৰু আৰু...ট্ৰেনখন.........গায়ত্ৰী(কুকুৰজনী).....................কথাবোৰ মুখবোৰ মনত পৰিলেই বুকুখন গধুৰ হৈ পৰে। হুমুনিয়াহে খচৰা পাৰে । বৰ কষ্ট হয় টোপনি যাবলে' মোৰ। ক'তবাৰ বহিছো চিনাকী মুখবোৰক লৈ কিবা এটা লিখাৰ কথা। কলমটো জঁট-প্‌ত লাগি যায় মোৰ। থিতাতে শব্দবোৰ মোহাৰি যায়। ঠাই লয় মুখবোৰ। ৰেলখনৰ উকিবোৰ। কাগজখিলাবেখাৰ জাল হৈ পৰে আৰু মই বগাই ফুৰো............সিহঁতবোৰক বিচাৰি। লিখা মোৰ নহয়গৈ। মই মাথোঁ বগাই ফুৰোঁ। ঢুকি নাপাওঁ সিহঁতক। মই কেৱল বগাই ফুৰোঁ..............

ম'বাইলত নিৰ্মল চিঞৰি উঠিল..............সময় নিশা দুটা পোন্ধৰ। 'টোপনি অহা নাই মোৰ। মই জানো তই সাৰে আছ'। কিবা লিখি আছিলি।'

–নাই এনেয়ে আছো। মোবো টোপনি নাই।

'ভীষণ মনত পৰিছে ৰোমটো। শেৱালি জোপা। শেৱালি ফুলা বতৰ নহয় জানো এতিয়া?

ঃ এৰা..............হয়।

ঃ কথা এটা কওঁ।

ঃ ক'...........

ঃ জানমণিয়ে এইমাত্ৰ মূৰত হাত বুলাই দিছিল। খকমকাই সাৰ পাই গলো। তাইৰ খবৰ জান নেকি?

ঃ মোক ফোন কৰাতকৈ তাইকে ফোন কৰচোন সাৰ পাইয়ে আছে।

ঃ নাই নকৰোঁ। কিজানি তাই আমনি পাই। মইটো নহয় তাইৰ সপোন কোঁৱৰ।

ঃ মৰিবি! এনেকৈয়ে মৰিবি (অশ্লীল)। আজি জানমণিৰ নাচৰ পৰীক্ষা আছিল।

ঃ হ'বদে শুই থাকো।

------ নিৰ্মলে ফোন লাইন কাটি দিলে। মই জানো সি শুব নোৱাৰে। লেপ খনকে জানমণি বুলি সাৱটি থাকিব সি। নিৰ্মল নাহৰকটীয়াৰ ল'ৰা। জানমণিক ভালপাই আজিও। দুৰৈৰ পৰা চাই থাকি প্ৰেমৰ সংজ্ঞা দিয়া নিৰ্মল এদিন আমাক আচৰিত কৰিছিল জানমণিক নিজ মুখে প্ৰস্তাৱ দি। সফল নহল সি। কোনোবাখিনিত কিবা এটা................ নাই মই নাজানো। হয় মই বুজাই কব নোৱাৰোঁ। জয়ন্তও সেই একেই। কিমান যে কষ্ট নাখালে সি মাতুৰ বাবে। তাৰ মুখত মাতুৰ নাম শুনি শুনি আমাৰ কাণ পকি গৈছিল। একেলগে ফুৰিছিল, ফুৰিছিল। কি নকৰিছিল সি মাতুৰ বাবে। তথাপি জয়ন্তক বুজিপোৱা, মৰম দিয়া স্বপ্নালী আহিল তাৰ জীৱনলৈ'। মোৰ ভাল লাগে সিহঁত দুটাক আজি কালি একে লগে দেখা পালে। 'জয়', একপ্ৰকাৰৰ খঙে উঠে। ছোৱালী নিচিনা কান্দিব। বেমাৰি কুকৰাৰ দৰে ঘূমাই থাকে। পাহিজনীও কম নহয়............একেই বেমাৰি কুকৰা ঘুমাই থাকে। অথচ দুয়ো-দুয়োকে বিচাৰে তাকে বুজি নাপাই কথাবোৰ কৰি পেলাই জটিল। পাপু.......................উচ্চাভিলাষী গীতুৰ প্ৰেমত পৰি দহলুটি খাই, গীতুক বিশটা গোৰ মাৰি পাতি লোৱা ভণ্টি মনলিচাক ভণ্টিৰ লেবেল গুচাই প্ৰেম লেবেল লগাই তেওঁলুকাৰ দৰে তামাম চিকুছাৰ কোবাই আছে। দে হওঁক বিয়াখন অতি সোনকালে।





দিতুল......................আটাইকেইটাৰ ভিতৰত দুটা খোজ আগবাঢ়ি......................দুই ভৰিত তিনিখন নাও চলাই বিজয় মুকুট অধিকাৰী (শ্যালা পাতিহাঁহ) ...............মোৰ বিষয়ে..............নকওঁ দিয়ক!

## ঃ কবিতাৰ অসুখ ঃ

হাউলী পৰা বাঁহ গছৰ আগবোৰে পৰিৱেশটো মায়াময় কৰি তুলিছে। এনেতে ঘোলা কণিৰ দৰে জোনটো ডাৱৰৰ চপৰা মাজলৈ সোমাই পৰিছে। মনৰ অজানিতে বুকুৰ কোনোবাখিনিত কবিতা এটা খুন্দিয়াই আছে অনবৰতে।

কি আছিল কবিতাটো? এৰা.............! লিখি শেষ কৰিব নোৱাৰা সেই কবিতাটো। হয়..............সেইটো কবিতাই মই কঢ়িয়াই ফুৰিছো অহৰহ। কিমান দিনৰ ইপ্সিতা শেষ কৰিব নোৱাৰা কবিতাটোৰ প্ৰতি! স্কুলীয়া দিনত ইমামী বড়াৰ দুচকুত যেতিয়া আহত হৈছিলো মই, তেতিয়া এবাৰ জাগিছিল কবিতাটো লিখাৰ ইপ্সিহা। ডিব্ৰু কলেজত থাকোতে কুৰিটা সপোন টোপোলা যেতিয়া নিজৰ অলিখিত কঢ়িয়াই ফুৰিছিলো তেতিয়া এবাৰ জাগিছিল কবিতাটো লিখাৰ ইপ্সিহা। মিতালী ফুকনৰ প্ৰথম স্পৰ্শ আৰু নিমখীয়াই যেতিয়া বুকুখন তিয়াই পেলাইছিল তেতিয়া এবাৰ জাগিছিল কবিতাটো সিখাৰ ইপ্সিহা। ডিব্ৰুগড় ইউনিভাৰছিটিৰ দুশ পঞ্চাশ টকাৰ এড্‌মিশ্যন ফৰ্ম কিনি এম. এ. কৰিম আৰু হঠাৎতে দেউতাৰ দীঘলীয়া চিকিৎসাৰ খবৰ পাই ঘৰ মুখি পখী হওঁতে। ভাৰাঘৰৰ ভাৰা টকা দিবলৈ থকা তালিকাখন দীঘল হৈ আহোতে। ভাষা সাহিত্যৰ অধ্যয়ন, অসমীয়া নাট্য সাহিত্য, অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃথিৱীৰ বিভিন্ন ভাষা, সাহিত্যৰ ৰূপছায়া,পালি-প্ৰাকৃত-অপভ্ৰংশ, তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ, কবিতাৰ পাণ্ডুলিপিবোৰ, অধি লিখা উপন্যাসবোৰ, স্কেচবোৰ ইত্যাদি কৰি কিতাপৰ বেগটোৰে যেতিয়া মোক হাউলাই পেলাইছিল তেতিয়াও আছিল কবিতা লিখা ইপ্সিহাটো। কিন্তু কবিতাটো লিখা নহ'ল। মই গমকে নাপালো কবিতাটো কেতিয়াযে মোৰ মাজতে যৌৱনা হ'ল। আদবয়সীয়া হ'ল। বুঢ়া হ'ল আৰু আৰু......................আজিৰ দিনত তাৰ অসু। কবিতাৰ অসুখ। মহা মস্কিল জীয়াই থকাৰ............। ৰুমি আৰু ৰুবিয়াই কয়, "নিয়ৰদা কবিতা পুথি এখন উলিয়াইক না" "কোনে পঢ়িব"–মোৰ পোনপটীয়া উত্তৰ। উৎসাহে টিঞৰে ৰুমি-ৰুবিয়াই,"আমি পঢ়িম।" হাঁহি পৰো তাহাঁতদুজনীৰ কথাত। গুৱাহাটীৰ কবি বন্ধু মনোজ কুমাৰ দাসে চিঠিতে টিঞৰি উঠে, "নী............হেৰুৱাবলৈ প্ৰস্তুত থাকা যিদৰে পাবৰ বাবে সাজু...................। পোৱা নোপোৱাৰ মাজতেইতো জীৱন। বন্ধু...............মাথোঁ জীৱন যুদ্ধৰ এই সময়ছোৱাত নিঃশেষ হ'বলৈ নিদিবা ভিতৰৰ সৃজন মানুহজনক। হাজাৰ কষ্ট সহ্য কৰি হ'লেও অন্তত জীয়াই ৰাখা ব্যক্তি সত্বাক। দেখুৱাই দিয়া সেই দুৰ্বল মানুহবোৰক................ এনেদৰেও যে জীয়াই থাকিব পাৰি.......................।"

ঃ উজাই আহে উজাই আহে ঃ

"ম'বাইলত তেনেদৰে কথা নক'বা
ফোনটো কাণৰ কাষলে নিলেই তুমি ওচৰ চাপা
আৰু থ'লেই দূৰলৈ যোৱা" (কবি গায়ত্ৰী নেৰাৰ)

মই দুগাল ফুলোৱা অভিমানী নহয়। মই তোমাৰ মৰমতে অভিমানী। চুই চাওঁ তোমাৰ বিশালতা..................দূৰভাষত। মোৰ দুগালত হাত পৰিলেই ফুটিব পাৰে অভিমানী মোৰ মৰমৰ বেলুন। SMS কৰে চোমে। প্ৰতি মুহূৰ্ততে মোক সজাগ কৰি তোলে চোমে। কত আছা! কি কৰিছা। কি খাইছা! ম'বাইলতে ৰিং মাৰি উঠে, " কালি তোমাৰ ইন্টাৰভিউ নহয়। সোনকালে শুৰু।" "কালি নিশা বাৰ বজাৰলৈকে মদ খাইছা,

মোৰ মাতকে চিনিব নোৱাৰা হ'লা। কিয় কৰা তুমি এনেকুৱা?" "ৰাতিপুৱাল বিছনা এৰা"............ কুৰিটা আন্ধাৰ তাইৰ।"মই শুওঁ নশুওঁ টোপনি যাওঁ নাযাওঁ তোমাৰ কোনো দৰকাৰ নাই। তুমি শুই থাকা মষ্টি মাৰি। আজিৰ পৰা তোমাক আমনি নিদিও। মই কোন তোমাৰ?"...................... বুজি নাপাওঁ চোমৰ অভিমানবোৰ। তাইৰ এনেধৰণৰ কথাবোৰে কিবা মনটোক আউল-লগাই দিয়ে। হেজাৰ হওঁক বান্ধি ৰাখিব খুজো মোৰ অলক্ষিতে লৈ ফুৰা অনুৰাগ টোক। ই যদি আকৌ এবাৰ সাৰ পাই? ভাল লগা বোৰ কিবা অতীত অতীত। 'হেই নী আজি-কালি ক'ত ভাই? নাহ' যে চিনাকী গলিলৈ...................।। প্ৰশ্নটোতে প্ৰশ্ন হৈ যায়। উত্তৰতো বিচাৰোতে বহুপৰ যায়। জলৌ জপৌকৈ তিতিপৰো দৈনন্দিন অনুৰাগটোত। হয় ঠিক তেতিয়াই.................চোমৰ নাম্বাৰতো মোৰ ম'বাইলৰ ম্যনুত জিলিকি উঠিছিল। যিদিনা আছিল তাই মোৰ অচিনাকী।

ঃ কেনে আছা?

ঃ একদম বেয়া............মনত একে ফ'ৰটি ছেভেনৰ গুলিয়াগুলি।

(আন্দাজত কথা পতিছোঁ। তাতে বৰষুণ দিছে জৰ্‌জৰ্‌কৈ। অতীততো যেন লাগি আছে মনত)

ঃ কি কৰিছা?

ঃ বৰষুণ তিতিছোঁ। শ্যালা.............ফ্লেক এটা তিয়াই পেলালে। বাৰু বাৰু............তুমি বৰষুণ তিতিছা!! নাই তিতা ন! তোমাৰ ছাটিটো ধুনীয়া ফুটুকা ফুটুকি ন'! ক'ত তিতিবা ক'ত তিতিবা! এয়া চোৱা সেই তেতিয়াৰ দৰে মই আজিও বৰষুণ তিতো। বৰষুণ তিতিলে তুমি তুমি গোন্ধায়। ভাল লাগে মোৰ বাজাচ্ পালচাৰখন, যন্ত্ৰণাকাতৰ মোৰ দেহাটোক ই নিবিবাদে কঢ়িয়াই ফুৰে নিয়ম নভঙাকৈ। ভাল লাগে মোৰ ফ্লেগ চিগাৰেটৰ কুণ্ডলিবোৰ।

ঃ আপুনি কোন বাৰু?

ঃ হয়.................! ময়ো সুধিব খুজিছো আপুনি কোন বাৰু!!

ঃ ঃঃঃ ঃ ঃ

ঃ ছেঃ পাই! মই যাক ভাবি কথা পাতি আছো সেয়া আপুনি নহয়। SORRY হা, বেয়া নাপাব। কথা এটা কওঁ বেয়া নাপাব। বৰষুণ নিতিতিব চৰ্দি হ'ব। আৰু আপুনি যাৰ বাবে আজিও অনুৰাগ এটা লৈ ফুৰিছে। তেওঁ কোনোবা যন্ত্ৰ নগৰত ফুটুকা ছাটিলৈ বৰষুণক ক'ফাল মাৰি পঠাইছে ছাগে। বাদ দিয়কহে' বাদ দিয়ক। আকাশক ছাগে আপুনি এটা নীলা ছাটি বুলি ভাবি আছিল, চাওঁক কিমান বেমান আকাশ আপোনাক তিয়াই পেলালে..........................

সিতো মূৰত মৌনতা এখন সাগৰ সিঁচি থৈ গ'ল...............সেয়াই অচিনাকী চোম। আৰু আজি ছাঁটোৰ দৰে শিপা মেলি বহিলে ভণ্টি পৰিণীতা আৰু চিন্তামণিয়ে কয় থাকে, 'লগ নকৰে কিয়? চাবৰ মন নাযায়নে?

এৰা...................চাবৰ মন যায়.................

ঃ মনত পৰে ঃ

বৰকৈ মনত পৰে। সোঁৱৰণীয়ে পুতি ৰখা শৈশৱ শৰীৰটো। বোকা ধূলিয়ে ফুটুকা শৰীৰটো। আমলখি, কেঁচা আম, থেকেৰা, থেৰেজুৰ আঠাই থকা সৰকা কৰা গেঞ্জি কেইটালৈ.............বৰকৈ মনত পৰে। উচুপি উঠে দেওলগা কবিতা এটা। ক'ৰবাত এখন স্বৰ্গ এৰি আহিলো। ক'ৰবাত এখন অৰণ্য এৰি আহিলো। সম্প্ৰতি আজি দেউতা নাই। ডাকঘৰ নথকা দেশত থাকে। শৈশৱতোতে তেখেতক বিচাৰি ফুৰোঁ। ত ত কৈ চাই থকা ৰঙা





চুকুকেইটা এয়ে ক'ৰ যেন...........“অস্তমীত আকাশখন কিমান ধুনীয়া চা। তোৰ কনেভাচত তোলি থ'চোন।”মৃত্যুক স্থগিত ৰাখি তেখেত যেন জী উঠে মোৰ দুচকুত। হয়, মই বিচাৰি ফুৰোঁ.............তৰালি আকাশখন। বেজবৰুৱাৰ বুঢ়ী-আইতাৰ সাধুৰ জুনুক সাধুবোৰ। হু তু তু, ফটাকানীখনেৰে সজোৱা দৰা কইনাকেইটা। বাহৰ হিলৈওকেইটা, তামোল ঢকুৱাৰ গাড়ীখন, টাং গুটি কেইটা, পেটৰ জেপত থকা মাব'ল কেইটাৰ জুনুক জুনুক শব্দকেইটা..................বৰকৈ মনত পৰে। সপোনতে মই মোৰ শৈশৱটোৰ স'তে লৰি ফুৰোঁ সৰিয়হডৰাৰ মাজত। পথাৰৰ সোণালীত শুই থাকো। নীল আকাশৰ চিলাৰ দীঘল নেজডালত দেউতাৰ ডাকঘৰ নথকা দেশলৈ গৈ থাকো আৰু আৰু মই খেপিয়াই ফুঁৰো মোৰ যৌৱনমতী কবিতাজনী। আজিৰ দিনত মোৰ শৈশৱ কবিতাটো অসুখ। বেজবৰুৱাৰ সাধু কেইটাক কফালমাৰি পঠাউ যেতিয়া শিশুকেইটা শক্তিমান শক্তিমান খেলে। হি-মেন, চুপাৰ মেন খেল খেলি জপিয়াই ফুৰে-ঘোচা মাৰি ফুৰে-গোৰ মাৰি ফুৰে। পথাৰ,নৈ,জান,গছ,ফুল,পতংগৰ স'তে কথা নাপাতি চহকী খেলৰ প্ৰেমত পৰি মূখাৰিত হৈ পৰে....................হয়,তেতিয়াই উচুপি উঠে দেওলগা অসুখী কবিতটো।

ঃ অ' ভাই..............তোক বাবুৰে নিঙাইছি[1]! যা ক ডিব্ৰুগক[2]।

ঃ যাম ৰ! আবৈ[3]।

ঃ বিথিং-বাথাং[4] কৰি নেথাকবে[5]। যা হিৰিং হিৰিং[6] লাগব[7]। আফুং বাফুং[8] চুলিখিনি মেলাই ল'চোন। পেপেনা[9]টো। তই এনেকে[10]থাকলে[11]বুকুখন হলৰ[12] কুই[13]। কি পুলুলুক-পালালাক[14]চাচ'[15]!

ঃ তোকে চাচং[16]। তোৰ উপয় পয়[17]মুখখনে কেমান[18] যে গৰাং[19] ফালি ফালি কথা ক'।

ঃ আও মই গৰাং ফাললং[20]না! পইনাখন[21]তইয়ে মুঝিয়াত[22]কৈ আছলে[23]।তোৰ ডিব্ৰুগক মনত পৰে।

ঃ অ' আবৈ ফতিক দমতি [24] ওঠইনা[25] বিয়াখন কেনে পালে[26]?

ঃ আও ন'কবে[27] গতেই[28] খন নেংনেং ঠেক ঠেক[29]।

.....আইতাৰ কথা মতেই ডিব্ৰুখন চাই যাওঁ বুলি আহিলোঁ। চিনাকী গলিবোৰ চিনাকী মানুহবোৰ।..........

" কঁপি কঁপি সাতটা বছৰৰ ৰেলখন গ'লগৈ
সাতটা সাতটা উকি মাৰি ৰাতি কলিজা কঁপাই যায়
আমি দিয়া ভাই...........অনুগ্ৰহ কৰি
সাতটা সোঁৱৰণী ঢকা বসন্ত তোমাক দিলোঁ
ডিব্ৰু কলেণ্ডাৰ আঠ নম্বৰ ডিচেম্বৰে ক'লে বিদায়-বিদায় বিদায়.......
সাতটা বছৰ তুমি ভাই.............সাতটা কবিটা
কি পালা কি নাপালা ৰাখিছানে হিচাপ ভাই
........ৰেল যে যাই ঝক্ ঝক্.....
তোমাক যে গিলি থয় সোঁৰণীয়ে
ডিব্ৰুয়ে ৰিঙিয়ালে তুমি হৈ পৰা বাউল
খিৰিকীয়ে সাতখন সাতখন চিলা উৰোৱা ভাই তুমি
ৰেল যে যাই ঝক্ ঝক্............
মাহে মাহে বছৰে বছৰে সোঁৱৰণী ৰঙা নিচান উৰোৱাই।।"

ঃ উপসংহাৰ ঃ ডিব্ৰুৱে ৰিঙিয়াই মোক। ডিব্ৰুগড়ত থকা সময় খিনি মোৰ জীৱনৰ আটাইতকৈ শ্ৰেষ্ঠতম সময়।

ডিব্ৰুয়ানত এয়াই মোৰ অন্তিম লেখা। 'মৃত্যুৰ প্ৰতিক্ষাত ২০০০-০১', 'ক'লাজত বাস্তৱ, সপোন, প্ৰেম.............ইত্যাদি ২০০১-০২',"জীৱনৰ নদীৰ পাৰে পাৰে ২০০২-০৩", "সপোনৰ সমাধিত গদ্য-অগদ্যৰ সুবাস ২০০৩-০৪","ৰৈ ৰৈ বিনালে কলিজাৰ গান ২০০৪-০৫","জাক হেৰুৱা পখী ২০০৫-০৬" আৰু ডিব্ৰুয়ানৰ বুকুত এয়া অন্তিম কলম..........."ৰিণিকি ৰিণিকি দেখো ডিব্ৰুপাৰ........"। মনৰ ভিতৰত থোকা-থুকি কুৰিটা পাঠ আছিল আৰু লগতে এটা কবিতা। সচাঁ কথা কবিতাটো মই আজিও লিখিব নোৱাৰিলোঁ। মোৰ এই লেখাটো কাৰোবাক উপহাৰ দিব পৰাকৈ নান্দনিক নহয়, তথাপি মোৰ শব্দৰ খচৰা কেইটা আলফুলে তুলি দিলোঁ বন্ধুসৰ্ব-গৌৰিত, জুলু, বিক্ৰম, মৃদু, নৱনীতা, জয়ন্ত, জয়, নিৰ্মল, দিতুল, পাপু, ভাইটি, ৰূপম, বিতু, ৰিংকু, কিৰণ, পৰাগ, অভিজিত, গিৰিন, ভাইটি-চন্দন..........ভণ্টী--শ্যামলি, পৰিনীতা (পাহাৰী), চিন্তামণি(ঝনা) ৰুমি, ৰুবিয়া, মনিষা...........মৰমেৰে চোম।।

শব্দাংশ........... (লেখাতোত ব্যৱহৃত শব্দবোৰ সোনোৱাল কছাৰীৰ কথিত শব্দ) ১-মতা/মাতিছে, ২-ডিব্ৰুগড়, ৩-আইতা, ৪-থিৰাং নোহোৱা, ৫-নথকা/নাথাকিবি, ৬-মুকলি/মুকলিলগা,৭-লগা/লাগিব,৮-নফনিওৱা চুলি, ৯-চেঙেলীয়া ল'ৰা,১০-এনেকৈ,১১-থাকিলে,১২-ভিতৰি ভিতৰি বিযোৱা,১৩-কৰে,১৪-চুচুক চামাক, ১৫-চোৱা/চাইচা, ১৬-চাইছো, ১৭-শুকাই গৈ কমি যোৱা, ১৮-কিমান, ১৯-টেটু, ২০-ফালিলো, ২১-পৰহি, ২২-পাকঘৰ, ২৩-আছিলো, ২৪-স্বামী ককায়েক আৰু পত্নীৰ ককায়েকৰ মাজত যি সম্বন্ধ, ২৫-পৰহিৰ আগদিনাৰ আগদিনা, ২৬-পালা, ২৭-নকবা, ২৮-গোটেই, ২৯-লেপথেপিয়া বোকা।

ঃ ঃঃ ঃ

শাকনিবাৰিত এজনী গাই আৰু এটা দামৰীয়ে শাক খাই থকা দেখি ভূৱনে জেওৰা খুটিৰে কোৱাই গাইজনী আৰু দামৰীটো খেদিলে। তেনেতে ৰমেন আৰু দিপন আহি থকা দেখি ভূৱনে শুধিলে?

ভূৱন ঃ ঐ ৰমেন, ঐ দিপন এই গাই দামুৰীকেইটা কাৰ জাননে?
দিপন ঃ গাইজনী কাৰ নাজানো খুৱা।
ৰমেন ঃ মই জানো খুৱা।
ভূৱন ঃ ক চোন কাৰনো এই গাই দামুৰী।
ৰমেন ঃ গাইজনী কাৰ নাজানো, কিন্তু দামুৰীটো কাৰ জানো।
ভূৱন ঃ কচোন কাৰনো।
ৰমেন ঃ দামুৰীটো গাইজনীৰ খুৱা।







# শ্ৰেষ্ঠতাৰ অভিলেষ

ৰুমি সোনোৱাল
স্নাতক তৃতীয় বৰ্ষ (ৰাজনীতি বিজ্ঞান)

বাৰিষাৰ বতৰ। বতৰটো গোমোঠা মাৰি আছে। মেঘবোৰো ইফালৰ পৰা সিফাললৈ তীব্ৰগতিৰে যাবলৈ ধৰিছে। আকাশৰ বুকুখন মাজে মাজে কলা আৰু বগা হ'বলৈ ধৰিছে। গছ-গছনি বোৰ মাজে হালিছে জালিছে। চৰাইবোৰো বৃহৎ গছবোৰৰ জোপোহাৰ আঁৰত সোমাই পৰিছে যেন সিহঁতেও গম পাইছে বৰষুণ আহিব এই মাত্ৰই ধাৰাসাৰে পৃথিবীৰ ধৰালৈ বৰষুণ আহিব।

সৃষ্টিয়ে হস্পিটালৰ বিছনাত শুই শুই সন্মুখৰ খিৰিকীৰে বাহিৰলৈ একে দৃষ্টিৰে চাই ৰৈছে। তাইৰ প্ৰকৃতি খুউব ভাল লাগে। এই প্ৰকৃতিখন বৰষুণৰে হওক নাইবা ৰ'দ-বতাহৰে হওক, তাই প্ৰকৃতি প্ৰেমি। চৰাই বোৰ যেতিয়া ৰাতি পুৱা সৃষ্টিহতৰ পাছ ফালৰ চোতালত ভিৰ কৰে তেতিয়া তাই চৰাই বোৰৰ লগত গীত গাই গাই বহু দেৰি কটাই দিয়ে। এই নিয়মীয়া বিষয়টো তাই ভালেমান ডাঙৰ হোৱাৰ লৈকে চলি আছিল। কিন্তু বিধাতাৰ লিখন কোনে খন্দাব পাৰে। প্ৰকৃতিৰ লগত ওমলা সেই সৃষ্টি জনীয়ে আজি দেহত মৰাত্মক কেন্সাৰ ৰোগৰ বীজাণু লৈ থাকিব লগা হৈছে। তাইৰ পঢ়াত আছিল মেধা তাতোকৈ আছিল পঢ়াৰ প্ৰতি থকা তাইৰ হেঁপাহ খিনি। ভালদৰে পঢ়ি তাই সু-নাম কৰাও আছিল অপাৰ ইচ্ছা। তাই এই যে হস্পিতালৰ বিছনাত পৰি আছে তাই এই সময়ত দশম মানৰ ছাত্ৰী আছিল এগৰাকী ছাত্ৰীৰ বাবে এই সময় খিনি বৰ মূল্যবান আছিল। কিন্তু সৃষ্টিৰ এই মূল্যবান সময় খিনিতে মেধাৱী শিক্ষাৰ্থী গৰাকীয়ে মাহৰ পাছত মাহ চিকিৎসালয়ৰ বিছনাত পৰি অনিশ্চিত ভৱিষ্যতৰ সৈতে যুঁজিব লগা হৈছিল। সৃষ্টিৰ বাবে আছিল সেয়া এক পৰিসৰ।

ঃ হেল্ল...................সৃষ্টি এতিয়া কেনে পাইছা?

অসমৰ বাহিৰত থকা এই নামজলা কেন্সাৰ হস্পিতালৰ অসমীয়া ডাক্তৰ জন আহি সৃষ্টিৰ খবৰ ললে। তাইক এই ডাক্তৰ, নাৰ্চবোৰে বৰ মৰম কৰে। এও লোকৰ মৰমৰ মাজত থাকি তাই কেতিয়াবা নিজৰ কথাও পাহৰি যায়। যেন তাই তাতে বহুত শান্তি পাইছে। যেতিয়া তাইৰ পঢ়া-তথা মেট্ৰীক পৰীক্ষাৰ কথা মনলৈ আহে তেতিয়াহে তাইৰ চকু পানীৰে নৈ বৈ যায়।

ঃ হেল্ল.............

ঃ ও ছাৰ, আপোনী কেতিয়া আহিলে?

ঃ মই টো অথনিয়ে আহিলো তোমাকটো মাতি আছো কিন্তু তুমিটো মোক মাতেই দিয়া নাই।

ঃ নহয় ছাৰ মই মানে কিবা এটা চিন্তা কৰি আছিলো। মই কেতিয়া যাব পাম ছাৰ?

ঃ অ তুমি...............তুমিটো আমাক এৰি যাব হলেই তাকেইটো..............ভাল খবৰটো তোমাক দিও বুলি আহিছো। এই মাহৰ শেষৰ তাৰিখে তুমি যাব পাৰিবা। তুমি প্ৰায় সুস্ত হৈ পৰিছা। কিন্তু মাজে মাজে তুমি ইয়াত আহি থাকিব লাগিব।

তাই আকৌ চিন্তাত বিভোৰ হৈ পৰিল। তাই মনে মনে কাষৰ ওৱালত থকা কেলেণ্ডাৰখন হিচাপ কৰি চালে। তাই যাবলৈ মাঠো পোন্ধৰ দিন বাকি আছে।

তাইৰ মনটো আনন্দৰে ভৰি পৰিল। তাইৰ কোমলিয়া মনলৈ বহু কথা দোলা দি থাকিল। তাই চিন্তা কৰি থাকোতে কেতিয়া ডাক্তৰে ওলাই গল গমকে নাপালে। মনত এটা লাজে দেখা দি গল। ধন্যবাদ এটাও দিয়া নহল।

বহু দিনৰ মূৰত ঘৰলৈ আহি তাইৰ বৰ অচিনাকী অচিনাকী লাগিছিল। পিছফালৰ চোতালখন নিজান নিস্তব্ধতা। কতো এটা

চৰাই চিৰিকটীও দেখিবলৈ নাই। তাই মনতে ভাৱিলে নাই এইবাৰ একো চিন্তা নাই। তাই আহিলে যেতিয়া ব্যস্ততাৰ মাজতো চৰাই বোৰৰ, প্ৰকৃতি খনক গীত গাই জগাব আৰু তাইৰ গীত শুনি শুনি চৰাই বোৰে চোতালত পৰিব, প্ৰকৃতি মনে নাচিব-বাগিব আৰু ধাৰাসাৰে বৰষুণ দিব।

কেইদিন মানৰ পাছৰ পৰা সৃষ্টি পঢ়াত মনোযোগ দিলে। তাই দেখুৱাই দিব বিচাৰিলে যে তাই কোনো বেমাৰ বা বাধাক হাৰ নামানে। তাইক ইমান পঢ়া-শুনা কৰা দেখি ঘৰৰ মানুহে বাধা কৰিছিল। "স্বাস্থ্য ভাল থাকিলে হে ভাল পৰীক্ষা এইবাৰ নিদি লেও হব।" কিন্তু তাইৰ একাগ্ৰতা কমক চাৰি দিনে দিনে বাঢ়িব হে ধৰিলে। তাই সৃষ্টি, তাই দেখোৱাই যাব বিচাৰিলে যে মনৰ জোৰ আৰু একাগ্ৰতা থাকিলেও একো বাধা বিঘিনিৰেও হাৰ মনাব নোৱাৰে। এনেদৰে দিন মাহ বাগৰি গৈ থাকিল শাৰীৰিক অসুস্থতাকো নেওচি তাইয়ো আগবাঢ়ি গৈ থাকিল। সময়ত তাই মেট্ৰীক পৰীক্ষা দিলে।

২৭ মে' মঙ্গলবাৰ মেট্ৰীক পৰীক্ষাৰ ৰিজাল্ট ওলাল। সকলো বোৰ স্কুল আজি ভিৰ কৰিছে। সকলোৰে নিজৰ নিজৰ ৰিজাল্ট লোৱাত ব্যস্ত হৈ পৰিছে।

২৮ মে' দিনাখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাৰ শিৰোণমাত মেট্ৰীকত প্ৰথমত কুৰীটাৰ ভিতৰত থকা ছাত্ৰ-ছাত্ৰীবোৰৰ ৰিজাল্টবোৰে দখল কৰিছে। সৃষ্টিয়ে বাতৰি কাকতখন মেলি তাইৰ সাক্ষাতকাৰটো চাই আনন্দত আত্মহাৰা হৈ পৰিছে। আজি তাইৰ খুউব আনন্দ লাগিছে। তাই আজি অসমৰ কুৰীটাৰ ভিতৰত সপ্তদশ স্থান দখল কৰিছে। তাই ছটা লেটাৰ নম্বৰ পাইছে। ইয়াতকৈ আনন্দৰ কথা আৰু কি থাকিব পাৰে। আজি তাইৰ ঘৰত শুভাকাংশিৰে ভিৰ হৈ পৰিছে। সাংবাদিকে তাইক বহুতো প্ৰশ্নৰ মাজত ব্যতিব্যস্ত কৰি তুলিছে তথাপি আজি তাইৰ বেয়া লগা নাই। মাক দেউতাকৰ আনন্দৰ চকুলো খিনি তাই একেথিৰে চাই ৰৈছে। তাই আজি সাংবাদিকৰ আগত প্ৰকাশ কৰিছে যাতে ভৱিষ্যতে আমাৰ দেশ উজ্জলাবলৈ কোনো ছাত্ৰ-ছাত্ৰীয়ে কোনো বাধাকো সাৰ নামানি আগবাঢ়ি যায় আৰু আমাৰ সোণৰ অসম মন সদায় উজ্জ্বলাই থাকে। সেয়েহে তাই আজি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।।

---

☺ প্ৰতিটো হেৰাই যোৱাৰ পিছতো এটা বস্তু থাকে, আৰু সিয়ে হ'ল - ভৱিষ্য

— বভি

☺ পতিটো কৰ্তব্যই পবিত্ৰ আৰু কৰ্তব্যৰ প্ৰতি শুদ্ধাই ভগৱানক পূজা কৰাৰ সৰ্বোতম উপায়।

— স্বামী বিবেকানন্দ

☺ কোনো সৌন্দৰ্যই মনৰ সৌন্দৰ্যৰ দৰে সুন্দৰ নহয়।

— জচুৰা কুৰা

☺ ভ্ৰাতৃৰ দৰে মিলিজুলি থাকিবা নহলে মুৰ্খৰ দৰে বিনাশ প্ৰাপ্ত হ'বা

— মাৰ্টিন লুথাৰ





# নীলাৰ মাজৰ এটি তৰা

শ্ৰী দীপশিখা শইকীয়া
স্নাতক প্ৰথম বৰ্ষ (শিক্ষা বিভাগ)

পঢ়ি থকা কিতাপখন জপাই থৈ শ্ৰুতি পাছফালৰ বাৰাণ্ডালৈ ওলাই আহিল। এইয়া ফাগুণৰ আবেলি। নীলা আকাশত ভমকা ফুলিয়া ডাৱৰৰ ফুল ; পশ্চিমৰ ফালে আকাশখন বহু দূৰলৈ, কমলা বৰণৰ হৈ পৰিছে। কিছু সময়ৰ পিছত হয়তো বেলি মাৰ যাব। তাই চোতাললৈ নামি আহিল, এই ঠাই ডোখৰ মুকলি। চকী এখনত বহি লৈ তাই মুখটো ওপৰলৈ কৰি একান্ত মনেৰে আকাশখনলৈ চাই থাকিল। তাইৰ মেলি থোৱা দীঘল চুলি কোচা কপি থাকিল ফাগুনি মলয়াৰ স্নিগ্ধ শীতল পৰশত। বহুত দিন হ'ল তাই এইদৰে নিজৰ স'তে সময় নকটোৱাৰ। এইদৰে মুক্ত আকাশৰ তলত বহি থাকি তাইৰ খুউব ভাল লাগে। কোনে জানো কৈছিল "দিনটোত এবাৰ আকাশৰ ফালে চাবা ; তুমি নিজকে শক্তিশালী যেন অনুভৱ কৰিবা। আকাশৰ উদাৰতা আৰু বিশালতাই তোমাক সাহসী কৰি তুলিব।" আকাশত নীলাৰ পৰিধি কমি আহিছে। তাৰ ঠাই অধিকাৰ কৰিছে শুদ্ধ বগা চবকা-চবক ডাৱৰৰ সমষ্টিয়ে। হঠাতে কিবা এটা দেখি যেন তাই অস্থিৰ হৈ পৰিল। ডাৱৰবোৰ দ্ৰুত গতিত ঘূৰিবলৈ ধৰিলে ; ফাগুনি মলয়াইও যেন বৰদৈচিলাৰ ৰূপ ল'লে ; এই যেন সমস্ত গছ-বন, ঘৰ-দুৱাৰ বোৰে তাইক চেপি ধৰিব। তাই দুয়োহাতেৰে কাণ দুখন হেঁচি ধৰিলে আৰু হুক-হুকাই কান্দি উঠিল। কিছুপৰ কান্দি থাকি তাই পুনৰ আকাশলৈ চালে, তাই দৃষ্টি নিবদ্ধ হ'ল ডাৱৰৰ মাজৰ অকণমান নীলা আৰু তাৰো মাজৰ এটি অকলশৰীয়া তৰাত, তাইৰ চকু মুখত ফুটি উঠিল অসহায় আৰু অপৰাধীৰ ভাব।

কিছুমান কথা হঠাতে মনত পৰে যাক বাধা দি ৰাখিব নোৱাৰি। এদিন স্কুললৈ যাওঁতে তাইৰ লগৰ পলিয়ে তাইক কৈছিল "মই তোক এটা বস্তু দেখুৱাম"। পিছে সেইদিনাটো দুৰৰ কথা, তাৰ পাছ দিনাও তাই বস্তুটো দেখুওৱা নাছিল। তৃতীয় দিনা শ্ৰুতিয়ে অলপ ঠাট্টাৰ সুৰত কৈছিল —

ঃ পলি, তোৰ এটা বস্তু চাবলৈ মই কেইটা দিন অপেক্ষা কৰিব লাগিব ক'চোন?

ঃ আৰে, কি 'ঘাটিয়া মাল' বুলি ভাবিছ নেকি? ভি. আই. পি. হয় ভি. আই. পি.।

ঃ চেঃ আগতে ন'কলি কেলেই হা? আমাৰ ঘৰত বিৰাট ধুনীয়া মালা এডাল আছিল। অৱশ্যে চেণ্ডেলৰ!

ঃ কথাই প্ৰতি ঠাট্টা.......................ঐ আহিছে, আহিছে।

ঃ কি আহিছে? বাঘ নে সিংহ?

ঃ মনে মনে থাক।

তেনেতে সিঁহতৰ আগেদি চাইকেল লৈ এটা ল'ৰা পাৰ হৈ গ'ল। মুখত তাৰ লাজকুৰীয়া, মিছিকিয়া হাঁহি। সিঁহতৰ বয়সৰে হ'ব ; পিন্ধনত ক'লা ছেক দিয়া বগা ছাৰ্ট আৰু নীলা জিন্স পেন্ট। ল'ৰাটো পাৰ হৈ গ'ল। শ্ৰুতি হাঁহিত ফাটি পৰিল। পলিৰ মুখত খঙৰ স্পষ্ট ৰেশ।

ঃ অই, তই পাগলি হ'লি নেকি? পাগলৰ দৰে হাঁহিছ যে?

শ্ৰুতিয়ে কোনো মতেহে হাঁহি সামৰিলে আৰু নাটকীয় ভংগীত কৈ উঠিল—

ঃ উৰাহ, কিয়া ছিজ হে! মোহতৰমা, আপোনাক মাত নলগুৱা কৈয়ে পাৰহৈ গ'ল দেখোন!

ঃ চিনি পালেহে মাতিব। এনেই মাতিব নেকি?

ঃ যদি চিনিয়েই নাপাৰ, সেই 'ৰাস্কেল'টোক দেখুৱাবলৈকে কেলেই ইমান উৎপাত কৰিছিলি হা?

ঃ 'ৰাস্কেল' বুলি কৈ দিলি?.............

এনেতে সিঁহতৰ বাছ আহিল আৰু সিহঁত গুছি গ'ল স্কুল অভিমুখে। সিহঁত দুয়োজনি দশম শ্ৰেণীৰ ছাত্ৰী। কথাই কথাই ঠাট্টা-মস্কৰা চলি থাকিলেও সিহঁত দুয়োজনী অন্তৰংগ বান্ধবী।

এইদৰে বহুত দিন গ'ল। ল'ৰাটো সদায় সিঁহতৰ আগেদি পাৰ হৈ যায়। আৰু শ্ৰুতিয়ে সদায় পলিক এটা এটা কথা কৈ খং উঠাই থাকে। এদিন পলিয়ে ক'লে—

ঃ সেইযে ল'ৰাটো সি খুউব ধুনীয়া ঢোল বজাই। এইখিনিতে ক'ৰবাত ঘৰ। আমাৰ লগতে পঢ়ে। তাৰ এজনী বায়েক আৰু এজনী ভনীয়েক আছে। দেউতাক আছে কিন্তু মাক নাই।

ঃ ওঁ, তই যদি ভৱিষ্যতে সাংবাদিক হৱ, তেতিয়া হ'লে কোনো সন্দেহ নাই যে এমাহতে তোৰ প্ৰমোচন হ'ব।

ঃ তোৰ লগত কথা পতা আৰু গৰু এটাৰ লগত কথা পতাৰ মাজত কোনো পাৰ্থক্য নাই।

ঃ নিশ্চয়। সেই কাৰণে কৈছো কোনোবা মানুহ এটাক ডিঙিত ৰচি লগাই লগত লৈ ফুৰিবি। তই কথা ক'বি আৰু সি শুনিব। আৰু এইটো কামৰ বাবে তোমাৰ সেই ভি.আই.পি. টোৱেই ঠিক হ'ব যেন লাগিব!.............

পলিয়ে চকু দুটা ঘোপা কৰি শ্ৰুতিলৈ চালে।

ঃ ভয় লাগে ভাই, তেনেকৈ নাচাবি।

কথাষাৰ কৈয়ে শ্ৰুতিয়ে হাঁহি দিলে। সেই হাঁহিত পলিয়েও যোগ দিলে।

এইদৰেই পাৰহৈ গ'ল দিন, মাহ। মেট্ৰিক পৰীক্ষা হৈ গ'ল, বিহুও পাৰ হৈ গ'ল চমু চাপি আহিল ৰিজাল্টৰ সময়। ৰিজাল্ট দিয়াৰ এদিনৰ আগত সিহঁতৰ ঘৰৰ পৰা অলপ দূৰতএখন বিহু সন্মিলন আছিল। ৰাতিলৈ সেই সন্মিলনখনৰ পৰা অলপ আঁতৰতে এটা ট্ৰাক দুৰ্ঘটনা হৈছিল আৰু এটা ঢুলীয়াৰ ঠাইতে মৃত্যু হৈছিল। শ্ৰুতিয়ে পিছদিনা ৰাতিপুৱাই ককায়েকৰ মুখৰ পৰা শুনিছিল এই কথা। তাই বিশেষ গুৰুত্ব দিয়া নাছিল। কাৰণ আজিকালিটো দুৰ্ঘটনাই দুৰ্ঘটনা। তাইৰ ভয় লাগিল ৰিজাল্টৰ বাবেহে।

শেষত ৰিজাল্ট আহিল। শ্ৰুতি আৰু পলি দুয়োজনীয়েই ভালদৰেই পাছ কৰিছে। দুয়োঘৰতে এটা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি। আবেলিলৈ শ্ৰুতি পলি হঁতৰ ঘৰলৈ গ'ল। পলিৰ মুখত দুখৰ ৰেঙনি। তাই যেন ৰিজাল্টটো লৈ সুখী নহয়। পলিয়ে শ্ৰুতিক ৰুমলৈ লৈ গ'ল। ৰুমত সোমায়েই পলিয়ে দুৱাৰ খন 'ল'ক' কৰি দিলে। শ্ৰুতি কিছু আচৰিত হ'ল। এইবাৰ তাই শ্ৰুতিক সাৱটি ধৰি কান্দি উঠিল।

ঃ এইবোৰ কি হৈ গ'ল শ্ৰুতি?

ঃ কিয়? আমাৰ ৰিজাল্টটো ইমান বেয়া হোৱা নাই!

ঃ খালী ৰিজাল্ট, ৰিজাল্ট! তই কেনেকুৱা ছোৱালী মই বুজি নাপালো শ্ৰুতি। এই প্ৰথম তোক মোৰ অচিনাকী যেন লাগিছে। তোৰ মনত আছে শ্ৰুতি? পৰীক্ষাৰ আগতে 'এডমিট' আনিবলৈ যাওতে সি আমাৰ লগত 'ফ্ৰেণ্ডছিপ' কৰিব বিছাৰিছিল। কিন্তু তই আঁতৰি গৈছিলি। সি কি কৈছিল জান, তোৰ বোলে স্বভাৱ-চৰিত্ৰবোৰ তাৰ বায়েকৰ দৰে আৰু সেইবাবেই সি তোৰ লগত বন্ধুত্ব গঢ়িবলৈ বিচাৰিছিল। সি কি কৈছিল জান, " মই জানো তাইক বুজাবলৈ সময় লাগিব কাৰণ মোৰ বাও একে ধৰণৰ। সেই কাৰণেই কিজানি যিমান খং কৰিলেও তাইক মোৰ ভাল লাগে। " সি মোক কৈছিল— মই যেন তোক বুজাওঁ। কিন্তু তইতো মোৰ কথা শুনিলে অকল ঠাট্টাহে মাৰ।" সেইবাবেই মই কোৱাৰ সাহস গুটাব নোৱাৰিলো। আৰু আজি, আজিটো তই ৰিজাল্টক লৈ ব্যস্ত হৈ আছ। তাৰ মৃত্যুৰ দুখে তোক অলপো স্পৰ্শ কৰা নাইনে?.......

ঃ তই এইবোৰ কি কৈছ? ............শ্ৰুতিৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। তাৰমানে পৰহি ৰাতি ট্ৰাক দুৰ্ঘটনাত ঢুকুৱা ল'ৰাটো কি সি আছিল ???...........

তাই লাহে লাহে পলি হঁতৰ ঘৰৰ পৰা ওলাই আহিল। পাছফালৰ পৰা কোনোবাই কিবা কৈছিল, তাই নুশুনিলে। তাইৰ চকুৰ আগত ভাঁহি আহিল প্ৰথম দিনা দেখা সেই লাজকুৰীয়া ল'ৰাটো। তাইৰ দুগালে দুধাৰি চকুলো বৈ আহিল। এক বুজাব নোৱাৰা দুখানুভূতিয়ে তাইৰ মনটো গধূৰ কৰি তুলিলে। তাইৰ নিজকে অপৰাধী অপৰাধী যেন লাগিল। মাক নথকা সেই ল'ৰাটোক তাই যদি অলপ বন্ধুত্ব দিলেহেঁতেন; কি ক্ষতি হ'লহেঁতেন বাৰু! তাই, তাই বৰ নিষ্ঠুৰ, তাইৰ কোনো অন্তৰ নাই, তাই এটা শিলৰ মূৰ্তি। তাইৰ চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল। কিন্তু.................তাই দেখিলে বহুত মানুহ তাইৰ ফালে আগুৱাই আহিছে। হয়তো শুভেচ্ছা জনাবলৈ। তাই চকুপানীবোৰ মচি পেলালে আৰু নিজকে কঠোৰ অভিনয়ৰ বাবে প্ৰস্তুত কৰিলে।

বহু মাহ পাৰ হৈ গ'ল। শ্ৰুতিৰ চকুলো শেষ নহ'ল। আৰু লগতে হেৰাই গ'ল তাইৰ সমস্ত হাঁহি। চটফটীয়া, চঞ্চল সেই ছোৱালীজনী অদ্ভুত ধৰণে গম্ভীৰ হৈ পৰিল। তাই আকাশ ভাল পাবলৈ শিকিলে। আকাশৰ তলৰ নিঃসংগ মূহুৰ্তবোৰ ভাল পাবলৈ ধৰিলে। আকাশৰ নীলাবোৰ ভাল পাবলৈ ধৰিলে। কিন্তু আকাশৰ বুকুত এটা তৰা দেখিলে তাইৰ সয্য নহয়। তাইৰ এনে লাগে যেন সেইয়া সেই ল'ৰাটো; সি যেন তাইৰ ফালে চাই অট্টহাস্য কৰিছে আৰু কৈ উঠিছে, "বৰ অহংকাৰ দেখুৱাইছিলা নহয়, ক্ষন্তেকৰ বন্ধুত্বও দিব নোৱাৰা। পিছে কি হ'ল, আজি দেখোন তুমি হাঁহিবও নোৱাৰা হ'লা। চাবা, এদিন তুমি কান্দিবও নোৱাৰিবা; এটা প্ৰস্থৰ মূৰ্তি হৈ থাকিবা তুমি।"............

আকৌ হুক-হুকাই কান্দি উঠিল শ্ৰুতি। তাইৰ চাৰিওফালে আন্ধাৰ নামি আহিছে। ফাগুনি মলয়াৰ শীতল পৰশটো তাই শান্ত হ'ব পৰা নাই। কিবা এক অস্থিৰতাই তাইক গ্ৰাস কৰি পেলাইছে। ডাৱৰবোৰ ক'ৰবালৈ আঁতৰি গৈছে। আকাশত তৰাৰ সীমাহীন চাকি। তাৰ মাজত তাই বিচাৰি ফুৰিছে সেই অকলশৰীয়া তৰাটো। এৰা, তাক যে তাইৰ বহু কথাই ক'বলৈ থাকিল!!!........................................

☺ কোনো এটা জাতিৰ সংস্কৃতি আৰু বৈশিষ্ট্য জনসংখ্যাৰ ওপৰত নিৰ্ভৰ নকৰে - সেয়া আন প্ৰাণৱন্ত বস্তুৰ ওপৰতহে নিৰ্ভৰশীল। বিদেশী আৰু শত্ৰুভাৱাপন্ন লোকৰ দ্বাৰা পৰিবেষ্টিত ক্ষুদ্ৰ সংখ্যা লঘিষ্ঠ সকলেও তেওঁলোকৰ সংস্কৃতি, ভাষা আৰু ঐতিহ্য যে কেৱল বজায় ৰাখিবই পাৰে এনে নহয়, সেইবোৰৰ যথোচিত শ্ৰীবৃদ্ধিও সাধন কৰিব পাৰে।
যদি জাতি এটাৰ জীৱনী শক্তি থাকে - মোৰ বিশ্বাস অসমীয়া জাতিৰ সেই জীৱনী শক্তি আছে - তেনেহলে বাহিৰৰ পৰা যিমানেই আক্ৰমণ নকৰক কিয়, অসমীয়া জাতিৰ অস্তিত্ব কোনেও বিপন্ন কৰিব নোৱাৰে।

— জৱাহৰলাল নেহৰু



ডিব্ৰু কলেজ আলোচনী ২০০৬-০৭

# এনিশাৰ চকুলো

সুস্মিতা খাওন্দ
স্নাতক তৃতীয় বৰ্ষ কলা শাখা
(সংস্কৃত বিভাগ)

ঘড়ীটোত ন বজাৰ ঘণ্টা বাজিল। ইফালে তাই ৯:৩০ বজাত অফিচ পাব লাগে অথচ ঘৰতে ৯.০০ বাজিল। তাই কাম বিলাক যিমান পাৰে সিমান খৰধৰ কৈ কৰি ঘৰৰ পৰা ওলালে। ঘূৰি আহোতে অলপ বজাৰ কৰিব। দৰ্জাখনত তলাটো মাৰি গেটৰ বাহিৰ হ'ল। তেতিয়াহে তাইৰ মনত পৰিল তাইৰ আটাইতকৈ দৰকাৰী বস্তুটোৱেই ল'বলৈ পাহৰিলে ATM কাৰ্ডখন। অফিচৰ পৰা ঘূৰি আহোতে বজাৰত সোমাব আৰু বেংকৰ পৰা অলপ টকাও ওলিয়াব। ছেঃ কি যে ছোৱালী তাই টকা উলিয়াব অথচ ATM কাৰ্ডখনেই তাই আনিবলৈ পাহৰিলে। নিজকে নিজেই দুচৰমান দিব মন গৈছিল। ATM কাৰ্ডখনলৈ উভতি আহি মেইন ৰাস্তাৰ কাষত ৰ'লহি। ইতিমধ্যে ৯:১৫ হ'লে। গতিকে এতিয়া আৰু বিক্ৰম বা গাৰোদালৈ ৰৈ থাকিব নোৱাৰে তাই অট'এখনকে মাতিলে,অট', অট'...........যাবা? অফিচত নিজৰ কেবিনত সোমায়েই ভাস্বতীয়ে প্ৰথমে একাপ কফীৰ অৰ্ডাৰ দিলে। ক্ৰিং, ক্ৰিং............ হেল্ল' মই মিচ্ শৰ্মাই কৈছো, কওক চোন। হয় মই চহী কৰি থৈছো। আপুনি আজি ফাইলটো লৈ যাব পাৰিব.................. Thank You । ফোনটো থৈ ইতিমধ্যে তাইৰ টেবুলত দি থৈ যোৱা কফি কাপত সোহাটো মাৰিলে অলপ নিজকে সতেজ অনুভৱ কৰিলে। ২:৩০ বজাত তাই অফিচৰ পৰা ওলাই আহি বজাৰত সোমালে। অ' বাইদেউ আপুনি বহুদিন অহা নাই? ভালনে আপোনাৰ? অ মোৰ ভালেই। তোমাৰ কেনেকেৱা? ঘৰত ভাল? এ বাইদেউ কিনো ক'ম আছো আৰু যেনে তেনে। কওক চোন কি দিম আপোনাক? দিয়াচোন মচুৰ ডাইল.......... কিমান হ'ল? বাইদেউ ১২০.০০ টকা..........। তাই বজাৰৰ বেগটো হাতত লৈ উভতি চাই দেখে যে কোনোবা ল'ৰা এটাই তাইলৈ চাই হাঁহি হাঁহি গাড়ীখনৰ পৰা নামি আহিছে। স্বাতী কেনেকুৱা মোক চিনি পাইছানে? ভাস্বতী থতমত খাই গ'ল। ঠিক, তাই ঠিকেই চিনি পাইছে, প..ল, মুখৰ ভিতৰতে তাই দুবাৰমান নামটো উচ্চাৰণ কৰিলে। সি সেই একেই কোমলীয়া হাঁহিটো মাৰি কি হ'ল মোক পাহৰি গ'লা নে মোৰ নামটো পাহৰিলা। এতিয়া তুমি ঘৰলৈহে যাবা যদি বেয়া নোপোৱা মোৰ লগতে ব'লা, পলে অতি সহজ ভাৱেই তাইক সুধিলে। তাইৰ মুখেৰে মাত নোলোৱা হ'ল মাথো তাই নিঃশব্দে গাড়ীখনত বহিল। গাড়ীখনত দুটাকৈ জীৱন্ত মানুহ থাকিও যেন শূন্যতাই বিৰাজ কৰিছিল। কিছুসময়ৰ পাছত নিশব্দতা ভাঙি পলেই শুধিলে কেনে আছা তুমি? মোটামুটি চলি আছো আৰু.......মোৰ আৰু এতিয়া ভাল বেয়া বুলি কি আছে............নিজৰ বিষয়ে কথাখিনি ক'বলৈ আৰম্ভ কৰোতেই বাধা দিলে, মই সকলো জানো স্বাতী। স্বাতী দ্বিতীয় বাৰৰ বাবে আচৰিত হ'ল। ভাস্বতীয়ে যেন ক'বলৈ কথা বিচাৰি পোৱা নাই, তুমি এতিয়া ক'ত থাকা? বহুত ভাবি চিন্তি শুধিলে। মই বহুবছৰ ব'ম্বেত আছিলো। আজি সাত বছৰৰ মূৰত মই অসমলৈ আহিছো মানে এটা স্পেচিয়েল প্ৰযেক্টৰ কামত। কাম শেষ হ'লেই আকৌ যামগৈ। ভাস্বতীৰ ঘৰৰ সন্মুখত গাড়ীখনৰ পৰা নামিল। প'লে সন্মুখৰ ঘৰটোলৈ চাই তুমি অকলে থাকা নেকি? নহয় মোৰ লগত মোৰ Friend এজনী থাকে। তাই বিশেষ একো কথা নকই ঘৰলৈ গ'ল। তাই নিজৰ কোঠাত সোমাই বিছনাখনত থপকৈ বহি পৰিল। কি হ'ল আজি, সেই একেই হাঁহি একেই কথা, মানুহটো অলপো সলনি হোৱা নাই। সি সাত বছৰৰ পাচত অসমলৈ আহিছে। তাৰমানে সি সেই যে গৈছিল তাৰ পাচত আৰু আহা নাছিল।

আজি প্ৰথম দিন তাইৰ এই কলেজত। হাইৱেৰ কাষতে থকা কলেজৰ তোৰণখনৰ তলেদি সিহঁতৰ গাড়ীখন সোমাই গ'ল। কলেজৰ গেটৰ সন্মুখত সিহঁতৰ গাড়ীখন ৰখালে। গাড়ীৰ দৰ্জা খুলি তাই নামি চাৰিওফালে এবাৰ চালে। তাইৰ কাৰণে অলপ আচহুৱা যেন লাগিছিল, কিয়নো নালাগিব তাইৰ কাৰণে এই চহৰ খনেই অচিনাকী। কিমান সময় তাই তাত থিয় হৈ আছিল তাই গমেই পোৱা নাছিল। জুম কি হ'ল আহা তাত অকলে কিয় থিয় হৈ আছা? বৌৱেকৰ কোমল মাততহে তাই গম পালে। তাইক ঘৰত সকলোৱে জুম্পা বুলিয়েই মাতে আৰু বৌৱেক তাইক মৰমতে জুম বুলি মাতে। তাইৰ একমাত্ৰ বৌজনীক তাই খুব ভাল পায়। সেইবাবে তাইক হোষ্টেলত থ'বলৈ বৌৱেকৰ ওচৰত খুব জিদ ধৰিছিল। তাইৰ ৰুমত সকলো বস্তু থিক থাক কৰি ককায়েক আৰু বৌৱেক যাবলৈ ওলালে। যাবৰ সময়ত তাইক বৌৱেকে তাইৰ হাত এখনত ধৰি খুব মৰমেৰে কৈছিল জুম তুমি এইবিলাক সৰুসুৱা কথাত মন বেয়া নকৰিবা, ভালকৈ পঢ়াত মন দিবা। আৰু যদি তোমাৰ বেছি মন বেয়া লাগে তেতিয়া তুমি মোলৈ ফোন কৰিবা দেই। কথাকেইটা কৈ ককায়েক আৰু বৌৱেক যাবলৈ ওলালে। যাবৰ সময়ত ককায়েকে তাইৰ মূৰত হাতখন ফুৰাই মৰম কৰিলে তোৰ যদি কিবা পইচাৰ প্ৰয়োজন হয় মোক জনাবি, এতিয়া আমি যাও দেই। তাই বহু সময় গাড়ীখন যোৱাৰ ফালে চাই থাকিল। ৰঙা বেলিটোৱেও ৰাতিটোৰ বাবে তাইৰ পৰা বিদায় লৈছে। বুকখন শোকতে যেন কিবা এটাই যেন খুন্দিয়া-খুন্দি কৰিছে।

সন্ধিয়া হোষ্টেলৰ সকলোৱে সমজুৱা প্ৰাৰ্থনা কৰি সকলোৱে নিজৰ নিজৰ কোঠাত সোমাল। সিহঁতৰ কোঠাত চাৰিজনী ছোৱালী থাকে ইতিমধ্যে তাই চিনাকী হৈছে ৰুণী সিহঁতৰ চিনিয়ৰ আৰু বাকী দুজনী নিভা আৰু পলি তাইৰ লগৰ। নিভা অলপ গহীন কম কথা কয় আনহাতে পলি নিভাৰ সম্পূৰ্ণ ওলোটা। যাৰ লগতে তাই চিনাকী হয় তাকে অতি কম দিনৰ ভিতৰতে তাক আপোন কৰি ল'ব পাৰে। ৰাতি ভাত খাই উঠাৰ পাছত এজনীয়ে সকলো নিউকমাৰক ডাইনিং হলৰ কাষৰ দীঘলীয়া কোঠাটোত গোটালে তাৰ পাছত সিহঁতৰ মাজত আৰম্ভ হ'ল ৰেগিং পৰ্ব। অ' ভন্তি কি নাম তোমাৰ? আদি প্ৰশ্নৰে আৰম্ভ আৰু এতিয়া যাবৰ সময়ত কিবা এটা দি যোৱা ইত্যাদি প্ৰশ্ন তাৰ মাজতে খীন মীন চৰ্ম অস্থি বা এজনীয়ে মাজতে আহি এজনীক সুধিলে তুমি জেলেপী ডাঞ্চ দিব জানানে? ছোৱালীজনীয়ে নাজানো বুলি ক'লে, ৰ'বা মই দেখুৱাই দিম। মই কিন্তু এবাৰহে দিম ভালকৈ চাবা। তাৰ পাছত চিনিয়ৰ জনীক অনুকৰণ কৰি যি নৃত্য প্ৰদৰ্শন কৰিলে সেইটো চাই কোঠাতোত থকা সকলো হাঁহিত বাগৰি পৰিল। আনদিনা হোৱা হ'লে তাইয়ো হাঁহিত বাগৰি পৰিলহেতেন। কিন্তু সেইদিনা তাই প্ৰথম ঘৰৰ সকলোৰে পৰা আঁতৰি থাকি দুখত ডিঙিটোত যেন কিবা এটাই সোপামাৰি ধৰিছে তাইকচেষ্টা কৰিও অলপো হাঁহিব পৰা নাই তেনেতে এজনীয়ে তাইক ক'লে শুনিছো তুমি হেনো ভাল গান গোৱা আমাক তুমি গান এটাকে গাই শুনোৱা। ভাস্বতীৰ ইমান বেছি নাৰ্ভচ কৰিছিল যে তাই ক'ব নোৱাৰাকৈয়ে হঠাৎ গান এটা মুখৰ পৰা নিজে নিজেই ওলালে

> কৰবীৰে মালা নাগাঠিবা
> কৰবি মৰহি যাব
> শুৱনি হেৰাই যাব

শেষ হ'লত সকলোৰে হাত তালিত কোঠাতো ৰজনজনাই গ'ল। তাৰ মাজতে এজনীয়ে চিঞৰিলে এইবাৰৰ আমাৰ কলেজৰ বেষ্ট চিংগাৰৰ প্ৰাইজটো আমাৰ হোষ্টেললৈ আহিবই লাগিব দেই। অৱশ্যে তাই গান সচাঁকৈয়ে ভাল গায়। পিছদিনা লগৰ দুজনীৰ লগত প্ৰথম কলেজত পদাৰ্পন কৰিলে। কলেজৰ মেইন ৰাস্তাৰ পৰা দীঘল পদুলী আৰু দুয়োকাষে থকা কৃষ্ণচূড়া, ৰাধাচূড়া, দেৱদাৰু গছে তলেদি যাওতে যেন মনটোত নিজে নিজে কিবা পবিত্ৰ তায়ে আৱৰিলে। তাই লগৰ দুজনীৰে সৈতে ঠিক কলেজৰ গেট পাৰ হৈছেহে তেনেকুৱাতে কোনোবাই পিছফালৰ পৰা ক'লে বা বৰ ধুনীয়া লাগিছে দেই, লোকেল নহয় যেনপাও। নিশ্চয় শিৱসাগৰৰ ছোৱালী। পিছত লগৰ ছোৱালী কেইজনীয়ে তাইক কৈছিল ভাস্বতী তোমাৰ কিন্তু লাক ভাল দেই যিটো ল'ৰাৰ কাৰণে কলেজৰ সকলো ছোৱালী পাগল হৈ থাকে, দিনটোখ ক্লাছ বিলাক কৰি আবেলি হোষ্টেললৈ ঘূৰি গ'ল।

লাহে লাহে দিন বিলাক যাবলৈ ধৰিলে। তাইয়ো সকলোৰে লগত মিলিব পাৰিছে। দিনবোৰো তাইৰ স্বাভাৱিকভাৱেই যাবলৈ ধৰিলে

কলেজৰ ফেচমেন চচিয়েল হৈ গ'ল। কলেজৰ ক্লাছ পূৰ্ণগতিত চলিল। এইবাৰ কলেজৰ উইকত তায়েই বেষ্ট চিংগাৰ হ'ল। কলেজত একেলগে দুবাৰকৈ বেষ্ট চিংগাৰ হোৱাৰ পিছৰপৰাই তাই যেন কলেজৰ কেন্দ্ৰ বিন্দু হৈ পৰিল। কলেজৰ শিক্ষকৰ পৰা আদি কৰি সকলোৰে মূখত ভাস্বতীৰ প্ৰশংসা। কলেজত তাই যিদিনা একেলগে দ্বিতীয় বাৰৰ বাবে শ্ৰেষ্ঠ গায়িকা হৈছিল, সেই দিনা তাইক শুভেচ্ছা জনাই সকলোৰে আৱৰি থাকোতেই কলেজৰ গেটত ৰিজুদাক দেখি দৌৰিয়ে আহিছিল সৰু ছোৱালীৰ দৰে তাই ৰিজুদাৰ ওচৰত, অভিমান কৰিলে. ইমান দেৰিকৈ কিয় আহিছে? অলপ আগতে আহিব লাগিছিল। নহয় অ' মোৰ অলপ কাম আছিল সেইবাবে দেৰি হৈ গ'ল, ৰবি তোক মোৰ ফ্ৰেণ্ড দুজনক চিনাকী কৰি দিও। এয়া অনুৰাগ বৰঠাকুৰ আৰু এয়া অনুপল বৰঠাকুৰ আৰু এইজনীয়েই সেই জনী ছোৱালী মোৰ বৰ মৰমৰ ভণ্টি ভাস্বতী। তাই নমস্কাৰ দিলে। কোন ইয়েৰ তুমি অনুপলে সুধিলে, বি.এ. চেকেণ্ড ইয়েৰ এইবাৰ। তুমি ক'ত থাকা এইবাৰ অনুৰাগে সুধিলে, পি.এন. বি. হোষ্টেলত। তাই অতি চমুকৈ ক'লে অলপ সময় কথা পাতি সিহঁতে যাবলৈ ওলাল। আমি এতিয়া যাও আৰু তোৰ এই বেষ্টচিংগাৰ পাৰ্টিটো এদিন মই তোক দিম।

লাহে লাহে দিন বিলাক আগবাঢ়িছিল। আজিকালি মাজে মাজে অনুৰাগদা আৰু অনুপলদাই ফোন কৰে খবৰ লয়। আজি কলেজৰ এনুৱেল ফাংচন চলি আছে। ভাস্বতীয়ে গান গাইছিল। সকলোৰে খুউব ফুৰ্টি কৰিলে। তাইৰ লগত নিভা আৰু পলিয়ে তাইৰ লগত বহি এতিয়া আদিত্যৰ গান এনজই কৰিছে। আদিত্য নেপালী ল'ৰা কিন্তু ইমান ধুনীয়া অসমীয়া গান গায়। তাই চাৰিওফালে চকু ফুৰালে সকলো ল'ৰা-ছোৱালী আদিত্যৰ গান-শুনি মচগুল। হঠাৎ অডিটৰিয়ামৰ লাইট বিলাক নুমাই গ'ল। সকলোৰে হুলস্থূল লগালে ভাস্বতীয়ে অনুভৱ কৰিলে যে কোনোবাই তাইক মুখখনত সোপামাৰি ধৰিছে। তাইৰ উশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল প্ৰায় আধা মিনিটৰ পিছতেই লাইট আহিচে তেতিয়াহে তাই অনুভৱ কৰিলে যে কিবা এটা তাইৰ পৰা এৰাই গ'ল। অলপ পাছতে তাইৰ পিছফালে হুলস্থূল শুনিলে ঘূৰি চাই দেখে অনুপলে কোনোবা এটাক মাটিত পেলাই লৈ মাৰিছে আৰু এবাৰ........আৰু এবাৰ তই তাইৰ গাত হাতদি চানা মই কি কৰিম চাবি। তই স্বাতীৰ গাত হাত দিবলৈ আহিচ হা দিবি আৰু দিবি' অনুপলে খঙতে ফোপাইছে তাক কোনেও ধৰি ৰাখিব পৰা নাই। যিটো ল'ৰাৰ অনুপলৰ মাৰ খাই দাতে-নাকে তেজ ওলাইছে নিভা আৰু পলিয়ে ভাস্বতীক সাবতী ধৰি হোষ্টেললৈ লৈ আনিলে।

আজি চাৰিদিন ধৰি ভাস্বতী হোষ্টেলৰ ৰুমৰপৰা বাহিৰ ওলোৱা নাই। এই কেইদিন নিভাই একেবাৰে তাইৰ লগ এৰা নাই। প্ৰতি মুহূৰ্ততে তাইৰ লগতে আছে। এসপ্তাহৰ মূৰত তাই আজি দুপৰীয়া ভাত খাবলৈ দাইনিং হললৈ আহিছে। ইতিমধ্যে হোষ্টেলৰ আন ছোৱালীয়ে ভাত খাই গ'ল হলটোত মাত্ৰ নিভা আৰু স্বাতীয়ে ভাত খাই আছে। ইফালে কাষৰ ৰুমটোত হুলস্থূল ইন্দিয়া আৰু পাকিস্থানৰ এদিনীয়া ক্ৰিকেট খেল চাই আছে। কাষৰ ৰুমৰ পৰা ভাহি আহিল হেই গ'ল চৈয়দ আফ্ৰিদি আউট। তেনেকুৱাতে পলি কলেজৰ পৰা ফোপাই জোপাই সোমাই আহি কাষতে বহিলে 'মই কলেজৰ পৰা ওলাই আহোতে অনুপলদাই মোলৈ ফোন কৰিছিল' কিয়? নিভাই খঙেৰে সুধিলে বিশেষ একো নাই সি আজি বাংগালোৰ যাবগৈ একেবাৰে কথাটো শুনি স্বাতীৰ আনন্দৰ সীমা নোহোৱা হ'ল........। লাহে লাহে সময় যাবলৈ ধৰিলে। স্বাতীও প্ৰায় সহজ হ'বলৈ চেষ্টা কৰিলে। তাই B.A. ফাইনেল পৰীক্ষা দিলে। ৰিজাল্ট ভাল ফাষ্ট ক্লাছ পালে। কিছুদিনৰ পিছতে তাইৰ অমৃত বৰুৱা নামৰ এজন ব্যৱসায়ীৰ লগত বিয়া হৈ গ'ল। অমৃত বৰুৱা এজন প্ৰতিষ্ঠিত ব্যৱসায়ী। মানুহটো গহীন গম্ভীৰ। কথা বাৰ্তা মাৰ্জিত। মুঠতে তাই কোনো ফালৰ পৰাই অপচগু কৰিব নোৱাৰে। কিন্তু বিয়াৰ পাছত তাইৰ গাৰ পৰা মা-হালধীৰ গোন্ধ যোৱাই নাছিল অমৃত বৰুৱাৰ আচল চেহেৰা তাই দেখা পালে। অতি কম দিনৰ ভিতৰতে মানুহজনী হতাশ হৈ পৰিল। সকলো সময়তে গুণগুণাই থকা স্বভাৱটো তাইৰ এতিয়া আৰু নাই। চঞ্চল চিত পখিলাৰ দৰে নাচি ফুৰা প্ৰথম দৃষ্টিতে কথা-বৰ্তৰাৰে সকলোকে আকৰ্যণ কৰা সদা হাস্যময়ী স্বাতী এতিয়া গহীন গুৰু গম্ভীৰ এগৰাকী মহিলালৈ পৰিৱৰ্তিত হ'ল, আৰু এদিন ৰাতি অমৃতে অত্যাধিক মদ খাই আহি নানা শাৰিৰীক অত্যাচাৰ কৰিব ধৰিলে সেই অত্যাচাৰ সহ্য কৰিব নোৱাৰিলে। যিজনী ছোৱালীয়ে কাকো উভতি এষাৰ টানকৈ কথা নকয় সেই জনী ছোৱালীয়ে আজি অমৃতক দুখন গালত দুটা চৰ সোধাই ঘৰৰপৰা ওলাই আহিছে। সেই যে তাই ওলাই আহিল আৰু উভতি নগ'ল। সেইদিনা ৰাতি তাই ওচৰৰে বান্ধৱী এজনীৰ ঘৰত কটালে। পিছদিনা তাই নিভালৈ ফোন কৰি সকলো কথা জনালে। নিভাই তাইক ঘৰলৈ লৈ আনে আৰু বৰ্তমান এই চাকৰিটো যোগাৰ কৰি দিয়ে। তাৰ পাচৰ পৰাই তাইৰ জীৱনে গতি আৰু দিশ সলনি কৰে। বৰ্তমান এই ঘৰতোত তাই অকলেই থাকে। নিভাৰ ঘৰৰ পৰা গুচি আহোতে নিভাই তাইক খুউব বাধা দি বুজাইছিল কিন্তু তাই নিজৰ কথাত অটল থাকিলে। অৱশ্যে তাই আগৰ পৰাই তাই খুউব জিদ্দি আছিল। যিটো কৰিম বুলি ভাবে কৰিহে ক্ষান্ত হয়। পিচত তাইৰ অমৃতৰ লগত আইনগত ভাবে বিবাহ বিচ্ছেদ হৈ যায়। তাই এতিয়া কেৱল নিজৰ বাবে জীয়াই আছে।

ক্ৰিং......ক্ৰিং......ক্ৰিং.... ফোনটো বাজি উঠিল। উস কি বিপদ এই সময়তনো আকৌকোনে ফোন কৰিলে। তাই অফিচলৈ যাব ওলাইছে দেৰি হৈছে হেল্ল' কোৱা পল। তুমি আজি অফিছ আহিবানে মানে মোৰ বিশেষ কাম এটা আছিল তোমাক লগ কৰিব লাগে। অ মই এতিয়া যাবলৈ ওলাইছো। ঠিক আছে মই তোমাক অফিচত লগ কৰিম।

আজি কালি তাই প্ৰায়ে পলক লগ পায়। কেতিয়াবা পল তাইৰ ঘৰলৈকো আহে। আৰু কেতিয়াবা পল আৰু তাই অফিচ ছুটিৰ পাছত ফুৰিবলৈকো যায়। তাই মন কৰিলে যে আজিকালি পল ওচৰত থকা সময়খিনি তাইঁৰ মনটো খুউব ফৰকাল হৈ থাকে। তাইৰ মন বেয়া লাগিলে পললৈ ফোন কৰে। কেতিয়াবা সি গুচি আহে আৰু কেতিয়াবা পলে তাইক লগ কৰিবলৈ খুউব জিদ কৰে। অৱশ্যে তেতিয়া তাইৰ বেয়া নালাগে খঙো নুঠে। তাইৰ ভাল লাগে।

আজি ভাস্বতীৰ অফিচ বন্ধ। সেই কাৰণে আজি ৰাতিপুৱা অলপ দেৰিকৈ শুই উঠিছে। বেলকণিতে বহি নিউজপেপাৰত চকু ফুৰালে চাহৰ কাপত সোহা মাৰিলে।



ক্ৰিং......ক্ৰিং......ক্ৰিং.... এই ফোনটো এতিয়াহে বাজিবলৈ পালে। মুখৰ ভিতৰতে ভোৰ ভোৰালে হেল্ল' অ' পল কোৱা........। স্বাতী আজি তোমাৰ অফিছ বন্ধ নেকি? অ' আজি চেকেণ্ড চেতাৰ্ডে কাৰণে বন্ধ। মই তোমাক নহয় মানে তুমি আজি মোৰ লগত এফালে যাব পাৰিবানে? তাই অলপ সময় চিন্তা কৰি সন্মতি দিলে। ঠিক আছে স্বাতী আজি সন্ধ্যা ছয় বজাত মই তোমাৰ গেটৰ ওচৰত ৰৈ থাকিম। ঠিক আছে বাই। ফোনটো থৈ স্বাতীয়ে অলপ আচৰিটো হ'ল পলৰ মাতত কিবা এটা দুখ তথা সংকোচ অনুভৱ কৰিলে।

পল কি হৈছে তোমাৰ? কিয় লগ কৰিব বিচাৰিছা? আৰু তুমি ক'ত যাব বিচাৰিছা? গাড়ীখনত বহিয়েই তাই এফালৰ পৰা সুধি গ'ল। পলে মাথো প্ৰত্যোত্তৰত ওঠত স্মিত হাঁহিটোৰে তাইলৈ এবাৰ চাই ক'লে মায়ে তোমাক লগ কৰিব বিচাৰিছে আৰু কোনো শব্দ নকৰাকৈ পলে গাড়ী চলাই গ'ল। এটা সময়ত সি গাড়ীখন এটা ধুনীয়া ঘৰৰ গেটৰ সন্মুখত ৰখালে আৰু তাইক নামিবলৈ গৈ গাড়ীৰ পৰা সিও নামিল। ঘৰৰ বাৰাণ্ডাতে দেখিলে সেৱা কৰিবলৈ মনযোৱা এগৰাকী মহিলা বহি আছে। তাই বাৰাণ্ডাত থিয় হওঁতেই তেওঁ চকীৰ পৰা এটা মিঠা তথা মৰম সনা হাঁহিমাৰি চকীৰ পৰা উঠি আহিল। অ' মোৰ চিন্তাই হৈছিল। মই আৰু তোমাক দেখিবলৈ নাপাম নেকি। ইমান মৰম লগা ছোৱালী জনী আহা মাজনী ভিতৰলৈ আহা। ইতিমধ্যে পল ভিতৰ সোমাল মাকে তাই আথে-বেথে মাতি ভিতৰত বহুৱালে। দ্ৰইং ৰুমটো সৰু যদিও বৰ সুন্দৰকৈ সজোৱা আছে। আহা মাজনী চাহ একাপ খোৱাহি। তাইক চাহৰ কাপটো আগবঢ়াই দি নিজেও একাপ চাহ হাতত তুলি ল'লে।

চাহৰ কাপটোত সোহাটো মাৰি তেওঁ সংকোচ সংকোচ ভাৱ এটাৰে তাইক শুধিলে, মাজনী তুমি আজি বেয়া পালা নেকি? মই এনেকৈ মাতি পঠোৱাৰ বাবে। না-নাই পোৱা বেয়া। কিয় বেয়া পাম। আচলতে কি জানা আজি পলৰ জন্মদিন। আগতে আমি দুয়োটাৰ মাজতে পাতিছিলো। কিন্তু এইবাৰ তুমি ইয়াত আছা বুলি জানিহে তোমাক মাতি অনিলো। জানা মাজনী পলৰ দেউতাক ঢুকুৱাৰ পাছত পলৰ জীৱনত মোৰ বাহিৰে আপোন

বুলিবলৈ আৰু কোনো নাই। তাক বহুত যত্ন কৰিলো, বহুত বুজালো বিয়া পাতিবলৈ, কিন্তু সি কোনো কথাই মোৰ নুশুনে। মই জানো তুমি তাৰ খুউব ভাল বন্ধু তুমি তাক অলপ বুজোৱাচোন। তুমি ক'লে সি কেতিয়াও নেপেলাই। মোৰনো কি বুঢ়ী হৈ আহিছো আজি আছো কলি নাই। মই নাথাকিলে সি অকলশৰীয়া হৈ পৰিব। তুমি তাক অলপ বুজাবাচোন। তুমি তাৰ ওচৰলৈ যোৱা সি তাৰ কোঠাতে আছে। কথাখিনি কৈ মাকে চাদৰৰ আগেৰে চকু দুটা মোহাৰিলে। ইমান সময়ে স্বাতীয়ে এযাৰো কথা ক'ব পৰা নাছিল। তাই কি কৰিব, কি ক'ব ভাবি থাকোতেই পলৰ মাক তাৰপৰা আঁতৰি গ'ল। তাই লাহে লাহে পলৰ কোঠালৈ বুলি আগবাঢ়িল। পলে তেতিয়া ফ্ৰেচ হৈ তাৰ কোঠাতে চকী এখনত বহি আছিল তাইক কোঠাৰ ভিতৰত দেখি সি থতমত খাই বহাৰ পৰা উঠি কাষৰ বেলকণিলৈ আতঁৰি গ'ল। পিছে পিছে গৈ স্বাতীও তাৰ কাষত থিয় হ'ল। স্বাতীয়ে তাক কিবা ক'বলৈ আৰম্ভ কৰোতেই পলে সজল নয়ণেৰে স্বাতীলৈ চালে, স্বাতী মায়ে তোমাক কি ক'লে মই সকলো শুনিলো কিন্তু তুমি মোক সেই বিষয়ে একো নক'বা মই নোৱাৰো তোমাৰ কথা ৰাখিব। স্বাতীয়ে তাক বহুত বুজালে। কিন্তু একো লাভ নোহোৱা দেখি মাততো অলপ টান কৰিয়ে তাই তাক শুধিলে তাৰ এই ব্যৱহাৰৰ কাৰণ সি নিৰৱ নিথৰ কোনো উত্তৰ নাই। স্বাতী এইবাৰ খঙত তাৰ দুবাহুত ধৰি ঘটালি দিলে কিয় পল কিয়? তুমি তোমাৰ সেই দেৱীযেন মাতৃক ইমান কষ্ট দিছা শেষত পল অতিস্থ হৈ চিঞৰিলে কাৰণ মই তোমাক ভালপাও স্বাতী, মোৰ হৃদয়ত তোমাৰ বাহিৰে আন কোনো ছোৱালীক স্থান দিব নোৱাৰো। কোৱা তুমি পাৰিবা? মোৰ জীৱনলৈ আহিব পাৰিবানে? এইবাৰ স্বাতী আচৰিত হ'ল। তাই দুচকু থৰ হৈ গ'ল মুখৰ মাত বন্ধ হৈ গ'ল আৰু দুগালে দুধাৰি চকুপানী বৈ গ'ল। পলে আকৌ সুধিলে কোৱা স্বাতী তুমি তোমাৰ হৃদয়ত মোক অলপ ঠাই দিব পাৰিবানে? সি এহাতে থুতৰিত ধৰি তাইৰ মুখখন দাঙি ধৰিলে চোৱা স্বাতী মোৰ দুচকুত কেৱল তোমাৰ ছবি মোৰ হৃদয়ত কেৱল তোমালৈ ভাল পোৱা আছে। এইবাৰ স্বাতী আৰু ৰ'ব নোৱাৰিলে তাই হুক হুকাই কান্দি পেলালে,পলে তাইৰ দুবাহুত ধৰি তাইক তানি নিজৰ বুকুৰ মাজত সুমুৱাই সাজোৰে তাইক সাৱতি ধৰিলে। তেতিয়া বাহিৰত ফৰিং ফুটা জোনাক আকাশৰ তৰা বোৰে যেন আনন্দত চকুটিপিয়াবলৈ ধৰিলে আতঁৰৰ পৰা ৰিণি ৰিণি এটা গীত ভাহি আহিল.........

এতিয়া হিয়া মোৰ বৰষে তোমালৈ
এতিয়া হিয়া মোৰ উলাহে নধৰে............

☺ আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মৃছৰ দৰে সাঁতুৰিবলৈ শিকিছোঁ, কিন্তু এখন পৃথিৱীত ভ্ৰাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।

— মাৰ্টিন লুথাৰ কিং





# সেই নিষ্ঠুৰ ছোৱালীজনী

ড০ শশীকান্ত শইকীয়া

কথাখিনি তামিল ভাষাতে কৈছিল। নান গুৰুমলে, মেকেলে গুৰুমলে। মই তোমাক ঘৃণা কৰো। মই মানুহক ঘৃণা কৰো। পৃথিৱীৰ মানুহবোৰক, মানুহৰ সেউজীয়া মনবোৰ, সপোনবোৰ কেতিয়াবা অকণো ভাল নালাগে। গোতেই পৃথিৱীখনেই যেতিয়া অকনো ভাল নালাগে, মানুহবোৰৰ মনবোৰ বাৰু ভাল লাগিব কেনেকৈ? মানুহবোৰ খুব স্বাৰ্থপৰ নহয়, নিষ্ঠুৰো। মানুহবোৰৰ এখন নিভাজ অন্তৰ নাই। কেৱল নিহিত থাকে স্বাৰ্থ। মৰম আৰু চেনেহতকৈ স্বাৰ্থক অতি বেছি গুৰুত্ব দিয়া হয় - আজিৰ পৃথিৱীত। সেই নিভাজ ভাল পোৱা, প্ৰেম আজিকালি নাই। যেয়ে মোৰ পৃথিৱীখনক, পৃথিৱীৰ মানুহবোৰক, গছগছনিবোৰক, পশুপক্ষীবোৰক ভাল নলগা হৈছে। দিল্লীৰ পেৰেড গ্ৰাউণ্ডৰ কাষৰ সেউজীয়া ঘাহনিত ঠিয় হৈ নিবিড়ভাৱে যেতিয়া কে. চামচং এলেনগভাৰ্ণৰ সৈতে কথা পাতি আছিলো, তেতিয়া চামচঙে অন্তৰৰ পৰা যেন কথাবোৰ ক'ব বিচাৰিছিল। চামচঙক মাজে মাজে হতাশ হৈ পৰা যেন দেখিছিলো। মাজে মাজে পৰিয়ালৰ কথা কৈছিল। পত্নিৰ কথা কৈছিল। একামত্ৰ ছোৱালীজনীৰ কথা কৈছিল। কথাৰ মাজতে চামচঙে কৈছিল নান গুৰুমলে, মেকেলে গুৰুমলে অৰ্থাৎ পৃথিৱীখনৰ কোনো এটা বস্তুকে ভাল নলগা হৈছে। মানুহবোৰক, মানুহবোৰৰ মনবোৰক অতি বেছি। কাৰোবাক লগ পালে প্ৰথমে ভাল লাগে সেউজীয়া মনটো দেখি। পিছত কুৎসিত স্বাৰ্থপৰতাৰ বিষয়ে অৱগত হ'লে ভাল নলগা হয়। চামচঙে তেওঁৰ মনৰ কথাবোৰ সাধু কথাৰ দৰে এফালৰ পৰা কৈ গৈছিল। মাজতে চামচঙে কৈছিল — এনে এখন পৃথিৱীত কেনেকৈ জীয়াই থাকো কোৱা? তুমিয়েই বাৰু কোৱাচোন এই পৃথিৱীখন, পৃথিৱীৰ মানুহবোৰক ভাল লাগেনে? অন্তৰৰ পৰা কোৱা তুমি? বুকুত হাত থৈ কোৱা। ভাল লাগেনে বাৰু? চামচঙৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ মই থমকি ৰৈছিলো। বহুসময় দুয়োজনৰ মাজত মাতবোল নাছিল। দুয়ো দুয়োকে হেৰুৱাই আমি কিছুসময়ৰ বাবে হেৰাই গৈছিলো। বিচৰণ কৰিছিলো কল্পনা ৰাজ্যত। মনত পৰিছিল চিমেণ্ট কাৰখানাৰ পৰা অৱসৰ লোৱা বকুলৰ কথা। বকুল মোৰ চিনাকী বা পৰিচিত নাছিল। মাথোন কেইমিনিটমান ওচৰতে বহি লৈ বকুলে কৈছিল — মই বাৰু কি পাপ কৰিলো কোৱা! মই এগৰাকী খ্ৰীষ্টান বিধবাক পুনৰ বিবাহ কৰালো। মই এজন বাম্মীণ। এজন বাম্মীণে এগৰাকী বিধবা খ্ৰীষ্টানক বিবাহ কৰাই মই বোলে পাপ কৰিলো। মোক সমাজৰ পৰা বিতাৰিত কৰাৰ প্ৰচেষ্টা চলালে। মোৰ পৰিয়ালত, মা-দেউতাই শুচি হ'ল। মোক ঘৰলৈ যোৱাত বাধা দিয়া হ'ল। মই গঢ়িতোলা একমাত্ৰ চিমেণ্ট ফেক্টৰী চৌহদৰ সেই নামঘৰ সমিতিৰ সম্পাদকৰ পদবীৰ পৰা মোক আঁতৰোৱা হ'ল। মোৰ একমাত্ৰ অপৰাধ মই সেই খ্ৰীষ্টান বিধবাগৰাকীক বিবাহ কৰোৱাটো। যেতিয়া বকুলে চিমেণ্ট ফেক্টৰীত নতুনকৈ কামত যোগদান কৰিছিল ইয়াৰ পাছতে কোম্পানীয়ে তেওঁক এটা আৱাসগৃহ দিছিল। এই আবাসৰ কাষতে আছিল সেই এগৰাকী কন্যাৰ সতে সেই খ্ৰীষ্টান বিধবাগৰাকী। কাষত বিধবাগৰাকী থকা বাবে কোম্পানী কৰ্তৃপক্ষক বকুলে আপত্তি দৰ্খাইছিল যে সেই বিধবাগৰাকীৰ কাষৰ কোৱাৰ্টাৰত তেওঁ নাথাকে। হয় তেওঁক আঁতৰাব লাগে নহয় তেওঁৰ কাষৰ সেই বিধবাগৰাকীক আঁতৰ কৰিব লাগে। কিন্তু কোম্পানী কৰ্তৃপক্ষই কথাটো গুৰুত্ব নিদিলে। ইয়াৰ পিছত এদিন বকুল এক জটিল ৰোগত আক্ৰান্ত হ'ল। বকুলক চোৱাচিতা কৰাৰ মানুহৰ অভাৱ হ'ল।বকুলৰ ঘৰৰ পৰাও কোনো নাহিল । কিন্তু সেই খ্ৰীষ্টান বিধবাগৰাকীয়ে বকুলক নিজৰ দৰে চিকিৎসালয়ত সেৱাশুশ্ৰূষা কৰাত আগভাগ লৈছিল। বকুলৰ

মনৰ বেদনাবোৰ সেই বিধবাগৰাকীয়ে বুজিবলৈ চেষ্টা কৰিছিল। কেৱল দিনৰ সময়তে নহয় নিশাও বকুলৰ শিতানৰ কাষত বহি চোৰাচিতা কৰিছিল। পিছত সেই ৰোগৰ পৰা আৰোগ্য হৈ বকুলে এদিন বিধবাগৰাকীক কৈছিল, তোমাৰো কোনো নাই আৰু মোৰ থাকিও কোনো নাই, এই জটিল ৰোগৰ সময়ত মই মোৰ পৰিয়ালৰ কাকোৰেই ওচৰত নেদেখিলো। আচম্বিতে কৈ পেলাইছিল বকুলে। আমি দুয়ো একেলগে জীৱনৰ বাকী সময়ছোৰা পাৰ কৰো আহা। খ্ৰীষ্টান বিধবাগৰাকীয়ে তললৈ মূৰ কৰি চকুলো টুকি মৌনভাৱে সমৰ্থন জনাইছিল। ইয়াৰ পিছত বকুল আৰু সেই বিধবাগৰাকী অভিন্ন হৈ পৰিছিল,জীৱনৰ বাকী সময়ছোৰাৰ বাবে। সমাজৰ প্ৰতিটো ক্ষেত্ৰতে জনপ্ৰিয়তা থকা বকুলৰ সেই ঘটনাৰ পিছত সমাজে তেওঁক ভালদৰে গ্ৰহণ নকৰিলে। ইয়াৰ পিছত তেওঁৰ জীৱনলৈ যেন ধুমুহাহে ব'বলৈ ধৰিলে। নামঘৰ সমিতিৰ পৰা তেওঁক আঁতৰোৱা হ'ল, যিটো নামঘৰ তেওঁৰ হাতৰ পৰশত গঢ় লৈ উঠিছিল। কেৱল সেয়াই নহয় নামঘৰলৈ তেওঁক যোৱাত বাধা দিয়া হ'ল। বকুলে কিন্তু নামঘৰৰ পৰা বিদায় লোৱাৰ শেষ দিনটোত কেইটামান কথা ৰাইজক কৈ বিদায় লৈছিল। বকুলে কৈছিল — ধৰ্মই মানুহক এক গোটহে কৰে, ধৰ্মই মানুহক বিভাজন নকৰে। মই এগৰাকী বিধবাক বিয়া কৰাই নিশ্চয় প্ৰকৃত ধৰ্ম পালন কৰিলো। কিন্তু যি ধৰ্মই মানুহক একেলগে থকাত বাৰণ কৰি আহে সেই ধৰ্মক মই কেতিয়াও গ্ৰহণ নকৰো। মই বাহ্মণৰ পৰিয়ালত জন্ম হোৱা আৰু মই সংস্কৃতৰ, গীতাৰ প্ৰতিটো শ্লোকৰ অৰ্থ বুজি পাওঁ। কিন্তু মই এগৰাকী বিধবাক বিয়া কৰাই উপকাৰ কৰি যি ধৰ্ম পালন কৰিলো ,সেই ধৰ্মই মোক জীৱনত বহু ওপৰলৈ তুলি লৈ যাব। বকুলৰ স'তে যেতিয়া কথা পাতি আছিলো তেতিয়া মাজে মাজে অনুভৱ হৈছিল বকুল যেন বাহ্মণ হৈও যেন এক বাহ্মণ বিদ্বেষী। বাহ্মণৰ বিৰোদ্ধে বহু কথাই কৈ গৈছিল বকুলে। এতিয়া বকুল সুখী মানুহৰ ভিতৰত তেওঁ এজন। বিধবাগৰাকীৰ আগৰ এগৰাকী কন্যা আৰু নতুনকৈ তেওঁৰ ফালৰ পৰা এগৰাকী কন্যা। আমি চাৰিজনেই এতিয়া সুখী — কৈছিল বকুলে। কিন্তু সমাজখনক মানুহবোৰক ভাল নলগা হয় যেতিয়া তেওঁৰ পুৰণা কথাবিলাক ৰোমন্থন কৰে। কিন্তু তেওঁৰ পত্নী এগৰাকী খ্ৰীষ্টান আৰু বহল মনৰ। তেওঁ আজিও তেওঁ গঢ়ি তোলা নামঘৰটোলৈ যায়। হৰিনাম লয়, ভকতৰ স'তে নাম-প্ৰসংগ কৰে। এদিন বকুলক নগালেণ্ডত থকা তেওঁৰ শালপতিয়েকে কৈছিল আমি আগতে খ্ৰীষ্টান নাছিলো। মাজুলিৰ সত্ৰাধিকাৰ আহি আমাৰ গাঁৱত বাহৰ পাতিছিলহি। আমি সকলোৱে হিন্দু আছিলো। আমি শংকৰদেৱৰ নামপ্ৰসংগ কৰিছিলো। নামঘৰ পাতিছিলো। কিন্তু আজিকালি এই হিন্দুৰ ধৰ্মপ্ৰচাৰকসকল আমাৰ গাঁৱলৈ নহা হ'ল। আৰু আমিও সত্ৰাধিকাৰৰ ঘৰলৈ গ'লে আমাক দূৰত বহিবলৈ দিয়া হ'ল। পিছত আমি, আমাৰ গাঁওখনৰ মানুহবোৰ খ্ৰীষ্টান ধৰ্মৰ প্ৰতি আকৃষ্ট হয়। খ্ৰীষ্টানধৰ্ম প্ৰচাৰকসকল আমাৰ দুখ বেদনা বুজিবলৈ আমাৰ গাঁৱলৈ অহা হ'ল। মেলেৰিয়া, ডায়েৰিয়াত মৃত্যু হ'লে সেই খ্ৰীষ্টানধৰ্মৰ চাহাবসকল আহি আমাৰ গাঁৱত সহায়-সহযোগ কৰা হ'ল। কিন্তু হিন্দু ধৰ্মৰ প্ৰচাৰকসকল আমাৰ গাঁৱলৈ অহা দূৰৰে কথা আমাৰ খবৰেই নোলোৱা হ'ল। আমি ক'ব নোৱাৰাকৈ খ্ৰীষ্টানধৰ্মৰ প্ৰতি আসক্ত হ'লো। কিন্তু আজিও মনত পৰে আমি সন্ধ্যাৰ সময়ত গাঁওখনত দবা-শংখ বজাই পূজা পাত কৰাৰ দিনবোৰৰ কথা। গাওঁ খনলৈ গোসাই আহিলে উৎসৱমুখৰ হৈ পৰিছিল । কিন্তু আজি সেই দিন নাই। গোসাই গাৱঁলৈ নাহে বিপৰীতে শিষ্য গোসাইৰ ওচৰলৈ গলেও কাষত বহিব নোৱৰা হল। বকুলে কথাখিনি কৈ যেন ভাগৰি যোৱা নাছিল আৰু বহু ক'বলগীয়া আছিল বকুলৰ। আজি বকুলৰো সেই মানুহৰ প্ৰতি, সমাজখনৰ প্ৰতি বিদ্বেষ ভাৱ এটাই অন্তৰত বহন কৰি ফুৰিছে চামচেঙেও অন্তৰত তেনেদৰে মানুহৰ প্ৰতি বিদ্বেষ ভাৱ কঢ়িয়াই ফুৰিছে। চামচঙে সমাজৰ কাম কৰি ভাল পায়, সমাজৰ প্ৰতিটো সমস্যাত মাত মাতে, দৌৰি যায়। কাৰোবাৰ কিবা সমস্যাৰ উদ্ভৱ হ'লে চামচঙে প্ৰথমে গৈ হাজিৰ হয়গৈ। চামচঙ মোৰ বহুদিনিয়া পুৰনা বন্ধু। ঘৰ তামিলনাডুৰ পলানিপেটত। তেওঁৰ চাৰিটাকৈ বিভাগত স্নাতকোত্তৰ ডিগ্ৰী, তাৰোপৰি তেওঁ এম. ফিল.,এম. এড. আদি ডিগ্ৰীও গ্ৰহণ কৰি থৈছে। এনে উচ্চ শিক্ষিত এজন লোকে যেতিয়া পৃথিৱীখনৰ প্ৰতি মোহ হেৰুৱাই হতাশগ্ৰস্ত হৈ পৰে তেতিয়া সঁচাকৈয়ে পৃথিৱীৰ





মানুহবোৰৰ ওপৰত খং উঠি যায়। চামচঙে কৈছিল — তেওঁ বহুতক বহু ধৰণৰ সহায় কৰি আহিছে। এবাৰ আৰাকাণ নামৰ ফ'টষ্টিটৰ এটা আবাসত থকা ওচৰৰে এগৰাকী ছাত্ৰীক সহায় কৰি দিছিল। তেওঁ জীৱনত বহুতক সহায় কৰিছে কিন্তু সেই ছাত্ৰীগৰাকীক কৰা সহায় বিশেষধৰণৰ। ছাত্ৰীগৰাকী আছিল এক দৰিদ্ৰ পৰিয়ালৰ। ঘৰত উপাৰ্জন কম। এসাজ খায় আন এসাজ খোৱাৰ বাবে চিন্তা ঘৰখনত। কিন্তু সেই ছাত্ৰীগৰাকীক কেৱল বুদ্ধি দিহা পৰামৰ্শই নহয় টকা পইচাৰেও সহায় কৰি দিছিল। শেষত এটা কোম্পানীত চাকৰিও যোগাৰ কৰি দিছিল চামচঙে। কিন্তু সেই ছাত্ৰীগৰাকীৰ চাকৰি যোগাৰ হোৱাৰ পিছত চামচঙকেই নহয় ,তেওঁৰ পৰিয়ালক পাহৰি পেলালে। আগতে বৰদিনত পুৱাই প্ৰথম শুভেচ্ছাটো আহিছিল সেই ছাত্ৰীগৰাকীৰ পৰা। চামচঙৰ কন্যাগৰাকীলৈ কেতিয়াবা হাতত উপহাৰ লৈ জন্ম দিনত হঠাৎ অনিমন্ত্ৰীতভাৱেই আহিছিল। কিন্তু ছাত্ৰীগৰাকীয়ে চাকৰি পোৱাৰ পিছত এতিয়া তেওকেই নহয় গোটেই পৰিয়ালটোকে পাহৰি পেলালে। এতিয়া বৰদিনৰ শুভেচ্ছাও পুৱাই ছাত্ৰীগৰাকীৰ পৰা নাহে। কিন্তু চামচঙৰ আজিও মনত আছে নিশা সেই বাৰটালৈকে কোম্পানীৰ মালিকৰ সৈতে আলোচনা কৰি ছাত্ৰীগৰাকীক চাকৰিটো দিব লাগে বুলি কৰা বাৰম্বাৰ অনুৰোধ। অবশ্যে ছাত্ৰীগৰাকীয়ে সেই কথা নেজানে । চামচঙ ইয়াৰ পিছৰ পৰা আৰু মানুহক, সমাজক এক বেলেগ দৃষ্টিৰে চাবলৈ শিকিলে। সেয়ে আজিও চামচঙৰ খং উঠে সমাজখনৰ প্ৰতি, পৃথিৱীখনৰ প্ৰতি, মানুহৰ প্ৰতি। চামচঙে কৈছিল — সঁচাকৈ ভাল নালাগে বুজিছা পৃথিৱীখন আৰু পৃথিৱীখনৰ মানুহবোৰক। মানুহবোৰ বৰ নিষ্ঠুৰ বুজিছা। এইদৰে চামচঙে কৈ বহু সময় নিৰব হৈ পৰিছিল। বুজিছিলো চামচঙে সেই ঘটনাৰ পাছত অন্তৰৰ পৰা বহুত আঘাত পাইছে। চামচঙক সেই প্ৰসংগৰ পৰা আঁতৰাই আন প্ৰসংগলৈ লৈ যাবলৈ চেষ্টা কৰিছিলো। কৈছিলো আব্দুলৰ খবৰ তুমি লৈছানে? আব্দুল কেৰেলাত থাকে ব্লু মমেণ্ট গাৰ্ডেনৰ চাৰি নম্বৰ আৱাসত। আব্দুল আৰু চামচেঙৰ গভীৰ বন্ধুত্বৰ কথা মই বহুদিনৰ পৰাই জানো। সেয়ে আব্দুলৰ প্ৰসংগ উত্থাপন কৰিছিলো চামচঙৰ আগত। আব্দুলৰ কথাও গুৰুত্ব সহকাৰে নল'লে চামচঙে। আকৌ ক'লো উৰিষ্যাৰ ৰামচন্দ্ৰ ভাঞ্জাৰ কথা। আচকা ছুগাৰ ইণ্ডাষ্ট্ৰিজৰ শিক্ষক ৰামচন্দ্ৰ ভাঞ্জা। অতি সহজ সৰল মানুহ। উৰিষ্যাৰ এই বন্ধুজনৰ সৈতেও চামচঙৰ এক গভীৰ সম্পৰ্ক আছে। কিন্তু চামচঙে কোনো এটা কথাই গুৰুত্বসহকাৰে ল'ব নোখোজে, কোনো বন্ধুকে আজিকালি গভীৰভাৱে বিশ্বাস নকৰে। মৌন হৈ থকা চামচঙক কৈছিলো বলা আমি আকণমান ফুৰি আহো। কিন্তু মোৰ যে একোৰেই ভাল নালাগে বুজিছা। এই যে মানুহবোৰক, দেখিলেই খং উঠে। মানুহবোৰক, পৃথিৱীখনক কাকোয়েই ভাল নেলাগে। ভাল নলগা হৈছে। সব সুবিধাবাদী, নিষ্ঠুৰ। কাৰোৰেই অন্তৰ বোলা বস্তু এটা নাই। একেদৰে দোহাৰিছিল পুনৰ চামচঙে। চামচঙক মনত পেলাই দিছিলো উত্তৰাখণ্ডৰ আৰ.চি.ত্ৰিপাঠিৰ কথা। মনত পেলাই দিছিলো মহাৰাষ্টৰ এম.এন. গাইকৱাৰৰ কথা। হতাশাগ্ৰস্থ হৈ দুয়ো বন্ধুৱে জীৱনত বহু কামেই কৰিব নোৱাৰিলে। হতাশাক জয় কৰি কেনেদৰে মধ্যপ্ৰদেশ গুৱালিয়ৰৰ দিলিপ কাটাৰে জীৱনত সফলকাম হৈ আগবাঢ়ি গৈছিল সেই কথা মনত পেলাই দিলো। বহুবছৰ ধৰি আমাৰ আটাইকেইজনৰ মাজত মধুৰ বন্ধুত্ব বৰ্তি আহিছে। চামচঙক বহু চেষ্টা কৰি হতাশাভাৱক আতঁৰাবলৈ প্ৰয়াস কৰিছিলো। কিন্ত সফল হ'ব নোৱাৰিলো। সেই একেই কথা। মানুহবোৰক, পৃথিৱীখনক কাকোয়েই ভাল নেলাগে। ভাল নলগা হৈছে। মানুহবোৰক, দেখিলেই খং উঠে। জীৱনৰ অতি বেছি ভাল লগা মুহূৰ্তবোৰ এনেদৰে নিৰাশাবোধেৰে পাৰ কৰা বাবে চামচঙৰ ওপৰত মোৰ খুব খং উঠিছিল। কৈছিলো — পাহৰি যোৱা সেই অতিতৰ কথা। পাহৰি যোৱা সেই নিষ্ঠুৰ, হৃদয়হীন ছোৱালীজনীৰ কথা। বুজাইছিলো সাগৰৰ ঢৌলৈ ভয় কৰি মানুহে জানো সাগৰত নানামিব? এগৰাকী নাৰীয়ে কৰা ভুলৰ বাবে সমস্ত মানব জাতি কিয় ঘৃণাৰ পাত্ৰ হ'ব। ইমান সুন্দৰ পৃথিৱীখন, মানুহবোৰ কিয় নীচ হ'ব? মোৰ প্ৰশ্নবোৰৰ এটাৰো উত্তৰ দিব নোৱাৰি চামচঙে চকুলো টুকিছিল। মই বুজিছিলো চামচঙে পৃথিৱীৰ প্ৰতি, মানুহৰ প্ৰতি, সমাজৰ প্ৰতি লৈ ফুৰা ঘৃণাৰ ভাব কিছু পৰিমানে দলিয়াই পেলাইছিল।

☺☺☺☺☺

# "সেই হাঁহিটি তোমাৰ"

শ্ৰী ফিজুছ গগৈ
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

সেই হাঁহিটি তোমাৰ
যেন গোলাপৰ পাহি
হৰি নিয়ে সবাৰে মন,
সিটিয়েই যে সঁহাৰি দি
প্ৰাণৰ সঞ্চাৰ কৰিব মৰুভূমিটো
কঢ়িয়াই আনিব জগতলৈ নৱ-জীৱন।
হাঁহিৰ পাহিৰ যোৱাতেই
সৃষ্টি হ'ব
এপাহৰ পিছত এপাহ গোলাপ,
বিলাব বতাহত সেই সুবাস
যাৰ বাবে নৱ-প্ৰভাতে আদৰিব
মানৱ জাতিক
আৰাধনা হ'ব চিৰ সুন্দৰৰ।
তাৰ বাবে প্ৰয়োজন মাথোন
গোলাপ কোমল মিঠা হাঁহিটি তোমাৰ
সেয়েহে, থমকি নৰ'বা,
হাঁহি যোৱা,
লগতে বিলাই যোৱা
এধানি মৰম, এধানি পোহৰ
তোমাৰ ওচৰত কাতৰ অনুৰোধ
হৃদয়ৰ।।

বিঃ দ্ৰঃ ব্যস্ততাৰে ভৰা জীৱনত এটি মিঠা অকৃত্ৰিম হাঁহি মাৰিবলৈ পাহৰিযোৱা সকললৈ অনুৰোধ জনাই............।

# অপূৰ্ণ-হৃদয়

শ্ৰীমতী দীপশিখা বৰা
স্নাতক তৃতীয়বৰ্ষ (কলা শাখা)

অব্যক্ত বেদনাৰে পৰিপূৰ্ণ
মোৰ ৰিক্ত হৃদয়।
স্তব্ধ হব খোজে জীৱনৰ গতি মোৰ
হে পৰো ভাগৰুৱা পথিক মই !!
চেষ্টা কৰো আপ্ৰাণে
হৃদয়ক সেউজ কৰি
জীৱন গঢ়িবলৈ।

০০০০

ব্যৰ্থ হওঁ বাৰে বাৰে,
হতাশাও আহে নিৰবে!!
সময়ে চিঞৰি কয় —
'তুমি হাৰি গ'লা'
পৰাজয়ৰ মালা বৰণ কৰা ;
তোমাৰ ধৈৰ্য্য আৰু
অভাৱ সাহসৰ .........?

০০০০

কিন্তু — মোৰ হৃদয়ে
কোনোপধ্যে নামানে — এই কথা
হতাশ হৈও অন্ধকাৰৰ মাজেৰে
পোহৰৰ বাট বিচাৰে।

যদিও জানে ব্যৰ্থ চেষ্টা।
সন্ধান বাবে হয়তো
'আঁউসী আন্ধাৰ,'
আঁউসীৰ অবিহনে
পূৰ্ণিমাৰ মূল্যইবা ক'ত .........।।





# "জীৱন লগৰী"

শ্ৰী পৱন ঠাকুৰ
স্নাতক তৃতীয়বৰ্ষ
প্ৰাণীবিজ্ঞান বিভাগ

হে দুখ!
জানো বেয়া পায় তোমাক সকলোৱে,
নাপায় ভাল মোকো কোনোৱে;
অকলশৰীয়া তুমি,মোকো লগ লাগে,
আহা থাকিম লগত, চিৰ জীৱনলৈ।



ৰাখিম তোমাক দুবাহুৰে সাৱটি,
অন্তৰৰ কোণত গোপনে;
নকৰো তোমাক অপমান কেতিয়াও,
থাকিবা তুমি অতি মৰমেৰে।

পুৱা লগত উঠি, অতীত সোঁৱৰিম,
দুয়ো লগত বহি, মনে মনে কথা পাতিম;
তুমি মোক আৰু মই তোমাক কম,
দুয়োৰে বেদনাৰ দুয়ো সংগী হ'ম।

দুপৰীয়া হ'লে আকৌ ব্যস্ত হৈ যাম,
দুয়ো মিলি আমি সূৰ্য্যক জোকাম;
সূৰ্য্য-আছে জানো তোমাৰ এনে লগৰী?
নোপোৱা তুমি হেজাৰ জনমতো ভৰি তৰি।

সন্ধিয়া নামিলে দুয়ো মিলি যাম,
নিজানত ক'ৰবাত বহি, দুয়ো দুয়োক চাম;
চকু মুদি মই আৰু মনত বহি তুমি,
অন্তৰে অন্তৰে বিৰহেৰে গীত গাম।

ৰাতি হ'লে দুয়ো, বিছনাতে পৰি যাম,
ভগ্ন আশাবোৰক চকুপানী বিলাম;
কান্দি কান্দি ৰাতি আন্ধাৰ তিয়াম,
তোমাক বুকুত লৈ শেষত শুই যাম।

লাগে এনে জানো কিয়,
তোমাৰ মোৰে চিনাকী বহু জনমৰে;
আশা কৰো যাতে অহা জনমতো লগ পাওঁ,
তোমাৰ বাদে আৰু কাৰোলৈ বাট নাচাওঁ।।

# অনুভূতি



শ্ৰীমতী মনিসা শইকীয়া
স্নাতক দ্বিতীয় বৰ্ষ

অনুভূতি তুমি সৰগৰ, অনুভূতি তুমি দিঠকৰ,
অনুভূতি তুমি আবেগৰ।
মাথো তোমাৰ বাবেই পাওঁ আজি
জীয়াই থকাৰ এটি সীমিত প্ৰেৰণা
তোমাৰ মাজতেই বিছাৰি পাওঁ হেৰুৱা
স্মৃতিৰ এটি..............
অনুভূতি তুমি বাৰু জানানে,
তোমাৰ অবিহনে যে মই
কাৰুৰে আপোন হ'ব নোখোজিছিলো
হে অনুভূতি তুমিও বাৰু সাধুকথাই হৈ
ৰবা নেকি সাথৰ ভৰা জীৱনৰ।
অনুভূতি তুমি যাবা নেকি এৰি
মোক নিঠৰুৱা কৰি।
সেই ভয়তে ৰও বাৰে বাৰে দুৰতে থমকি
অনুভূতি মাথো তোমালৈ বুলি
ৰাখিছিলো সযতনে, এপাহি পবিত্ৰ ফুলৰ পাহি
অনুভূতি তুমি মোক যিদৰে দিব খুজিছা,
জীৱনৰ এধানি পোহৰ হানি,
সেইদৰে থাকিবানে সদায়ে
জীৱনৰ ৰং উপচাই
অনেক দুখৰ মাজতো
এচাতি চঞ্চল ৰহণ হানি।।

# শীত

ৰিমা সোনোৱাল
স্নাতক প্ৰথম বৰ্ষ
কলা বিভাগ

বছৰত এবাৰ আহে শীত
মন যায় শীতৰ
পূৰ্ণ আমেজ লবলৈ
শীতৰ পুৱা
দুবৰিৰ টোপালবোৰ
মণি মুকুতাৰ দৰে
জিলিকি থাকে
শেৱালী ফুলৰ সুবাসে
চৌদিশ সুগন্ধিত কৰি তোলে
পুৱা ৰ'দালিয়ে
ঘন কুঁৱলী ফালি
হেঙুলীয়া আভাৰে
ভুমুকি মাৰে ধৰাত
মন যায় কোমল ৰদা'লিৰ
ৰ'দ কাচঁলি ল'বলৈ..........।





# "কল্পনা মধুৰ,বাস্তৱ গধুৰ"

শ্ৰী কৃষ্ণকান্ত শিলপনীয়া
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

(১)

ভাবি ভাবি মন মোৰ
উভটি যায় অতীতলৈ;
অতীতৰ সেই দিনবোৰলৈ.........
চোতালৰ মাজত ঢৰাত বহি
আকাশৰ তৰা গণা দিনবোৰলৈ,
পক্ষীৰ কলৰৱত সাৰ পোৱা দিনবোৰলৈ;
ক্লান্তিবিহীন সেই খেল-ধেমালীবোৰলৈ,
পঢ়া-শুনাৰ ভৰ নাইকিয়া সেই দিনবোৰলৈ.........
আহ! কিযে মধুৰ স্মৃতি।

(২)

আৰু উভটি যায়
দেহমন ৰোমঞ্চিত কৰা দিনবোৰলৈ,
নদীৰ দাঁতিৰ চৰৰ বুকুত,
অৰণ্যৰ গহীন গভীৰতাত
লুকা ভাকু খেলা দিনবোৰলৈ.........
বৰনৈৰ বহল বুকুত
সাঁতুৰি-নাদুৰি ফুৰা দিনবোৰলৈ,
উতনুৱা মনক বান্ধিব নোৱাৰা দিনবোৰলৈ.........
কিযে আছিল সেই দিনবোৰ।

(৩)

মন মোৰ উভটি যায়
সেই দিনবোৰলৈ.........
ভৱিষ্যতৰ ৰঙীন সপোন দেখা
দিনবোৰলৈ.........
কল্পনা কৰি ভালপোৱা দিনবোৰলৈ.........
সেইবোৰ মনত পৰিলেই
বুকুৰ একোণ যেন আজিও বিষায় যায়;
আহ! সেইবোৰ যে কেনেকুৱা স্মৃতি।

(৪)

.........এনেবোৰ কথাই ভাবোঁ মই
আজৰি পৰত।
নাভাবো বুলি ভাবিলেও
মনত পৰে
সেই কথাবোৰ..........!
কিযে আছিল সেই দিনবোৰ,
সেই দিনবোৰৰ দুষ্টালিবোৰ..........!

(৫)

..................
নাই আৰু ভাবিব নোৱাৰি,
কাৰণ,সময় যে একেবাৰে কম।
জীৱনটো যেন দৌৰৰ প্ৰতিযোগিতাহে ;
সকলো পূৰ্ণগতিত নিজৰ কামত ব্যস্ত।
অতীত ৰোমন্থন কৰিবলৈ
কাৰো যেন সময় নাই!

(৬)

..................
যেতিয়া মন মোৰ বিৰক্তিত
ঘূৰি আহে ৰূঢ় বাস্তৱলৈ,
বাস্তৱৰ ব্যস্ত পৃথিৱীখনলৈ;
তেতিয়া এটা কথাই মনত পৰে,
কবিসকলে কিয় কয়.........
"কল্পনা মধুৰ, বাস্তৱ গধুৰ.........".!

## স্বাধীনতাৰ উত্তৰণ

শ্ৰী সোমেৰুণ সোণোৱাল
উচ্চতৰ মাধ্যমিক (২য় বৰ্ষ)
কলা শাখা

স্বাধীনতাৰ উত্তৰণ,
এফালে বধিৰ প্ৰশাসন
আন এফালে বিদ্ৰোহী সংগঠন
মাজত সৰ্বসাধাৰণ,
খান্দৱ দাহত বিৰিণাৰ মৰণ
সকলোতে দোৰ্নীতিৰ প্লাৱন
চৌদিশে আজি হত্যা, ধৰ্ষণ, বিস্ফোৰণ,
স্বাধীনতাৰ উত্তৰণ,
জৰীত দশৰ নিজস্ব দুখ প্ৰকাশ,
বিৰোধী দশৰ দাবি
এচামৰ গৰিহণা,
শাসক দশৰ শান্তনা
চৌদিশে এক নাৰকীয় যন্ত্ৰণা
সকলোতে মাঠ বঞ্চনা
যাঠি বছৰীয়া ভাৰতীয়
গণতন্ত্ৰৰ এয়াই স্বাধীনতা।
বাণপিড়ীত অখাদ্য ভোজন বিতৰণ
বাটে-ঘাটে নিৰ্লজ পিন্ধন উৰণ
স্বাধীনতাৰ উত্তৰণ
বন্দোক বাৰুদৰ গুঞ্জণ
পুত্ৰ হাৰা মাতৃৰ কন্দণ
স্বাধীনতাৰ উত্তৰণ
বাংলাদেশী অবাধ মুক্ত বিচৰণ
স্বাধীনতাৰ উত্তৰণ।



## শৰতৰ সুগন্ধি জোনাক

শ্ৰীমতী হেমা দত্ত
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

মোৰ জীৱনলৈ যেতিয়া শৰত আহে
সাৰ পাই উঠে যেন
নীলাভ অনুভূতিবোৰ,
বোৱাই আনে যেন
প্ৰেমনে সুগন্ধি প্লাৱন।

অনুভূতিবোৰে গাঁঠে যেন
ভালপোৱাৰ বেজি সূতাৰে
মৰমৰ কুসুম মালা,
সেইবোৰ সোণবৰণীয়া হাঁহিৰ লহৰ।

ইয়াকে লৈ উমাল হৈ ৰৈছে,
মোৰ বুকুৰ শাৰদীয় চোতাল,
সতেজ পুৱাবোৰত সৰি পৰিছে যেন
নিয়ৰৰূপী মৰমৰ কুসুম টোপাল।

এনেকৈয়ে ফৰকাল হ'ব ধৰিছে যেন
মোৰ মনৰ পদূলি মুখ,
সঁচাকৈ আহিছে জীৱনৰ অভিমুখে
মোৰ শৰতৰ সুগন্ধি জোনাক..........।।







## Last Promise

Durlove Gogoi-

" A never ending ray is my Heart
Ever tried to brighten it with desires
laying behind with few hopes
For only you , the one I really admires.
Ever closing my eyes, I remember
The moments ! Will ever nome back ?
But still reaching deep in my Heart.
As feels you, near by my Heart .
And as the Heart starts beating
I realized, you are none other then my soul
So, how could you left a so hard promise?
When, even a moment was not imagined
without each
And how without you in my life?
It means, myself without my soul
How could you be so selfish?
Leaving me alone, how could you go?
And before going, why a promise left?
Please come back and take back your promise-
'My life'
Because a never ending ray in my heart
Ever tried to brighten with desires
Laying behind with few hopes
For only you, the one I really admires."

## COME AWAY WITH ME......

Durlove Gogoi-

*Only you come away with me*
*when I walk with my thoughts,*
*the moments that our heart shared,*
*Ever I thought, let me cry a lot.*

*Oh really ! day'll be not to hard*
*if we remember the unending song,*
*which often our hearts uses to sing without voice,*
*As i can't pretend where we went wrong.*
*But if you can, really believe me*
*none will be my life, except you.*
*If I was wrong please forgive me*
*cos I dare to think of a new.*

*No we can't give it up so soon*
*cos I don't want to be our love, so weak*
*Come away with me, but not in my thoughts*
*Really......, without you I'm too sick.*
*Come away with me, close to my heart,*
*You are queen of my heart, ever in this earth...*
*Just come away with me......*



## উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকলৰ অক্লান্ত প্ৰচেষ্টাত ডিব্ৰুমহাবিদ্যালয়ৰ দৰে এটি গৌৰৱমণ্ডিত অনুষ্ঠানৰ সৃষ্টি অনিমেষ সাধনাৰ ফলশ্ৰুতিত এই ডিব্ৰুসভ্যতা আজি গৰীয়ান - সেইসকল মহান পুৰুষৰ ওচৰত থাকিল মোৰ সশ্ৰদ্ধ প্ৰণাম।

উপ-সভাপতিৰ পদটিৰ বাবে যি সকল বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীয়ে মোক তেওঁলোকৰ বহুমূলীয়া সময় আৰু বহু প্ৰকাৰে সহায় সহযোগিতা কৰি মোক জয়যুক্ত কৰোৱালে তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ উপসভাপতি হিচাপে অনুমোদিত হোৱাৰ পাছৰ কাৰ্য্যসূচী যথা সম্ভৱ সুকলমে চলাই নিয়াৰ চেষ্টা চলাইছিলো। তথাপিও মহাবিদ্যালয়ৰ এনে এটি গুৰু দ্বায়িত্ব লৈ যি ধৰণৰ বলিষ্ট পদক্ষেপ লব লাগিছিল মোৰ কাৰ্য্যকালত সেয়া সম্পূৰ্ণ নহ'ল। সীমিত সময় ইয়াৰ কাৰণ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মই সাধাৰণ সম্পাদকে ধৰি বিভাগীয় সম্পাদক-সম্পাদিকাৰ লগত সকলো কাৰ্য্য সূচীতে দিহা-পৰামৰ্শ দি সহায় আগবঢ়াইছিলো।

সীমিত জ্ঞান আৰু অভিজ্ঞতাৰে মোৰ কাৰ্য্যকালত দায়িত্ব আৰু কৰ্তব্যত পৰি হয়তো অজানিতে কাৰোবাৰ ওচৰত মনোমালিন্য সৃষ্টি হৈছিল, গতিকে এনেবোৰ ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো।

সদৌ শেষত ছাত্ৰ একতা সভাৰ নতুন কাৰ্য্য নিৰ্বাহিকে আমাৰ আধৰুৱা কামখিনি সম্পূৰ্ণ কৰাৰ লগতে তেওঁলোকৰ প্ৰবল নেতৃত্বই ছাত্ৰ সমাজক আগবঢ়াই নি মহাবিদ্যালয়খন সৰ্বাঙ্গ সুন্দৰ কৰিব বুলি আমাৰ বিশ্বাস।

"জয়তু ডিব্ৰু-মহাবিদ্যালয়।
জয়তু ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

গকুল হাজৰীকা
উপ-সভাপতি
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

---

## সহঃসাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰুমহাবিদ্যালয়ৰ অধ্যক্ষ তথা শিক্ষাগুৰু সকল, কৰ্মচাৰীবৃন্দ, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱী সকলক মোৰ শ্ৰদ্ধা আৰু আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমাৰ মহাবিদ্যালয় বাৰ্ষিক ক্ৰীয়া সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। সহঃসাধাৰণ সম্পাদক হিচাপে যিখিনি কৰমীয়া কাম আছিল সেইখিনি কৰাত মহা-বিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সদস্য আৰু বন্ধু-বান্ধৱী সকলে সহায় কৰাত মোৰ বিশেষ অসুবিধা হোৱা নাছিল। ইয়াৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

বহুতো আশা আছিল যদিও কিছুমান অসুবিধাৰ বশত মোৰ কাৰ্য্য কালত বহুতো ভুল তথা বহুতো কৰণীয় কাম ৰৈ গ'ল। সেই সমূহ আগন্তুক সকলে পূৰণ কৰিব বুলি আশা কৰিছো।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয় উজ্জল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

"জয়তু ডিব্ৰু-মহাবিদ্যালয়।
জয়তু ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

"সহ-সাধাৰণ সম্পাদক"
নৱদ্বীপ শইকীয়া
বৰ্ষ ২০০৬-২০০৭





## সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ জোৱানে অসম মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ প্ৰাণাহুতি দিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো লগতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰু সকল আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো।

তাৰোপৰি ডিব্ৰু মহাবিদ্যালয়ৰ দৰে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত সম্পাদকৰূপে নিৰ্বাচিত কৰি মোৰ ওচৰত যি গুৰু দায়িত্ব অৰ্পন কৰিলে তাৰ বাবে প্ৰতিজন ডিব্ৰুয়ানলৈ যেনে আন্তৰিক তথা শুভেচ্ছা জনাইছো।

২০০৬-২০০৭ বৰ্ষৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ অতি কম দিনৰ ভিতৰতে মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হৈছিল আৰু ইয়াৰ লগতে মোৰ বিভাগৰ সৈতে জড়িত প্ৰতিযোগিতাসমূহৰ যোগেদি দায়িত্ব গ্ৰহণ কৰিছিলো। সকলো প্ৰতিযোগিয়ে সাধ্যানুযায়ী নিজৰ যোগ্যতা প্ৰদৰ্শন সুন্দৰভাৱে দাঙি ধৰিছিল আৰু সমূহ ডিব্ৰুয়ানে সুন্দৰ ভাৱে উপভোগ কৰিছিল।

এইখিনিতে মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো ক্ষেত্ৰত মোক দিহা পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়োৱা সন্মানীয় শিক্ষাগুৰু শ্ৰীযুত প্ৰশান্ত বৰা ছাৰ, শ্ৰীযুত চমীৰ জা, শ্ৰীযুতা অদিতি বৰুৱা বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ আৰু কাৰ্যকালৰ শেষ মূহুৰ্তলৈ সহায়ৰ হাত আগবঢ়োৱা বিভাগীয় সমূহ বিষয়ববীয়াসকলৰ লগতে মোৰ মৰমৰ বন্ধু বান্ধৱীসকললৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্য্যকালত মোৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিছিলো যদিও কিছুমান বিষয়ত সমাধান হয়তো কৰিব নোৱাৰিলো, সেয়ে মোৰ কাৰ্যত যদি অনিচ্ছাকৃতভাৱে কিবা খুঁত ৰৈ গৈছিল তাৰ বাবে মোৰ অনভিজ্ঞতাৰ দোষ বুলি ভাবি ক্ষমা কৰি দিয়ে যেন।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামণা কৰি মোৰ প্ৰবিদেনৰ সামৰণি মাৰিলো।

মনোজ গগৈ
সংগীত বিভাগৰ সম্পাদক।

---

## শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই ডিব্ৰু-মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সন্মানীয় শিক্ষাগুৰু সকল আৰু সমূহ কৰ্মকৰ্তালৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো, লগতে ছাত্ৰ একতা সভাৰ সদস্য বৃন্দ তথা আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

তাৰোপৰি মোক ২০০৬-০৭ বৰ্ষৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক পদলৈ নিৰ্বাচিত কৰিলে তাৰ বাবে সমূহ ডিব্ৰুয়ানক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। কাৰ্য কাল গ্ৰহণ কৰাৰ অতি কম সময়ৰ ভিতৰত মহাবিদ্যালয়ৰ ৪২ তম বাৰ্ষিক সপ্তাহ আৰম্ভ হয়। ৪২ তম বাৰ্ষিক সপ্তাহ দুদিনীয়া কাৰ্য সূচীৰে শৰীৰ চৰ্চা বিভাগৰ খেল সমূহ অনুষ্ঠিত কৰা হয়। এই বিভাগৰ প্ৰায় সকলোবোৰ প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হৈ যোৱাত দায়িত্বত থকা কৰ্মকৰ্তা সহায় আৰু পৰামৰ্শ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ বাবে যথেষ্ঠ ভাল লাগিছিল।

সদৌ শেষত কাৰ্য্যকালত যদি অজানিতে কিবা ভুল-ক্ৰুটি ৰৈ গৈছিল তাৰ বাবে ক্ষমা বিচাৰিছো আৰু লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু ডিব্ৰু-মহাবিদ্যালয়।
জয়তু ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

শৰীৰচৰ্চা বিভাগৰ সম্পাদক
যদু মৰাণ

## সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

ডিব্ৰু মহাবিদ্যালয় এই জ্ঞান বৃক্ষৰ শীতল ছাঁত দীক্ষা ল'বলৈ অহা এজাক পোহৰ সন্ধানী ছাত্ৰ-ছাত্ৰী সুপ্ৰিয় সতীৰ্থৰ আন্তৰিক মৰম শুভ ইচ্ছাৰ বিনিময়ত ২০০৬-২০০৭ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক হিচাপে বিজয়মাল্য গ্ৰহণ কৰিবলৈ পোৱাত নিজকে ধন্য মানিছো আৰু শুভেচ্ছা যাচিছোঁ।

আৰম্ভণিতে মই ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকললৈ সন্মান আৰু শ্ৰদ্ধা জনাইছো। কাৰ্য্যকাল আৰম্ভণিতে মহাবিদ্যালয়ৰ ৪২ তম বাৰ্ষিক সপ্তাহৰ যোগেদি এই ৪২ তম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহ হ'ল- কবিতা আবৃতি (ইংৰাজী, অসমীয়া, হিন্দী, বাংলা), আকস্মিক বক্তৃতা, মিছঃ ডিব্ৰু, মিঃডিব্ৰু, দৰা-কইনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, থলীতে লিখা ৰচনা, গল্প, কবিতা প্ৰতিযোগিতা ইত্যাদি প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহাৰ দৰে সৰস্বতী পূজা ছাত্ৰ-ছাত্ৰীৰ বিপুল সমাবেশেৰে পৰম্পৰাগতভাৱে আমাৰ মহাবিদ্যালয় কেইজন মান সহপাঠী আৰু ছাত্ৰৰ সহযোগত অনুষ্ঠিত কৰা হয়।

মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰত সকলো সময়ত বিভিন্ন ধৰণে সহায় কৰাৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু মনোজ শৰ্মা ছাৰ, ৰুণুমা শৰ্মা বাইদেউ, ৰঞ্জিত সিংহ ছাৰ আৰু অভিজিৎ দাস ছাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। আৰু মোৰ কাৰ্য্যকালত বিশেষভাৱে সহায় আগবঢ়োৱা উজ্জ্বল, সমীৰণ, বিতোপন, জুলু, নীৰজ, হিৰণ্য, তিলোতমা, জোনালী, মনীষা, ৰেখামনী আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী নৰ বৰা আৰু ললিত সোনোৱাললৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ গৌৰৱ চিৰদিনেই অক্ষুন্ন হৈ ৰওঁক, কলেজখনৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে সু-শিক্ষিত হোৱাৰ পথেৰে আগবাঢ়ি যোৱাত তেওঁলোকৰ মনৰ একাগ্ৰতা, নিষ্ঠা আৰু সততাৰ প্ৰচেষ্ঠা সাৰ্থক হওঁক, এই কামনাৰে, শেষত সকলো ডিব্ৰুয়ানলৈ মোৰ মৰম আৰু ধন্যবাদ থাকিল। অজানিতে যদি মোৰ ভুল হৈছে, তেন্তে ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত কৰযোগে ক্ষমা প্ৰাৰ্থনা কৰিছো। "জয়তু ডিব্ৰু-মহাবিদ্যালয়। জয়তু ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

কিৰণ সোনোৱাল
সাংস্কৃতিক বিভাগৰ সম্পাদক

---

## মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধাভাজন শিক্ষাগুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰা অতি কম দিনৰ ভিতৰতে মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হৈছিল আৰু ইয়াৰ লগতে মোৰ বিভাগৰ সৈতে জড়িত খেল সমূহৰ যোগেদি দায়িত্ব গ্ৰহণ কৰিছিলো। মহাবিদ্যালয়ৰ মুখ্য ক্ৰীড়া বিভাগৰ সকলোবোৰ প্ৰতিযোগিতা সুচাৰুৰূপে পালন কৰিবলৈ সদায় চেষ্টা কৰিছিলো।

ইয়াৰ সাত-আঠ মাহৰ পিছত আন্তঃ মহাবিদ্যালয়ৰ ফুটবল-ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হয়। আৰু মহাবিদ্যালয়ৰ দল কেইটিয়ে ইয়াত অংশ গ্ৰহণ কৰে।

শেষত মোৰ পূজনীয় শিক্ষাগুৰুসকলে যি ধৰণে দিহা পৰামৰ্শ আগবঢ়ালে তাৰ বাবে তেখেত সকললৈ মোৰ শ্ৰদ্ধা প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু ইয়াতে মহাবিদ্যালয় খনিৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ বিভাগৰ এবছৰীয়া কাৰ্যকালৰ সামৰণি মাৰিলোঁ "জয়তু ডিব্ৰু-মহাবিদ্যালয়।জয়তু ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

বিতোপন দেউৰী
মুখ্য খেল বিভাগৰ সম্পাদক










संस्कृत दिवस उदयापन समारोह:
डिब्रु महाविद्यालय:



